ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



सत्यमेव जयते

OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE THIRTEENTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA

WINTER SESSION

NO. 5

Dated, the 20th December, 2013

Price : 424/-

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

FRIDAY, THE 20TH DECEMBER, 2013

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 81. Hon'ble Member Sri Pallab Lochan Das.

বিষয় ঃ মহলৰ নিবিদা।

শ্রীপল্লৱ লোচন দাসে সুধিছে ঃ

*৮১। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২৫-০৯-২০১৩ তাৰিখে শোণিতপুৰ East Division বিশ্বনাথ চাৰিআলিৰ DFO অফিচত শিল-বালি মহলৰ নিবিদা গ্রহণ কৰা হৈছিল আৰু সেই নিবিদাসমূহ সেইদিনা মুকলি কৰা হৈছিল, সেই সময়ত Missing Autonomus Councilৰ নির্বাচনৰ Model code of Conduct লাগু আছিলনে?

(খ) যদি লাগু আছিল, তেন্তে নিবিদাসমূহ কিয় ৰাইজৰ মাজত মুকলি কৰা হৈছিল?

(গ) সেই নিবিদাসমূহ মুকলি কৰাৰ বাবে Missing Autonomus Councilৰ Model code of Conduct ভংগ কৰা হোৱা নাইনে?

(ঘ) যদি ভংগ হৈছে, তেন্তে সেই মহলসমূহ পুনৰ নিবিদাৰ বাবে আহ্বান কৰাৰ ব্যৱস্থা কৰিবনে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) ২৫-০৯-২০১৩ তাৰিখে পূব শোণিতপুৰ বন সংমণ্ডলৰ কার্যালয়ত নিবিদা গ্রহণ কৰি মুকলি কৰা হয়। নিবিদা গ্রহণ কৰা তাৰিখত Missing Autonoumous Council ৰ অন্তর্ভুক্ত নির্দিষ্ট এলেকাত Model Code of Conduct জাৰি কৰা হৈছিল যদিও গহপুৰ আৰু বিশ্বনাথ মহকুমাৰ অন্তর্গত এলেকাৰ শিল, বালি, মাটি, মহলসমূহ Missing Autonomous Councilৰ অন্তর্গত একেলসমূহ অন্তর্ভুক্ত নোহোৱাৰ বাবে নিবিদাসমূহ মুকলি কৰি হৈছিল।

(গ) ভংগ কৰা হোৱা নাই।

(ঘ) প্রশ্ন নুঠে।

* **শ্রীজয়ন্ত মল্ল বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা উত্তৰ ঠিকেই পোৱা হৈছে, কিন্তু তেখেতক অনুৰোধ জনাব বিচাৰিছো যাতে তাত পুনৰ নিবিদা আহ্বানৰ ব্যৱস্থা কৰে ।

* **শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন মন্ত্রী) ঃ** মাননীয়, অধ্যক্ষ মহোদয় মাননীয় বিধায়কগৰাকীয়ে বিচৰা ধৰণে তাত পুনৰ নিবিদা আহ্বান কৰাৰ ক্ষেত্রত কিছুমান অসুবিধা আছে। যিহেতু তেখেতে অনুৰোধ কৰিছে, গতিকে আমি তাত পুনৰ নিবিদা আহ্বান কৰিব পাৰি নে নোৱাৰি বিবেচনা কৰি চাম।

Mr. Speaker : Now starred question no. 82 Hon'ble Member, Shri Moin Uddin Ahmed.

বিষয় ঃ ঠিকাভিত্তিক নিযুক্তি নিয়মীয়াকৰণ।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

* ৮২। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে, পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ অধীনত MGNREGAৰ আঁচনি ৰূপায়ণৰ বাবে ২০০৭ চনৰ পৰা GRS.Account Asstt. Computer Asstt. আৰু Accredited Engr. আদি পদত হেজাৰ হেজাৰ নিবনুৱাক নিযুক্তি দিয়া হৈছিল?

(খ) যদি অৱগত, তেন্তে উক্ত পদসমূহ নিয়মীয়া কৰাৰ বাবে চৰকাৰে কিবা পদক্ষেপ লৈছেনে?

(গ) এইটো সত্যনে, বর্তমান বিভাগীয় এক জাননীত প্রকাশ পোৱা মতে পঞ্চায়তত যি ৯ ধৰণৰ নিয়মীয়া পদ উল্লেখ কৰা হৈছে, তাত উক্ত কোনো পদৰ নাম উল্লেখ নাই?

(ঘ) যদি সত্য, তেন্তে চৰকাৰে উক্ত পদসমূহত বহু বছৰ ধৰি কর্মৰত যুৱক-যুৱতীসকলৰ ভৱিষ্যতৰ প্রতি লক্ষ্য ৰাখি পদসমূহ নিয়মীয়াকৰণ কৰি তেখেতসকলক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮-০৯ বিত্তীয় বর্ষৰ পৰা ঠিকা ভিত্তিক MGNREGAৰ অধীনত GRS, Account Asstt. Computer Asstt. আৰু Accredited Engineer নিয়োগ কৰা হৈছে।

(খ) এই পদসমূহ MGNREGA আঁচনিখন সুচাৰুৰূপে ৰূপায়িত কৰিবৰ

ৰাবে সৃষ্টি কৰা হৈছিল আৰু এই পদসমূহ সম্পূৰ্ণ অস্থায়ী আৰু ঠিকাভিত্তিক। গতিকে এই পদসমূহ নিয়মীয়া কৰাৰ কোনো পদক্ষেপ বৰ্তমানলৈ চৰকাৰে গ্ৰহণ কৰা নাই।

(গ) হয়, সত্য।

(ঘ) এই বিষয়ে বৰ্তমানলৈ বিবেচনা কৰা হোৱা নাই।

* **শ্ৰীমইন উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ২০০৮-০৯ বিত্তীয় বৰ্ষৰ পৰা ঠিকা ভিত্তিক হিচাপে এম জি এনৰেগাৰ অধীনত জি আৰ এছ একাউণ্ট এচিষ্টেণ্ট, কম্পিউটাৰ এচিষ্টেণ্ট আদি পদত বহুতো যুৱক-যুৱতী নিযুক্তি দিয়া হৈছিল। তেওঁলোকে অতি নিষ্ঠাসহকাৰে পাঁচ বছৰতকৈও অধিককাল কাম কৰি আছে। তেওঁলোকৰ কাম-কাজত পাৰদৰ্শিতা আছে। তেওঁলোকে অতি নিম্ন হাৰত মজুৰীত কাম কৰি আছে। জানিব পৰা মতে তেওঁলোকক দৈনিক মজুৰী ১৫০ টকা দিয়া হয়। তেওঁলোকে বিয়া-বাৰু কৰাই এতিয়া সাংসাৰিক হৈছে। গতিকে মানৱতাৰ খাতিৰত অগ্ৰাধিকাৰ ভিত্তিত তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্যগৰাকীয়ে এম জি এনৰেগাৰ অধীনত যিবিলাক লোকৰ অস্থায়ী পদত অস্থায়ী ভিত্তিত নিযুক্তি দিয়া হৈছে, তেখেতসকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ কাৰণে অনুৰোধ জনাইছে। কিন্তু এইক্ষেত্ৰত কিছু অসুবিধা আছে। কাৰণ এম জি এনৰেগা আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ অধীনত। এই আঁচনিখন অসমৰ উপৰিও গোটেই ভাৰততে চলি আছে। এম জি এনৰেগাৰ আঁচনিত তেখেতসকলক ঠিকাভিত্তিক নিযুক্ত দিয়াৰ সময়ত তেখেতসকলৰ লগত চুক্তি কৰা হৈছিল, যাতে তেখেতসকলে এই ক্ষেত্ৰত ভৱিষ্যতে কোনো আপত্তি কৰিব নোৱাৰে। তথাপিও মই মই বিভাগৰ, প্ৰিন্সিপাল ছেক্ৰেটাৰী, আয়ুক্ত আদি উচ্চ পদস্থ বিষয়াৰ লগত আলোচনা কৰিছো যাতে মানৱতাৰ খাতিৰক তেখেতসকলৰ চাকৰি নিয়মীয়া কৰিব পৰা যায়।

---

* Speech not corrected

* শ্রীমইন উদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়; মন্ত্রী মহোদয়ক ধন্যবাদ জনাম যদি তেখেতে মানৱতাৰ খাতিৰত এম, জি, এনৰেগা আঁচনিৰ অধীনত অস্থায়ী ভিত্তিত নিযুক্তি দিয়া যুৱক-যুৱতীসকলৰ চাকৰী নিয়মীয়া কৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। শিক্ষা বিভাগৰ অধীনত টেট শিক্ষকৰ চাকৰী বিলাকৰ নিচিনাকৈ গ্ৰামোন্নয়ন বিভাগৰ অধীনত অস্থায়ী ভিত্তিত নিযুক্তি দিয়া উক্ত পদ বিলাকো নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়।

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে এম,জি, এনৰেগা এক্টখন সম্পূৰ্ণ ভাৰত চৰকাৰৰ অধীনত। গতিকে এই ক্ষেত্ৰত আমাৰ বিভাগৰ কিছু অসুবিধা নথকা নহয়। তথাপি তেখেতসকলৰ এই অনিয়মীয়া চৰকাৰীবিলাক কেনেকৈ নিয়মীয়া কৰিব পাৰি সেইটো চেষ্টা কৰি চোৱা হ'ব।

* শ্রীমইন উদ্দিন আহমেদ ঃ মাননীয় মন্ত্রী মহোদয়ক মই ধন্যবাদ জনাইছো। ইতিমধ্যে কথাখিনি বহুতবাৰ আলোচনা কৰিছে তথাপিও মই অনুৰোধ কৰিব বিচাৰিছো শিক্ষা বিভাগৰ দৰে ইয়াত প্ৰথমে ঠিকা ভিত্তিত নিযুক্তি দি তাৰ পিছত যিখিনিক অগ্ৰাধিকাৰ দিব পৰা যায় সেইখিনিক যাতে বিভাগৰ লগত যোগাযোগ কৰি ৰেগুলাৰ নিযুক্তি দিব পৰা যায় নেকি? এই সম্পৰ্কে মন্ত্রী মহোদয়ে ক'ব নেকি?

* শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ ঠিকা ভিত্তিত নিযুক্তি পোৱা সৱহখিনিয়েই দুখীয়া। সেইসকলক স্থায়ীভাৱে মকৰল কৰাৰ ক্ষেত্ৰত মোৰ কোনো আপত্তি নাই। যিহেতু তেওঁলোকৰ বয়সৰ এটা কথা আছে। তেওঁলোকৰ অৱস্থাৰ কাৰণে কিবা ৰেহাই দি পোষ্ট ওলালেই নিযুক্তি দিবলৈ আমি প্ৰস্তাৱ আগবঢ়াইছো।

* শ্রীআব্দুৰ ৰহিম খান ঃ মন্ত্রী মহোদয়ে কোৱাৰ দৰে তেওঁলোকৰ পে ষ্টবিলাক নিয়মীয়াকৰণ কৰিব পৰা যায় নেকি? আৰু তেওঁলোকক ৰেগুলাৰ কৰাকৈ নতুনকৈ এপইন্টমেন্ট দিয়াৰ তাৰ কিবা ব্যৱস্থা কৰিছে নেকি?

মাননীয় অধ্যক্ষ ঃ এইখিনি কথাকেই আগতে কোৱা হৈছে।

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় এইটো নিশ্চয় গোটেই ভাৰতবর্ষত ৬শতাংশ ৰখা হৈছে। শতকৰা ৬ৰ পৰা ৮শতাংশ কৰিব কাৰণে আমি কেন্দ্রীয় চৰকাৰক অনুৰোধ কৰিছো। এম,জি,এন,আৰ,ই,জি, এ ক যদি ৬শতাংশ দিয়া হয় বাকী অধ্যক্ষ মহোদয় গোটেই অসমত ১৭-১৮হাজাৰ গাওঁ পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগত বিকেন্দ্রীকৰণ কৰিবৰ কাৰণে দৰকাৰ হয় তেতিয়া পঞ্চায়তত ২৯ হাজাৰ দিব লগা হয়। গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তৰ কাম জিলা প্রশাসনে লবৰ কাৰণে কোৱা হৈছে। গতিকে মানুহক এই কথাবিলাক বুজাই দিয়া জটিল। আমি সহানুভূতিৰে এই কথাবিলাক পাতিম। মুঠতে এই গোটেই প্রক্রিয়াটো জটিল।

* শ্রীকমলেখ্য দে পুৰকায়স্থ ঃ যোৱা ২২ তাৰিখে বৰাক ভেলীত এখন মিটিন পাতি তাত মন্ত্রী মহোদয়ে কৈছিল যে তাত কম্পিউটাৰ এচিষ্টেন্ট যিমান আছে তেওঁলোকক ৰেগুলাৰ কৰিম বুলি। কিন্তু কৰিমগঞ্জ, শিলচৰত দুখীয়া লোকৰ অৱস্থা দেখিলে তাত এনেকুৱা পৰিস্থিতি হৈছে তাত পঞ্চায়ত বন্ধ হৈ যাব।

* শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে কোৱা কথাটো সত্য। লিষ্ট বনাওতে তলৰ পৰা একেবাৰে ওপৰলৈ নিবলৈ কৈছে কিন্তু গোটেই ৬শতাংশ দিব পৰা নহ'ব।

বাকী কাম গ্রামোন্নয়ণ বিভাগৰ এম,জি,এন,আৰ,ই,জি,এ আঁচনিৰ কাম ৰূপায়ণ কৰিবলৈ ওৰ্ৱাড ওৱাইজ নির্দ্দেশ দিছো। তেতিয়া কামবিলাক সোনকালে সমাধান হ'ব। এইটো একেদিনাই নহ'ব। পর্যায়ক্রমেহে কৰিব পৰা হ'ব।

Mr. Speaker : Now, Starred Question No. 83. Hon'ble Member, Sri Aminul Islam.

বিষয় ঃ নতুন ব্লক গঠন।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

---

* Speech not corrected

* ৮৩। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৈৰাবাৰী ব্লকৰ ১১খন গাওঁ পঞ্চায়ত মৰিগাওঁ জিলাত আৰু ৬ খন গাওঁ পঞ্চায়ত নগাওঁ জিলাৰ অন্তৰ্গত হয়নে?

(খ) নগাওঁ জিলাৰ অন্তৰ্গত ৬খন গাওঁ পঞ্চায়ত আৰু ধিং সমষ্টিৰ অন্তৰ্গত বটদ্ৰৱা ব্লকৰ দুখন গাওঁ পঞ্চায়ত সামৰি (মুঠ ৮খন গাওঁ পঞ্চায়ত) লৈ 'ধিং উন্নয়ন খণ্ড' নামৰ এটা নতুন ব্লক গঠনৰ প্ৰস্তাৱ চৰকাৰে পাইছেনে?

(গ) জুৰীয়া উন্নয়ন খণ্ড অতি বৃহৎ আৰু ইয়াৰ ২২ খন গাঁও পঞ্চায়তৰ ভিতৰত ধিং সমষ্টিৰ অন্তৰ্গত ১০ খন গাঁও পঞ্চায়তক লৈ "দগাওঁ উন্নয়ন খণ্ড" নামৰ এটা নতুন ব্লক গঠনৰ প্ৰস্তাৱ চৰকাৰে পাইছেনে?

(ঘ) প্ৰস্তাৱিত নতুন ব্লক দুটাৰ অন্তৰ্গত থকা গাওঁ পঞ্চায়তসমূহৰ নাম কি কি? এই ক্ষেত্ৰত চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) পোৱা হোৱা নাই।

(গ) পোৱা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

* **শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয় মৈৰাবাৰী ব্লকৰ ১১ খন গাঁও পঞ্চায়ত আৰু মৰিগাওঁ জিলাত ৬খন গাওঁ পঞ্চায়ত আছে সেইকেইখন নগাওঁ জিলাৰ অন্তৰ্গত হয়নে নহয় এইটো খেলিমেলি কৰি আছে। এম,জি,এন,আৰ,ই,জি, এ আচঁনি ৰূপায়ণৰ ক্ষেত্ৰত মন্ত্রীমহোদয়ে পঞ্চায়তসমূহৰ লগত যোগাযোগ কৰিছে নেকি? এই বিষয়ে ডি,চিক সুধিলে নাজানো বুলি কয়।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় সদস্যজনক ধন্যবাদ জনাই তেওঁ যি প্ৰস্তাৱ উৎথাপন কৰিছে তাত মই কৈছো যে ধিং ব্লকত ২-৩ টা সমষ্টি আছে। কোনোবাটো ব্লকত ২টা বা কোনোবাটোত ৩টা সমষ্টি আছে। গোটেই অসমত বহুত ব্লক আছে। গোটেই ব্লক বিলাকৰ সমস্যা বিলাক সমাধানৰ কাৰণে ধাৰ্য্য কৰা, কেনে ধৰণৰ কাম কাজ হৈছে

এইবিলাক চাবৰ কাৰণে জিলা উপায়ুক্তক দায়িত্ব দিয়া হৈছে আৰু এই কাম বিলাক চাবৰ বাবে পঞ্চায়ত মেম্বাৰ আছে এম.এল.এ আছে সমাজ সেৱক আছে সকলোৰে লগত কথা পাতি সামাধান কৰিবলৈ কেনেদৰে সুবিধা হ'ব আমাৰ প্ৰস্তাৱ দিয়ক। গোটেই ব্লকত বি,ডি, অ নাই ২১৯টা ব্লকৰ ভিতৰত ৭৩টা ব্লকত বি,ডি,অ নাই। ব্লকবিলাকত এতিয়াও পদ খালী হৈ আছে সেইবিলাক পূৰণ কৰিবলৈ আমি চেষ্টা কৰি আছো।

Mr. Speaker : Now, Starred Question No. 84. Hon'ble Member, Sri Monowar Hussain.

বিষয় ঃ বয়ন শিল্পৰ বিকাশ।

শ্ৰীমনোৱাৰ হুছেইনে সুধিছে ঃ

*৮৪। মাননীয় হস্ততাঁত, বস্ত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৱা ৫ বছৰত 'মুখ্যমন্ত্ৰী বয়ন জ্যোতি' আৰু 'মুখ্যমন্ত্ৰী বিকাশ যোজনা' আঁচনিৰ অধীনত কিমানজন হিতাধিকাৰীক কিমান টকাৰ সূতা আৰু অন্যান্য সা-জুলি বিতৰণ কৰা হ'ল? (জিলা ভিত্তিত হিতাধিকাৰীৰ নামেৰে সৈতে বিতৰণ কৰা সূতা, সা-সামগ্ৰীৰ বিতং তথ্য সদনত দাখিল কৰিব)

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

যোৱা ৫ বছৰত 'মুখ্যমন্ত্ৰী বয়ন জ্যোতি' আঁচনিৰ অধীনত কোনো ধৰণৰ অনুদান বিতৰণ কৰা নাই। "মুখ্যমন্ত্ৰীৰ অসম বিকাশ" যোজনাৰ অধীনত যোৱা ৫বছৰত বিতৰণ কৰা সূতা আৰু অন্যান্য সামগ্ৰীৰ তথ্য তলত উল্লেখ কৰা হ'ল ।

সামগ্ৰীৰ নাম	বৰ্ষ	হিতাধিকাৰীৰ সংখ্যা	টকাৰ পৰিমাণ (কোটিৰ হিচাবত)
সূতা	২০০৮-০৯ বৰ্ষৰ পৰা ২০১২-১৩বৰ্ষলৈ	১৪,০১,২০৭গৰাকী	১০৮.৫৩৮৪
কম্বল	ঐ	২৪;৫৩,৫৪৬গৰাকী	৪৩.৩৪৫২

মুঠ ৩৮,৫৪,৭৫৩ গৰাকী হিতাধিকাৰীৰ তালিকা অসমৰ বিভিন্ন মহকুমা পর্য্যায়ৰ কার্য্যালয়ৰ পৰা সংগ্রহ কৰি থকা হৈছে।

* শ্রীমনোৱাৰ হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ গাওঁ অঞ্চলত বিশেষকৈ হস্ততাঁত বস্ত্র শিল্পৰ অধীনত সূতা আৰু অন্যান্য সা-সজুলী বিতৰণৰ যিটো আছে আৰু আমাৰ অফিচবোৰত কাম হয়নে নহয় আমি বিধায়ক সকলে একো গমেই নাপাওঁ। মাননীয় মন্ত্রী মহোদয়াই যোৱা ৫বছৰত মুখ্যমন্ত্রী বয়নজ্যোতি আচঁনিৰ অধীনত কোনো ধৰণৰ অনুদান বিতৰণ কৰা হোৱা নাই। কিন্তু মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনাৰ অধীনত যোৱা ৫ বছৰত সূতা ১০৮.৫৩৮৪ কোটি টকা আৰু কম্বল বিতৰণ কৰা হৈছে ৪৩.৩৪৫২ কোটি টকা। বস্তুবোৰ বিতৰণ কৰোতে প্রত্যেক হিতাধিকাৰীয়ে পাইছেনে নাই। কেতিয়াবা দেখা পাওঁ যে বস্তুবোৰ লৈ গৈ আছে অথচ আমি গমেই পোৱা নাই। কেতিয়াবা প্রকৃত হিতাধিকাৰীয়ে পোৱা নাই বুলি ওজৰ-আপত্তি কৰা দেখা যায়। বিতৰণৰ সময়ত বিধায়ক সকলক লগত লৈ কৰিলে আসোৱাহ সমূহ বন্ধ হ'ব। গতিকে মই অনুৰোধ কৰিম যে অহা দিনৰোৰত যাতে বিধায়কসকলক লৈ এখন কমিটি গঠন কৰি দিয়ে।

* শ্রীমতী প্রনতি ফুকন (মন্ত্রী, হস্ততাঁত আৰু বয়ন শিল্প) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে হয়তো ভালকৈ চোৱা নাই। উত্তৰত দিছো যে ২০০৮চনৰ পৰা ১শ ৮কোটি টেৰান্ন লাখ টকাৰ সূতা বিতৰণ কৰা হৈছে। সূতা আৰু কম্বল জিলা ভিত্তিত দিয়া হয়। বিধায়ক সকলক লগত লৈ কমিটি গঠন কৰি দিছো।

* শ্রী ভূপেন বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এটা কথা কব বিচাৰিছো। অলপতে মই গাৱঁলৈ গৈছিলো। তাত তেতিয়া মানুহ বিলাকে মোক সুধিছিল প্রণৱ গগৈ চাৰে আমাক পাহৰিলে নেকি। চাৰে মন্ত্রী থাকোতে আমাক ধুনীয়া ধুনীয়া কম্বল দিছিল। আজিকালি নিদিয়ে নেকি? নে উম কমি গৈছে। মই কলো আজি কালি গগৈ চাৰ নাই প্রণতি বাইদেউ আছে। মই বিধান সভাত

* Speech not corrected

কথাটো এই কাৰণেই কৈছে গাৱঁৰ বাইজে বাইদেউৰ পৰা কম্বল আশা কৰিছে।

* শ্রীমতী প্রণতি ফুকন (মন্ত্রী) ঃ নিশ্চয় আছে। আমি কম্বল দিয়াৰ বাবে প্রস্তুতি চলাইছো। গাঁৱতেই হওক বাগিচাতেই হওঁক চহৰৰ দুখীয়া লোক সকলকো আমি কম্বল দিব পাৰিম। এতিয়া সময় আহি পৰিছে।

* শ্রীভূপেন বৰা ঃ এইবাৰ আমাৰ চাপ্লিমেন্টৰী ডিমান্ডত ৫০ কোটি টকা ধৰা হৈছে। ২৫কোটি নন প্লেনত আৰু ২৫কোটি প্লেনত। Shri Tanka Bahadur Rai (Minister) : Supplementary demand Rs. 25crores (Plan) and Rs.25crores (Non-Plan) total Rs.50crores has gives for purchasing kambal.

* শ্রীমতী গুল আখতাৰা বেগম ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখিনি উত্তৰ পাইছো সেইখিনিত মই সন্তুষ্ট হ'ব পৰা নাই। শিপিনিসকলৰ মাজত কোনো উৎসাহ দেখিবলৈ পোৱা নাই। আমাৰ অসমীয়া সংস্কৃতিৰ ক্ষেত্রত যথেষ্ট কৰিছে। অসমীয়া শিপিনি সকলৰ সংস্কৃতি যিমাননে উন্নতি হ'ব লাগিছিল সেইখিনি হোৱা নাই। বয়নজ্যোতি আচঁনিৰ অধীনত সূতা আদি যোগান ধৰা হয়। শিপিনিসকলক কাম কৰাৰ কাৰণে তাঁতশাল দিয়াৰো ব্যৱস্থা কৰিব লাগে।

* শ্রীআব্দুৰ ৰহিম খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়াই কোৱা মতে ২০০৬ চনত চিঠি দিছিলো সেই চিঠিৰ বিষয় সম্পর্কে কোৱা হৈছিল যে এন জি অ বিছৰা হৈছিল। কিন্তু এন জি অৰ নাম দিয়াৰ পাছতোঁকোনো কাম নিদিলে। স্বনিয়োজন ঋণদান আদিৰ অধীনত কাম আৰম্ভ কৰা হ'ব। কেতিয়া দিয়া হ'ব? মাননীয় অধ্যক্ষ মহোদয় কাগজখন ভালকৈ পঢ়িলে গম পাব এন জি অৰ নাম কিয় বিচৰা হৈছে। ট্রেইনিং কৰা কাৰণে বিচৰা হৈছে। এগ্রিকালচাৰেল চেক্টৰ ডেভেল্পমেন্টত আমি এই বিষয়ে যোগাযোগ কৰিছো। সমষ্টিৰ বিধায়ক সকলৰ পৰা বিচৰা হৈছে কিন্তু কাৰো পৰা পোৱা নাই।

* ডাঃ দুর্লভ চমুৰা ঃ মই আপোনাক ধন্যবাদ দিছো বিকাশ যোজনাৰ যোগেদি

* Speech not corrected

অর্থনৈতিক আঁচনিত কম্বল দিয়াৰ কিবা ব্যৱস্থা লৈছে নেকি যদি আচঁনি লোৱা হোৱা নাই, লব নেকি?

* শ্রীমতী প্রণতি ফুকন (মন্ত্রী) ঃ কম্বলৰ আচঁনি মোৰ হাতত নাই ল'ব পাৰিলে ভাল। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ চাপ্লিমেন্টৰী বাজেটত ২৫কোটি ননপ্লেন আৰু ২৫কোটি এচ ডি ধৰিছো। সূতাৰ কাৰণে।

মাননীয় অধ্যক্ষ ঃ মন্ত্রী ডাঙৰীয়া আপোনাৰ জ্ঞাতার্থে এটা কথা কব বিচাৰিছো। গ্রাম্য জীৱনৰ অর্থনীতিত দুটা বিভাগ আছে। পশুপালন আৰু বস্ত্র বিভাগ। ইমান কমকৈ বাজেটতৰ টকা ধৰা হয় যে সূতা কম্বল মই ধৰাই নাই গ্রাম্য অর্থনীতিত এই টকা একোৱেই নহয়।

Shri Tanka Bahadur Rai (Minister) : I will keep in mind.

Mr. Speaker : Now, Starred Question No. 85, Hon'ble Member, Shri Sirajuddin Ajmal.

Mr. Speaker : Now, Starred Question No. 85, Hon'ble Member, Shri Sirajuddin Ajmal.

Sub: No. of Veterinary Hospitals.

Shri Sirajuddin Ajmal asked :

*85. Will the Minister of Animal Husbandry & Veterinary be pleased to state:

(a) How many Veterinary Hospitals and Sub-Centres are rendering regular public services as on to day under Hojai Sub-Division? (Give the List of Doctors and othe staffs engaged in these hospitals in details)

(b) What schemes have been implemented under these hospitals & Sub-Centres at the moment ? (Give details about the scheme and utilization of fund per scheme-

* Speech not corrected

wise for current year)

(c) How many Dispensary, Hospitals and Sub-Centres have been constructed by the Veterinary Department during the last 10 (ten) years in Jamunamukh LAC?

Shri Khorsing Engti (Minister of Animal Husbandry & Veterinary) replied :

(a) There are 1:3 Nos. of Veterinary Hospitals/Dispensaries and 18 Nos. Sub-Centres at rendering public service under Hojai Sub-Division.

The list of Doctors and other staffs are enclosed at Annexure-I.

(See Annexure-I)

(b) The name of the Scheme and utilisation of fund per scheme for current year is enclosed at Annexure-II. (See Annexure-II)

(c) One State Veterinary Dispensary has been re-constructed under the Scheme of Establishment & Strengthening of Veterinary Hospitals & Dispensaries. (ESVHD) in the year 2010-11.

* **Shri Sirajuddin Ajmal** : First of all I will appriciate you. I beg yo u inform through you sir, In my Jamunamukh LAC.there are several Veterinary Hospital but 90% of the hospital are delepidated condition. There is no Doctor in most of the Hospital, no staff quarter no attandence. Pepole are taking medicine for regular dispensary. Honble Speaker sir, I would like to know from Honble Veterinary Minister whether such situation will be stopped in the A.H. Vety Department what

* Speech not corrected

has been done by the Govt. for development of the Department.

* শ্রীনীলমনি সেন ডেকা (সংসদীয় পৰিক্রমা মন্ত্রী মহোদয়) ঃ মানীয় অধ্যক্ষ মহোদয় আমি তেওঁলোক সমষ্টিৰ কেইটামান বিষয় আলোচনা কৰিবলৈ ওলাইছো। যমুনা মুখৰ কথাটো হ'ল অসমত ৫শ চয়শটা প্রশ্ন উঠে। ১২৫১প্রশ্ন নাই। ইতিমধ্যে এ.পি.এচ.চিয়ে হাইকোর্ট কৰিছে। ইয়াৰোপৰি ভাল এছিষ্টেন্ট দি ১৫টা প্রশ্নৰ ইতিমধ্যে ইন্টাৰভিউ লোৱা হৈ গৈছে।

Shri Sirajuddin Ajmal : Sir , Assam is an agrerian state. Most of the pepole of our state are agriculturists. so, I like to request the goverment through you sir this department should be given importace.

শ্রীআমিনুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত বহুত পশু চিকিৎসা কেন্দ্র আছে সেই চিকিৎসা কেন্দ্র সমূহত ভাল ডাক্তৰ নাই। গাওঁৰ ভিতৰুৱা অঞ্চলত এতিয়াও কোনো ধৰণৰ ব্যৱস্থা নাই। কোনো ভাল বিল্ডিঙ নাই। যি আগৰ আছিল সেই বিল্ডিঙবোৰ পুৰণা হৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়ে আগৰ বিধান সভাত প্রশ্ন কৰিছিল। আজি বিভাগীয় বিভিন্ন ডিপাটমেন্টৰ পৰা কোনো উত্তৰ পোৱা নাই। সেইখিনি উত্তৰ কোনে দিব? সেইখিনিৰ উত্তৰ মই মন্ত্রী মহোদয়ৰ পৰা বিচাৰিছো। কিমান যিবিলাক কন্সট্রাকচন হৈছে আৰু যিবিলাকত নহয় হস্পিতাল হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। বিভাগীয় ডিপার্টমেন্টৰ কাম আছে। তাত প্লেন কমিচনে এই বিষয়ে সহায় কৰিব বুলি আশা কৰিছো। ভেটেৰিনাৰী ডিপার্টমেন্টৰ কথা আহিছে। ভেটেৰিনাৰী ডিপার্টমেন্টৰ অৱস্থা কি হ'ব পাৰে। ইয়াত অসমৰ এই গৰু-ছাগলীৰ কনট্রেক কৰাৰ ব্যৱস্থা নাথাকে। অসমত ২২খন হস্পিতাল থকা বুলি কৈছে। সেই পয্যায়ে ডাক্তৰ আছে। পর্য্যাপ্ত নহয়।

* শ্রীনীলমনি সেন ডেকা (মন্ত্রী) ঃ মাননীয় মন্ত্রীমহোদয়ৰ পৰা জানিব পাৰিহো কামৰ

বিশেষ শতিয়ান দিব পৰা নাই। বি.ডি.অই ব্লকত কমিটি গঠনৰ কাৰণে কিমান প্ৰয়োজন। ইয়াত অচল অৱস্থা হয়। গতিকে অধ্যক্ষ মহোদয় আমি এ.পি.এচচিক ৰিকুৱেষ্ট কৰিছো। ইন্টাৰভিউৰ যিবিলাক কথা কৈছে সেইটো ৰৰপেটাত নহয়। অসমৰ সকলো ঠাইত ডাক্তৰৰ অভাৱ।

Mr. Speaker : Now, Starred Question No. 86, Hon'ble Member, Shri Sherman Ali Ahmed.

Sub : IAY houses.

*86. Will the Minister of P&RD be pleased to state:

(a) How many IAY houses were allotted and how many were sanctioned/released by the Govt. of India to Assam during the F.Y. 2009-10, 2010-11, 2011-12, 2012-13 & 2013-14 ? (Financial Year wise detailed list may be furnished. Copies of letter of allotment & sanction/release order of the Govt. of India may also kindly be furnished).

(b) What amount of fund for construction of how many IAY houses have been sanctioned/released by the Govt. of Assam for the above Financial Years ? (Copies of all the sanction-letters of Govt. of Assam may kindly be furnished)

(c) How many of the IAY houses have been actually constructed during the above Financial Years? (District wise & LAC wise detailed particulars regarding No. of IAY houses sanctioned vis-a-vis IAY houses constructed may be furnished)

(d) Whether Utilisation Certificates have been submitted in time to the Govt. of India? (Copies of all the Utilisation

Certificates Submitted to the Govt. of India may kindly be furnished)

(e) Is it true that a huge amount of fund for Construction of a large No. of IAY houses allotted to Govt. of Assam by the Govt. of India have lapsed during the aforesaid financial years due to non-sanction and hence non-submission of Utilisation Certificates in time by the Govt. of Assam?

(f) If answer to above question (e) is yes, why such situation could occur? Would the Govt. be pleased to fix responsibility and punish the guilty for such a great loss t<? a backward State like Assam?

(g) If answer to above Question (e) is no, please justify?

Sri Rokybul Hussain (Minister of Panchayat & Rural Development Department) replied :

(a) The financial year wise allotment sanctioned / released of IAY houses by the Central Govt. in respect of all districts of Assam is shown at Annexure -I. (See Annexure-III)

(b) The fund for construction of IAY houses sanctioned / released by the State Government for all districts is shown at Annexure - II. (See Annexure-IV)

(e) The District-wise detailed particulars regarding sanctioned and construction of IAY houses is shown at Annexure -III. (See Annexure-V)

(d) The submission of the utilization certificates are an ongoing exercise taken up by districts directly with the

Govt. of 'India. Since the utilization certificates in respect of all the districts for the years 2009-10, 2010-11, 2011-12, 2012-13 are huge in number, therefore, those are being collected from the respective districts.

(e) Fund under IAY is not lapsable and un-utili sed fund of a year gets carried forward to the next year.

(f) & (g) Review of the implementation of programmes/ schemes of P&RD Deptt. takes place at various levels including the Central & State Govt. and accordingly, appropriate action is taken.

* **শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** আই এ ৰাই ঘৰৰ ক্ষেত্ৰত আজি বিধান সভাত তুলুঙা মন্তব্য দিয়া হৈছে। বিভিন্ন সময়ত বিধায়কসকলৰ লগত কোনোধৰণৰ আলোচনা কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। একেটা ক্ৰমিক নম্বৰকে ব্যৱহাৰ কৰি বেলেগ নামৰ পৰিৱৰ্তে বেলেগ নামত আই এ ৰাই ঘৰ দিয়া হৈছে। মই তাৰ এটা উদাহৰণ দিব বিচাৰিছো। যেনে ১২০৬ ৰ নামত হৈছে আইজউদ্দিন, কিন্তু সেই ১২০৬ নামৰ ঠাইত ফুলবৰ আলীৰ নামত কেনেকৈ টকাটো ওলাই আহিল।

মাননীয় অধ্যক্ষ ঃ এইটো হ'ব। এইটো ক'ব নালাগে। মিছএপ্রপ্রিয়েশ্যন হৈ থকাটো আলোচনা হৈছে। ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিপিএল মানুহখিনিক যেতিয়া লিষ্ট কৰা হৈছিল তেতিয়া আমাৰ বিধায়কসকলে জনা নাছিল যে ইয়াৰ জৰিয়তে দুখীয়া মানুহখিনিক ঘৰ দি সহায় কৰিব পৰা যাব। এতিয়া যদি দেখা গৈছে যে এজন মানুহ প্ৰকৃততে আই এ ৰাই ঘৰ পাবলগীয়া, সেই মানুহজনক বেলেগ ক্ৰমিক নম্বৰ হ'লেও দিয়াৰ ব্যৱস্থা কৰা হৈছে। মাননীয় বিধায়কজনে অধ্যক্ষক ৰুলিং দিবলৈ কৈছে এইটো কেনেকুৱা কথা হৈছে। তেওঁ এনেকৈ অধ্যক্ষক ৰুলিং দিবলৈ ক'ব নোৱাৰে। মাননীয় অধ্যক্ষ, মহোদয়, মাননীয়

* Speech not corrected

বিধায়কজনে কোৱাৰ ধৰণে যদি কিবা অভিযোগ আহে আমি তাৰ ব্যৱস্থা ল'ম।

(Streed question No.87 to 100 could not be taken up for disposal as the queation hour was over. However, the said questions deemed to have been laid on the table of the house with replies thereto)

বিষয় ঃ ফৰেষ্ট লেণ্ড বেদখল।

শ্রীশিৱচৰণ বসুমতাৰীয়ে সুধিছে ঃ

* ৮৭। মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে গোৱালপাৰা পূব সমষ্টিৰ অন্তর্গত ময়লা পোটা ফৰেষ্ট লেণ্ডৰ বৃহৎ অঞ্চলত বেদখলকাৰীয়ে ইতিমধ্যে ঘৰ-বাৰী খেতি-বাতি কৰি বেদখল কৰি আছে?

(খ) যদি অৱগত, তেন্তে তেওঁলোক কৰ মানুহ আৰু কেনেকৈ ফৰেষ্টৰ মাটি বেদখল কৰি আছে?

(গ) চৰকাৰে উচিত তদন্ত কৰি বেদখল হোৱা ফৰেষ্টৰ মাটি পুনঃ উদ্ধাৰ কৰাৰ বাবে কিবা বিহীত ব্যৱস্থা হাতত লৈছে নে?

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিৱেশ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ময়লাপোতা ফৰেষ্ট লেণ্ড নামৰ কোনো বনাঞ্চল নাই। ৰাক্ষসিনি প্রস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ময়লাপোতা এলেকাত আৰু অন্যান্য অংশত চৰকাৰীভাৱে বিভিন্ন অনুষ্ঠানৰ কাৰণে ঘৰ আদি আছে আৰু বেদখলকাৰীয়ে যোৱা ১৯৯৭ চনৰ পৰাই বেদখলা কৰাৰ বিষয়ে বন বিভাগ জ্ঞাত।

(খ) বেদখলকাৰীসকল ব্রহ্মপুত্র নদীৰ খহনীয়া অঞ্চলৰ ক্ষতিগ্রস্ত লোক হিচাপে জনা যায়।

(গ) যোৱা ২৫-০৪-২০১২ ইং তাৰিখে ৰাক্ষসিনি প্রস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ময়লাপোতা এলেকাত প্রায় ৬০হে এলেকা উচ্ছেদ কার্য পালন কৰা

হৈছিল। অন্যান্য বেদখলীকৃত এলেকা আৰু পুনৰ বেদখল কৰা এলেকা বেদখলমুক্ত কৰাৰ কাৰণে আইনগত প্ৰশাসনীয় ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ ৰাজহুৱা পুখুৰী ও মীন সমবায় সমিতি।

বিধায়ক ঃ শ্ৰী প্ৰবীণ হাজৰিকাই সুধিছে ঃ

* ৮৮। **মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত চৰকাৰৰ কিমানখন ৰাজহ বিল, খাল, নদ-নদীৰ মহল আছে? (সম্পূৰ্ণ নাম তালিকা আৰু ঠিকনা দিব)

(খ) চৰকাৰে দিয়া মহলসমূহৰ সময়সীমা কেতিয়ালৈ আছে আৰু কাক দিয়া হৈছে?

(গ) ২০০৬ চনৰ পৰা এতিয়ালৈকে চৰকাৰৰ ফালৰ পৰা কিমানজন হিতাধিকাৰীক বিভাগীয় এই আঁচনিৰ সাহায্য দিয়া হৈছিল? (নামসহ তালিকা দিয়াৰ ব্যৱস্থা কৰিব)

(ঘ) নতুন আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত সমষ্টিটো অন্তৰ্ভুক্ত কৰিবনে?

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত চৰকাৰ মুঠতে ২ (দুই) খন মীনমহল আছে। সম্পূৰ্ণ নাম তালিকা আৰু ঠিকনাৰ ক্ষেত্ৰত পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল (See Annexure-VI)

(খ) চৰকাৰে দিয়া মহলসমূহৰ এখনৰ সময়সীমা ০৬/০১/২০০৬ৰ পৰা ০৫/০১/২০১৩লৈ আৰু আন এখনৰ ০৬/০১/২০০৬ৰ পৰা ৩০/১১/২০১৩লৈ ক্ৰমে শ্ৰী সুনিল দেৱান আৰু শ্ৰী কঠিৰাম দাসৰ নামত দিয়া হৈছে। ইয়াৰ সবিশেষ পৰিশিষ্ট 'ক'ত দাঙি ধৰা হৈছে।

(গ) ২০০৬ চনৰ পৰা এতিয়ালৈকে বিশ্বনাথ সমষ্টিত চৰকাৰৰ ফালৰ পৰা ২৬০ (দুশ ষাঠি) জন হিতাধিকাৰীক বিভাগীয় এই আঁচনিৰ সাহায্য দিয়া হৈছে।

পৰিশিষ্ট 'খ'ত নামসহ সবিশেষ তালিকা সংলগ্ন কৰা হ'ল।

(See Annexure-VII)

(ঘ) জিলাখনৰ অন্যান্য বিধান সভাৰ সমষ্টিৰ লগতে বিশ্বনাথ বিধান সভা সমষ্টিকো মীন বিভাগৰ নতুন আঁচনিত অন্তর্ভুক্তৰ বাবে বিবেচনা কৰা হ'ব।

বিষয় ঃ বৃদ্ধ পেঞ্চন।

শ্রী আলী হুছেইনে সুধিছে ঃ

*৮৯। মাননীয় পঞ্চায়ত আৰু গ্রমোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) চৰকাৰ জ্ঞাতনে পঞ্চায়তৰ যোগেদ Oldage Pension কেৱল BPL ৰ পৰিয়ালকে দিব পৰা যায়?

(খ) BPL নথকা কিছু দুখীয়া বুঢ়া মানুহে যাতে এই আঁচনিৰ অন্তর্ভুক্ত হ'ব পাৰে তাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(গ) যদি কৰে, কেতিয়া কৰিব?

শ্রী ৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত ।

(খ) BPL IDনং নথকা কোনো বৃদ্ধ বা বৃদ্ধাক Oldage Pension দিব পৰা নাযায়। বর্তমান ৰাজ্যখনত Socio Economic Caste Census চলি আছে। এই কাম সম্পূর্ণ হ'লে প্রকৃত দুখীয়া লোকে BPL ID নং পাব আৰু তাৰ ওপৰত ভিত্তি কৰি বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

(গ) অসম ৰাজ্যত Socio Economic Caste Census ৰ কাম ক্ষীপ্র গতিত চলাই থকা হৈছে আৰু ২০১৪ বর্ষৰ ৩১ মার্চৰ ভিতৰত এই কাম সম্পূর্ণ হোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

বিষয় ঃ পশু পালন বিভাগৰ আঁচনি

বিধায়ক ঃ শ্রী নৰ কুমাৰ দলেই সুধিছে ঃ

* ৯০। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১১ চনৰ পৰা বর্তমানলৈকে সমগ্র অসমত পশু পালন আৰু পশু চিকিৎসা বিভাগত কি কি আঁচনি গ্রহণ কৰিছে? (প্রতিখন আঁচনিৰ বিপৰীতে ধার্য হোৱা ধন, ৰূপায়ণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰ, কামৰ অগ্রগতি আৰু এই পর্যন্ত ব্যয় হোৱা ধনৰ পৰিমাণ সহ বিতং তথ্য দাখিল কৰিব)।

(খ) ঢকুৰাখনা বিধান সভা সমষ্টিত কিমানখন পশু চিকিৎসালয় আছে? ইয়াৰে কিমানখন সক্রিয় আৰু কিমানখন নিষ্ক্রীয় হৈ আছে? প্রতিখন চিকিৎসালয়ত কিমানসংখ্যক চিকিৎসক তথা চিকিৎসা কর্মীৰ প্রয়োজন? (ঢকুৰাখনা সমষ্টিৰ অধীনস্থ চিকিৎসালয়সমূহৰ প্রতিখনৰ বিপৰীতে থকা কর্মীসকলৰ নাম-ঠিকনা দাখিল কৰিব)

(গ) নিষ্ক্রীয় অৱস্থাত থকা চিকিৎসালয়সমূহৰ কর্মীসকলক ক'ত নিয়োজিত কৰা হৈছে আৰু তেওঁলোকৰ বর্তমানৰ স্থিতি কি?

(ঘ) ঢকুৰাখনা সমষ্টিৰ বিভাগীয় আন্তঃগাঁথনি উন্নয়নৰ বাবে কি ব্যৱস্থা লোৱা হৈছে? (ব্যৱস্থাসমূহৰ বিতং তথ্য আৰু সম্পূর্ণ হোৱা দিন উল্লেখ কৰিব)।

শ্রীখৰছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২০১১ চনৰ পৰা বর্তমানলৈকে সমগ্র অসমত পশুপালন আৰু পশুচিকিৎসা সঞ্চালকালয়ে ৰূপায়ণ কৰা আঁচনিসমূহ নাম, ধার্য কৰা ধন, ৰূপায়ণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰ, কামৰ অগ্রগতি আৰু এইপর্যন্ত ব্যয় হোৱাৰ ধনৰ পৰিমাণৰ বিতং তথ্য Annexure-Iত উল্লেখ কৰ হ'ল। (See Annexure-VIII) আৰু দুগ্ধ উন্নয়ন সঞ্চালকালয়ৰ জৰিয়তে ২০১১ বর্ষৰ পৰা বর্তমান বিত্তীয় বর্ষলৈকে ৰূপায়ণ কৰা আঁচনিসমূহৰ নাম,

ধার্য কৰা ধনৰ পৰিমাণ, ৰূপায়ণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰ, কামৰ অগ্রগতি আৰু এই পর্যন্ত ব্যয় হোৱাৰ ধনৰ পৰিমাণ Annexure-A,B,Cত উল্লেখ কৰা হ'ল। (See Annexure-IX)

(খ) ঢকুৰাখানা বিধান সভা সমষ্টিত মুঠ ৫(পাঁচ)খন পশু চিকিৎসালয় আছে। ইয়াৰে ৪ (চাৰি)খন সক্রিয় আৰু ১(এক)খন নিষ্ক্রীয় হৈ আছে। প্রতিখন ৰাজ্যিক পশু চিকিৎসালয়ত ১জন পশু চিকিৎসক, ২জন পশু চিকিৎসক ক্ষেত্র সহায়ক (V.F.A) আৰু ২জন চতুর্থ শ্রেণীৰ কর্মচাৰীৰ প্রয়োজন।

ঢকুৰাখানা সমষ্টিৰ অধীনস্থ চিকিৎসালয়সমূহৰ প্রতিখনৰ বিপৰীতে থকা কর্মীসকলক নাম (Annexure-II)ত উল্লেখ কৰা হ'ল ।

(See Annexure-x)

(গ) নিষ্ক্রীয় অৱস্থাত থকা মাতমৰা পশু চিকিৎসালয়ৰ কর্মীসকলক তলত দিয়া ধৰণে নিয়োজিত কৰা হৈছে :

চিকিৎসক/কর্মচাৰীৰ নাম, নিয়োজিত হৈ থকা ঠাই

১। ডাঃ চাইনী জর্জ, সহকাৰী পশু চিকিৎসক, পশু স্বাস্থ্য কেন্দ্র, খানাপাৰা।

২। শ্রীবিপুল শইকীয়া (ক্ষেত্র সহায়ক) পশু উন্নয়ন পশু চিকিৎসালয় ঘিলামৰা (বৰদৈপাম পশু স্বাস্থ্য উপকেন্দ্র)।

৩। শ্রীঅমূল্য সূত (পিয়ন), খণ্ড উন্নয়ন পশু চিকিৎসালয়, ঘিলামৰা।

৪। শ্রীৰত্নেশ্বৰ লাগাছু (মালি), ৰাজ্যিক পশু চিকিৎসালয়, ঢকুৰাখনা।

৫। শ্রীদুর্গা দাস (পিয়ন), মাতমৰা ব্যক্তিগত গৃহ পশু চিকিৎসালয়।

৬। শ্রীষষ্ঠীৰঞ্জন দলে, ৪র্থ শ্রেণীৰ কর্মচাৰী, ডিৰপাই গাহৰি পাম, গোগামুখ।

ঘ। পশুপালন আৰু পশু চিকিৎসা সঞ্চালকালয়ে ঢকুৰাখানা সমষ্টিৰ বিভাগীয় আন্তঃগাঁথনি উন্নয়নৰ বাবে তলত দিয়া ধৰণে ব্যৱস্থা লোৱা হৈছে ঃ

ঢকুৰাখানা ৰাজ্যিক পশু চিকিৎসালয়খন বিভাগৰ ফালৰ পৰা নতুনকৈ নির্মাণ কৰা হৈছে। ইতিমধ্যে ২০১২ বর্ষত নির্মাণৰ কাম সম্পূর্ণ

কৰা হৈছে। মাতমৰা ৰাজ্যিক পশু চিকিৎসালয়খন পুনৰ নির্মাণ কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্রীয় কৃষি আৰু গ্রাম্য উন্নয়ন বেংক (NABARD)ৰ গ্রাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি-১৮ Rural Infranstructure Development Fund (RIDF-XVIII)ৰ অধীনত ৬৪.২৮ লাখ টকাৰে পুনৰ নির্মাণৰ বাবে গড়কাপ্টানি বিভাগে প্রাথমিক কামৰ আদেশ (Preliminary work order) দিছে। ৪ মাহৰ ভিতৰত এই কাম সম্পূর্ণ হোৱাৰ সম্ভাৱনা আছে।

দুগ্ধ উন্নয়ন সঞ্চালকালয়ে ঢকুৱাখানা সমষ্টিত আন্তঃগাঁথনি উন্নয়নৰ বাবে লোৱা ব্যৱস্থা Annexure-Dত উল্লেখ কৰা হ'ল।

(See Annexure-XI)

বিষয় ঃ SIRD ঋণ।

ডাঃ দুর্লভ চমুৱাই সুধিছে ঃ

* ৯১। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) SIRD ৰ দ্বাৰা নগাওঁসদৰ সমষ্টিৰ কিমানটা যুটীয়া দায়বদ্ধ গোটক ২০১১-১২, আৰু ২০১২-১৩বর্ষত ৰাজ সাহার্য্য যুক্ত ঋণ দিয়া হৈছে? (এই গোট বোৰৰ নাম, ঠিকনা সহ উন্নয়ন খণ্ড, পঞ্চায়ত পৌৰসভা এলেকা উল্লেখ কৰিব)

(খ) এই গোট সমূহৰ বর্তমান অস্তিত্ব আছেনে?

(গ) যদি আছে, প্রতিটো গোটৰ বিপৰীতে কোন কোন Bank ৰ পৰা কি কি আচঁনিৰ বিপৰীতে ৰাজ সাহার্য্য যুক্ত ঋণ দিয়া হৈছে? (বর্তমানৰ স্থিতি, আচঁনিসহ বিতং তথ্য নাম-ঠিকনা সহ সদনত জনাব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) SIRD ৰ দ্বাৰা নগাঁও সদৰ সমষ্টিত ২০১১-১২বর্ষত ৩৪টা আৰু ২০১২-

১৩বৰ্ষত ৫৭টা যুটীয়া দায়বদ্ধ গোটক ৰাজ সাহায্য যুক্ত ঋণ দিয়া হৈছে। এই গোটবোৰৰ তালিকা নাম ঠিকনা সহ Annexure-A ত সদনত দিয়া হল। (See Annexure - XII)

(খ) যুটীয়া দায়বদ্ধ গোটক বেংক ঋণ দিয়াৰ আগতে অস্তিত্ব চালি জাৰি চায়। অস্তিত্ব থকা গোটকহে বেংক ঋণ, চৰকাৰী ৰাজসাহায্য প্রদান কৰা হয়।

(গ) প্রতিটো গোটে কোন কোন বেংকৰ পৰা কি কি আঁচনিৰ বিপৰীতে ৰাজ সাহায্যযুক্ত ঋণ লাভ কৰিছে তাৰ তালিকা Annexure -A ত দেখুওৱা হৈছে। (Annexure - XII)

বিষয় ঃ গড় হত্যা।

শ্রী উৎপল দত্তই সুধিছে ঃ

* ৯২। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ১০বছৰৰ পৰা আজিৰ তাৰিখলৈ অসমত কিমান সংখ্যক গড় দুস্কৃতিকাৰীৰ হাতত নিধন হ'ল আৰু স্বাভাৱিক ভাৱে মৃত্যু হ'ল ? (বছৰ ভিত্তিত মৃত্যুৰ তথ্য দিব)

(খ) ৰাজ্যখনত গড়ৰ উৎপাদন বছৰি কিমান আৰু যোৱা দহ বছৰত গড় কিমান বৃদ্ধি হ'ল?

(গ) ৰাজ্যিক প্রতীক চিহ্ন গড়ৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে যোৱা দহ বছৰত অত্যাধুনিক কি কি ব্যৱস্থা, আঁচনি, কৌশল আদি লৈছিল? (সবিশেষ জনাব)

(ঘ) চৰকাৰে লোৱা এই আধুনিক ব্যৱস্থা সমূহে গড় নিধন বন্ধ কৰিছেনে?

(ঙ) যোৱা বাজেট অধিৱেশনত ৫-৪-২০১৩ তাৰিখৰ তৰাচিহ্নিত প্রশ্ন নং ৩৩১ৰ এক প্রশ্নোত্তৰত চৰকাৰে বচা বচা দক্ষ বিষয়া-কর্ম্মীসকলক বিভিন্ন দায়িত্ব অর্পণ কৰি গড় তথা কাজিৰঙা ৰাষ্ট্রীয় উদ্যান ৰক্ষাৰ বাবে নিয়োজিত কৰা হৈছে বুলি জনাইছিল সত্যনে, যদি সত্য, এই দক্ষ বিষয়া-কর্মচাৰীয়ে গড়ৰ জীৱন ৰক্ষা কৰিব পাৰিছেনে?

(চ) যদি পৰা নাই, এই সকল বিষয়া-কর্মচাৰীৰ আজি পর্য্যন্ত কোনো এজনকে বদলি নকৰাৰ কাৰণ কি?

(ছ) গড় হত্যাত জড়িত কিমানজন দোষী ব্যক্তিক কি কি শাস্তি বিহা হৈছে? (বিতংকৈ জনাব)

শ্রী ৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা দহ বছৰৰ পৰা বর্তমানলৈকে অসমত মৃত্যু হোৱা গঁড়ৰ সংখ্যা তলত দিয়া ধৰণৰ—

ইংৰাজী বর্ষ	দুস্কৃতিকাৰীৰ দ্বাৰা মৃত্যু	স্বাভাৱিক মৃত্যু
২০০৩	০৬টা	৬৬টা
২০০৪	০৫টা	১০৭টা
২০০৫	১২টা	৭৫টা
২০০৬	০৯টা	৬৩টা
২০০৭	১৯টা	৮৬টা
২০০৮	১২টা	১১১টা
২০০৯	১৪টা	৬৩টা
২০১০	০৮টা	৭১টা
২০১১	০৯টা	৭২টা
২০১২	২২টা	১১২টা
২০১৩	৪০টা	৭৩টা

(১৮-১২-২০১৩ইং পর্যন্ত)

(খ) যিহেতু গঁড়ৰ সংখ্যাৰ গণনা বছৰি কৰা নহয় গতিকে বছৰি গঁড়ৰ সংখ্যা গম পোৱ নাযায়। যোৱা কেইটামান বর্ষত অসমত গঁড়ৰ সংখ্যা এনেধৰণৰ—

ইংৰাজী বর্ষ	গঁড়ৰ সংখ্যা
১৯৯৯	১৬৭২টা
২০০৬	২০০৬টা
২০০৯	২২০১টা
২০১২	২৫০৫টা
২০১৩	২৫৪৪টা

গতিকে দেখা যায় যে অসমত ক্রমান্বয়ে গঁড়ৰ সংখ্যা বৃদ্ধি পাই আহিছে। ১৯৯৯চনৰ পৰা ২০১৩চনলৈ মুঠ (২৫৪৪-১৬৭২)=৮৭২টা গঁড়ৰ বৃদ্ধি হৈছে।

(গ) ৰাজ্যিক প্ৰতিক চিহ্ন গঁড়ৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে তলত উল্লেখিত ব্যৱস্থা সমূহ গ্ৰহণ কৰিছে।

১। আন্তঃ গাঠনিসমূহ আধুনিক প্ৰযুক্তিৰে উন্নতকৰণ।

২। সৰলিকৰণৰ বাবে অতিৰিক্ত বন সুৰক্ষা বাহিনী, গৃহৰক্ষী ও বনকৰ্ম্মী মোতায়ন কৰা।

৩। বন সুৰক্ষা কৰ্ম্মীসকলক অতিৰিক্তি ভাৱে অত্যাধুনিক আগ্নেয়াস্ত্ৰ যোগান ধৰা।

৪। জড়িত সকলো সংশ্লিষ্ট বিভাগসমূহক ঐক্যবদ্ধ ও সু-সংহতকৰণ।

৫। বুদ্ধিমত্ত তথ্য আহৰণ কৰি অভিযুক্ত দুষ্কৃতিকাৰীসমূহক আশ্ৰয়স্থলীসমূহৰ পৰা কৰায়ত্ত কৰি আইনী ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২সংশোধন কৰি বন্যপ্ৰাণী (সুৰক্ষা) অসম সংশোধিত ২০০৯ত আইন প্ৰণয়ন কৰি শাস্তিসমূহ গুৰু কৰা হৈছে। ইয়াৰ উপৰিও চি.আৰ.পি.চি (Cr.PC) ১৯৭ধাৰাৰ অধীনত আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰাৰ বিশেষ ক্ষমতা আৰু সুৰক্ষা (Immunity) বন বিষয়াসকলক প্ৰদান কৰাৰ আইনী ব্যৱস্থা কৰা হৈছে।

৬। দাঁতি কাষৰীয়া গাঁওসমূহৰ ৰাইজৰ আর্থিক উন্নয়ণ কৰাৰ বাবে কার্য্য ব্যৱস্থা গ্রহণ ও ৰাষ্ট্রীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত আৰু চৰকাৰৰ উদ্যোগত বন্যপ্রাণী ভিত্তিক পৰিৱেশৰ প্রতি সজাগ ও দায়িত্বশীল পর্য্যটন ব্যৱস্থা গ্রহণ কৰি ইয়াৰ যোগেদি ৰাইজৰ সহযোগত গড় সুৰক্ষাৰ কটকটীয়া ব্যৱস্থা কৰা হৈছে।

৭। বন্যপ্রাণী সুৰক্ষা অধিক কটকটীয়া কৰিবলৈ কাজিৰঙা আৰু সংযোজন এলেকাসমূহৰ পুনৰ গঠন কৰি ৪টা নতুন বন্যপ্রাণী সংমণ্ডল গঠন কৰাৰ প্রস্তুতি আৰম্ভ কৰা হৈছে।

৮। তদুপৰি দুষ্কৃতিকাৰীৰ গতিবিধিৰ ওপৰত প্রভাৱশালী চোকা দৃষ্টি ৰাখিবৰ বাবে ইলেকট্রনিক আই, ৰাতি দেখা দুৰবীণ, মানৱ-বিহীন উৰাজাহাজ আজিৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰক প্রস্তাৱ দাখিল কৰা হৈছে।

৯। ইয়াৰ উপৰিও বৈদ্যুতিক তাৰযুক্ত জেওঁৰা ও বানপানীৰ সময়ত আশ্রয়ৰ বাবে ওখ ঠাই স্থাপন কৰি দিয়া হৈছে, যাতে গড় ও অন্যান্য জীৱজন্তু সমূহ ওলাই গৈ চোৰাং চিকাৰীৰ হাতত নিধন নহয়।

(ঘ) সম্পূর্ণ ৰূপে কৰিব পৰা নাই।

(ঙ) সত্য, সম্পূর্ণ ৰূপে পৰা নাই।

(চ) গঁড়ৰ চোৰাং চিকাৰ সম্পূর্ণৰূপে বন্ধ কৰিবৰ বাবে এই বিষয়া কর্ম্মচাৰীসকলৰ সহযোগত যৎ পৰোনাস্তি চেষ্টা অব্যাহত ৰখা হৈছে।

(ছ) ২০০৬ ইং চনৰ পৰা ২০১৩ চনৰ ২৯ নৱেম্বৰ তাৰিখলৈ সর্বমুঠ ৮৪ (চৌৰাশী) জন গঁড় হত্যাত জড়িত চোৰাং চিকাৰী কৰায়ত্ত কৰা হৈছে। সেই সকলক সংশ্লিষ্ট মুখ্য জিলা ন্যায়িক দণ্ডাধীশলৈ প্রেৰণ কৰা হৈছে ও তেওঁলোকৰ বিৰুদ্ধে তদন্তৰ গোচৰ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে।

বিষয় ঃ **Programme Infrastructure.**

শ্রীবনেন্দ্র কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

* ৯৩। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত SGSY আচঁনি অধীনত Programme infrastructure ৰ জৰিয়তে কার্য্যকৰী কৰা অর্ধ নির্মীত হৈ থকা আঁচনিসমূহ (NRLM) National Rural Library Hood Mission ৰ জৰিয়তে সম্পূর্ণ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈকে নেকি?

(খ) যদি লৈছে, এতিয়ালৈ আচঁনিসমূহৰ কাম কিয় আৰম্ভ কৰা হোৱা নাই? (বিতংকৈ জনাব)

(গ) যদি লোৱা নাই, উক্ত আচঁনিসমূহ সম্পূর্ণ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৱ?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) SGSY ৰ অধীনত ৩১মার্চ, ২০১৩ ৰ আগতে Competent Authority ৰ অনুমোদিত অসম্পূর্ণ আচঁনিসমূহ NRLM পূঁজিৰ দ্বাৰা সম্পূর্ণ কৰা হ'ব।

(খ) এই অসম্পূর্ণ আঁচনিসমূহৰ তথ্য বিচাৰি ইতিমধ্যে NRLMৰ যোগে PD, DRDA লৈ চিঠি দিয়া হৈছে। সকলো PD, DRDA ৰ পৰা তথ্য পোৱাৰ লগে লগে এই আঁচনিসমূহৰ সম্পূর্ণ কৰিবলৈ NRLM ৰ পূঁজি মোকলাই দিয়া হ'ব।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ সুতা বিতৰণ।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

* ৯৪। মাননীয় হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৪২নং পাটাছাৰকুছি সমষ্টিৰ বাবে CM's Special Scheme 'Assam

Bikash Yojona' ২০১২-১৩ৰ অধীনত সুতা বিতৰণ কার্য্যসূচী (Yarn Distibution Programme) ৰূপায়ণৰ বাবে হিতাধিকাৰী নির্বাচন ও তালিকা প্ৰস্তুত কৰাৰ বাবে চৰকাৰে কিবা কমিটি গঠন কৰি দিছে নেকি? (সদনত নীতি-নির্দেশনা সহ তেনে কমিটি গঠন সম্পৰ্কীয় তথ্য দাখিল কৰিব)

(খ) প্ৰাক্তন বিধায়ক ডঃ মলয়া বৰ্মন ডাঙৰীয়ানীক হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰি মাননীয় কৃষি মন্ত্ৰীৰ জৰিয়তে বৰপেটাৰ উপায়ুক্তৰ দ্বাৰা উক্ত আঁচনি ৰূপায়ণৰ দায়িত্ব দিছে নেকি?

(গ) যদি দিছে, ডঃ মলয়া বৰ্মন ডাঙৰীয়ানীয়ে হিতাধিকাৰীৰ তালিকা মন্ত্ৰী ডাঙৰীয়াৰ চহী লৈ ইতিমধ্যে দাখিল কৰিছে নেকি? এনে তালিকা বৈধ নে?

(ঘ) পাটাছাৰকুছি সমষ্টিৰ বাবে উক্ত আঁচনিৰ হিতাধিকাৰী Base line surveyকৰি শ্ৰী ভবেশ চৌধুৰী, ইন্সপেক্টৰ ইনচার্জ WESU Pathsala ৰ নেতৃত্বত এটি পাঁচজনীয় দল গঠন কৰি দিয়া কথাটো সঁচানে? যদি সঁচা, তেওঁলোকে হিতাধিকাৰীৰ তালিকা দাখিল কৰিছে নেকি? (যদি কৰিছে, উক্ত তালিকাৰে এটি নকল কপি সদনত দাখিল কৰিব)

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, দিছে। নীতি নির্দ্দেশনা সহ কমিটি গঠন সম্পৰ্কীয় তথ্য সংলগ্ন 'ক'ত গাঠি দিয়া হ'ল। (See Annexure–XIII)

(খ) প্ৰাক্তন বিধায়িকা ডঃ মলয়া বৰ্মন ডাঙৰীয়ানীক হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰি মাননীয় কৃষি মন্ত্ৰীৰ জৰিয়তে বৰপেটাৰ উপায়ুক্তৰ দ্বাৰা উক্ত আচঁনি ৰূপায়ণৰ দায়িত্ব দিয়া নাই।

(গ) বিভাগীয়ভাৱে দায়িত্ব দিয়া হোৱা নাই যদিও প্ৰাক্তন বিধায়িকা ডঃ মলয়া বৰ্মন ডাঙৰীয়ানীয়ে নিজাববীয়াকৈ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰি মাননীয় কৃষি মন্ত্ৰী তথা বৰপেটা জিলাৰ তত্ত্বাবধায়ক মন্ত্ৰী মহোদয়ৰ চহী

লৈ সহকাৰী সঞ্চালক হস্তশাঁত, বস্ত্রশিল্প বৰপেটাৰ কার্য্যালয়ত দাখিল কৰিছে। এই তালিকাখন বৈধতা সম্পর্কে চৰকাৰে গঠন কৰি দিয়া কমিটিয়ে সিদ্ধান্ত ল'ব।

(ঘ) সচাঁ। তেওঁলোকে হিতাধিকাৰীৰ তালিকা দাখিল কৰিছে। উক্ত তালিকাৰ এটি নকল কপি সংলগ্ন 'খ' ত গাঁঠি দিয়া হ'ল।

(See Annexure -XIV)

বিষয় ঃ ভাৰপ্রাপ্ত খণ্ড উন্নয়ন বিষয়া।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

* ৯৫। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২৫খন গাওঁ পঞ্চায়ত সামৰি গঠিত ছিপাঝাৰ উন্নয়ন খণ্ড দীর্ঘ দিন ধৰি ভাৰপ্রাপ্ত খণ্ড উন্নয়ন বিষয়াৰে পৰিচালনা কৰি থকা বিষয়টো বিভাগৰ জ্ঞাতনে?

(খ) পশ্চিম মংগলদৈ উন্নয়ন খণ্ডৰ উন্নয়ন বিষয়া গৰাকীক ছিপাঝাৰ উন্নয়ন খণ্ডত অতিৰিক্তি দায়িত্ব দিয়া বাবে ছিপাঝাৰ কার্য্যালয়ত বেছি সময় অনুপস্থিত থকা হেতুকে কাম-কাজত স্থবিৰতা অহা কথাটো বিভাগ জ্ঞাতনে?

(গ) যদি জ্ঞাত, উন্নয়ন খণ্ডটিত শীঘ্রেই পূর্ণকালীন খণ্ড উন্নয়ন বিষয়া নিয়োগ কৰা হ'বনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জ্ঞাত।

(খ) সঁচা নহয়। ভাৰপ্রাপ্ত (I/C) খণ্ড উন্নয়ন বিষয়াৰ দ্বাৰা কার্য্যালয় নিয়মতভাৱে চলি আছে।

(গ) এইক্ষেত্রত চৰকাৰে বিবেচনা কৰিব।

বিষয় ঃ গঁড় হত্যা।

শ্রীঅৰুণ ফুকনে সুধিছে ঃ

* ৯৫। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গড় হত্যা বন্ধ কৰাৰ বাবে চৰকাৰে লোৱা আচঁনিসমূহ কি কি?

(খ) কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ কাষৰীয়া গাওঁসমূহৰ যুৱকসকলক বন বিভাগত নিয়োগ কৰাৰ আচঁনি চৰকাৰে গ্রহণ কৰিবনে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গড় হত্যা বন্ধ কৰাৰ বাবে চৰকাৰে লোৱা আচঁনিসমূহ তলত উল্লেখ কৰা হ'ল —

১। আন্তঃ গাঠনিসমূহ আধুনিক প্রযুক্তিৰে উন্নতকৰণ।

২। অত্যাধুনিক আগ্নেয়াস্ত্রৰ দ্বাৰা সুসজিত কৰি বন সুৰক্ষা বাহিনী মোতায়ন কৰাৰ লগতে অতিৰিক্তভাৱে আগ্নেয়াস্ত্র ধাৰী গৃহৰক্ষী বাহিনী মোতায়ন।

৩। জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষককে ধৰি জড়িত সকলো সংশ্লিষ্ট বিভাগ সমুহক ঐক্যবদ্ধ ও সু-সংহতকৰণ।

৪। বুদ্ধিমত তথ্য আহৰণ কৰি অভিযুক্ত দুষ্কৃতিকাৰী সমুহক আশ্রয়স্থলীসমুহৰ পৰা কৰায়ত্ত কৰি আইনী ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বন্যপ্রাণী (সুৰক্ষা) আইন, ১৯৭২সংশোধন কৰি বন্যপ্রাণী (সুৰক্ষা) অসম সংশোধিত ২০০৯ত আইন প্রণয়ন কৰি শাস্তিসমূহ গুৰু কৰা হৈছে। ইয়াৰ উপৰিও চি.আৰ.পি.চি (Cr.PC) 197 ধাৰাৰ অধীনত আগ্নেয়াস্ত্র ব্যৱহাৰ কৰাৰ বাবে বিশেষ ক্ষমতা আৰু সুৰক্ষা (Immunity) বন বিষয়াসকলক প্রদান কৰাৰ আইনী ব্যৱস্থা কৰা হৈছে।

৫। দাঁতি কাষৰীয়া গাঁওসমুহৰ ৰাইজৰ আর্থিক উন্নয়ণ কৰাৰ বাবে কার্য্য ব্যৱস্থা গ্রহণ ও ৰাষ্ট্রীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত আৰু চৰকাৰৰ উদ্যোগত বন্যপ্রাণী ভিত্তিক পৰিবেশৰ প্রতি সজাগ ও Eco-

devlopment ব্যৱস্থা গ্ৰহণ কৰি ইয়াৰ যোগেদি ৰাইজৰ সহযোগত গড় সুৰক্ষাৰ কটকটীয়া ব্যৱস্থা কৰা হৈছে।

৬। বন্যপ্ৰাণী সুৰক্ষা অধিক কটকটীয়া কৰিবলৈ কাজিৰঙা আৰু সংযোজন এলেকাসমুহৰ পুনৰ গঠন কৰি ৪টা নতুন বন্যপ্ৰাণী সংমণ্ডল গঠন কৰাৰ প্ৰস্তুতি আৰম্ভ কৰা হৈছে।

৭। তদুপৰি দুষ্কৃতিকাৰীৰ গতিবিধৰ ওপৰত প্ৰভাৱশালী চোকা দৃষ্টি ৰাখিবৰ বাবে ইলেকট্ৰনিক আই, ৰাতি দেখা দূৰবীণ, মানৱ-বিহীন উৰাজাহাজ আদিৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰক প্ৰস্তাৱ দাখিল কৰা হৈছে।

৮। ইয়াৰ উপৰিও বৈদ্যুতিক তাৰযুক্ত জেওঁৰা ও বানপানীৰ সময়ত আশ্ৰয়ৰ বাবে ওখ ঠাই স্থাপন কৰি দিয়া হৈছে, যাতে গড় ও অন্যান্য জীৱজন্তুসমূহ ওলাই গৈ চোৰাং চিকাৰীৰ হাতত নিধন নহয়।

(খ) চৰকাৰী নিয়োগ বিধি অনুযায়ী পৰিৱেশ আৰু বনবিভাগৰ বিভিন্ন খালি পদসমূহ পূৰণ কৰা হয় যদিও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া গাওঁসমূহৰ যুৱক সকলক নিয়ম অনুযায়ী এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ বিষয়তো চৰকাৰৰ বিবেচনাধীন।

Sub : National Bamboo Mission.

Hafiz Bashir Ahmed asked :

* 97. Will the Minister of Environment and Forest be pleased to state:

(a) Whether the Government is implementing the National Bamboo Mission Scheme for the Development of Bamboo Sector in the State.

(b) If so, the details thereof along with the forest and non forest areas covered there under District - wise with special reference to Dhubri District?

(c) State the other achievement made in this regard?

Shri Rokybul Hussain (Minister Environment & Forest) replied :

(a) Yes, the Govt. is implementing the National Bamboo Mission Scheme for the Development of Bamboo Sector in the State of Assam.

(b) The 'National Bamboo Mission' is implemented both in the Forest and non Forest areas. The area covered districtwise for the non forest and forest Divisionwise for the forest areas covered till 30- 11-2013 is appended as Annexure- I and Annexure-II respectively. The district of Dhubri is highlighted in the table.
(See Annexure-XV)

(c) National Bamboo Mission has carried out capacity building of various Stakeholders in the bamboo sector. Promotion of bamboo handicrafts, bamboo furniture etc. are also undertaken in National Bamboo Mission.

বিষয় ঃ IAY ৰ গৃহ নির্মাণৰ অগ্রগতি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

* ৯৮। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮-০৯বিত্তীয় বর্ষৰ পৰা শেহতীয়া পর্য্যন্ত প্রতিখন উন্নয়ন খণ্ডৰ বিপৰীতে কিমানটা IAY ৰ গৃহ নির্মাণৰ লক্ষ্য নির্দ্ধাৰণ কৰা হৈছিল? (বর্ষ ভিত্তিক বিৱৰণ দিয়া)

(খ) লক্ষ্যৰ বিপৰীতে কিমানজন হিতাধিকাৰী বাচনি কৰা হৈছিল?

(গ) কিমানজন হিতাধিকাৰীৰ গৃহ নির্মাণ সম্পূর্ণ কৰা হৈছে?

(ঘ) মঞ্জুৰ হোৱাৰে পৰা কিমান দিনৰ ভিতৰত গৃহ নির্মাণ সম্পূর্ণ হ'ব লাগে? (চৰকাৰী নির্দেশনাৰ প্রতিলিপি দাখিল কৰিব)

(ঙ) চৰকাৰ জ্ঞাত নে, যথাসময়ত বহু হিতাধিকাৰীৰ গৃহ নির্মাণ সম্পূর্ণ হোৱা নাই?

(চ) যদি জ্ঞাত, তেন্তে কি পদক্ষেপ হাতত লৈছে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮-০৯বর্ষৰ পৰা অসমৰ প্রতিখন জিলাক বিপৰীতে নির্দ্ধাৰণ কৰা গৃহ নির্ম্মাণৰ লক্ষ্য বর্ষভিত্তিত ২০০৮-০৯বর্ষৰ পৰা ২০১৩-১৪বর্ষলৈ পৰিশিষ্ট -ক ত দেখুওৱা হ'ল। উন্নয়ন খণ্ড ভিত্তিত নির্দ্ধাৰণ কৰা গৃহ নির্ম্মাণৰ লক্ষ্য জিলাসমূহৰ পৰা সংগ্রহ কৰি থকা হৈছে।

(খ) ২০০৮-০৯ বিত্তীয় বর্ষৰ পৰা আজিলৈকে সর্বমুঠ ১,০০,৪৮৫৭জন হিতাধিকাৰী বাচনি কৰা হৈছিল।

(গ) বর্তমানলৈ ৮,১৩,৫৫৮জন হিতাধিকাৰী IAY ৰ ঘৰৰ কাম সম্পূর্ণ কৰা হৈছে। পৰিশিষ্ট—খ ত দেখুওৱা হ'ল।

(ঘ) ইন্দিৰা আৱাস যোজনাৰ নির্দেশনামর্ম্মে (Guideline) মঞ্জুৰি প্রাপ্তি হোৱাৰ পৰা গৃহ নির্মাণৰ কাম ২বছৰৰ ভিতৰত সম্পূর্ণ হ'ব লাগে।

(ঙ) জ্ঞাত।

(চ) অসমাপ্ত গৃহ নির্মাণ সম্পূর্ণ কৰিবলৈ বিভাগীয় পদক্ষেপ লোৱা হৈছে। (নির্দেশনাৰ প্রতিলিপ পৰিশিষ্ট—গ ত দেখুওৱা হ'ল।)

বিষয় ঃ শিপিনি বাবে আঁচনি ৰূপায়ণ।

শ্রীমুকুন্দ ৰাম চৌধুৰীয়ে সুধিছে ঃ

*** ৯৯। মাননীয় হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) গাঁৱৰ দুখীয় শিপিনী-বোৱাৰীসকলৰ কাৰণে হস্ততাঁত বিভাগৰ জৰিয়তে কি কি আচঁনি ৰূপায়ণ কৰা হয়? (আচঁনিৰ নামৰ তালিকা সদনত দিব)।

(খ) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪বৰ্ষত কলাইগাওঁ সমষ্টিৰ দুখীয়া শিপিনীসকলৰ কাৰণে কি কি আচঁনি ৰূপায়ণ কৰিলে আৰু কিমান গৰাকী লোক উপকৃত হ'ল? (হিতাধিকাৰীসকলৰ নাম-ঠিকনাসহ তালিকা দিব)।

(গ) হস্ততাঁত বিভাগৰ জৰিয়তে গাঁৱৰ দুখীয় শিপিনীসকলৰ উপযুক্ত প্ৰশিক্ষণ দিয়াৰ বাবে কিবা আচঁনি আছে নেকি? যদি আছে, কি আচঁনি আছে?

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গাঁৱৰ দুখীয়া শিপিনীসকলৰ কাৰণে হস্ততাঁত বস্ত্ৰশিল্প বিভাগে ৰূপায়ণ কৰা আঁচনিসমূহ তলত দেখুওৱা ধৰণৰ ঃ

১। শিপিনীৰ অৰ্থনৈতিক উন্নয়ন আচঁনি (SCSP)।

২। শিপিনীৰ অৰ্থনৈতিক উন্নয়ন আচঁনি (TSP)।

৩। গামোচা উৎপাদন আচঁনি।

৪। মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত শিপিনীক সামগ্ৰী যোগান আচঁনি।

৫। হস্ততাঁত বস্ত্ৰ উৎপাদন আচঁনি

৬। প্ৰশিক্ষণ আঁচনি।

বিষয় ঃ MGNREGA কৰ্মচাৰীৰ সংখ্যা।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

* ১০০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত MGNREGA ৰ আঁচনিৰ অধীনত কৰ্মৰত ঠিকা ভিত্তিক কৰ্মচাৰীৰ সংখ্যা কিমান? (জিলা ভিত্তিত এই তথ্য বিতংভাৱে জনাব।)

(খ) এইসকলৰ দৰমহাৰ বাবে ৰাজ্যৰ অংশ আৰু কেন্দ্ৰীয় অংশ কিমান?

(গ) ভৱিষ্যতে উক্ত কর্মচাৰীসকলৰ চাকৰি স্থায়ীকৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

(ঘ) তেওঁলোকক পঞ্চায়ত ব্যৱস্থাৰ অন্তর্ভূক্ত কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

(ঙ) ঠিকাভিত্তিত নিযুক্তি দিয়া কর্মচাৰীক নতুনকৈ দিব লগা নিযুক্তি প্রক্রিয়াত অগ্রাধিকাৰ দিয়া হ'বনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সর্বমুঠ ৫৩৩৬ টা মঞ্জুৰীকৃত পদ। জিলাভিত্তিক সবিশেষ পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল। (See Annexure-XX)

(খ) MGNREGA আঁচনিৰ উপলব্ধ হোৱা কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পুজিৰ ৬ শতাংশ Administrative Expenditure শিতানত ৰখা হয়। এই শিতানৰ পৰা উল্লেখিত কর্মচাৰী সকলৰ মাহিলি পৰিতোষিক দিয়া হয়। তাৰোপৰি সমস্ত Administrative খৰচ উক্ত শিতানৰ পৰা কৰা হয়।

(গ) চৰকাৰৰ হাতত এতিয়ালৈকে এনে কোনো প্রস্তাৱ নাই।

(ঘ) এতিয়ালৈকে তেনে কোনো পৰিকল্পনা চৰকাৰৰ হাতত নাই।

(ঙ) তেনে কোনো ব্যৱস্থা নাই।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ পশুপালন, পশুচিকিৎসালয়ৰ সংখ্যা।

শ্রীভূপেন ৰয়ে সুধিছে ঃ

২০১। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রীমহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান অসমত কিমানখন পশুচিকিৎসালয় আছে, ইয়াৰে কিমানখনত পশুচিকিৎসক নাই আৰু বর্তমান বাজ্যৰ কোন জিলাত কিমান পশুচিকিৎসালয় ভাড়া ঘৰত চলি আছে?

(খ) নিয়মমতে কিমান পশুৰ বিপৰীতে এজন পশু চিকিৎসক থাকিব লাগে আৰু অসমত কিমান পশুৰ বিপৰীতে এজন চৰকাৰী চিকিৎসকে কাম কৰি আছে?

(গ) বিভাগটোৰ উন্নয়নৰ বাবে বিভাগে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪বর্ষৰ বর্তমানলৈ কি কি আঁচনি গ্রহণ কৰিছে আৰু এই আঁচনিৰ বিপৰীতে কিমান ধন ধার্য্য কৰা হৈছিল?

শ্রীখৰছিং ইংতি (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান অসমত মুঠ ৫৭৬খন পশু চিকিৎসালয় আছে। ইয়াৰ ভিতৰত ১২৫খন চিকিৎসালয়ত চিকিৎসক নাই। কৰিমগঞ্জ জিলাৰ বদৰপুৰ ৰাজ্যিক পশু চিকিৎসালয়খন ভাড়াঘৰত চলি আছে।

(খ) National Commission of Agriculture ৰ নিয়মমতে ৫০০০পশুধন বিপৰীতে এজন পশু চিকিৎসক থাকিব লাগে আৰু অসমত বর্তমান প্রায়ে ২৮০০০পশুধনৰ বিপৰীতে এজন পশু চিকিৎসক আছে।

(গ) বিভাগৰ উন্নয়নৰ বাবে বিভাগে ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বর্ষৰ বর্তমানলৈ গ্রহণ কৰা ধনৰ পৰিমান সংযোজন 'ক' (Annexure-I) আৰু সংযোজন 'এ' (Annexure-A) সংযোজন 'বি' (Annexure-B) আৰু সংযোজন 'চি' (Annexure-C) ত গাঁঠি দিয়া হ'ল। (See Annexure -XXI)

বিষয় ঃ পুঁজি আবন্টন আৰু আঁচনি ৰূপায়ণ।

শ্রীআবুল কালাম আজাদে সুধিছে ঃ

২০২। মাননীয় হস্ততাঁত, বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ দ্বাৰা ২০১১-১২বৰ্ষৰ পৰা ২০১৩-১৪বৰ্ষৰ নৱেম্বৰ মাহলৈ বৰপেটা জিলাত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (সমষ্টি ভিত্তিত আঁচনি আৰু আবন্টিত পুঁজিসহ তালিকা সদনত দাখিল কৰিব)

(খ) চলিত বিত্তীয় বৰ্ষ আৰু যোৱা দুটা বিত্তীয় বৰ্ষত ভৱানীপুৰ সমষ্টিত কি কি আঁচনিৰ বাবে কিমান পুঁজি আবন্টন দিছে? (বিতং তথ্য দাখিল কৰিব)

(গ) ভৱানীপুৰ সমষ্টিত চলিত আৰু যোৱা দুটা বিত্তীয় বৰ্ষত কিমানগৰাকী শিপিনীক কি কি আঁচনিৰ দ্বাৰা উপকৃত কৰা হৈছে? (আঁচনি আৰু শিপিনীসকলৰ নাম ঠিকনাসহ বিতং তথ্য সদনত দাখিল কৰিব)।

(ঘ) ভৱানীপুৰ সমষ্টিত কিমানটা শিপিনীৰ গোট আছে?

(ঙ) গোটসমূহ কোনো আঁচনিৰ দ্বাৰা উপকৃত হৈছেনে?

(চ) যদি হৈছে, গোটসমূহৰ নাম-ঠিকনা দিবনে?

(ছ) ভৱানীপুৰ সমষ্টিত হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ কোনো প্ৰশিক্ষণ কেন্দ্ৰ আছেনে?

(জ) যদি আছে, কেন্দ্ৰসমূহ ক'ত অৱস্থিত আৰু কেন্দ্ৰসমূহ চালুকীয়া ও কাৰ্য্যক্ষম অৱস্থাত আছেনে?

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ দ্বাৰা ২০১১-১২বৰ্ষৰ পৰা ২০১৩-১৪বৰ্ষৰ নৱেম্বৰ মাহলৈ বৰপেটা জিলাত ৰূপায়ণ কৰা সমষ্টি ভিত্তিত আঁচনিৰ নাম আৰু আৱন্টিত পুঁজি সহ তালিকা তলত উল্লেখ কৰা হ'ল ঃ

বৰ্ষ	সমষ্টিৰ নাম	আঁচনিৰ নাম	পুজিৰ পৰিমাণ
২০১১-১২	সৰুক্ষেত্ৰী	শিপিনীৰ অৰ্থনৈতিক উন্নয়ন আঁচনি	১০.০০ লাখ

	বৰপেটা	মুখ্যমন্ত্রী বিশেষ কৰ্ম সংস্থাপন আঁচনি	৬.২৫ লাখ
	ভৱানীপুৰ	ঐ	৫.৫০ লাখ
	পাটাৰকুছি	ঐ	৬.০০ লাখ
	চেঙা	ঐ	৫.৭৫ লাখ
	সৰুক্ষেত্ৰী	বাণিজ্যিক উদগনি আঁচনি	০.৫০৩ লাখ
	চেঙা	ঐ	১.২৩৬ লাখ
২০১২-১৩	পাটাছাৰকুছি	সংহতি হস্ততাঁত উন্নয়ন আঁচনি (Group Apporch)	৪.৩৩১ লাখ
	সৰুক্ষেত্ৰী	হস্ততাঁত বস্ত্ৰ উৎপাদন আঁচনি	০.৪০ লাখ
	জনীয়া	ঐ	০.৪০ লাখ
	সৰভোগ	ঐ	০.৪০ লাখ
	বাঘবৰ	ঐ	০.৪০ লাখ
	ভৱানীপুৰ	ঐ	০.৪০ লাখ
	পাটাছাৰকুছি	ঐ	০.৪০ লাখ
	চেঙা	ঐ	০.৬০ লাখ
	বৰপেটা	ঐ	০.৫০ লাখ
২০১৩-১৪	সৰুক্ষেত্ৰী	শিপিনিৰ অৰ্থনৈতিক উন্নয়ন আঁচনি (SCSP)	৫.০০লাখ

ভৱানীপুৰ	সংহত হস্ততাঁত উন্নয়ন আঁচনি (Cluster Aproach)	১৫.১৯লাখ
চেঙা	মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ অধীনত অসম বিকাশ যোজানা	৬.১১লাখ
সৰুক্ষেত্রী	ঐ	৬.১১ লাখ
বৰপেটা	ঐ	৬.১১ লাখ
বাঘবৰ	ঐ	৬.১১ লাখ
জনীয়া	ঐ	৬.১১ লাখ
সৰভোগ	ঐ	৬.১১ লাখ
ভৱানীপুৰ	ঐ	৬.১১ লাখ
পাটাছাৰকুছি	ঐ	৬.১১ লাখ
বৰপেটা	বাণিজ্যিক উদগণি আঁচনি	০.৬২ লাখ
চেঙা	ঐ	৩.৩০ লাখ
পাটাছাৰকুছি	ঐ	০.৬৫৩ লাখ
সৰুক্ষেত্রী	ঐ	১.৬৫ লাখ
সৰভোগ	ঐ	০.৫৪৫ লাখ
ভৱানীপুৰ	ঐ	০.৩৬৩ লাখ

(খ) চলিত বিত্তীয় বৰ্ষ আৰু যোৱা দুটা বিত্তীয় বৰ্ষত ভৱানীপুৰ সমষ্টিত ৰূপায়ণ কৰা আঁচনি আৰু আৱন্টিত পুঁজিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ

বর্ষ	সমষ্টিৰ নাম	আঁচনিৰ নাম	পুঁজিৰ পৰিমান
২০১১-১২	ভৱানীপুৰ	মুখ্যমন্ত্রীৰ বিশেষ কর্মসংস্থাপন আঁচনি	৫.৫০ লাখ
২০১২-১৩	ঐ	হস্ততাঁত বস্ত্র উৎপাদন আঁচনি	০.৪০ লাখ
২০১৩-১৪	ঐ	সংহত হস্ততাঁত উন্নয়ন আঁচনি (Cluster Approach)	১৫.১৯ লাখ
		মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ অধীনত অসম বিকাশ যোজনা	৬.১১ লাখ
		বাণিজ্যিক উদগনি আঁচনি	০.৩৬৩ লাখ

(গ) ভৱানীপুৰ সমষ্টিত চলিত আৰু য়োৱা বিত্তীয় বর্ষ দুটাত আঁচনিৰ দ্বাৰা উপকৃত হোৱা শিপিনীৰ নাম, সংখ্যা আৰু ঠিকনা তলত উল্লেখ কৰা ধৰণৰ

বর্ষ	আঁচনিৰ নাম	উপকৃত হোৱা শিপিনীৰ সংখ্যা	নামৰ তালিকা
২০১১-১২	মুখ্যমন্ত্রীৰ বিশেষ কর্মসংস্থাপন আঁচনি	২২ গৰাকী	সংলগ্ন 'ক'
২০১২-১৩	হস্ততাঁত বস্ত্র উৎপাদন আঁচনি	৪ গৰাকী	সংলগ্ন 'খ'
২০১৩-১৪	সংহত হস্ততাঁত		

উন্নয়ন আঁচনি Cluster Approach	৩০০গৰাকী	সংলগ্ন 'গ'
মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ অধীনত অসম বিকাশ যোজনা	৫৫০গৰাকী	হিতাধিকাৰীৰ নামৰ তালিকা অনুমোদনৰ প্ৰস্তুতি চলি আছে
বাণিজ্যিক উদগনি আঁচনি	১খন বোৱাকটা সমবায় সমিতি লিমিটেড	পুথিমাৰী বোৱাকটা সমবায় সমিতি লিঃ

সংলগ্ন 'ক' 'খ' 'গ' সদনৰ মেজত দাখিলৰ বাবে দিয়া হ'ল।

(See Annexure -XXII)

(ঘ) ভৱানীপুৰ সমষ্টিত মুঠ ৪৭৭টা শিপিনীগোট আছে।

(ঙ) সংহত হস্ততাঁত উন্নয়ন আঁতনিৰ অধীনত মুঠ ২০খন শিপিনী গোট উপকৃত হৈছে।

(চ) উপকৃত হোৱা ২০খন শিপিনী গোটৰ নাম ও ঠিকনা সংলগ্ন 'ঘ' ত দিয়া হ'ল। (See Annexure -XXIII)

(ছ) ভৱানীপুৰ সমষ্টিত হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ বিভাগৰ অধীনত শালবাৰীত ১টা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ আছে।

(জ) প্ৰশিক্ষণ কেন্দ্ৰটো শালবাৰীত অৱস্থিত। বৰ্তমান প্ৰশিক্ষণ কেন্দ্ৰটো চালুকীয় ও কাৰ্য্যক্ষম অৱস্থাত আছে।

বিষয় ঃ গঁড় হত্যা

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২০৩। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ৰাষ্ট্ৰীয় উদ্যান আৰু অন্যান্য অৰণ্য আদিত ২০০১ চনৰ পৰা বৰ্তমানলৈকে কিমান গঁড় হত্যা হ'ল ? (বৰ্ষ অনুযায়ী তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত উদ্যানসমূহত তথা চিৰিয়াখানাত উক্ত সময়ছোৱাত স্বাভাৱিকভাৱে কিমানসংখ্যক গঁড়ৰ মৃত্যু হ'ল? (বৰ্ষ অনুযায়ী তালিকা সদনত দাখিল কৰিব)

(গ) উক্ত সময়ছোৱাত কিমানজন গঁড় হত্যাকাৰীক চিনাক্তকৰণ কৰা হৈছে আৰু কিমানজন হত্যাকাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে? (নাম-ঠিকনাসহ তালিকা সদনত দাখিল কৰিব)

(ঘ) আপুৰুগীয়া সম্পদ গঁড় হত্যা প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঙ) গঁড় হত্যাৰ লগত কোনো বাংলাদেশী জড়িত থকাৰ প্ৰমাণ চৰকাৰে লাভ কৰিছেনে?

(চ) যদি লাভ কৰিছে, প্ৰমাণসহকাৰে নাম-ঠিকনা সদনত দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ৰাষ্ট্ৰীয় উদ্যান আৰু অন্যান্য অৰণ্য আদিত ২০০১ চনৰ পৰা বৰ্তমানলৈকে হত্যা হোৱা গঁড়ৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

চন	গঁড়ৰ সংখ্যা
২০০১	০৯টা
২০০২	০৫টা
২০০৩	০৬টা
২০০৪	০৫টা
২০০৫	১২টা

২০০৬	০৯টা
২০০৭	১৯টা
২০০৮	১২টা
২০০৯	১৪টা
২০১০	০৮টা
২০১১	০৯টা
২০১২	২২টা
২০১৩	৪০ টা

(১২ ডিচেম্বৰ, ২০১৩ লৈ)

(খ) উক্ত উদ্যানসমূহত তথা চিৰিয়াখানাত হোৱা গঁড়ৰ স্বাভাৱিক মৃত্যুৰ সংখ্যা তলত দিয়া ধৰণৰ—

চন	চিৰিয়াখানাত গঁড়ৰ মৃত্যু সংখ্যা	উদ্যানত হোৱা মৃত্যুৰ সংখ্যা
২০০১	নাই	৩৭টা
২০০২	নাই	৬৫টা
২০০৩	১টা	৬৬টা
২০০৪	নাই	১০৭টা
২০০৫	নাই	৭৫টা
২০০৬	১টা	৬৩টা
২০০৭	নাই	৮৬টা
২০০৮	১টা	১১১টা
২০০৯	নাই	৬৩টা

২০১০	নাই	৭১টা
২০১১	নাই	৭২টা
২০১২	নাই	১১২টা
২০১৩	১টা	৭৪টা

(১২-১২-২০১৩ পর্যন্ত)

(গ) উক্ত সময়ছোৱাত গঁড় হত্যাত জড়িত যিবোৰ চোৰাং চিকাৰীক কৰায়ত্ত কৰি বিহিত ব্যৱস্থা লোৱা হ'ল সেইসকলৰ নাম, ঠিকনা পৰিশিষ্ট 'ক'ত সদনৰ মেজত দাখিল কৰা হ'ল (See Annexure-XXIV)

(ঘ) গঁড় হত্যা প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে।

১। আন্তঃ গাঁথনিসমূহ আধুনিক প্ৰযুক্তিৰে উন্নতকৰণ।

২। অত্যাধুনিক আগ্নেয়াস্ত্ৰৰ দ্বাৰা সুসজ্জিত কৰি বন সুৰক্ষা বাহিনী মোতায়েন কৰাৰ লগতে অতিৰিক্তভাৱে আগ্নেয় অস্ত্ৰ ধাৰী গৃহৰক্ষী বাহিনী মোতায়েন কৰা হৈছে।

৩। জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষককে ধৰি জড়িত সকলো সংশ্লিষ্ট বিভাগসমূহক ঐক্যবদ্ধ ও সু-সংহতকৰণ।

৪। বুদ্ধিমত্ত তথ্য আহৰণ কৰি অভিযুক্ত দুস্কৃতিকাৰীসমূহক আশ্ৰয়স্থলীসমূহৰ পৰা কৰায়ত্ত কৰি আইনী ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বন্যপ্ৰাণী (সুৰক্ষা) আইন ১৯৭২, সংশোধন কৰি বন্যপ্ৰাণী (সুৰক্ষা) অসম সংশোধিত ২০০৯ আইন প্ৰণয়ন কৰি শাস্তিসমূহ গুৰু কৰা হৈছে। ইয়াৰ উপৰি চি আৰ পি চি (Cr.PC)197 ধাৰাৰ অধীনত আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰাৰ বাবে বিশেষ ক্ষমতা আৰু সুৰক্ষা (Immunity) বন বিষয়াসকলক প্ৰদান কৰাৰ আইনী ব্যৱস্থা কৰা হৈছে।

৫। দাঁতিকাষৰীয়া গাঁওসমূহৰ ৰাইজৰ আৰ্থিক উন্নয়ন কৰাৰ বাবে কাৰ্য ব্যৱস্থা

গ্রহণ আৰু ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত আৰু চৰকাৰৰ উদ্যোগত বন্যপ্ৰাণী ভিত্তিক পৰিৱেশৰ প্ৰতি সজাগ ও Eco-development ব্যৱস্থা গ্ৰহণ কৰি ইয়াৰ যোগেদি ৰাইজৰ সহযোগত গঁড় সুৰক্ষাৰ কটকটীয়া ব্যৱস্থা কৰা হৈছে।

৬। বন্যপ্ৰাণী সুৰক্ষা আধিক কটকটীয়া কৰিবলৈ কাজিৰঙা আৰু সংযোজন এলেকাসমূহৰ পুনৰ গঠন কৰি চাৰিটা নতুন বন্যপ্ৰাণী সংমণ্ডল গঠন কৰাৰ প্ৰস্তুতি অৱন্ত কৰা হৈছে।

৭। দুষ্কৃতিকাৰীৰ গতিবিধিৰ ওপৰত প্ৰভাৱশালী চোকা দৃষ্টি ৰাখিবৰ বাবে ইলেক্ট্ৰনিক আই, ৰাতি দেখা দূৰবীণ, মানৱবিহীন উৰাজাহজ আদিৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰক প্ৰস্তাৱ দাখিল কৰা হৈছে।

৮। ইয়াৰ উপৰিও বৈদ্যুতিক তাৰযুক্ত জেওৰা ও বানপানীৰ সময়ত আশ্ৰয়ৰ বাবে ওখ ঠাই স্থাপন কৰি দিয়া হৈছে, যাতে গঁড় ও অন্যান্য জীৱ-জন্তুসমূহ ওলাই গৈ চোৰাং চিকাৰীৰ হাতত নিধন নহয়।

(ঙ) বৰ্তমানলৈ তেনে কোনো প্ৰমাণ পোৱাই।

(চ) প্ৰযোজ্য নহয়।

বিষয় ঃ মৈদামৰ সংৰক্ষণ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

২০৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঐতিহ্যপূৰ্ণ আহোম ৰাজত্বৰ স্মৃতিচিহ্নসমূহ চৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিছেনে?

(খ) ঐতিহাসিক চৰাইদেউত অৱস্থিত মৈদামসমূহ উপযুক্ত সংৰক্ষণৰ অভাৱত বেদখলকাৰীৰ কবলত পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যোৱা ৩ ছেপ্টেম্বৰত দুষ্কৃতিকাৰীয়ে মৈদামৰ মুধচ খহাই আ-মলংকাৰ আদি চুৰি কৰা বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত তেন্তে আহোম স্বৰ্গদেউসকলৰ মৈদামৰ ৰক্ষণ তথা সংৰক্ষণৰ ব্যৱস্থা চৰকাৰে অতিশীঘ্ৰে গ্ৰহণ কৰিবনে?

(ঙ) যদি কৰে, কেতিয়া কৰিব?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অসম চৰকাৰৰ অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ে ঐতিহ্যপূৰ্ণ আহোম ৰাজত্বৰ স্মৃতি চিহ্নসমূহ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

(খ) অসম প্ৰত্নতত্ত্বৰ সঞ্চালকালয়ৰ অধীনস্থ চৰাইদেউ মৈদামৰ সংৰক্ষিত এলেকাত কোনো বেদখল হোৱা নাই।

(গ) যোৱা ছেপ্টেম্বৰ মাহত দুষ্কৃতিকাৰীয়ে মৈদামৰ মুধচ খহাই চুৰি কাৰ্য চেষ্টা কৰা বিষয়টো চৰকাৰৰ অৱগত।

(ঘ) অসম প্ৰত্নতত্ত্বৰ সঞ্চালকালয়ে মৈদাম সংৰক্ষণৰ ব্যৱস্থা হাতত লৈছে।

(ঙ) ইতিমধ্যে সংৰক্ষণৰ কাম চলি আছে।

বিষয় ঃ সাংবাদিক পেঞ্চন, স্বাস্থ্য আঁচনি।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

২০৫। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত সাংবাদিকসকলক চৰকাৰে পেঞ্চন দিয়া ব্যৱস্থা কৰিছে নেকি? মফচলীয়া সাংবাদিকসকলকো এই পেঞ্চনৰ আওতালৈ অনা হ'বনে? যদি অনা নহয়, কিয় অনা নহ'ব জনাবনে?

(খ) পেঞ্চনৰ ক্ষেত্ৰত Rule তৈয়াৰ কৰা হৈছে নেকি? যদি হৈছে Ruleৰ প্ৰতিলিপি দাখিল কৰিবনে? এইক্ষেত্ৰত ৰাজ্যৰ সাংবাদিক সংগঠনসমূহৰ লগত আলোচনা কৰা হৈছিল নেকি? যদি কৰা হোৱা নাই, কৰা হ'বনে?

(গ) অসমৰ সাংবাদিকসকলৰ বাবে বিভাগে আৰু কোনো নতুন আঁচনি লৈছে

নেকি? যদি লৈছে, কি আঁচনি লৈছে?

(ঘ) সাংবাদিকসকলৰ স্বাস্থ্যৰ বাবে যি আঁচনি লৈছিল, সেই আঁচনিত বিভাগে সাংবাদিকৰ পৰিয়ালসকলকো অন্তর্ভুক্ত কৰাৰ ব্যৱস্থা কৰিব নেকি?

(ঙ) এইক্ষেত্রত সাংবাদিকসকলে কোনো স্মাৰকপত্র বিভাগক দিছিল নেকি? যদি দিছিল সেই সম্পর্কত বিভাগে কি ব্যৱস্থা হাতত লৈছে?

শ্রীবসন্ত দাস (তথ্য ও জনসংযোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত কর্মৰত সাংবাদিকসকলৰ বাবে পেঞ্চন দিয়াৰ ব্যৱস্থা লোৱা হৈছে। মফচলীয়া সাংবাদিকসকলকো এই পেঞ্চন আঁচনিৰ আওতালৈ অনাৰ ব্যৱস্থা লোৱা হৈছে। প্রশ্ন নুঠে।

(খ) পেঞ্চনৰ ক্ষেত্রত Rule (নীতি নির্ধাৰণ)ৰ খচৰা প্রস্তুত কৰি থকা হৈছে। ইতিমধ্যেই এইক্ষেত্রত যোৱা ১১ ডিচেম্বৰ, ২০১৩ তাৰিখে বিভিন্ন ১১টা স্বীকৃতিপ্রাপ্ত সাংবাদিক সংগঠনৰ সৈতে নীতি প্রস্তুতিৰ সন্দর্ভত আলোচনা কৰা হৈছে আৰু ই প্রস্তুতি পর্যায়ত আছে। প্রশ্ন নুঠে।

(গ) অসমৰ সাংবাদিকসকলৰ বাবে বিভাগৰ তৰফৰ পৰা নতুন আঁচনি লোৱা হৈছে। আঁচনিখনৰ নাম 'সাংবাদিক চিকিৎসা কল্যাণ আঁচনি'।

(ঘ) সাংবাদিকসকলৰ পত্নী, পুত্র-কন্যা আৰু নির্ভৰশীল পিতৃ-মাতৃক 'সাংবাদিক চিকিৎসা কল্যাণ আঁচনি'ত অন্তর্ভুক্ত কৰাৰ বাবে বিবেচনা কৰি থকা হৈছে।

(ঙ) হয়। যোৱা ৩ জুলাই,২০১৩ তাৰিখে বিভিন্ন সংবাদ পত্র আৰু বৈদ্যুতিক মাধ্যমৰ ৩২ জন সাংবাদিক প্রতিনিধিয়ে তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালকলৈ এখন আবেদন পত্র প্রেণ কৰিছিল আৰু এই সন্দর্ভত সঞ্চালকৰ পৰা যোৱা ১৭ জুলাই ২০১৩ তাৰিখে চৰকাৰৰ বিবেচনাৰ বাবে পত্র প্রেৰণ কৰা হৈছে। সাংবাদিকসকলৰ পত্নী পুত্র-কন্যা আৰু নির্ভৰশীল পিতৃ-মাতৃক উক্ত আঁচনিৰ অন্তর্ভুক্ত কৰাৰ বাবে এক প্রস্তাৱ গুৰুত্বসহকাৰে ইতিমধ্যে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ পশু চিকিৎসালয় পুনৰ নির্মাণ।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

২০৬। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) কমলপুৰ সমষ্টিৰ অন্তর্গত কমলপুৰ পশু চিকিৎসালয়খনৰ জৰাজীর্ণ অৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেনেহ'লে উক্ত পশু চিকিৎসালয়খন পুনৰ নির্মাণৰ কিবা ব্যৱস্থা লৈছে নেকি?

(গ) যদি লোৱা নাই, গ্রাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি XVIII (RIDF XVIII) আঁচনিৰ অধীনত অন্তর্ভুক্ত কৰি চলিত বিত্তীয় বর্ষতে পশু চিকিৎসালয়খন পুনৰ নির্মাণৰ ব্যৱস্থা কৰিবনে?

শ্রীখৰছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় জ্ঞাত।

(খ) কমলপুৰ সমষ্টিৰ অন্তর্গত কমলপুৰ পশু চিকিৎসালয়খনৰ গৃহৰ পুনৰ নির্মাণৰ কাম চলি আছে। এই চিকিৎসালয়খনৰ পুনৰ নির্মাণৰ কাম ২০১২-১৩ বর্ষৰ ESVHD আঁচনিৰ অধীনত কৰি থকা হৈছে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

২০৭। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ গৌৰীপুৰ আঞ্চলিক পঞ্চায়তৰ অধীনত বিত্তীয় ২০১১-১২ আৰু ২০১২-১৩ বর্ষত DDP আৰু TFC শিতানৰ কিমান টকাৰ কি

কি আঁচনি গ্রহণ কৰা হৈছিল? (আঁচনিৰ নামসহ কামৰ অগ্রগতিৰ বিতং খতিয়ান দিব)

(খ) গৌৰীপুৰ উন্নয়ন খণ্ডত যথেষ্ট লোকবল (Man-Power) থকা সত্ত্বেও কি কাৰণত অধিকাংশ আঁচনিৰ কাম আৰম্ভ নকৰাৰ উপৰি আংশিক তথা অর্ধসম্পন্ন আঁচনিসমূহ সম্পন্ন কৰাৰ পদক্ষেপ লোৱা নহ'ল?

(গ) চলিত বর্ষত চৰকাৰে ৰূপায়ণ কৰিব দিয়া Kalpataru, Bed-net (LLIN), G.C.I (C.M.'s Special programme) আঁচনিসমূহৰ বিপৰীতে হিতাধিকাৰী বাছনি প্রক্রিয়া সম্পর্কে Gauripur Development Blockৰ BDO জনে আজিলৈকে কোনোধৰণৰ কার্যকৰী পদক্ষেপ গ্রহণ নকৰাৰ বিষয়টো সত্যনে?

(ঘ) যদি অসত্য, তেন্তে এইক্ষেত্রত আঁচনি ভেদে কি কি পদক্ষেপ, কেনেদৰে গ্রহণ কৰা হৈছে সবিশেষ জনাব নেকি?

(পৃথকে পৃথকে আঁচনিৰ বিপৰীতে লোৱা পদক্ষেপৰ সংশ্লিষ্ট নথি-পত্রসহ বিতং তথ্যৰ যোগান ধৰিব)

(ঙ) জনপ্রতিনিধিকে ধৰি সর্বসাধাৰণৰ ৰাইজেও BDO জনৰ উন্নয়ন বিৰোধী মানসিকতা তথা কর্মত অতিষ্ঠ হৈ বিভাগীয় কর্তৃপক্ষক লিখিতভাৱে অৱগত কৰাৰ উপৰিও Deputy Commissioner, Dhubri য়ে চিঠি নং DAE-1/04/2012-13/2177 dated 18-7-2012 আৰু W.T. Message No. DAE-1/04/2012-13/214, (A)/2633 যোগে BDO জনক অনতিপলমে বদলি কৰণার্থে The Principal Secretary to the govnernment of Assam, P.&R D Departmentক অৱগত কৰোৱাটো সত্যনে?

(চ) যদি সত্য, তেন্তে চৰকাৰ কিয় এতিয়ালৈকে BDOজনক বদলি নকৰাৰ কাৰণ কি?

(ছ) ৰাজহুৱা স্বার্থৰ প্রতি লক্ষ্য কৰি BDO জনক কেতিয়া বদলি কৰিব

সঠিকভাৱে জনাবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাৰ গৌৰীপুৰ আঞ্চলিক পঞ্চায়তৰ অধীনত বিত্তীয় ২০১১-১২ আৰু ২০১২-১৩ বৰ্ষত, DDP আৰু TFC শিতানৰ অধীনত পোৱা টকা আৰু আঁচনিসহ কামৰ অগ্ৰগতিৰ বিতং তথ্য প্ৰ-পত্ৰ (ক)ত দেখুওৱা হ'ল। (See Annexure-XXV)

(খ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে গৌৰীপুৰ উন্নয়ন খণ্ডৰ সকলো আঁচনিৰ কাম আৰম্ভ কৰিছে আৰু অধিকাংশ কামেই সম্পন্ন হৈছে। বাকী থকা আঁচনিসমূহ অনতিপলমে সম্পূৰ্ণ কৰিব বুলি জনাইছে। (খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা প্ৰশ্ন-উত্তৰ প্ৰ-পত্ৰ (খ)ত দাখিল কৰা হ'ল।) (See Annexure-XXVI)

(গ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে কল্পতৰু (Kalpataru) আঁচনিৰ হিতাধীকাৰী বাছনি প্ৰক্ৰিয়া চলি আছে আৰু অনতি পলমে হিতাধীকাৰীৰ তালিকা দাখিল কৰা হ'ব। Bed-net (LLIN),GCI (CM's special progamme) আঁচনিৰ হিতাধীকাৰী বাছনি প্ৰক্ৰিয়া চৰকাৰে নিৰ্ধাৰিত কৰি দিয়া কমিটীৰ লগত আলোচনা মৰ্মে কাম চলি আছে আৰু অনতি পলমে সম্পূৰ্ণ কৰিব বুলি জনাইছে।

(ঘ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে (গ)ৰ উত্তৰ লগত সন্নিবিষ্ট আছে বুলি জনাইছে। (খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা প্ৰশ্নৰ উত্তৰ প্ৰ-পত্ৰ (খ)ত দাখিল কৰা হৈছে)।

(ঙ) বিষয়টো সত্য।

(চ) বিষয়টো ঊৰ্ধ্বতম কৰ্তৃপক্ষৰ বিবেচনাধীন হৈ আছে।

(ছ) বিষয়টো বিবেচনাধীন হৈ আছে।

Sub : Construction of Meen Bhawan.

Shri Kripanath Kallah asked :

208. Will the Minister of Fisheries be pleased to state:

(a) Whether land for construction of Sub-Divisional Meen Bhawan at Ramkrishna Nagar has been taken over by the Fishery Department from the Revenue Department? If so, when?

(b) Whether estimate for construction of Sub-Divisional Meen Bhawan at Ramkrishna Nagar has been prepared? If so, what is the amount?

(c) Whether Administrative Approval has been accorded and work has been allotted? If so, place a copy of the A.A and work order?

Shri Basanta Das (Miinister of Fisheries (Independent) replied :

(a) The land for construction of Sub-Divisional Meen Bhawan at Ramkrishna Nagar has been taken over by the Fishery Department from the Revenue Department on 16/07/2013.

(b) The estimate for construction of Sub-Divisional Meen Bhawan at Ramkrishna Nagar is being prepared.

(c) The Administrative Approval not yet issued.

বিষয় ঃ পশু চিকিৎসালয়ৰ উন্নতিকৰণ।

শ্রীৰফিকুল ইছলামে সুধিছে ঃ

২০৯। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বৰপেটা জিলাত বর্তমানে মুঠ কিমানখন পশু চিকিৎসালয় আছে? উক্ত

চিকিৎসালয়সমূহত পর্যাপ্ত পৰিমাণৰ চিকিৎসক আৰু বিষয়া-কর্মচাৰী আছেনে?

(চিকিৎসালয়সমূহৰ নামৰ লগতে চিকিৎসক আৰু বিষয়া-কর্মচাৰীৰ নাম আৰু সংখ্যাৰ বিতং তালিকা দাখিল কৰিব)।

(খ) বৰপেটা জিলাত বর্তমানে কিমানখন পশু চিকিৎসালয় চালুকীয়া অৱস্থাত আছে আৰু কিমানখনৰ অৱস্থা মৃতপ্রায় হৈছে? (তালিকা দাখিল কৰিব)।

(গ) মৃতপ্রায় চিকিৎসালয়সমূহক চালুকীয়া কৰিবলৈ চৰকাৰে শীঘ্রেই ব্যৱস্থা গ্রহণ কৰিবনে?

(ঘ) কলগাছিয়াকে আদি কৰি প্রতিটো সমষ্টিৰ কমেও ২ (দুখন) চিকিৎসালয় উন্নত আৰু অত্যাধুনিক বিজ্ঞানসন্মত চিকিৎসালয়লৈ উন্নীতকৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীখৰছিং ইংতি (পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাত মুঠ ২২ খন পশু চিকিৎসালয় আছে আৰু উক্ত চিকিৎসালয়সমূহত পর্যাপ্ত পৰিমাণৰ চিকিৎসক ও বিষয়া-কর্মচাৰী আছে। বিতং তালিকা সংযোজন 'ক'ত দিয়া হ'ল। (See Annexure-XXVII)

(খ) ২২খন চালুকীয়া অৱস্থাত আছে আৰু চাৰিখন মৃতপ্রায় (অমঞ্জুৰীপ্রাপ্ত) অৱস্থাত আছে। তালিকা 'ক' আৰু 'খ'ত দিয়া হ'ল (See Annexure-XXVIII)

(গ) মৃতপ্রায় (অমঞ্জুৰীপ্রাপ্ত) চিকিৎসালয়সমূহক চালুকীয়া (মঞ্জৰীপ্রাপ্ত) কৰিবলৈ বর্তমান চৰকাৰৰ হাতত আঁচনি নাই।

(ঘ) পুঁজি সাপেক্ষে বিবেচনা কৰা হ'ব।

বিষয় ঃ Accredited Engineerৰ চাকৰি নিয়মীয়াকৰণ সম্পর্কে।

শ্রী শ্বেখ শ্বাহ আলমে সুধিছে ঃ

২১০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ উন্নয়ন খণ্ডসমূহ চৰকাৰে কনিষ্ঠ অভিযন্তাৰ খালী হৈ থকা পদসমূহ পূৰণ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(খ) অসমৰ বিভিন্ন উন্নয়ন খণ্ডত ৪-৫ৰ পৰা সুদীৰ্ঘ বছৰ ধৰি Accredited Engineer (Qualified and having Civil Engineering Diploma Holder and engaged through Departmental Interview at District Level)সকল কৰ্মৰত হৈ থকাটো চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, তেন্তে সুদীৰ্ঘ দিন ধৰি কাম কৰি থকা (বহুসংখ্যকৰ ইতিমধ্যে, নতুনকৈ চাকৰিত আবেদন কৰাৰ বয়সৰ সীমা পাৰ হৈ গৈছে) Accredited Engineer সকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবৰ বাবে উক্ত পদসমূহ নিযুক্তি দি তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰিবনে?

(ঘ) যদি কৰে, তেন্তে চৰকাৰে উপৰোক্ত বিষয়টো গুৰুত্ব সহকাৰে ল'বনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিয়ে ঃ

(ক) Technical Staff সেৱা বিধি প্ৰস্তুত নোহোৱাৰ বাবে কনিষ্ঠ অভিযন্তাৰ খালী হৈ থকা পদসমূহ পূৰণ কৰিব পৰা হোৱা নাই।

(খ) হয়, অৱগত।

(গ) হয়, অৱগত।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ পঞ্চায়ত প্ৰতিনিধিৰ দৰমহা।

শ্ৰীৰণজিৎ কুমাৰ দাসে সুধিছে ঃ

১১১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত স্তৰ অনুযায়ী কিমান নিৰ্বাচিত প্ৰতিনিধি আছে?

(খ) এইটো সত্যনে, যোৱা পঞ্চায়ত নিৰ্বাচনৰ আগতে পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলক মাহিলী ভাট্টা দিয়াৰ কথা চৰকাৰে ঘোষণা কৰিছিল?

(গ) যদি এইটো সত্য, তেন্তে এইটো কিমান দূৰ ফলপ্ৰসু হ'ল?

(ঘ) যদি হোৱা নাই, কিয় হোৱা নাই আৰু কেতিয়ালৈকে হ'ব জনাবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত স্তৰ অনুযায়ী নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিৰ তালিকা তলত দিয়া হ'ল—

১। জিলা পৰিষদৰ সমষ্টিৰ সদস্য ৪২০জন

২। আঞ্চলিক পঞ্চায়তৰ সমষ্টিৰ সদস্য ২১৯০জন

৩। গাঁও পঞ্চায়তৰ সভাপতি .....২১৮৯ জন

৪। গাঁও পঞ্চায়তৰ সদস্য .....২১৭২৬ জন

(খ) পঞ্চায়ত নিৰ্বাচনৰ প্ৰতিনিধিসকলক মাহিলী ভাট্টা দিয়াৰ কথা চৰকাৰে ঘোষণা কৰাটো সত্য।

(গ) অসম ৰাজপত্ৰ নং ১১-১২-২০১২ অনুসৰি পঞ্চায়ত প্ৰতিনিধিসকলৰ মাহিলী ভাট্টা দিয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

(ঘ) প্ৰযোজ্য নহয়, যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বিষয় ঃ চৰকাৰী সাহায্য প্ৰদান।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

২১২। মাননীয় বন ও পৰিৱেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বনৰীয়া হাতীৰ উপদ্ৰৱত ক্ষতিগ্ৰস্থ হোৱা পৰিয়ালক চৰকাৰী সাহায্য প্ৰদান কৰা হৈছে নেকি?

(খ) বনৰীয়া হাতীৰ উপদ্ৰৱত আজিলৈকে কিমানজন লোকৰ প্ৰাণ গৈছে? (সবিশেষ জনাব)

(গ) বনৰীয়া হাতীৰ উপদ্ৰৱত ক্ষতিগ্ৰস্থক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হৈছে নেকি?

(ঘ) যদি ক্ষতিপূৰণ হোৱা লোকৰ পৰিয়ালৰ সংখ্যা কিমান?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হৈছে ।

(খ) বনৰীয়া হাতীৰ উপদ্ৰৱত ২০০৭-০৮ চনৰ পৰা ২০১৩ চনৰ নৱেম্বৰ মাহলৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৪৭৬ জন। বিতং তথ্য তলত দিয়া হ'ল।

চন	মৃত্যু হোৱা লোকৰ সংখ্যা
২০০৭-০৮	২৮ জন
২০০৮-০৯	৯৪ জন
২০০৯-১০	৮৪ জন
২০১০-১১	৭৮ জন
২০১১-১২	৯২জন
২০১২-১৩	৬১ জন
২০১৩-১৪	৪৩ জন
(নৱেম্বৰলৈ)	

(গ) হৈছে।

(ঘ) ক্ষতিপূৰণ দিয়া পৰিয়ালৰ সংখ্যা অনুসূচী (ক)ত সংলগ্ন কৰা হ'ল।

(See Annexure XXIX)

Sub : Transfer of Accountant of Development Block.

Shri Abdur Rahman Ajmal asked :

213. Will the Minister of P & R D be pleased to state?

(a) Whether the Portfolio of an Accountant cum Store Keeper of Development Block is Transferrable?

(b) If so, when it will be done?

(c) How long an Accountant cum Store Keeper can occupy an office in home District?

(Mention in details).

(d). Whether the Government has any knowledge about the Accountant cum Store Keeper of Birshing Jarua Development Block under 22-South Salmara LAC that from 06-10-1985, he gives render service in his home District?

(e) If so, why he has not been transferred from the said Development Block although a complain was lodge before the Commissioner, P & R D on 04-10-2013?

(Please mention in details)

Shri Rokybul Hussain (Minister of Panchayat & Rural Development) replied :

(a). Yes.

(b) Transfer is made as per the requirements of the public interest by the competent authority.

(c) No specific time limit is fixed regarding service of Accountant cum Store Keeper in his/her home district. However, in normal course, transfer is made after completion of 3 (three) years.

(d) Yes.

(e) Transfer of any Officer/Staff is not done based on the allegation or complaints. Whenever complaints are received, enquiries are conducted and action is taken based on the gravity of enquiry report. In this instant case, CEO, Zilla Parishad, Dhubri has been directed to conduct an enquiry against the allegation and take necessary action.

বিষয় ঃ **MNREGA/IAY.**

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২১৪। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) MNREGA আঁচনি অনুসৰি নগাঁও জিলাৰ বঢ়মপুৰ, কঠিয়াতলী, খাগৰীজান পাখিমৰীয়া (BDO) Block ৰ জৰিয়তে ২০১১-১২, ২০১২-১৩ বিত্তীয় বছৰত কোন কোন আঁচনিৰ বিপৰীতে কিমান টকা ব্যয় কৰাৰ প্রস্তাৱ আছিল?

(খ) উক্ত ব্লকৰ কোন কোন আঁচনিত এতিয়ালৈকে কিমান টকা ব্যয় কৰা হ'ল আৰু কিমান টকা ব্যয় কৰিবলৈ আছে?

(গ) উক্ত ব্লককেইটাত এতিয়ালৈকে উল্লেখিত বিত্তীয় বছৰকেইটাত কিমান IAY ঘৰ বনোৱাৰ আঁচনি লোৱা হৈছিল? কিমান আঁচনি সম্পূর্ণ হ'ল? কিমান সম্পূর্ণ হ'বলৈ বাকী আছে?

(ঘ) উক্ত IAY ঘৰৰ হিতাধিকাৰীৰ নাম, ঠিকনা বিত্তীয় বছৰ অনুসৰি পঞ্চায়ত ভিত্তিত জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) MNREGA আঁচনিৰ ২০১১-১২, ২০১২-১৩ বিত্তীয় বর্ষত নগাঁও জিলাৰ বঢ়মপুৰ, কঠিয়াতলী, খাগৰীজান, পাখিমৰীয়া উন্নয়ন খণ্ডৰ প্রস্তাৱিত আঁচনিৰ তালিকা (Annual Action Plan) পুঁজিৰ বিৱৰণসহ পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল।

(খ) উল্লেখিত উন্নয়ন খণ্ড ৪টাৰ অনুমোদিত Annual Action Planৰ আঁচনিসমূহৰ ভিতৰত ৰূপায়ণ কৰা আঁচনিৰ বিতং তালিকা (Operation Action Planৰ আঁচনিসমূহৰ ভিতৰত ৰূপায়ণ কৰা আঁচনিৰ বিতং তালিকা (operation plan) পৰিশিষ্ট 'খ'ত দেখুওৱা হ'ল।

(গ) বঢ়মপুৰ, কঠিয়াতলী, খাগৰীজান, পাখিমৰীয়া উন্নয়ন খণ্ডৰ ২০১১-২০১২, ২০১২-১৩ বিত্তীয় বর্ষত IAY ঘৰ নির্মাণৰ লক্ষ্য, ইয়াৰ ভিতৰত সম্পূর্ণ হোৱা, সম্পূর্ণ হ'বলৈ বাকী থকা ঘৰ আদিৰ পৰিসংখ্যা তলত দেখুওৱা হ'ল।

উন্নয়ন খণ্ডৰ	২০১১-১২		২০১২-১৩	
নাম	লক্ষ্য	নির্মাণ সম্পূণ কৰা	লক্ষ্য	নির্মাণ সম্পূর্ণ কৰা
	ঘৰৰ সংখ্যা		ঘৰৰ সংখ্যা	
১	২	৩	৪	৫
বঢ়মপুৰ	৩৭৭	৩৭৭	২২৪	২১৩
কঠিয়াতলী	১০৪৭	১০২৯	১৫০০	১৫০০
খাগৰীজান	৩৪১	৩৪১	৫৪৪	৫২৯
পাখিমৰীয়া	৩০১	৩০১	৫১৭	৪৮৯

(ঘ) পৰিশেষ পৰিশিষ্ট 'গ'ত দেখুওৱা হ'ল।

বিষয় ঃ পশুপালন আৰু পশুচিকিৎসা বিভাগৰ কার্যালয়ৰ স্থাপন।

শ্রীদেৱব্রত শইকীয়াই সুধিছে ঃ

২১৫। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) নাজিৰা মহকুমাত পশু চিকিৎসা বিভাগৰ মহকুমা কার্যালয় নথকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদিহে অৱগত, এই কার্যালয় স্থাপন আৰু আৱশ্যকীয় পদ অনুমোদন আৰু নিযুক্তিৰ ব্যৱস্থা কৰিছে নেকি?

(গ) যদি নাই কৰা, তেনেহ'লে কেতিয়া কৰিব?

(ঘ) মহকুমাটোত খালী হৈ থকা বিভাগীয় বিভিন্ন পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা ল'বনে?

শ্রীখৰচিং ইংতি (পশুপালন ও পশু চিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত।

(খ) বর্তমানলৈকে এই সম্পর্কে কোনো ব্যৱস্থা গ্রহণ কৰা হোৱা নাই।

(গ) আগন্তুক বিত্তীয় বর্ষৰ বাবে বিষয়টো বিবেচনা কৰা হ'ব।

(ঘ) হয় লোৱা হ'ব।

বিষয় ঃ অসমত গামোচা উৎপাদন।

শ্রীদিলীপ মৰাণে সুধিছে ঃ

২১৫। মাননীয় হস্ততাঁত বস্ত্রশিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানগৰাকী শিপিনী আছে? তেওঁলোকে মুঠতে কিমান বস্ত্র

উৎপাদন কৰে?

(খ) অসমত উৎপাদন কৰা মুঠ গামোচাৰ সংখ্যা কিমান?

(গ) অসমৰ বাহিৰৰ পৰা কিমান গামোচা আমদানি হয়?

(ঘ) অসমৰ গামোচা Patent কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ১৪.০১ লাখ গৰাকী শিপিনী আছে। তেওঁলোকে বছৰি প্ৰায় ৪০০.০০ মিলিয়ন বৰ্গমিটাৰ কাপোৰ উৎপাদন কৰে।

(খ) প্ৰতি বছৰে অসমত প্ৰায় ৫৯২.০০ লাখখন গামোচা উৎপাদন কৰা হয়।

(গ) বাহিৰৰ পৰা কিমান গামোচা আমদানি হয় সেই তথ্য বিভাগত নাই।

(ঘ) হোৱা নাই।

বিষয় ঃ উজনি অসমৰ চৰাইদেউৰ অবাধ বেদখল আৰু ইয়াৰ আইনী সুৰক্ষা।

শ্ৰীআবুল কালাম আজাদে সুধিছে ঃ

২১৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উজনি অসমৰ প্ৰাচীন ঠাই চৰাইদেউ এলেকাত অবাধ বেদখল চলি আছে, চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, চৰকাৰে ইয়াৰ সুৰক্ষাৰ বাবে কি ব্যৱস্থা হাতত লৈছে? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(গ) উজনি অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন ধ্বংসৰ পৰিৱৰ্তে সুৰক্ষাৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে (আঁচনিসমূহৰ নাম উল্লেখ কৰিব)।

(ঘ) অসম গঢ়া স্বৰ্গদেউ চুকাফাসহ দুকুৰি কোঁৱৰ-কুঁৱৰীৰ মৈদাম থকা ঐতিহাসিক চৰাইদেউত মৈদাম খহায় পুঁজিপতিয়ে চাহ বাগিচা আৰু আৱাস গৃহ সজাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, ইয়াৰ প্ৰতিৰোধ আৰু সুৰক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

(চ) স্বৰ্গদেউৰ মৈদাম খান্দি দুষ্কৃতিকাৰীয়ে সোণ, হীৰা আৰু আ-অলংকাৰ লুটপাতৰ চেষ্টা অব্যাহত ৰাখিছে, এই কথা চৰকাৰ অৱগতনে?

(ছ) যদি অৱগত, ইয়াৰ প্ৰতিৰোধ আৰু সুৰক্ষাৰ বাবে কিধৰণৰ আইনী ব্যৱস্থা হাতত লৈছে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ অসম প্ৰত্নতত্ত্বৰ সঞ্চালয়কৰ অধীনস্থ চৰাইদেউ মৈদামৰ সংৰক্ষিত এলেকাত কোনো বেদখল হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) উজনি অসমৰ প্ৰাচীন কীৰ্তি চিহ্নসমূহ সুৰক্ষাৰ বাবে অসম প্ৰত্নতত্ত্বৰ সঞ্চালকালয়ে গ্ৰহণ কৰা আঁচনিসমূহ হ'ল ঃ

সাধাৰণ পৰিকল্পনা শিতান ঃ

১। কীৰ্তিচিহ্ন আৰু প্ৰত্নতাত্ত্বিক স্থানৰ সংৰক্ষণ।

২। প্ৰত্নতাত্ত্বিক উদঘাটন আৰু খনন।

৩। কীৰ্তিচিহ্ন আৰু প্ৰত্নতাত্ত্বিক স্থানৰ পুনৰ নিৰ্মাণ, মেৰামতি।

৪। প্ৰত্নতাত্ত্বিক উদ্যান আৰু ক্ষেত্ৰ সংগ্ৰহায়ল স্থাপন।

(ঘ) অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ অধীনত চৰাইদেউ মৈদামৰ সংৰক্ষিত এলেকাৰ ভিতৰত মৈদাম খহাই কোনো পুঁজিপতিয়ে চাহবাগিচা বা আৱাহগৃহ সজা নাই।

(ঙ) প্ৰন্ন নুঠে।

(চ) অৱগত নহয়।

(ছ) প্ৰশ্ন নুঠে।

বিষয় ঃ MNREGA ৰ কর্মচাৰী সন্দর্ভত।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২১৮। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ প্রতিখন খণ্ড উন্নয়ন বিষয়াৰ কার্যালয়ৰ অধীনত MNREGA আঁচনি অধীনত কি কি পদত অস্থায়ীভাৱে কর্মচাৰী নিয়োগ কৰা হৈছে?

(খ) উন্নয়ন ভিত্তিত কর্মচাৰীৰ নাম-ঠিকনাৰ তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত কর্মচাৰীসকলক কি হাৰত কি ভিত্তিত কেনেকৈ দৰমহা দি থকা হৈছে? (বিতং তথ্য সদনত দাখিল কৰিব)

(গ) উক্ত কর্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ ক্ষেত্রত চৰকাৰে কিবা পদক্ষেপ লৈছেনে?

(ঘ) যদি লৈছে, কিয় পদক্ষেপ লৈছে?

(ঙ) যদি লোৱা নাই, কিয় লোৱা নাই?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ প্রতিখন খণ্ড উন্নয়ন বিষয়াৰ কার্যালয়ত MGNREGA আঁচনিৰ অধীনত অস্থায়ীভাৱে নিয়োগ কৰা কর্মচাৰীসকল—

1) Accredited Engineer, 2) Gram Rojbar Sahayak, 3) Computer Assistant, 4) Account Assistant.

সদ্যহতে জিলা গ্রামীণ অভিকৰণৰ পৰা পোৱা তথ্যসমূহ পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল।

(খ) উক্ত ঠিকাভিত্তিক অস্থায়ী কর্মচাৰীসকলক তলত দেখুওৱাৰ দৰে দৰমহা দি থকা হৈছে।

১) Accredited Engineer ক মাহিলী ১০,০০০/- টকাকৈ।

২) Gram Rojgar Sahayakক মাহিলী ৪,৫০০/- টকাকৈ

৩) Computer Assistantক মাহিলী ৪,৫০০/- টকাকৈ

৪) Account Assistant ক মাহিলী ৪,৫০০/- টকাকৈ পাৰিশ্ৰমিক দিয়া হয়।

এওঁলোকৰ মাহিলী পাৰিশ্ৰমিক MGNREGA পুঁজিৰ ৬ % Administrative Expenditureৰ পৰা দিয়া হয়।

(গ) চৰকাৰৰ হাতত বৰ্তমানলৈ এনে কোনো প্ৰস্তাৱ নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰস্তাৱ নথকা হেতুকে ব্যৱস্থা লোৱা নাই।

বিষয় ঃ মীন বিভাগৰ পুখুৰী সংখ্যা আৰু আঁচনি।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

২১৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাক কিমানটা পুখুৰী চৰকাৰী মীন বিভাগৰ অধীনত আছে, নাম সহ অনুগ্ৰহ কৰি জনাবনে? ইয়াৰ পৰা বছৰেকীয়া আয় কিমান আৰু পৰিচালনা কেনেভাবে কৰে?

(খ) ধুবুৰী জিলাত কিমানখন বিল, খাল, নদ-নদী চৰকাৰী ৰাজহৰ বাবে নিবিদা গ্ৰহণ কৰা হয়, কিমান বছৰৰ বাবে ভোগ কৰিবলৈ দিয়া হয় আৰু কিমান ৰাজহ ইয়াৰ পৰা সংগ্ৰহ কৰা হয়?

(গ) মীন বিভাগৰ যোগেদি চৰকাৰী সাহায্য প্ৰদান কৰা বিভিন্ন আঁচনি ২০১১-১২, ২০১২-১৩, ২০১৩-১৪ বিত্তীয়বৰ্ষৰ ধুবুৰী জিলাৰ হিতাধিকাৰীসকলৰ নাম কি কি জনাব নে? (সমষ্টি ভিত্তিত তথ্য দিব)

(ঘ) হিতাধিকাৰীসকলৰ বাবে চৰকাৰী কি কি আঁচনি আছে? (তালিকা দিব)

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাৰ মীন বিভাগৰ অধীনত ২খন চৰকাৰী মীন পামৰ বীপৰীতে

মুঠ ১৪টা পুখুৰী আছে। নাম সহ ৰছৰেকীয়া আয়ৰ বিতং তথ্য পৰিশিষ্ট 'ক' সংলগ্ন কৰা হ'ল। (See Annxure-XXX)

(খ) ধুবুৰী জিলাত মুঠ ৩৮খন বিল, খাল, নাদ-নদী চৰকাৰী ৰাজহৰ বাবে নিবিদা গ্ৰহণ কৰা হয়। এইবোৰ মুঠ ৭(সাত) বছৰৰ বাবে ভোগ কৰিবলৈ দিয়া হয় আৰু ইয়াৰ পৰা ৰাজহ সংগ্ৰহৰ পৰিমাণ বাৰ্ষিক প্ৰায় ১৮,০৫,০৪৬/- টকা।

(গ) ধুবুৰী জিলাৰ মীন বিভাগৰ যোগেদি সাহায্য প্ৰদান কৰা বিভিন্ন আঁচনিৰ বিত্তীয় বৰ্ষৰ ২০১১-১২আৰু ২০১২-১৩ৰ হিতাধীকাৰীৰ নাম ঠিকনা সমষ্টি ভিত্তিত বিতং তথ্য পৰিশিষ্ট 'গ'ৰ ১-২৪লৈ আৰু 'ঘ' ১ৰ পৰা ১২লৈ সংলগ্ন কৰা হ'ল। বিত্তীয়বৰ্ষ ২০১৩-১৪হিতাধিকাৰীৰ তালিকা অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। (See Annexure-XXXI)

(ঘ) ধুবুৰী জিলাৰ মীন বিভাগৰ অধীনত চৰকাৰীভাবে প্ৰকৃত হিতাধিকাৰীৰ আঁচনিসমূহৰ বিতং তালিকা পৰিশিষ্ট 'ঙ'ত সংলগ্ন কৰা হ'ল।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্ৰীমজিবুৰ ৰহমানে সুধিছে ঃ

২২০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৮৫নং ৰূপহীহাট সমষ্টিৰ জুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত দগাঁও-চিংগাঁও গাঁও পঞ্চায়তৰ অধীনত যোৱা ২০১২-১৩বৰ্ষত A.P level ত MGNREGA ৰ।

(i) Excavation of fishery Tank at Block Campus

(ii) Land Development at Juria Block office Campus

(iii) Water harvesting Tank at Juria G.P. আঁচনিসমূহ ৰূপায়ণ কৰা হৈছিল নেকি?

(খ) যদি হৈছিল, তেন্তে উক্ত প্ৰতিটো আঁচনিৰ বিপৰীতে কিমান টকাকৈ পুঁজি আবণ্টন দিয়া হৈছিল আৰু ইয়াৰে কিমান অংশ Wageত আৰু কিমান অংশ Materials ৰ বাবদ খৰচ কৰা হৈছিল?

(গ) উক্ত আঁচনিসমূহৰ বিপৰীতে Bank Account টো Closeহৈছেনে?

(ঘ) উক্ত উল্লেখিত প্ৰতিটো আঁচনিৰ Wageত খৰচ হোৱা পুঁজিৰ বাবদ Bankৰ পৰা Withdrawকৰা Job card holderসকলৰ নামৰ তালিকা সম্পূৰ্ণ ঠিকনা, জৰ কার্ড নাং, Bank Accountনং আৰু প্ৰতিজন Job card holderয়ে withdrawকৰা মজুৰিৰ Bank statementৰ কপি সদনৰ মজিয়াত পৃথক পৃথকে দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়াত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, ৮৫নং ৰূপহীহাট সমষ্টিৰ জুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত দগাঁও-চিংগাঁও গাঁও পঞ্চায়ত অধীনত যোৱা ২০১২-১৩বৰ্ষত MGNREGAআঁচনিত তলত উল্লেখ কৰা আঁচনি ৩খন A.P. Level ত ৰূপায়ণ কৰা হৈছিল।

(i) Excavation of fishery Tank at Block Campus

(ii) Land Development at Juria Block Office Campus

(iii) Water harvesting Tank at Juria A.P.

(খ) সবিশেষ তলত দিয়া হ'ল—

Name of Schemes	Amount	wage	Material	Total
Excavation of fishery tank at Block Campus	3.00	2.93	0.04	2.97
Land Dev. at Juria Block office Campus	4.995	4.41	0.585	4.90
Water harvesting Tank at Juria A.P	3.00	2.94	0.04	2.95

(গ) নগাঁও জিলাৰ গ্ৰামীণ অভিকৰণ প্ৰকল্প সঞ্চালকে জনোৱা মৰ্ম্মে উল্লেখিত আঁচনি কেইটাৰ বিপৰীতে কোনো নিৰ্দ্দিষ্ট একাউন্ট খোলা নাই। জুৰীয়া আঞ্চলিক পঞ্চায়তৰ মূল Accountত ৰাখি খৰচ কৰা বুলি খণ্ড উন্নয়ন বিষয়াই জনাইছে।

(ঘ) নগাঁও জিলাৰ গ্ৰামীণ অভিকৰণৰ প্ৰকল্প সঞ্চালকে জনোৱা মতে আঁচনি তখন ৰূপায়ণ কৰোতে নিয়োগ কৰা জৱকার্ডধাৰী শ্ৰমিকসকলৰ তালিকা, ঠিকনা জৱকার্ড একাউন্ট নম্বৰ, আৰু একাউন্টৰ তালিকা পৰিশিষ্ট - 'ক' ত সংলগ্ন কৰা হ'ল। (See Annexure-XXXIII) জৱকার্ডধাৰীয়ে মজুৰী লোৱা Withdrawal Formৰ প্ৰতিলিপিসমূহ সংশ্লিষ্ট ডাক ঘৰতহে মজুত আছে।

বিষয় ঃ সূতা বিতৰণ।

শ্ৰীপ্ৰবীন হাজৰিকাই সুধিছে ঃ

২২১। মাননীয় হস্তঁতাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিধানসভাৰ সদনত প্ৰতিজন বিধায়কৰ এলেকাত ৫৫০গৰাকী শিপিনীলৈ চৰকাৰৰ ফালৰ পৰা সূতা দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰী মহোদয়াই জানিবলৈ দিয়াৰ মৰ্মে সূতা দিয়া হ'লনে?

(খ) যদি দিয়া হ'ল তেন্তে প্ৰশ্নকর্তাই বিধায়ক হিচাৰে অৱগত নোহোৱাকৈ ক'ত ক'ত দিলে আৰু কোন কোন হিতাধিকাৰীয়ে পালে বিষয়টো সঠিকভাৱে অৱগত কৰিবনে ? (হিতাধিকাৰীৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) উক্ত বিষয়টো তদন্তৰ ব্যৱস্থা কৰি পাবলগীয়া হিতাধিকাৰীসকলৰ সূতা দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী প্ৰণতি ফুকন (হস্তঁতাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ১৩নৱেম্বৰ ২০১৩তাৰিখত হিতাধিকাৰীৰ মাজত সূতা দিয়া হ'ল।

(খ) হিতাধিকাৰীয়ে ক'ত ক'ত আৰু কোন ঠাইত সূতাপালে তাৰবানে হিতাধিকাৰীৰ তালিকা সংলগ্ন 'ক'ত গাঁঠি দিয়া হ'ল।

(See Annexure-XXXIV)

(গ) ইতিমধ্যে সূতা দিয়া হৈ গ'ল।

Sub : Creation of New Blocks.

Shri Sherman Ali Ahmed asked :

222. Will the Minister of P. & R. D. Department be pleased to state:

(a) In reply to unstarred Q. No. 207 dated, 14-12-2012, it was informed that 18 new Development Blocks would be established in Assam including two in Baghbar LAC, namely Bhatnapaity Development Block and Joypur Development Block, what is the present status of creation of these new Blocks ?

(b) When these new Blocks would be sanctioned?

(c) Is it true that D. C. Barpeta/ CEO, Barpeta Zilla Parishad has already submitted a proposal for creation of new Blocks and Gaon Panchayats in Barpeta District to the Government of Assam? If yes, please furnished a copy of the proposal alongwith all the enclosures. Whether the proposal have been approved by the Government ? If not, would the Government be pleased to expedite the process of approval of the said proposal would the Government be pleased to specify a definite time frame?

Shri Rokybul Hussain (Minister of Panchayat & Rural Development) replied :

(a) Proposal for creation of new Development Blocks including Bhatnapaity Development Block and Joypur Development Block has been received from Deputy Commissioner, Barpeta in response to this Department's letter dated 04/07/2013 (Annexure - 'A') and the Government is awaiting proposals from other Districts for consideration by the State Level Committee. (See Annexure-XXXV)

(b) On receipt of the proposals from all Deputy Commissioners as called for vide letter dated 04/07/2013 (Annexure - 'A')' the Government will take decision.

(c) Yes, it is true.

Copy of the proposal alongwith its enclosures at Annexure -'B'.

(See Annexure-XXXVI)

বিষয় ঃ এক্রিডিয়েট সাংবাদিকৰ সংখ্যা।

শ্রীউৎপল দত্তই সুধিছে ঃ

২২৩। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা চলিত বছৰলৈ ৰাজ্যত প্রতিবছৰে কিমানজনকৈ সাংবাদিকক এক্রিডিয়েশ্যন কার্ড দিয়া হৈছে। (বছৰ অনুযায়ী সাংবাদিক, সংবাদ প্রতিষ্ঠানৰ নামসহ তালিকা পৃথক পৃথকৈ দিব)

(খ) এই সাংবাদিকসকলক চৰকাৰে কিবা সুবিধা দিয়ে নেকি? যদি দিয়ে, কিমানজন সংবাদিকে কি কি সুবিধা ক'ৰ পৰা পালে? (তাৰ বিতং তথ্য দিব)

শ্রীবসন্ত দাস (তথ্য ও জনসংযোগ বিভাগৰ মন্ত্রী (স্বতন্ত্র)) য়ে উত্তৰ দিছেঃ

(ক) প্রতি বছৰে সাংবাদিকসকলক Assam Press Correspondent (Accriditation/Recognization) Rules,1989 মতে এক্রিডিটেচন দিয়াৰ ক্ষেত্রত মুখ্য সচিবৰ অধ্যক্ষতাত গঠিত প্রেছ এক্রিডিটেচন কমিটিয়ে সাংবাদিকসকলক নীতি-নিয়মৰ মাজেৰে প্রেছ এক্রিডিটেচন কার্ডসমূহ প্রদান কৰে। ২০০১চনৰ পৰা চলিত বর্ষলৈ স্বীকৃতি প্রাপ্ত এক্রিডিটেড সাংবাদিকসকলৰ বছৰ অনুযায়ী বিৱৰণ তলত উল্লেখ কৰা হ'ল।

২০০১চনৰ প্রেছ এক্রিডিটেচন কার্ড ৭২জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০২চনৰ প্রেছ এক্রিডিটেচন কার্ড ৭২জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৩চনৰ প্রেছ এক্রিডিটেচন কার্ড ৬৭জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৪চনৰ প্রেছ এক্রিডিটেচন কার্ড ৬৪জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৫চনৰ প্রেছ এক্রিডিটেচন কার্ড ৫৭জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৬চনৰ প্রেছ এক্রিডিটেচন কার্ড ৬০জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৭চনৰ প্রেছ এক্রিডিটেচন কার্ড ৫৮জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৮চনৰ প্রেছ এক্রিডিটেচন কার্ড ৫৫জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০০৯চনৰ প্রেছ এক্রিডিটেচন কার্ড ৬৩জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০১০চনৰ প্রেছ এক্রিডিটেচন কার্ড ৭১জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০১১চনৰ প্রেছ এক্রিডিটেচন কার্ড ৭৪জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০১২চনৰ প্রেছ এক্রিডিটেচন কার্ড ৬৬জন সাংবাদিকক প্রদান কৰা হৈছিল।
২০১৩চনৰ প্রেছ এক্রিডিটেচন কার্ড ৮৩জন সাংবাদিকক প্রদান কৰা হৈছিল।

বছৰ অনুযায়ী সাংবাদিক, সংবাদ প্রতিষ্ঠানৰ নামসহ তালিকা সংলগ্ন 'ক'ত দিয়া হ'ল।

(See Annexure-XXXVII)

(খ) Assam Press Correspondent (Accriditation/

Recognization) Rules, 1989 [Chapter VII Rule 27] অনুযায়ী নিম্নোক্ত সুবিধাসমূহ এক্রিডিটেড সাংবাদিকসকলক প্রদান কৰা হয়।

(১) এক্রিডিটেড সাংবাদিকসকলক হাউচিং ব'র্ডৰ ভাৰাতীয়া ঘৰ আবণ্টনৰ ক্ষেত্রত আৰু মাটি আবণ্টনৰ ক্ষেত্রত পাঁচ শতাংশ অগ্রাধিকাৰ দিয়া হ'য়।

(২) ৰাজ্যিক পৰিবহণ নিগমৰ এটা কেলেণ্ডাৰ বর্ষত ২৫০০কিঃমিঃ বিনামূলীয়া ভ্রমণৰ সুবিধা দিয়াৰ ব্যৱস্থা আছে।

(৩) আবর্ত ভৱন. ডাক বাংলো আৰু ৰাজ্যৰ বাহিৰত থকা অসম হাউচত ৰাজ্য চৰকাৰৰ বিষয়া কর্মচাৰীসকলে দিবলগীয়া মূল্য অনুযায়ী এক্রিডিটেড সাংবাদিক সকলেও সমমূল্য প্রদান কৰি ঠাই আনুকূল্য সাপেক্ষে উক্ত ভৱন বা ডাক বাংলোবিলাকত থাকিব পাৰে।

(৪) চৰকাৰী গেজেট আৰু অন্যান্য পুস্তিকা, কিতাপ পত্র আদি সাংবাদিকসকলক বিনামূলীয়াকৈ যোগান ধৰা হয়।

বিষয় ঃ মীন আঁচনি ৰূপায়ণ।

শ্রীযাদৰ চন্দ্র ডেকাই সুধিছে ঃ

২২৪। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তর্গত কমলপুৰ আৰু বিহদিয়া জাজীকোণা উন্নয়ন খণ্ডত কিমানটা বৃহৎ আকাৰৰ অতি পুৰণি পুখুৰী আছে? (বিতং তালিকা সদনত দাখি কৰিব)

(খ) উক্ত পুখুৰীসমূহত হিতাধিকাৰী উপকৃত হ'ব পৰা কিব আঁচনি গ্রহণ কৰা হৈছে নেকি? (তালিকাসহ বিশদভাৱে সদনত দাখিল কৰিব)

(গ) যদি আঁচনি গ্রহণ কৰা হৈছে, ক'ত ক'ত আৰু কেনেধৰণৰ আঁচনি ৰূপায়ণ কৰা হৈছে? (বিশদভাৱে জনাব)

(ঘ) বর্তমানেও আঁচনি গ্রহণ নকৰা পুখুৰীসমূহত চৰকাৰে কেতিয়া আঁচনি গ্রহণ কৰিব?

শ্রীবসন্ত দাস (মীন বিভাগৰ মন্ত্রী (স্বতন্ত্র)) য়ে উত্তৰ দিছে ঃ

(ক) কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তর্গত কমলপুৰ আৰু বিহদীয়া জাজীকোণা উন্নয়ন খণ্ডত থকা বৃহৎ আকাৰৰ পুৰণি পুখুৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

কমলপুৰ উন্নয়ন খণ্ডত-২১টা

জাজীকোণা উন্নয়ন খণ্ডত-২৪টা

বিতং তালিকা সংলগ্ন কৰি দিয়া হ'ল। (তালিকা 'ক' আৰু তালিকা 'খ') (See Annexure-XXXVII)

(খ) উক্ত পুখুৰীসমূহত হিতাধিকাৰী উপকৃত হ'ব পৰাকৈ বিভিন্ন সময়ত বিশ্ব বেংকৰ সাহার্য আঁচনিৰ অধীনত 'অসম গ্রাম্য আন্তঃগাঠনি কৃষি সেৱা প্রকল্প' (ARIASP)১৯৯৯-২০০০, ২০০০-০১, ২০০১-০২, 'অসম কৃষি সামর্থ বর্দ্ধক প্রকল্প' (AACP) ২০০৬-০৭, ২০০৭-০৮ আৰু ৰাজ্যিত পৰিকল্পনা শিতানৰ পতিত পুখুৰী উন্নয়ন আঁচনিৰ অধীনত উন্নয়ন কৰা হৈছে। সংলগ্ন তালিকা 'ক' আৰু 'খ'ত বিশদভাৱে উল্লেখ কৰা হ'ল।

(See Annexure-XXXVIII)

(গ) সংলগ্ন কৰি দিয়া তালিকা 'ক' আৰু 'খ'ত উক্ত পুখুৰীসমূহৰ স্থান আৰু আঁচনিৰ সবিশেষ উল্লেখ কৰি দিয়া হৈছে।

(See Annexure-XXXVIII)

(ঘ) ভৱিষ্যতে মীন বিভাগৰ জৰিয়তে ৰাজহুৱা পুখুৰী উন্নয়ন, পতিত জলাশয় উন্নয়ন আদি আঁচনিৰ অধীনত বিভাগীয় নীতি-নির্দ্দেশনা অনুসৰি বর্তমানেও আঁচনিৰ অর্ন্তভূক্ত নোহোৱা পুখুৰীসমূহত পর্য্যায়ক্রমে আগন্তুক বর্ষ সমূহত উন্নয়ন আঁচনি গ্রহণ কৰা হ'ব।

বিষয় ঃ পশু চিকিৎসা ।

শ্রীআলী হুছেইনে সুধিছে ঃ

২২৫। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বপপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ কেইটা পশু চিকিৎসালয় আছে আৰু এই চিকিৎসালয়বোৰত যথোপযুক্ত পশু চিকিৎসক আৰু কৰ্মচাৰী আছেনে?

(খ) চৰকাৰে নতুনকৈ পশু চিকিৎসালয় স্থাপন কৰাৰ কথা ভাবিছেনে?

(গ) যদি ভাবিছে, তেন্তে কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব? (চন-তাৰিখ জনাব)

(ঘ) বৰ্তমান এই পশু চিকিৎসালয়বোৰত উপযুক্ত পৰিমাণে পশুৰ বাবে ঔষধপতি আদি যোগান ধৰিছেনে? যদি ধৰিছে, তেন্তে ক'ত কিমান তথ্য সহকাৰে জনাবনে?

শ্ৰীখৰছিং ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত ২(দুই) খন পশু চিকিৎসালয় আছে আৰু এই চিকিৎসালয়বোৰত যথোপযুক্ত চিকিৎসাক ও কৰ্মচাৰী আছে।

(খ) নতুনকৈ পশু চিকিৎসালয় স্থাপনৰ কোনো পৰিকল্পনা বৰ্তমানে চৰকাৰৰ হাতত নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্তমান এই পশু চিকিৎসালয়বোৰত নিয়মীয়াভাৱে পশুৰ বাবে ঔষধপাতি যোগান ধৰি থকা হৈছে। বিত্তীয়বৰ্ষৰ ২০১২-২০১৩ আৰু চলিত বৰ্ষৰ (২০১৩)নৱেম্বৰলৈ যোগান ধৰা ঔষধৰ পৰিমাণ Annexure-Aআৰু Annexure-B ত দিয়া হ'ল। (See Annexure=XXXIX)

বিষয় ঃ বিজ্ঞাপন প্ৰকাশ।

শ্ৰীনৰ কুমাৰ দলেই সুধিছে ঃ

২২৬। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১চনৰ পহিলা এপ্ৰিলৰ পাছৰ পৰা ২০১৩ৰ নৱেম্বৰলৈ (১) দৈনিক বাতৰি কাকত (২) দৈনিক প্ৰতিবেদন (৩) Assam Post (৪) The

Estern Chronicle নামৰ কাকত কেইখনত তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা কি কি বিজ্ঞাপন প্ৰকাশ কৰা হৈছে?

(খ) এই সময়ছোৱাত বিভাগৰ দ্বাৰা প্ৰকাশিত বিজ্ঞাপনবোৰ সম্পৰ্কত সংশ্লিষ্ট বিভাগে প্ৰেৰণ কৰা পত্ৰ, বিজ্ঞাপনৰ Matter আৰু বিভাগে দিয়া Order Copy ৰ প্ৰতিলিপি দাখিল কৰিবনে? (প্ৰতিটো দিন আৰু কাকতভেদে এই তথ্য আৰু উল্লেখিত প্ৰতিলিপিসমূহ দিব)

শ্ৰীবসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)) য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ পহিলা এপ্ৰিলৰ পাছৰ পৰা ২০১৩চনৰ নৱেম্বৰলৈকে (১) দৈনিক বাতৰি কাকত (২) দৈনিক প্ৰতিবেদন (৩) আছাম পোষ্ট (৪) দি ইষ্টাৰ্ণ ক্ৰনিকল নামৰ বাতৰি কাকত কেইখনত তথ্য আৰু জনসংযোগ বিভাগে বিভিন্ন শ্ৰেণীবদ্ধ (Classified) আৰু ডিচপ্লে (Display) বিজ্ঞাপন প্ৰকাশ কৰি আহিছে।

(খ) উক্ত সময়ছোৱাত বিভাগৰ দ্বাৰা প্ৰকাশিত বিজ্ঞাপনবোৰৰ সন্দৰ্ভত বিভাগে প্ৰেৰণ কৰা পত্ৰ, বিজ্ঞাপনৰ বিষয়বস্তু আৰু বিভাগে দিয়া আদেশৰ প্ৰতিলিপিৰ প্ৰতিটো দিন আৰু কাকত ভেদে সংলগ্ন 'ক' ত দিয়া হ'ল।

Sub: Construction of Veterinary S.D.O. Office Building.

Shri Kripanath Mallah asked :

227. Will the Minister of A.H & Veterinary be pleased to state:

(a) Whether estimate for construction of Sub-Divisional Veterinary Office Building at Ramkrishna Nagar has been prepared for according Administrative Approval in this current financial year? If so, what is the amount?

(b) If not, will the Government initiate action to place demand

of fund in 2013-14/2014-15 annual budget?

(c) Whether Director, A.H. & Veterinary has been directed by the Government to prepare estimate and for submission of demand of necessary fund for the purpose?

(please place copy of such communication and correspondence made by the Directorate, A.H. & Veterinary to his subordinate officers)

Shri Khorsing Engti (Minister of A.H. & Veterinary) replied :

(a) No.

(b) Yes, the Govt. will consider in due course of time.

(c) No.

বিষয় ঃ আলিটাঙনী পশু চিকিৎসা উপকেন্দ্র।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

২২৮। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) আলিটাঙনী পশু স্বাস্থ্য উপকেন্দ্রটো ২০১১চনৰ ধুমুহাত ক্ষতিগ্রস্ত হোৱাৰ পিছত ইয়াক মেৰামতি কৰাৰ বাবে প্রস্তাৱ চৰকাৰে পাইছিল নেকি?

(খ) যদি পাইছিল, এইটো আজিলৈকে কিয় মেৰামতি কৰা ন'হল?

(গ) জুৰীয়া ব্লক ভেটেৰীনাৰী ডিচ্‌পেনছাৰীখনৰ গৃহ নির্মাণ কেতিয়া আৰু ক'ত কৰা হ'ব জনাবনে?

শ্রীখৰছিন ইংতি (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় পাইছে।

(খ) উক্ত উপকেন্দ্রটো মেৰামতিৰ বাবে ২০১২-১৩বৰ্ষত ৰাষ্ট্রীয় কৃষি বিকাশ

যোজনা (RKVY)ৰ অধীনত ইতিমধ্যেই অনুমোদন দিয়া হৈছে।

(গ) জুৰীয়া ব্লক ভেটেৰীনাৰী ডিচ্‌পেনচাৰীখনৰ গৃহ নির্মাণৰ কাম বর্তমান চৰকাৰে গ্রহণ কৰা নাই।

বিষয় ঃ জিলা প্রেক্ষাগৃহ নির্মাণ সন্দর্ভত।

শ্রীমনোৰাৰ হুছেইনে সুধিছে ঃ

২২৯। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা বছৰ গোৱালপাৰা চহৰৰ অসম ক্লাৱত ৰাজ্যিক ভিত্তিত কেন্দ্রীয়ভাৱে কলাগুৰু বিষ্ণু প্রসাদ ৰাভাদেৱৰ জন্ম জয়ন্তী উদযাপন অনুষ্ঠানত সাংস্কৃতিক পৰিক্রমা মন্ত্রী মহোদয়াই ৫০লাখ টকা ব্যয় সাপেক্ষে গোৱালপাৰাত এখন প্রেক্ষাগৃহ নির্মাণ কৰা হ'ব বুলি ৰাজহুৱাভাৱে প্রতিশ্রুতি দিয়াটো সঁচানে?

(খ) যদি সঁচা উক্ত ৫০লাখ মুকলি কৰি দিয়া হৈছেনে?

(গ) যদি হোৱা নাই, তেনেহ'লে কেতিয়া এই টকা মুকলি কৰি দিয়া হ'ব?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) নাই হোৱা।

(গ) ২০১৩-১৪ বিত্তীয়বর্ষৰ ভিতৰতে এই টকা মুকলি কৰি দিব পৰা যাব বুলি আশা কৰা হৈছে।

Sub : Fund alloted.

Shri Sirajuddin Ajmal asked :

230. Will the Minister of Handloom and Textile be pleased to state :

(a) What different Schemes have been implemented by the

Handloom and Textile Department in the State?

(b) What amount of fund have been alloted under above Schemes for Hojai Sub-Division?

(Give details Schemes-wise)

(c) What Schemes have been implemented in Jamunamukh LAC at the moment? (Give details about the Schemes and utilisation of fund per Scheme-wise for current year)

Smt. Pranati Phukan (Minister of Handloom Textiles & Sericulture Department) replied :

(a) The following schemes have been implemented by the Handloom & Textiles Department in Assam.

State Sector Scheme

1. Scheme for production of Handloom Fabrics
2. Scheme for Economic Upliftment for weavers under SCSP and TSP
3. Assam Bikash Yojana for distribution of yarn under the Chief Minister's Special Programme
4. Scheme for Training Programme
5. Scheme for production of Gamocha

Central Sector Scheme

1. Integrated Handloom Development Scheme
2. Marketing Incentive under IHDS
3. Mahatma Gandhi Bunkar Bima Yojana

4. Health Insurance Scheme

5. Weavers Credit Card

6. Revival Reforms and Restructuring package for Handloom sector

(b) The Schematic allotment of fund to Hojai Sub-Division is shown below :

Year	Scheme/Programme	Fund Alloted (Rs. in lakhs)	Life insured
2012-13	1. Distribution of yarn to weavers under Chief Minister's Special Scheme	18.33	-
	2. Economic Upliftment of Weavers under SCSP (one project)	5.00	-
	3. Production of Handloom Fabrics (Distribution of Looms & Accessories with yarn)	6.60	-
	4. Mahatma Gandhi Bunkar Bima Yojana (Through LIC)	-	414
	5. Health Insurance Scheme by ICICI Lombard	3.234	7562

6. Integrated Handloom Development Scheme (Group Approach)	3.234	-
7. Marketig Incentive under IHDS	19.81	-
8. Revival Reforms & Restructuring Package for Handloom Sector (29 nos. of Primary Weavers Co-operative)	74.04	-
9. Weavers Credit Card to 8 nos. of weavers	2.75	-

(C) Under the Chief Minister's Special Scheme, Assam Bikash Yojana for the year 2012-2013 550 nos. bundle of yarn have been allotted to Jamunamukh LAC which is under process of distribution to weavers at the moment.

বিষয় ঃ IAY হিতাধিকাৰী।

ডাঃ দুর্লভ চমুৱাই সুধিছে ঃ

২৩১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত IAY ঘৰৰ হিতাধিকাৰীৰ তালিকা কিমান চনত প্ৰস্তুত কৰা হৈছিল। ইয়াৰে কিমানজনক IAYঘৰ আবণ্টন দিয়া হ'ল আৰু কিমানজনক বাকী থাকিল?

(খ) নতুনকৈ ২০০৬-২০০৭বৰ্ষৰ পিচত IAYঘৰৰ wait listতৈয়াৰ কৰিবলৈ

নির্দেশ দিয়া হৈছিল নেকি?

(গ) IAYঘৰ আবণ্টন দিওঁতে wait listৰ পৰা হিতাধিকাৰী কেনেকৈ নির্বাচন কৰা হয় আৰু কি নীতি-নির্দেশনা আছে?

(ঘ) Wait list ক্রম অনুসৰি ওপৰত নাম থকা যোগ্য ব্যক্তিক বঞ্চিত কৰি বহু তলত নাম থকা ব্যক্তিক বাছনি কৰাৰ কিবা নিয়ম আছে নেকি?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত IAYঘৰৰ হিতাধিকাৰীৰ তালিকা (PLW) ২০০৭চনত প্রস্তুত কৰা হৈছিল। এই তালিকাত ২০,৩৫,২৫৩হিতাধিকাৰী আছিল। বর্তমানলৈকে ৯৬৩১৫২জন হিতাধিকাৰীক IAYঘৰ দিয়া হৈছে আৰু ১০৭২১০১জন হিতাধিকাৰীয়ে ঘৰ পাবলৈ বাকী আছে।

(খ) হয়।

(গ) IAYঘৰ আৱন্ট দিওঁতে গাঁও সভাৰ অনুমোদন ক্রমে Wait listৰ পৰা Score based আৰু economically more deserving হিতাধিকাৰীক অগ্রাধিকৰণৰ ভিত্তিত বাছনি কৰি লোৱা হয়।

(ঘ) Wait listৰ পৰা ক্রমিক অনুসৰি হিতাধিকাৰী বাছনি কৰিব লাগে বাবে তেনে কোনো নিয়ম নাই। নির্দেশনাৰ প্রতিলিপি পৰিশিষ্ট - ক ত দেখুওৱা হ'ল। (See Annexure-XL)

বিষয় ঃ **CM's Special Package.**

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

২৩২। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) 'Chief Minister's special package providing Rs.5000/- (Rupees five thousand)and 2(two) bundles of G.C.I

sheet per family' নামৰ আঁচনিখনৰ অধীনত হিতাধিকাৰী নিৰ্বাচন কৰাৰ বাবে 'Selection Commitee' ৰ সভাপতিজন 'Minister-in-charge of the district'হয়নে? যদি হয়, তেনেহলে তেওঁ দিয়া nominee ৰ দ্বাৰাই তেনে মিটিং চলোৱা ব্যৱস্থা কৰিব পাৰেনে?

(খ) কি নিয়মৰ অধীনত কৃষি মন্ত্রী মহোদয়ে প্রাক্তন বিধায়িকা ডাঃ মলয়া বর্মনক বজালী উন্নয়ন খণ্ডৰ বাবে গঠিত Selectionকমিটিৰ সভাপতিৰ নমিনি হিচাপে পঠালে জনাবনে?

(Selection Commetteeৰ সভাপতি, সদস্য আদিৰ বাবে চৰকাৰে গঠন কৰি দিয়া চিঠিখনৰ কপি এটা সদনত দাখিল কৰিব)।

(গ) যোৱা ২৪/১১/১৩তাৰিখে তেনেধৰণে অনুষ্ঠিত সভাত (সময় বিয়লি ২বজা, স্থান-পাটাছাৰকুছি ইন্সপেকচন বাংলা) কি কি সিদ্ধান্ত হ'ল)।

(সদনত গৃহীত সিদ্ধান্তৰ প্রস্তাৱ আদিৰ নকল কপি দাখিল কৰিব)।

(ঘ) হিতাধিকাৰী নিৰ্বাচনৰ বাবে ওপৰত উল্লেখ কৰা আঁচনিখনৰ ক্ষেত্রত চৰকাৰৰ কিবা নীতি-নির্দেশনা আছেনে? যদি আছে, তাৰে নকল কপি এটা সদনত দাখিল কৰিবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী অধিসুচনা No.RDD. 242/2010/83, dtd.14/5/2013 অনুসৰি I/C Minister জন Selection committee ৰ সভাপতি হয়। Nominee ৰ দ্বাৰা মিটিং পৰিচালনা কৰাৰ ব্যৱস্থা উক্ত অধিসুচনাত নাই। বিষয়টো সভাপতিৰ ওপৰত নির্ভৰ কৰিব।

(খ) কৃষি মন্ত্রী মহোদয়ে প্রাক্তন বিধায়িকা ডাঃ মলয়া বর্মনক Patachakuchi Revenue Circle ৰ বাবে CM's Special Package আঁচনিৰ বাবে বাচনি সভাত তেখেতৰ Nominee হিচাপে উপস্থিত থাকিবলৈ D.O Letter No, Min./Agril & P.A/11/2013/425. dtd

08/07/2013 যোগে BDO, Bajali Dev. Block ক অৱগত কৰিছিল।

D.O Letter খনৰ প্ৰতিলিপি Annexure-I ত দেখুওৱা হ'ল। (See Annexure -XL-I)

Selection Committee ৰ সভাপতি, সদস্য আদিৰ বাবে চৰকাৰে গঠন কৰি দিয়া চিঠিৰ কপি Annexure- 2 ত দেখুৱা হ'ল। (See Annexure-XL-II)

(গ) যোৱা ২৪/১১/১৩তাৰিখে পাতাছাৰকুছি ৰাজহ চক্ৰৰ বাবে অনুষ্ঠিত হোৱা সভাখনৰ সিদ্ধান্তৰ প্ৰতিলিপি Annexure-3ত দেখুওৱা হ'ল। (See Annecure-XL-III)

(ঘ) হিতাধিকাৰী নিৰ্বাচনৰ বাবে চৰকাৰে নীতি নিৰ্দেশনাৰ নকল কপি Annexure-4ত দেখুওৱা হ'ল। (See Annexure-XL-IV)

বিষয় ঃ BRGFৰ টকা আবন্টন।

শ্ৰীৰফিকুল ইছলামে সুধিছে ঃ

২৩৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বাবে 'District Plan2013-14, Central Assistant Development Grant under Backward Region Grant Fund, BRGFৰ বাবে Ministry of Panchayati Raj, Government of Indiaইং ৯/৯/১৩চিঠিৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে উক্ত চিঠিখনত ভিত্তি কৰি অসম চৰকাৰে লাভ কৰা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আবন্টিত উক্ত ধনৰাশি বৰ্তমানলৈকে কি কাৰণত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসমে বৰপেটা জিলাক আৱন্টন দিয়াত ব্যৰ্থ হৈছে? (কাৰণ দৰ্শাব)

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদন লাভ কৰা উক্ত টকা অসম চৰকাৰৰ

হেমাহিৰ বাবে নির্দ্ধাৰিত সময়মতে প্রাপ্যৰ পৰা বঞ্চিত হোৱা বুলি নাভাবেনে?

(ঘ) যদি ভাৱে, তেন্তে অসম চৰকাৰে উক্ত বিষয়টোৰ ওপৰত ক্ষীপ্রগতিত আঁচনি ৰূপায়ণ হ'বলৈ বিভাগীয় কর্তৃপক্ষক নির্দেশনা জাৰি কৰিবনে?

(ঙ) বিত্তীয় ইং ২০১৩-১৪বর্ষত বৰপেটা জিলাৰ DRDAত মুঠ কিমান টকা আবন্টন দিয়া হৈছিল আৰু কি কি আঁচনিৰ ৰূপায়ণৰ বাবে দিয়া হৈছিল? (বিতং তথ্য দাখিল কৰিব)

(চ) আৱন্টিত ধনৰ মুঠ কিমান টকা বর্তমানলৈকে ব্যয় কৰা হ'ল?

(ছ) বৰপেটা জিলাৰ মঞ্জুৰীপ্রাপ্ত বহু আঁচনিৰ কাম সম্পূর্ণ হৈ উঠাৰ পাছতো আঁচনিৰ সম্পূর্ণ টকা মোকলাই নিদিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(জ) সম্পূর্ণ ভাৱে মোকলাই নিদিয়া টকাসমূহ ক'ত আৰু কাৰ হাতত জমা ৰখা হৈছে?

(ঝ) নিয়ম বর্হিভূতভাৱে টকা জমা ৰখা ব্যক্তিসকলৰ বিৰুদ্ধে বিভাগে কি ব্যৱস্থা গ্রহণ কৰিব আৰু সম্পূর্ণ টকা কিমান দিনৰ ভিতৰত মোকলাই দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত

(খ) ব্যর্থ হোৱাৰ প্রশ্ন নুঠে। যিহেতু অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগে ২৯-১১-২০১৩ইং তাৰিখৰ RDD.383/2011/265 চিঠি মর্ম্মে অসমৰ মহা গাননিক লৈ পূজি মঞ্জুৰ কৰি পত্র ইতিমধ্যে দিয়াহৈছে। (প্রতিলিপি Annexure Aত দিয়া হ'ল) আৰু FOC মোকলাই দিবলৈ ব্যৱস্থা লোৱা হৈছে। (See Annexure-XL-V)

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) ২০১৩-১৪ বর্ষত বৰপেটা জিলাৰ DRD লৈ মুকলি কৰি দিয়া ধন আৰু আঁচনিৰ তথ্য Annexure B ৰ Table- 1 ত দিয়া হ'ল। (See Annexure -XL-VI)

(চ) মুকলিকৃত ধনৰ ব্যয়ৰ তথ্য Annexure B ৰ Table-1 ত দিয়া হ'ল। (See Annexure XL-VI)

(ছ) MGNREGA :- এই আঁচনিৰ অধীনত কর্মপত্র প্রাপ্ত শ্রমিকৰ নিয়োগৰ দাবী অনুসৰি কাম (Work/Scheme) ৰূপায়ন কৰা হয়। ২০১৩-১৪বর্ষত বৰপেটা জিলাত শ্রমিকৰ নিয়োগৰ দাবি আৰু MGNREGAৰ নির্দেশাৱলী অনুসৰি ৰূপায়নত কামৰ বিপৰীতে চৰকাৰৰ পৰা পোৱা ধনৰ পৰিমানৰ ওপৰত নির্ভৰ কৰি ধন মোকলায় দিয়া হৈছে।

IAY :- এই আঁচনিৰ অধীনত IAYনির্দেশাৱৰী অনুসৰি বাছনি ভূক্ত হিতাধিকাৰীৰ বেংকৰ Accountলৈ তিনিটা কৃষ্টিত ধন মোকলায় দিয়া হয়। ২০১৩-১৪ৰ বর্ষত সম্পূর্ণ হোৱ গৃহৰ বিপৰীতে সকলো ধন মোকলায় দিয়া হৈছে।

NRLM :- এই আঁচনিৰ অধীনত কোনো আঁচনি (Work/Scheme) ৰূপায়ন কৰা নহয়। গতিকে সম্পূর্ণ হোৱা আঁচনিৰ বিপৰীতে ধন মোকলাই নিদিয়াটো NRLMৰ ক্ষেত্রত প্রযোজ্য নহয়।

DRDA Admin :- এই আঁচনিত DRDAৰ বিষয়া কর্মচাৰিৰ বেতন ইত্যাদি হে ধার্য্য কৰা হয়। গতিকে আঁচনিৰ কথা DRDA Adminৰ ক্ষেত্রত প্রযোজ্য নহয়।

(জ) MGNREGA :- ২০১৩-১৪বর্ষত চৰকাৰৰ পৰা DRDAবৰপেটালৈ মেকলিকৃত ধন ৰাখি বিভিন্ন কাম (Work/Scheme) ৰ বিপৰীতে গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/জিলা পৰিষদলৈ মোকলি কৰি দিয়া হৈছে।

IAY :- এই আঁচনিৰ ক্ষেত্রতো চৰকাৰৰ পৰা হিতাধিকাৰীলৈ আৱন্টিত

ধন ইতিমধ্যে উন্নয়ন খণ্ডসমূহলৈ মুকলি কৰা হৈছে।

NRLM :- প্রযোজ্য নহয়।

DRDA Admin :- প্রযোজ্য নহয়।

(ঝ) নিয়ম বহির্ভূতভাৱে কোনো ধন জমা কৰি ৰখা হোৱা নাই।

বিষয় ঃ এনেৱেগা, আই এ ৱাই।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

২৩৪। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত মহাত্মা গান্ধী এনৱেগা আঁচনিৰ অধীনত প্রথমবর্ষৰ পৰা ২০১৩-১৪বিত্তীয় বর্ষলৈ কিমান কর্মদিন সৃষ্টিৰ লক্ষ্য আছিল, ইয়াৰে বিপৰীতে কিমান কর্মদিন সৃষ্টি হ'ল? (বিত্তীয় বর্ষ অনুযায়ী সদনত তথ্য দাখিল কৰিব)

(খ) এনৱেগা আঁচনিৰ বিপৰীতে প্রতিটো বিত্তীয় বর্ষত কি কি সম্পদ সৃষ্টিৰ লক্ষ্য লোৱা হৈছিল? ইয়াৰ ভিতৰত কিমান সম্পদ বর্তমানলৈ সম্পূর্ণ হ'ল আৰু কিমান সম্পূর্ণ হ'বলৈ বাকী আছে? এই কামবোৰৰ আধৰুৱা হোৱাৰ কাৰণ কি আৰু কেতিয়া এই কামবোৰ সম্পূর্ণ হ'ব?

(গ) এনৱেগা আঁচনি ৰূপায়ণৰ পৰা ২০১৩-২০১৪বিত্তীয় বর্ষৰ বর্তমানলৈ কেন্দ্রীয় চৰকাৰৰ কিমান টকাৰ আৱন্টন দিছিল? এই ধনৰ বিপৰীতে কিমান ধন কেন্দ্রই মুকলি কৰি দিছিল? মুকলি কৰি দিয়া ধনৰ কিমান ধন অসম চৰকাৰে ব্যৱহাৰ কৰিলে?

(ঘ) এনৱেগা আঁচনিৰ বিপৰীতে আৰম্ভণিৰ পৰা ২০১৩-১৪বিত্তীয় বর্ষলৈ ৰাজ্য চৰকাৰৰ অংশৰ কিমান ধন আছিল? ইয়াৰে ভিতৰত কিমান ধন ৰাজ্য চৰকাৰে মোকলাই দিছে?

(ঙ) নিয়ম অনুসৰি ইন্দিৰা আৱাস যোজনাৰ এটা ঘৰ কিমান দিনৰ ভিতৰত

নির্মাণ হ'ব লাগে? ২০১০-১১, ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাকে অসমলৈ ইন্দিৰা আৱাস যোজনাৰ ঘৰ অনুমোদন দিছিল। এই ঘৰসমূহৰ ভিতৰত কিমান ঘৰ এতিয়া সম্পূৰ্ণ হ'ল আৰু কিমান ঘৰ এতিয়াও আধৰুৱা হৈ আছে?

(চ) ২০০১-২০০২ বিত্তীয় বৰ্ষৰ পৰা ২০১৩-২০১৪ বিত্তীয় বষলৈ ইন্দিৰা আৱাস যোজনাৰ ঘৰৰ বাবে কিমান ধন কেন্দ্ৰীয় চৰকাৰে আবন্টন দিছিল? ইয়াৰে কিমান ধন কেন্দ্ৰই মুকলি কৰিছিল আৰু কিমান ধন এতিয়াও মুকলি কৰি দিবলৈ বাকী আছে? মুকলি হোৱা ধনৰ ভিতৰত অসমে এতিয়ালৈ কিমান ধন ব্যয় কৰিছে? কেন্দ্ৰৰ ধনৰ বিপৰীতে অসম চৰকাৰৰ অংশ কিমান আছিল? এই ধনৰ বিপৰীতে ৰাজ্য চৰকাৰে কিমান ধন মুকলি কৰিলে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যিহেতু MGNREGA এখন Demend driven programe ইয়াত তেনেকুৱা কোনো লক্ষ্য নাথাকে। তথাপিতো ২০১০-২০১১ বিত্তীয় বৰ্ষৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ Empowered Committeeএ বৰ্ষভিত্তিত কৰ্মদিন সৃষ্টিৰ বাবে Labour Budget অনুমোদন কৰিছে। সবিশেষ তলত দিয়া হ'ল ঃ-

Year	**Labour Budget for creation of mandays (in lakh mandays)**	**Achievement (in lakh manday)**
2006-07	....	553.74
2007-08	....	500.19
2008-09	...	751.07
2009-10	...	735.17
2010.11	989.51	470.55

2011-12	531.76	353.37
2012-13	401.01	314.24
2013-14	357.80	159.60
		Up to 16/12/2013

(খ) মহাত্মা গান্ধী এনৰেগা শ্ৰমিকে দাবী কৰাৰ দ্বাবা নিৰ্দ্ধাৰিত কামৰ পদক্ষেপ লোৱা এক দাবীভিত্তিক কার্য্যসুচী। মহাত্মা এনৰেগা পৰিচালনাৰ নির্দেশনাৱলীত যিবিলাক কাম সন্নিৱিষ্ট (enlisted)আছে ; সেইবোৰ কামহে ৰূপায়ণ কৰা হয়।

বর্ষ ভিত্তিত সম্পূর্ণ হোৱা কামৰ খতিয়ান তলত দিয়া হ'ল।

বিত্তীয় বর্ষ	সম্পূর্ণ হোৱা আঁচনি
২০০৬-০৭	১০,০১৯টা আঁচনি
২০০৭-০৮	৬,৩৯৯টা আঁচনি
২০০৮-০৯	৭,১৬৩টা আঁচনি
২০০৯-১০	৯১৮টা আঁচনি
২০১০-১১	৬,৩১১টা আঁচনি
২০১১-১২	২১,১২৮টা আঁচনি
২০১২-১৩	২৫,৬১৮টা আঁচনি
২০১৩-১৪	১২,২৯৯টা আঁচনি

(বর্তমান ১৩-১২-১৩লৈ)

মুঠ অসম্পূর্ণ আঁচনি =৬০,২৩৮টা (এতিয়ালৈ ১৩-১২-১৩ইং লৈকে)

কামবোৰ আধৰুৱা হোৱাৰ কাৰণসমূহ তলত বিশ্লেষণ কৰা হ'ল ঃ-

১। প্রাকৃতিক দুর্যোগ, যেনে- বাৰিষা বানপানী,

২। গোষ্ঠী সংঘর্ষ, Law and order situation

৩। সাধাৰণ নিৰ্বাচন, গাঁওপঞ্চায়ত নিৰ্বাচন আদি

৪। মাটি বিবাদ ইত্যাদি কাৰণত কামবোৰ সময়মতে সম্পূৰ্ণ কৰিব পৰা নাযায়। তথাপিতো অসম্পূৰ্ণ কামসমূহ সম্পূৰ্ণ কৰিবলৈ প্ৰচেষ্টা লোৱা হৈছে।

(গ) মহাত্মা গান্ধী এনৰেগাৰ বাবে ধনৰ আৱণ্টন নাথাকে। ইয়াৰ এখন Labour Budget আছে। সবিশেষ তলত দেখুওৱা হ'ল।

Year	Aproved Labour Budget GOI (Rs. in Crores)	Fund relesed by GOI (Rs. In Crores)	Expenditure made (Rs. in Crores)
2006-07	.....	266.61	579.87
2007-08	.....	523.91	549.15
2008-09	.....	959.05	949.67
2009-10	1361.15	778.88	1033.52
2010-11	1748.18	610.83	921.04
2011-12	1221.79	426.86	748.44
2012-13	963.51	534.46.	651.70
2013-14	960.80 Up to 16/12/2013	573.49	404.89

(ঘ) MGNREGA আঁচনিৰ বিপৰীতে ২০১৩-১৪ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে অক্টোৱৰ, ২০১৩লৈ ৫৭৩৪৯.৯৫ লাখ টকা মোকলাই দিছে। ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰৰ অংশ ৬৩৭২.২২ লাখ টকা। ৰাজ্য চৰকাৰে ইতিমধ্যে ৩২৮০.৫০ লাখ টকা মোকলাই দিছে। বাকী ৩০৯১.৭২ লাখ টকা মঞ্জুৰী দিছে আৰু F.O.C. মোকলাই দিবলৈ বিভাগীয় ব্যৱস্থা লোৱা হৈছে।

(ঙ) IAY গৃহ Guideline para-4.13 (পৰিশিষ্ট 'ক' দেখুওৱা হ'ল। (See Annexure-XL-VII) অনুসৰি সাধাৰণতে বতৰ আৰু পৰিৱেশৰ ওপৰত নির্ভৰ কৰি নিম্ন সময় মতে IAY ঘৰৰ কাম সম্পূর্ণ হ'ব লাগে। ইয়াৰ উপৰিও প্রথম কিস্তি মুকলি হোৱা তাৰিখৰ পৰা দুবছৰৰ ভিতৰত সম্পূর্ণ কৰিব লাগে। ২০১০-১১, ২০১১-১২, ২০১৩-১৪ বিত্তীয় বর্ষত কেন্দ্রীয় চৰকাৰে অসমলৈ ইন্দিৰা আৱাস যোজনাৰ ঘৰ অনুমোদন দিছিল। ওপৰোক্ত ঘৰসমূহৰ ভিতৰত কিমান ঘৰ এতিয়ালৈ সম্পূর্ণ হ'ল আৰু কিমান ঘৰ আধৰুৱা হৈ থাকিল তাৰ প্রতিলিপি পৰিশিষ্ট-খত দেখুওৱা হ'ল। (See Annexure-XL-VIII)

(চ) ২০০১-২০০২ বিত্তীয় বর্ষৰ পৰা ২০১৩-২০১৪ বিত্তীয় বর্ষলৈ ইন্দিৰা আৱাস যোজনাৰ ঘৰৰ বাবে কেন্দ্রীয় চৰকাৰে ৫৭৯২৬.৬৪ লাখ টকা আবণ্টন দিছিল। ইয়াৰে ৫১৯৩০২.০৪লাখ টকা কেন্দ্রই মুকলি কৰি দিছে। কেন্দ্রৰ ধনৰ বিপৰীতে অসম চৰকাৰৰ অংশ হ'ল ৯১৭৯৯.১৯২ লাখ টকা। এই ধনৰ বিপৰীতে ৰাজ্য চৰকাৰে এতিয়ালৈ ৯০৮৪০৮.৯১৮ লাখ টকা মোকলাই দিছে। ১৩৭.১৫ লাখ টকা মঞ্জুৰী দিছে। বাকী ১২৫৩.০৯ লাখ টকা FOC মোকলাই দিবলৈ বিভাগীয় ব্যৱস্থা লোৱা হৈছে। ২০০১-০২ বিত্তীয় বর্ষৰ পৰা ২০১২-১৩ বিত্তীয় মোকলাই দিয়া সকলো টকা সম্পূর্ণকৈ ব্যয় কৰা হৈছে।

বিষয় ঃ সাংস্কৃতিক বিভাগৰ বঁটা।

শ্রী ভূপেন ৰায়ে সুধিছে ঃ

২৩৫। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) সাংস্কৃতিক বিভাগে কি কি বঁটা প্রদান কৰে? এই বঁটাসমূহ কোন চনৰ পৰা প্রদান কৰি থকা হৈছে।

(আৰম্ভণিৰে পৰা বঁটা প্রদান কৰা বিশিষ্ট ব্যক্তিসকলৰ নাম বছৰ ভিত্তিত বঁটা অনুসৰি পৃথকে জনাব)

(খ) কোনকেইটা বঁটা নিয়মীয়াকৈ প্রদান কৰা হৈ থকা নাই? ইয়াৰ কাৰণ কি? ২০০১ চনৰ পৰা বঁটাসমূহ প্রদানৰ বাবদ বাজেটত পর্যাপ্ত ধন ধার্য কৰা হৈছেনে? (বছৰ, বঁটা ভিত্তিত সবিশেষ জনাব)

(গ) ২০০১ চনৰ পৰা বিভাগে কি কি প্রকল্প ৰূপায়ণৰ কাম হাতত লৈছে? প্রকল্পসমূহৰ সবিশেষ জনাবনে? প্রকল্পসমূহৰ বাবদ কিমান টকা ধার্য কৰা বহছে? এই পর্যন্ত কিমান টকা মোকলাই দিয়া হৈছে?

(ঘ) সাংস্কৃতিক পৰিক্রমা সঞ্চালকালয়ে ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় ৰর্ষত এই পর্যন্ত কি কি কার্যসূচী ৰূপায়ণ কৰিছে? কার্যসূচী অনুসৰি কিমান টকা ব্যয় কৰা হৈছে?

(ঙ) অভিনেত্রী শর্মিলা ঠাকুৰক শঙ্কৰদেৱ বঁটা প্রদান কৰাৰ প্রস্তাৱ প্রথমতে কোনে উত্থাপন কৰিছিল?

(এই প্রস্তাৱ উত্থাপন কৰাৰ পৰা প্রস্তাৱ চূড়ান্ত কৰালৈকে বিভাগীয় নথি-পত্রৰ সবিশেষ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(চ) হেৰাস যাবলৈ ধৰা নিচুকণি গীত, ওমলা গীত আদিৰ অডিঅ', ভিডিঅ' ৰেকর্ডিং আদি প্রস্তুত কৰাৰ বাবে বিভাগে কোনো উদ্যোগ লৈছেনে? এনেধৰণৰ কি কি প্রকল্প গ্রহণ কৰা হৈছে?

শ্রীমতী প্রণতি ফুকন (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সাংস্কৃতিক পৰিক্রমা বিভাগে তলত দিয়া বঁটাসমূহ প্রদান কৰে—

শ্রীমন্ত শঙ্কৰদেৱ বঁটা, ফখৰুদ্দিন আলী আহমেদ বঁটা, মাধৱদেৱ বঁটা, চু্যকা-ফা বঁটা, বীৰ চিলাৰায় বঁটা, আজানপীৰ বঁটা, কৃষ্ণকান্ত সন্দকৈ স্মাৰক বঁটা, কালিচৰণ ব্রহ্ম বঁটা, গোপীনাথ বৰদলৈ বঁটা, শিল্পী বঁটা, ডঃ ভৱেন্দ্র নাথ শইকীয়া বঁটা, চন্দ্রপ্রভা শইকীয়ানী বঁটা, বিষ্ণু ৰাভা বঁটা, নটসূর্য ফণী শর্মা বঁটা, সাহিত্যচার্য অতুল চন্দ্র হাজৰিকা বঁটা, ডঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য বঁটা, গণেশ গগৈ বঁট, অমল প্রভা দাস বঁটা, অসম ৰত্ন বঁটা।

বঁটা প্রদানৰ আৱশ্যকীয় চন আৰু প্রাপক ব্যক্তিসকলৰ নামৰ তালিকা 'পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure XL-IX)

(খ) বঁটাসমূহ নিয়মীয়াকৈয়ে প্রদান কৰা হয়। ইয়াৰ ভিতৰত কিছুমান বঁটা বার্ষিকভাৱে, কিছুমান বঁটা দুবছৰ আৰু তিনিবছৰ বিৰতিৰ মূৰত প্রদান কৰা হয়। কেতিয়াবা বিশেষ অসুবধাৰ বাবে বঁটা প্রদানৰ সময়ৰ পৰিৱর্তন হয়। ২০০১ চনৰ পৰা বঁটাসমূহ প্রদানৰ বাবদ বাজেটত পর্যাপ্ত ধন ধার্য কৰা হৈছে।

বছৰ, বঁটা ভিত্তিত সবিশেষ 'পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হৈছে। (See Annexure-L)

(গ) ২০০১ চনৰ পৰা বিভাগে তলত উল্লেখ কৰা প্রকল্পসমূহ ৰূপায়ণৰ কাম হাতত লৈছে—

১। সতীসাধনী সাংস্কৃতিক প্রকল্প, গোলাঘাট

২। আজানপীৰ দৰগাহ, শিৱসাগৰ

৩। শ্রীশ্রী অনিৰুদ্ধদেৱ সাংস্কৃতিক প্রকল্প, তিনিচুকীয়া

৪। শৰৎ চন্দ্র সিংহ সাংস্কৃতিক প্রকল্প, চাপৰ, ধুবুৰী

৫। মাধৱদেৱ কলাক্ষেত্র, নাৰায়ণপুৰ

৬। বহুমুখী সাংস্কৃতিক প্রকল্প, নাজিৰা

৭। সতী ৰাধিকা সাংস্কৃতিক প্রকল্প নগাঁও

৮। স্বর্গদেউ চাউলুং চ্যুকাফা সমন্বয় ক্ষেত্র, ম'হবন্ধা যোৰহাট

৯। উত্তৰ-পূব জনজাতি সাংস্কৃতিক প্রকল্প আৰু সংগ্রহালয়, সোণাপুৰ, গুৱাহাটী

১০। ডঃ ভূপেন হাজৰিকা সমাধিস্থল, জালুকবাদৰী

১১। বংগ সাহিত্য সাংস্কৃতিক সন্মিলন, ববাকভেলী

১২। মিনি চিনেমা হল

১৩। জ্যোতি বিষ্ণু সাংস্কৃতিক প্রকল্প

১৪। এথ্‌নোলোজিকেল মিউজিয়াম মার্ঘেৰিটা

১৫। ৰবীন্দ্র ভৱনৰ আৰ্হিত প্রেক্ষাগৃহ নির্মাণ

১৬। ১২৫০ আৰু ৩৫০ আসনযুক্ত প্রেক্ষাগৃহ আৰু কনভেনছন চেণ্টাৰ, শ্রীমন্ত শঙ্কৰদেৱ কলাক্ষেত্র

১৭। জ্যোতি চিত্রবন ফিল্ম আৰু টেলিভিছন ইনষ্টিটিউট, চিলা, চাংসাৰি

১৮। সাংস্কৃতিক প্রকল্প, দতমা, কোকৰাঝাৰ

১৯। বড়োলেণ্ড ইন্দিয়া ইণ্ডিজেনাছ ট্রাইবেল আৰ্ট এণ্ড কালচাৰেল কমপ্লেক্স কাম ফিল্ম ষ্টুডিঅ' কঠালগুৰি, কোকৰাঝাৰ

২০। শঙ্কৰ-মাধৱ সাংস্কৃতিক প্রকল্প, লেটেকু পুখুৰী, ভোগপুৰ চাৰিআলি, লক্ষীমপুৰ

২১। বড়ো সাহিত্য সভাৰ সামাজিক-সাহিত্যিক সাংস্কৃতিক প্রকল্প, বাথৌপুৰী গুৱাহাটী

২২। চৰকাৰী চাৰু আৰু কাৰু কলা মহাবিদ্যাৰ আন্তঃ গাঁথনিৰ নির্মাণ

২৩। মাজুলী নতুন কমলাবাৰী সত্রৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ

২৪। দেউৰী জনজাতি সাংস্কৃতিক প্রকল্পসমূহত ধার্য কৰা টকা আৰু ব্যয়ৰ পৰিমাণ 'পৰিশিষ্ট 'গ'ত উল্লেখ কৰা হ'ল। (See Annuexure-L-I)

(ঘ) সাংস্কৃতিক পৰিক্রমা সঞ্চালকালয়ৰ ২০১২-১৩আৰু ২০১৩-১৪বিত্তীয় বর্ষৰ কার্য্যসূচী 'পৰিশিষ্ট ঘ' ত দিয়া হ'ল। (See Annexure-L-II)

২০১২-১৩বর্ষত কার্য্যসূচী ৰূপায়ণ কৰাৰ বাবদ ১৩৬৬.০০লাখ টকা খৰচ হয়। ২০১৩-১৪বর্ষত টকা খৰছ কৰিব পৰা হোৱা নাই।

(ঙ) বিভাগীয় প্রস্তাৱ অনুসৰি মাননীয় মুখ্যমন্ত্রীৰ অনোমোদনক্রমে অভিনেত্রী শর্মিলা ঠাকুৰক শংকৰদেৱ বঁটা প্রদান কৰা হৈছে, (প্রতিলিপ 'পৰিশিষ্ট ঙ'ত দিয়া হ'ল) Annexure L-III)

(চ) হেৰাই যাবলৈ ধৰা নিচুকনি গীত, ওমলা গীত আদিৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে পার্যমানে ব্যৱস্থা গ্রহণ কৰিছে। তাৰ বাবেই সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ডিমাপুৰৰ উত্তৰ পূৱ মান্দলিক সাংস্কৃতিক কেন্দ্রৰ সহযোগত ২০১১চনত গুৱাহাটীৰ ৰৱীন্দ্র ভৱনত নিচুকনি গীতৰ এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল আৰু তাৰ ভিডিঅ' ৰেকর্ডিং কৰা হৈছিল।

বিষয় ঃ খণ্ড উন্নয়ন বিষয়া।

শ্রী জাহাজ উদ্দিনে সুধিছে ঃ

২৩৬। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ গৌৰীপুৰ উন্নয়ন খণ্ডত বর্তমানে কমঅৱত হৈ থকা খণ্ড উন্নয়ন বিষয়া (BDO)জনে কর্মত যোগ দিয়াৰ দিনৰে পৰা বর্তমানলৈ গৌৰীপুৰ আঞ্চলিক পঞ্চায়তৰ কেইখন কার্যকৰী সভা তথা সাধাৰণ সভা অনুষ্ঠিত কৰিছিল?

(সভাৰ তাৰিখসহ প্রস্তাৱসমূহৰ কপি দিব)

(খ) যদি সময়মতে সভা অনুষ্ঠিত কৰা নাই, তেন্তে কি নয়মৰ আধাৰত বিষয়াজনে হাট-ঘাটৰ পট্টনকে ধৰি বিভিন্ন আঁচনিৰ প্রস্তাৱসমূহ গ্রহণ কৰি আহিছে? (বিতাং জনাব)

(গ) সভা অনুষ্ঠিত কৰি আঁচনি গ্রহণ নকৰা তথা পঞ্চায়ত আইনমতে নির্ধাৰিত সময়ত সভা অনুষ্ঠিত নকৰাৰ আঁৱৰ ৰহস্য কি জনাবনে?

(ঘ) খণ্ড উন্নয়ন বিষয়াজন স্থানীয় ব্যক্তি হোৱাৰ সুবাদতে কার্যালয়ৰ পৰিৱর্তে নিজৰ ঘৰতে কার্যালয়ৰ বেছিভাগ কাম সম্পাদন, ৰাইজৰ লগতে পঞ্চায়ত প্রতিনিধিসকলকো আওকাণ কৰি চলা বিষয়াজনৰ স্বৈৰাচাৰিতাৰ বাবে উন্নয়নমূলক কাম-কাজ প্রায় স্থবিৰ হোৱাৰ পৰিপ্রেক্ষিতত বিষয়াজনৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈ কা সম্পর্কে চৰকাৰ জ্ঞাতনে?

(ঙ) ৰাইজ তথা জনপ্রতিনিধিকে ধৰি ধুবুৰী জিলাৰ উপায়ুক্তই উক্ত খণ্ড উন্নয়ন বিষয়াজনক অনতিপলমে বদলি কৰাৰ বাবে চৰকাৰলৈ পত্র প্রেৰণ কৰাটো বিষয়টো সত্যনে?

(চ) যদি সত্য, তেন্তে চৰকাৰে ইমানদিনে কিয় পদক্ষেপ গ্রহণ কৰা নাই?

(ছ) উন্নয়ন তথা ৰাজহুৱা স্বার্থৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে বিষয়াজনক বদলি কৰিবনে? যদি কৰে, তেন্তে কেতিয়া? (সবিশেষ জনাব)

শ্রীৰকিবুল হছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে ধুবুৰী জিলাৰ গৌৰীপুৰ উন্নয়ন খণ্ডত বর্তমানে কর্মৰত হৈ থকা খণ্ড উন্নয়ন বিষয়াজনে কর্মত যোগ দিয়া দিনৰে পৰা বর্তমানলৈকে গৌৰীপুৰ আঞ্চলিক পঞ্চায়তৰ মুঠ কার্যকৰী সভা ১৪খন আৰু সাধাৰণ সভা দুখন অনুষ্ঠিত হৈছে। (সভাৰ তাৰিখ আৰু প্রস্তাৱসমূহ প্র-পত্র 'ক'ত গাঁঠি দিয়া হ'ল)

(খ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে সভা সময় মতে অনুষ্ঠিত কৰা হৈ আহিছে।

(গ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে সভাসমূহ নির্ধাৰিত সময় মতে অনুষ্ঠিত হৈ আহিছে।

(ঘ) জ্ঞাত নহয়।

(ঙ) বিষয়টো সত্য।

(চ) বিষয়টো ঊর্ধ্বতম কর্তৃপক্ষৰ বিবেচনাধীন হৈ আছে।

(ছ) বিষয়টো বিবেচনাধীন হৈ আছে।

বিষয় ঃ টকা আৰু সা-সৰঞ্জাম আবণ্টন।

শ্রী আবুল কালাম আজাদে সুধিছে ঃ

২৩৭। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(চ) হেৰাই যাবলৈ ধৰা নিচুকনি গীত, ওমলা গীত আদিৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে পার্যমানে ব্যৱস্থা গ্রহণ কৰিছে। তাৰ বাবেই সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ডিমাপুৰৰ উত্তৰ পূৱ মান্দলিক সাংস্কৃতিক কেন্দ্রৰ সহযোগত ২০১১চনত গুৱাহাটীৰ ৰৱীন্দ্র ভৱনত নিচুকনি গীতৰ এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল আৰু তাৰ ভিডিঅ' ৰেকর্ডিং কৰা হৈছিল।

বিষয় ঃ খণ্ড উন্নয়ন বিষয়া।

শ্রী জাহাজ উদ্দিনে সুধিছে ঃ

২৩৬। **মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ধুবুৰী জিলাৰ গৌৰীপুৰ উন্নয়ন খণ্ডত বর্তমানে কমঅৱত হৈ থকা খণ্ড উন্নয়ন বিষয়া (BDO)জনে কর্মত যোগ দিয়াৰ দিনৰে পৰা বর্তমানলৈ গৌৰীপুৰ আঞ্চলিক পঞ্চায়তৰ কেইখন কার্যকৰী সভা তথা সাধাৰণ সভা অনুষ্ঠিত কৰিছিল?

(সভাৰ তাৰিখসহ প্রস্তাৱসমূহৰ কপি দিব)

(খ) যদি সময়মতে সভা অনুষ্ঠিত কৰা নাই, তেন্তে কি নয়মৰ আধাৰত বিষয়াজনে হাট-ঘাটৰ পট্টনকে ধৰি বিভিন্ন আঁচনিৰ প্রস্তাৱসমূহ গ্রহণ কৰি আহিছে? (বিতাং জনাব)

(গ) সভা অনুষ্ঠিত কৰি আঁচনি গ্রহণ নকৰা তথা পঞ্চায়ত আইনমতে নির্ধাৰিত সময়ত সভা অনুষ্ঠিত নকৰাৰ আঁৰৰ ৰহস্য কি জনাবনে?

(ঘ) খণ্ড উন্নয়ন বিষয়াজন স্থানীয় ব্যক্তি হোৱাৰ সুবাদতে কার্যালয়ৰ পৰিৱর্তে নিজৰ ঘৰতে কার্যালয়ৰ বেছিভাগ কাম সম্পাদন, ৰাইজৰ লগতে পঞ্চায়ত প্রতিনিধিসকলকো আওকাণ কৰি চলা বিষয়াজনৰ স্বৈৰাচাৰিতাৰ বাবে উন্নয়নমূলক কাম-কাজ প্রায় স্থবিৰ হোৱাৰ পৰিপ্রেক্ষিতত বিষয়াজনৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈ কা সম্পর্কে চৰকাৰ জ্ঞাতনে?

(ঙ) ৰাইজ তথা জনপ্রতিনিধিকে ধৰি ধুবুৰী জিলাৰ উপায়ুক্তই উক্ত খণ্ড উন্নয়ন বিষয়াজনক অনতিপলমে বদলি কৰাৰ বাবে চৰকাৰলৈ পত্র প্রেৰণ কৰাটো বিষয়টো সত্যনে?

(চ) যদি সত্য, তেন্তে চৰকাৰে ইমানদিনে কিয় পদক্ষেপ গ্রহণ কৰা নাই?

(ছ) উন্নয়ন তথা ৰাজহুৱা স্বার্থৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে বিষয়াজনক বদলি কৰিবনে? যদি কৰে, তেন্তে কেতিয়া? (সবিশেষ জনাব)

শ্রীৰকিবুল হছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে ধুবুৰী জিলাৰ গৌৰীপুৰ উন্নয়ন খণ্ডত বর্তমানে কর্মৰত হৈ থকা খণ্ড উন্নয়ন বিষয়াজনে কর্মত যোগ দিয়া দিনৰে পৰা বর্তমানলৈকে গৌৰীপুৰ আঞ্চলিক পঞ্চায়তৰ মুঠ কার্যকৰী সভা ১৪খন আৰু সাধাৰণ সভা দুখন অনুষ্ঠিত হৈছে। (সভাৰ তাৰিখ আৰু প্রস্তাৱসমূহ প্র-পত্র 'ক'ত গাঁঠি দিয়া হ'ল)

(খ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে সভা সময় মতে অনুষ্ঠিত কৰা হৈ আহিছে।

(গ) গৌৰীপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই দাখিল কৰা তথ্য মতে সভাসমূহ নির্ধাৰিত সময় মতে অনুষ্ঠিত হৈ আহিছে।

(ঘ) জ্ঞাত নহয়।

(ঙ) বিষয়টো সত্য।

(চ) বিষয়টো ঊর্ধ্বতম কর্তৃপক্ষৰ বিবেচনাধীন হৈ আছে।

(ছ) বিষয়টো বিবেচনাধীন হৈ আছে।

বিষয় ঃ টকা আৰু সা-সৰঞ্জাম আবণ্টন।

শ্রী আবুল কালাম আজাদে সুধিছে ঃ

২৩৭। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ২০১১-১২ বিত্তীয় বর্ষ পৰা ২০১৩-১৪ বিত্তীয় বৰ্ষলৈতথ্য আৰু জনসংযোগ বিভাগৰ অধীনত অসম চৰকাৰে কিমান টকা আবণ্টন দিছে আৰু ইয়াৰে কিমান টকা ব্যয় কৰিছে?

(জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) অসম চৰকাৰে আবণ্টন দিয়া টকাৰে বৰপেটা জিলাৰ তথ্য আৰু জনসংযোগ বিভাগে কি কি আঁচনি ৰূপায়ণ কৰিছে?

(আঁচনিৰ নাম, আবণ্টিত পুঁজিৰ তালিকা সমষ্টি ভিত্তিত দাখিল কৰিব)

(গ) তথ্য আৰু জনসংযোগ বিভাগৰ অধীনত ৰাজহুৱা স্থানত মাইক ছেট দিয়াৰ ব্যৱস্থা আছে নেকি?

(ঘ) যদি আছে, কোন কোন ৰাজহুৱা স্থানত (২০১১-১২ৰ পৰা ২০১৩-১৪) চনলৈ মাইক ছেট দিয়া হৈছে?

(সমষ্টি ভিত্তিত ৰাজহুৱা স্থান আৰু NGO, Club সমূহৰ নাম ঠিকনা বিতং তথ্য সদনৰ মেজত দিব)

(ঙ) তথ্য আৰু জনসংযোগ বিভাগৰ অধীনত ভৱানীপুৰ সমষ্টিত কি কি আঁচনি বিভাগে ৰূপায়ণ কৰিছে?

(আঁচনিৰ নাম, আঁচনিৰ বিপৰীতে কৰা খৰচৰ পৰিমাণ, হিতাধিকাৰীৰ নাম বা অনুষ্ঠানৰ নাম উল্লেখ কৰিব)

শ্রীবসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০১৩-১৪ বিত্তীয় বৰ্ষত আবণ্টিত ধন পৰিমাণ আৰু খৰচৰ হিচাপ তলত উল্লেখ কৰা হ'ল

	নির্ধাৰিত পুজি	খৰচ
২০১১-১২		
পৰিকল্পনা শিতান	৪,৮৯,০০০.০০ টকা	৪,৮০,২৪,১০১.০০ টকা

পৰিকল্পনা বহিভূর্ত শিতান	১৯.৯৮.৪৭,০০০.০০	১৭,৯৭,৭১,০০৭.০০ টকা
২০১২-১৩		
পৰিকল্পনা শিতান	৪,১০,০০,০০০.০০ টকা	৪,০৭,৯৯,০৬০.০০ টকা
পৰিকল্পনা বহির্ভূত শিতান	৩১,১৫,৮৩,০০০.০০ টকা	২৬,৭০,৯৩,০৮৮.০০ টকা
২০১৩-১৪		
(৩০/১১/২০১৩		
পৰিকল্পনা শিতান	৯,৯৭,০০,০০০.০০ টকা	২,৮৩,০০,০০০.০০ টকা
পৰিকল্পনা বহির্ভূত শিতান	২৭,০৮,৯১,০০০.০০ টকা	১৮,০৫,৯৪,০০০.০০ টকা

জিলা ভিত্তিত পূঁজি আৰু খৰচৰ হিচাপ সংলগ্ন 'ক', 'খ' আৰু 'গ'ত দিয়া হ'ল। (See Annexure-L-IV)

(খ) কেন্দ্রীয় ভাৱে আঁচনি প্রস্তুত কৰি জিলাত ৰূপায়ণ কৰা হয়। ৰৰপেটা জিলাত স্থায়ী অনুভাষ যন্ত্র স্থাপনৰ আঁচনি ৰূপায়িত কৰা হৈছে।

বিতং তালিকা সংলগ্ন 'ঘ'ত দিয়া হ'ল। (See Annexure-L-V)

(গ) তথ্য আৰু জনসংযোগ বিভাগৰ অধীনত ৰাজহুৱা স্থানত মাইক ছেট দিয়াৰ ব্যৱস্থা আছে।

(ঘ) ২০১১-১২আৰু ২০১২-১৩বর্ষত মাইক ছেট দিয়া স্থান সমূহৰ বিতং তালিতা সংলগ্ন 'ঙ' আৰু 'চ' ত দিয়া হ'ল। আনহাতে ২০১৩-১৪বর্ষৰ তালিকা প্রস্তুত কৰি থকা হৈছে। (See Annexure-L-VI)

(ঙ) ভবানীপুৰ সমষ্টিত ৰূপায়িত আঁচনিৰ বিষয়ে সংলগ্ন 'ছ'ত উল্লেখ কৰা হ'ল। (See Annexure -L-VII)

বিষয় ঃ IAYৰ হিতাধিকাৰী।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

২৩৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) IAYৰ ঘৰ পাবৰ বাবে একোজন হিতাধিকাৰীৰ কি কি যোগ্যতা থাকিব লাগে? IAYৰ ঘৰ পাবৰ বাবে হিতাধিকাৰী এজনৰ ম্যাদি মাটি থকা বাধ্যতামূলক নেকি? (Guide lineৰ কপি সদনত দাখিল কৰিব)

(খ) ২০১০-১১, ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বিত্তীয় বৰ্ষত ধুবুৰী জিলাত কিমানটা IAYৰ গৃহ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ধনৰ আবন্টন লাভ কৰিছিল? ইয়াৰ জৰিয়তে কিমান ধন মোকলাই দিয়া হৈছে আৰু কিমানটা গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে?

(উন্নয়ন খণ্ড ভিত্তিক তথ্য দিব)

(গ) IAYৰ অধীনত সংখ্যালঘুসকলৰ বাবে উক্ত বৰ্ষকেইটাত কিমান শতাংশ গৃহ নিৰ্মান কৰা হৈছে? (উন্নয়ন খণ্ড ভিত্তিক তথ্য দিব)

(ঘ) উক্ত বৰ্ষ কেইটাত বিলাসীপাৰা আৰু চাপৰ শালকোচা উন্নয়ন খণ্ডৰ জৰিয়তে IAYৰ হিতাধিকাৰীৰ নাম, BPL, ID No. Scoreবিতং তথ্যৰ সৈতে সদনত দাখিল কৰিবনে?

(ঙ) IAYৰ হিতাধিকাৰী বাছনি Guide lineমতে নহ'লে কি ব্যৱস্থা গ্ৰহণ কৰিব?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) IAYৰ ঘৰ পাবৰ বাবে একোজন হিতাধিকাৰী দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল হ'ব লাগিব আৰু প্ৰত্যেকৰে BPL, ID নম্বৰ থাকিব লাগিব। IAYঘৰৰ বাবে প্ৰত্যেকজন হিতাধিকাৰী ম্যাদি মাটি থকাটো বাধ্যতামুলক নহয়। Guidelineৰ কপি পৰিশিষ্ট 'ক'ত সদনত দিয়া হ'ল।

(খ) ২০১০-১১, ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বিত্তীয় বৰ্ষত ধুবুৰী জিলাত আৱন্টন দিয়া ঘৰৰ সংখ্যা আৰু ইয়াৰ বিপৰীতে মোকলাই দিয়া

ধনৰ পৰিমান ব্লক ভিত্তিত Annexure-Aত দেখুৱা হ'ল।

(গ) সংখ্যালঘু সকলৰ বাবে নির্মান কৰা ঘৰৰ সংখ্যা আৰু শতাংশ হিচাব Annexure-Aত দেখুওৱা হৈছে।

(ঘ) উক্ত বর্ষ কেইটাত বিলাসীপাৰা আৰু চাপৰ শালকোচা উন্নয়ন খণ্ডৰ এলেকাত থকা IAYৰ হিতাধিকাৰীৰ তালিকা BPL, IDআৰু Scoreৰ সৈতে Annexure-Bত দেখুৱা হ'ল।

(ঙ) IAYৰ হিতাধীকাৰী বাছনি Guideline মতে নহ'ৱে বিবেচনা কৰা নহয়।

বিষয় ঃ কাঠমিল বিষয়।

শ্রীপ্রবীন হাজৰিকাই সুধিছে ঃ

২৩৯। মাননীয় পৰিৱেশ ও বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তর্গত বিভিন্ন এলেকাত কিমানটা কাঠমিল বর্তমান চলাই থকা হৈছে? (কাঠৰ মিলৰ নাম আৰু মালিকসকলৰ ঠিকনাসহ জনাব)

(খ) উক্ত মিলসমূহ ফলাই থকা কাঠসমূহ কোন কোন বন এলেকাৰ পৰা যোগান ধৰা হয়?

(গ) উক্ত মিলসমূহত অবৈধভাৱে অৰুণাচল আৰু অসমৰ স্থানীয় ৰেঞ্জৰ কাঠসমূহ ফলোৱা হয়, তাৰ ৰাজহ চৰকাৰে পায়নে?

(ঘ) বিষয়টোৰ ওপৰত এটা তদন্তৰ ব্যৱস্থা কৰি, তাৰ তথ্যসমূহ সদনৰ মজিয়াত দাখিল কৰিবনে?

শ্রীৰকিবুল হুছইেন (পৰিৱেশ ও বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পূৰ শোণিতপুৰ বন সংমণ্ডৰ, বিশ্বনাথ চাৰিআলিৰ অধীনত বর্তমান মুঠ নটা কাঠফলা কল আছে।

কাঠমিলৰ নাম আৰু মালিকসকলৰ ঠিকনা তলত উল্লেখ কৰা হ' ল—

১। মেৰ্চাছ এম.আৰ.স্ মিল

স্বত্বধিকাৰী - শ্ৰী মহেন্দ্ৰ সিং

বৰুৱা চুবুৰী ডেকাৰ গাঁও, তেজপুৰ, স্থান- কোচগাঁও, বিশ্বনাথ চাৰিআলি।

২। মেচার্ছ জে কে. স্ মিল

স্বত্বাধিকাৰী - শ্ৰীমতী গায়ত্ৰী দেৱী

বিশ্বনাথ চাৰিআলি, স্থান— কোচগাঁও

৩। মৈৰ্চাছ দত্ত. স্ মিল

স্বাত্বাধিকাৰী — শ্ৰীউপেন্দ্ৰ কুমাৰ দত্ত।

স্থান — কোচগাঁও, বিশ্বনাথ চাৰিআলি।

৪। মেৰ্চাছ দুৰ্লভ. স্ মিল

স্বত্বাধিকাৰী— শ্ৰীযোগেন ভাগৱতী, শ্ৰীঅৰুণ হাজৰিকা, শ্ৰীদ্বিজেন গোস্বামী, শ্ৰীকৰণ বৰুৱা

লেহুগাঁও, বিশ্বনাথ চাৰিআলি, স্থান—কোচগাঁও

৫। মেৰ্চাছ লক্ষ্মী স্ মিল

স্বত্বধিকাৰী— শ্ৰীলক্ষ্মীকান্ত আগৰৱাল, মিচন চাৰিআলি, তেজপুৰ, স্থান- আমবাৰী, বিশ্বনাথ চাৰিআলি।

৬। মেৰ্চাছ চাৰিআলি স্ মিল

স্বত্বাধিকাৰী— শ্ৰীশংকৰ প্ৰদাস গুপ্ত, বিশ্বনাথ চাৰিআলি, স্থান— বিশ্বনাথ চাৰিআলি।

৭। মেচার্ছ প্ৰভাত ইণ্ডাষ্ট্ৰী মিল

স্বত্বাধিকাৰী— শ্ৰীগোবিন্দ বৈশ্য, শান্তিপুৰ, গুৱহাটী, স্থান— বৰপূৰা (পাভৈ ৰোড)

৮। মেৰ্চাছ ভাগৱতী স্ মিল

স্বত্বাধিকাৰী— শ্ৰীভাগৱতী প্ৰসাদ কেদিয়া, বৰভেটি, নগাঁও, স্থান— ৰাষ্ট্ৰীয় ঘাই পথ ৫২

৯। মেৰ্চাছ অতুল স্ব্ মিল

স্বত্বাধিকাৰী— শ্ৰীঅতুল শৰ্মা

স্থান— ঢেকিয়াজুলি, ১০নং ৱাৰ্ড।

(খ) উক্ত-মিলসমূহত ফলাই থকা কাঠসমূহ কোনো নিৰ্দিষ্ট বনাঞ্চলৰ পৰা বিভাগীয় ভাৱে যোগান ধৰা নহয়। মিল মালিকসকলে বিভিন্ন সংমণ্ডলত নিবিদা যোগে বিক্ৰী কৰা বিভাগীয় কাঠসমূহ ক্ৰয় কৰি মিলত ফলাৰ ব্যৱস্থা কৰে।

(গ) উক্ত মিলসমূহত অবৈধভাৱে কোনো কাঠ ফলা নহয়। গতিকে প্ৰশ্নৰ শেষাংশৰ প্ৰশ্নই নুঠে।

(ঘ) কোনো নিৰ্দিষ্ট অভিযোগ বৰ্তমানলৈ নাই। নিৰ্দিষ্ট অভিযোগ পালে বিভাগৰ ফালৰ পৰা তদন্ত কৰি বিহিত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ সাক্ষৰ ভাৰত অভিযান।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

২৪০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'সাক্ষৰ ভাৰত অভিযান মিছন' অসমত কেতিয়া আৰম্ভ হৈছে? এই মিছনৰ অধীনত আৰম্ভণিৰে পৰা অসমত প্ৰতিটো বিত্তীয় বৰ্ষত কিমান টকা আবণ্টন দিয়া হৈছে আৰু ইয়াৰে কিমান টকা খৰচ হৈছে আৰু কি কি কামৰ বাবদ খৰচ কৰা হৈছে?

(বিত্তীয় বৰ্ষ অনুযায়ী জিলা ভিত্তিক বিতং তথ্য আৰু লগতে এই মিছিনৰ Guide lineৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

(খ) এই মিছনৰ অধীনত বৰপেটা জিলাত মুঠতে কিমান প্ৰেৰক-প্ৰেৰিকা নিয়োগ কৰা হৈছে? বাঘবৰ সমষ্টিত কোন কোন পঞ্চায়তৰ অধীনত কোন কোন

প্রেৰক-প্রেৰিকা নিয়োগ কৰা হৈছে? (বিতংকৈ জনাব)

(গ) প্রেৰক-প্রেৰিকাসকলক নিয়োগ পত্র প্রদান কৰা হ'লনে? যদি হৈছে, বাঘবৰ সমষ্টিত নিয়োজিত প্রেৰক-প্রেৰিকাসকলৰ নিয়োগ পত্রৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) বিধিমতে সংশ্লিষ্ট গাঁও পঞ্চয়াতৰ সভাপতি-সভানেত্রী আৰু প্রেৰক-প্রেৰিকাসকলৰ নামত যুগ্ম একাউন্ট খোলা হ'লনে? যদি হৈছে, বাঘবৰ সমষ্টিৰ অন্তর্গত প্রতিটো যুগ্ম একাউন্ট নম্বৰ সদনৰ মেজত দাখিল কৰিব আৰু যদি হোৱা নাই, যুগ্ম একাউন্ট অবিহনে আঁচনিৰ ধন কোনে কি ধৰণেৰে খৰচ কৰিছে? (বিতংকৈ জনাব)

(ঙ) প্রেৰক-প্রেৰিকাসকলক দৰমহা-মাননী নিয়মিত ৰূপে আদায় দিয়া হৈছেনে? যদি হোৱা নাই, কিয় হোৱা নাই আৰু মাননীৰ ধন বর্তমান ক'ত জমা আছে বা কেনেদৰে খৰচ কৰা হৈছে? যদি মাননী আদায় দিয়া হৈছে, তেন্তে বাঘবৰ সমষ্টিৰ প্রেৰক-প্রেৰিকাসকলৰ কাক, কোন মাহত কিমান ধন আদায় দিয়া হৈছে? (বিতং তথ্য দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন ৰিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) 'সাক্ষৰ ভাৰত মিছন' অসমত ২০১০-১১বর্ষত আৰম্ভ হৈছিল। আৰম্ভনিৰ পৰা এতিয়ালৈকে মুঠ ২৫,৬১,৮৫,৮৪৩.০০কোটি টকা আৱন্টন দিয়া হৈছে। ইয়াৰে বর্তমানলৈকে (ছেপ্তেম্বৰ ২০১৩চনলৈকে) মুঠ ২০.০০কোটি টকা খৰচ হৈছে।

খৰচ দিয়া বিভিন্ন শিতানসমূহ হ'ল ঃ-

(ক) বুনিয়াদি সাক্ষৰতা (খ) প্রাপ্তবয়স্ক শিক্ষা কেন্দ্র (গ) অভিৰোচন

(ঘ) সমন্বয়ৰ প্রশিক্ষণ কার্য্যসূচী (ঙ) মূল্যায়ন আৰু সমাকৰণ

বিভিন্ন বিত্তীয় বর্ষত খৰচ হোৱা টকাৰ পৰিমাণ

২০১০-২০১১বষ	২০১১-২০১২বষ	২০১২-১৩বর্ষ	এপ্রিল ২০১৩ ছেপ্তেম্বৰ ২০১৩লৈ	সর্বমুঠ খৰছ হোৱা টকাৰ পৰিমাণ
১১,০০,৪৩১.০০ টকা	৬,৪৭,৬৩,১০২.০০ টকা	১২,৮১,১৭,৮১৯.০০ টকা	৬০,১৯,৬৪৮.০০ টকা	২০,০০,০১,০০০.০৫ টকা

(এই মিছনৰ Guide lineৰ প্রতিলিপ সদনৰ মেজত Annexure-Aত দাখিল কৰা হ'ল)

(খ) বৰপেটা জিলাত মুঠতে ২৫৮জন প্রেৰকক কামত খটুওৱা হৈছে। বাঘবৰ সমষ্টিত প্রতিটো গাঁও পঞ্চায়তত প্রেৰকক কামত খটুওৱা হৈছে। ইয়াৰ তালিকা Annexure-Bত সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) যিহেতু পঞ্চায়তৰ পৰাই সংশ্লিষ্ট প্রেৰকসকলক গাঁও পঞ্চায়ত লোক শিক্ষা সমিতিয়ে বাচনি কৰিছিল সেয়ে প্রেৰকসকলৰ Engagement Orderৰ কাৰণে সংশ্লিষ্ট গাঁও পঞ্চায়তৰ লোক শিক্ষা সমিতিলৈ নির্দেশ দিয়া হৈছে। গাঁও পঞ্চায়তলৈ পঠোৱা নির্দেশৰ নমুনা Annexure-Cত সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ) সভাপতি/সভানেত্রী আৰু প্রেৰকসকলৰ নামত ১০০টা যুগ্ম একাউন্ট খোলা হৈথে যদিও কিছু সংখ্যক একাউন্ট খোলাৰ বাবে প্র-পত্র সংশ্লিষ্ট বেংকত জমা দিয়া হৈছে। বাঘবৰ সমষ্টিৰ পঞ্চায়ত সমূহৰ যুগ্ম একাউন্টৰ তালিকা Annexure-Dত সদনৰ মেজত দাখিল কৰা হ'ল। একাউন্ট খোলা প্রক্রিয়া সমূহ সম্পূর্ণ নোহোৱালৈকে আঁচনিৰ ধন খৰচ কৰাৰ কর্তৃত্ব জিলা লোক শিক্ষা সমিতিৰ ওপৰত ন্যস্ত কৰা হৈছে।

(ঙ) পূঁজিৰ আৱন্টনৰ অভাৱত প্রেৰকসকলৰ মাননী নিয়নিতভাৱে আদায় দিব পৰা নাই। বৰপেটা জিলাত প্রেৰকৰ মাননীৰ বাবদ কোনো ধন জমা নাই।

বাঘবৰ সমষ্টিৰ প্ৰেৰকসকলৰ কাক, কোন মাহৰ মাননী দিয়া হৈছে তাৰ বিতং তথা Annexure-Eত সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ আঁচনিৰ ধন।

শ্ৰীআলী হুছেইনে সুধিছে ঃ

২৪১। মাননীয় হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১০-১১, ২০১১-১২আৰু ২০১২-১৩বিত্তীয় বৰ্ষত কিমান টকা চৰকাৰে বৰপেটা জিলাত এই বিভাগৰ জৰিয়তে আবণ্টন দিছিল? (বৰ্ষ অনুযায়ী সদনৰ মজিয়াত জনাব)

(খ) আবন্টিত ধনেৰে কি কি আঁচনি গ্ৰহণ কৰিছিল? (আঁচনিৰ নাম, আঁচনিৰ বিপৰীতে ধনৰ পৰিমাণ কিমান উল্লেখ কৰি সদনত দাখিল কৰিব)

(গ) আঁচনিৰ জৰিয়তে কিমান হিতাধিকাৰী লাভান্বিত হৈছে? (হিতাধিকাৰীৰ নাম, ঠিকনা উল্লেখ কৰি সদনত দাখিল কৰিব)

শ্ৰীমতী প্ৰণতি ফুকন (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ষ অনুযায়ী বৰপেটা জিলাত আঁৱণ্টন দিয়া ধনৰ পৰিমাণ তলত দিয়া ধৰণৰঃ

হস্ততাঁত বস্ত্ৰশিল্প সঞ্চালকালয় ঃ

বৰ্ষ	আৱন্টিত ধনৰ পৰিমাণ
২০১০-১১.	৪,৫৮,৭৬,৪১৩.০০
২০১১-১২	৪০,৯৮,৯৩৪.০০
২০১২-১৩	৫৬,৭১,৫০০.০০

ৰেচম সঞ্চালকালয় ঃ

বর্ষ	আৱন্টিত ধনৰ পৰিমাণ
২০১০-১১	১৮.২১ লাখ
২০১১-১২	২৪.১৩৯৪ লাখ
২০১২-১৩	১৭.৪৯৮ লাখ

(খ) আৱন্টিত ধনেৰে গ্ৰহণ কৰা আঁচনিসমূহ তলত দেখুওৱা ধৰণৰ ঃ

হস্ততাঁত বস্ত্ৰ সঞ্চালকালয় ঃ

বর্ষ	আঁচনি নাম	আৱন্টিত ধনৰ পৰিমাণ
২০১০-১১	১। সাধাৰণ শ্ৰেণীৰ শিপিনীৰ অৰ্থনৈতিক উন্নয়ন আঁচনি	৪,৯০,০০০.০০
	২। অনুসূচিত জাতিৰ শিপিনীৰ অৰ্থনৈতিক উন্নয়ন আঁচনি	৫,০০,০০০.০০
	৩। বস্ততাঁত বস্ত্ৰৰ বিক্ৰীৰ ওপৰত ১০%পৰিশোধিত ৰেহাই আঁচনি	২৬,২৫৩.০০
	৪। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত সূতা বিতৰণ	৪,৪৮,৬০,১৬০.০০
২০১১-১২	১। সাধাৰণ শ্ৰেণীৰ শিপিনীৰ অৰ্থনৈতিক উন্নয়ণ আঁচনি	১০,০০,০০০.০০
	২। মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্মসংস্থাপন আঁচনি	২৯,২৫,০০০.০০
	৩। বাণিজ্যিক উদগণি আঁচনি	১,৭৩,৯৩৪.০০
২০১২-১৩	১। সংহত হস্ততাঁত উন্নয়ন আঁচনি	৪,৩৩,১০০.০০
	২। হস্ততাঁত উৎপাদন আঁচনি	৩,৫০,০০০.০০

৩। মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ
অধীনত সুতা বিতৰণ ৪৮,৮৮,৪০০.০০

<u>ৰেচম সঞ্চালকালয়</u>

২০১০-১১ ১। এড়ি, মুগা আৰু পাট শিল্পৰ
উন্নয়ণ আৰু সম্প্রসাৰণ ১৪.২১লাখ
২। হিতাধিকাৰী সহায়ক অনুদান ৪.০০লাখ

২০১১-১২ ১। এড়ি, মুগা আৰু পাট শিল্পৰ
উন্নয়ণ আৰু সম্প্রসাৰণ ১৯.১৩৯৪লাখ
২। হিতাধিকাৰী সহায়ক অনুদান ৫.০০লাখ

২০১২-১৩ ১। এড়ি,মুগা আৰু পাট শিল্পৰ
উন্নয়ণ আৰু সম্প্রসাৰণ ১৩.৯৯৮লাখ
২। হিতাধিকাৰী সহায়ক অনুদান ৩.৫০লাখ

(গ) আঁচনিৰ জৰিয়তে লাভান্বিত হোৱা হিতাধিকাৰীৰ সংখ্যা তলত দেখুওৱা ধৰণৰ ঃ

<u>হস্ততাঁত বস্ত্রশিল্পী সঞ্চালকালয় ঃ</u>

১। সংহত হস্ততাঁত উন্নয়ণ আঁচনি (গোট ভিত্তিত) — ২০জন
২। হস্ততাঁত বস্ত্র উন্নয়ন আঁচনি (গোট ভিত্তিত) — ৩৫জন
৩। মুখ্যমন্ত্রীৰ বিশেষ আঁচনিৰ অধীনত সুতা বিতৰণ — ৫৫,৫২০জনা (২০১১-১২বৰ্ষৰ সংখ্যা)
৪। বাণিজ্যিক উদগণি আঁচনি — ৭জন
৫। মুখ্যমন্ত্রীৰ বিশেষ কৰ্মসংস্থাপন আঁচনি — ১১৭জন
৬। সাধাৰণ শ্রেণীৰ শিপিনীৰ অৰ্থনৈতিৰ উন্নয়ন আঁচনি—২০জন
৭। অনুসুচিত জাতিৰ শিপিনীৰ অৰ্থনৈতিক উন্নয়ন আঁচনি — ২০জন

৮। হস্ততাঁত বস্ত্ৰৰ বিক্ৰীৰ ওপৰত ১০শতাংশ পৰিশোধিত ৰেহাই আঁচনি — ১সংখ্যক পাকা বেতবাৰী বোৱা কটা সমবায় সমিতি

নাম-ঠিকনা তালিকা সংলগ্ন 'ক', 'খ', 'গ', 'ঘ', 'ঙ', 'চ', সদনৰ মেজত দাখিল কৰা হ'ল।

ৰেচম সঞ্চলকালয় ঃ

আঁচনিৰ জৰিয়তে ৩২৮জন হিতাধিকাৰী (২০১০-১১, ২০১১-২০১২বর্ষ) লাভান্বিত হৈছে।

নাম-ঠিকনাৰ তালিকা Annexure-Iত সংলগ্ন কৰা হৈছে। ২০১২-১৩বর্ষৰ তালিকা সংগ্ৰহ কৰি থকা হৈছে।

বিষয় ঃ আঁচনি ৰূপায়ণ ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

২৪২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাত ২০১২-১৩আৰু ২০১৩-১৪ বিত্তীয় বর্ষত State Planৰ অধীনত মুঠ কিমান টকা আবন্টিত হৈছিল? সেই টকা ক'ত ক'ত খৰচ কৰা হ'ল। (আঁচনিৰ নাম, শিতান, হিতাধিকাৰীৰ নাম-ঠিকনা, টকাৰ পৰিমাণ, খৰচৰ কথ্য সহ বিতং বিৱৰণ দিব)

(খ) আঁচনিসমূহ ৰূপায়ণৰ বাবে কোন কোন বিধায়কৰ লগত আলোচনা কৰা হৈছিল? (বিধায়কৰ লিখিত প্ৰস্তাৱত প্ৰতিলিপি সদনত দাখিল কৰিব)

(গ) যোৱা দুটা বিত্তীয় বছৰত দিলা দুখনত RKVY, RIDF, SCSP, TSPআৰু অন্যান্য শিতানত কিমান টকা ক'ত খৰচ কৰা হ'ল? (বিতং তথ্য সহকাৰে জনাব)

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ))য়ে উত্তৰ দিছে ঃ

(ক) ২০১২-১৩ বিত্তীয় বর্ষত নগাঁও জিলাত মুঠতে ১১২.৮০৪ লাখ থকা

State Planৰ অধীনত আৱন্টন দিয়া হয় আৰু উক্ত আৱন্টিত ধনৰ মুঠতে ১০৮.৫৬৪লাখ টকা খৰচ কৰা হয়। খৰচৰ বিশদ বিৱৰণ পৰিশিষ্ট 'ক' (১) ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল। আনহাতে, মৰিগাঁও জিলাত ২০১২-১৩বিত্তীয় বৰ্ষত মুঠতে ১১৯.৫০লাখ টকা State Planৰ অধীনত আৱন্টন দিয়া হয় আৰু উক্ত আৱন্টিত ধনৰ মুঠতে ১১৯.৫০লাখ টকা খৰচ কৰা হয়। খৰচৰ বিশদ বিৱৰণ পৰিশিষ্ট 'ক' (২) সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল। ২০১৩-১৪বিত্তীয় বৰ্ষৰ সম্পৰ্কত পৰিশিষ্ট 'ক' (২) সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) আঁচনিসমূহ ৰূপায়ণৰ বাবে (১) ডাঃ দুলৰ্ভ চমুৱা, (২) শ্রীযুতা জোন জোনালী বৰুৱা, (৩) শ্রীযুত নজৰুল ইছলাম (৪) শ্রীযুত বিবেকানন্দ দলৈ (৫) শ্রীযুত আমিনুল ইছলাম (৬) শ্রীযুত গৌতম বৰা দেৱৰ লগত আলোচনা কৰা হৈছিল। এই সম্পৰ্কত পৰিশিষ্ট 'গ' (১) আৰু 'গ' (২) সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) যোৱা দুটা বিত্তীয় বছৰত জিলা দুখনত RKVY, RIDF, SCSP, TSP আৰু অন্যান্য শিতানত খৰচ হোৱা ধনৰ বিতং তথ্যৰ বাবে পৰিশিষ্ট 'ঘ' (১) আৰু (২) ইয়াৰ লগত সংলগ্ন কৰা কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ স্থায়ী পদত নিযুক্তি।

শ্রীমনোৰাৰ হুছেইনে সুধিছে ঃ

২৪৩। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পঞ্চায়ত আৰু গ্রামোনন্নয়ন বিভাগত ১৮,৭২২টা নতুন পদ সৃষ্টি কৰি পদ সমূহত স্থায়ী নিযুক্তি দিয়াৰ কথা চৰকাৰে বিবেচনা কৰি আছেনে?

(খ) যদি বিবেচনা কৰি আছে তেনেহলে এম জি এনৰেগা আঁচনিৰ অধীনত অসমৰ প্রতিটো গাঁও পঞ্চায়ত কার্য্যালয়ত যোৱা ৪/৫বছৰে অতি কম

মাননীত চুক্তি ভিত্তিত কাম কৰি থকা TGRS, G.P. Account Asstt. আৰু Accredited Engineer সকলৰ পদসমূহ স্থায়ীকৰণ কৰাৰ বিষয়টো চৰকাৰে বিবেচনা কৰিবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগত ১৮,৭১১টা নতুন পদ সৃষ্টি কৰি পদসমূহত স্থায়ী নিযুক্তি দিয়াৰ কথা চৰকাৰে বিবেচনা কৰি আছে।

(খ) এম জি এনৰেগা আঁচনিৰ অধীনত চুক্তি ভিত্তিত কাম কৰি থকা পদসমূহ স্থায়ীকৰণৰ কথা বর্তমানলৈ চৰকাৰে বিবেচনা কৰা নাই।

Sub : Revenue earned.

Shri Sirajuddin Ajmal asked :

244. Will the Minister of Forest and Environment be pleased to state:

(a) What amount of revenues earned per yearly by the Government under Forest & Environment through different sources? (Give the earnings for last five years)

(b) What amount of revenues earned under the Nagaon South Division, Hojai?

(Give the earnings through different sources separately for last five years)

(c) Give the list of Sand Mohals and Stone Mohals leased out under this Forest Division as on today along with the amount of lease value of each and the name of lease holders in details?

(d) What is the area of forest land in total owned under

Nagaon South Division, Hojai?

(Give the break up as forest land & reserved forest land separately)

(e) How many forest villages in the reserved forest land areas owned under Nagaon South Division, Hojai? (Give in details with list of households' per village wise)

Shri Rokybul Hussain (Minister of Environment & Forest Department) replied :

(a) The amount of revenue earned during last five years under Forest Department in

Assam is as given below:

Year	Timber	Others	Revenue earned (in lakhs)
2008-09	88.24	6178.16	6266.40
2009-10	68.79	7980.62	8049.41
2010-11	590.68	5712.21	6302.89
2011-12	5234.81	623.77	5858.58
2012-13	393.09	3030.31	3423.40
Grand Total	6375.61	23525.07	29900.68

(b) The amount of revenue earned under Nagaon South Division, Hojai for the last five years are given below:

Year	Timber & Other (Rs)	Sand, Stone, earth, Gravel (Rs)	Miscellaneous (Rs.)	Seized Timber (Rs)	Total (Rs)
2008-09	4269913.00	2476.5984.00	841317.00	6278530.00	36155744.00
2009-] 0	2348059.00	17458446.00	1021386.00	1132035.00	21959926.00
2010-11	3918866.00	14430870.00	459152.00	2852011.00	21660899.00
2011-12	7829817.00	8828377.00	280931.00	750756.00	17689881.00
2012-13	1822454.00	25085532.00	854802.00	2356223.00	46519011.00
Total	36589109.00	90569209.00	3457588.00	13369555.00	143985461.00

(c) Jabrakhowa Gravel Mining Mohal has been leased/allotted to MIS Gayatri ECI(IV) for construction of 41aning works of NHAI as approved by the Govt. of India.

(d) Total Reserve Forest land under Nagaon South Division, Hojai is 49049 Hact. The break up is mentioned below:

Name of Division	Name of PRF	Area of Reserve Forest (in Hact)
Nagaon South Divn, Hojai	Kumurakata	949

	Hojai	543
	Hawaipur	1864
	Lumding	25245
	Kaki	11133
	Daboka	7859
	Jamuna Moudanga	1456

(e) There are nine nos. of Forest Villages under Nagaon South Division, Hojai.

The details are as given below:

Sl. No	Name of Reserve Forest	Name of Forest Village	Total nos. of household
1	Kaki RF	Ramnagar FV	359
2	Kaki RF	RampurFV	1912
3	Kaki RF	Tapanpur FV	825
4	Lumding RF	Gosaigaon FV	262
5	Hojai RF	Kurkut FV	382
6	Kumurakata RF	Kumurakata FV	464

7	Daboka RF	Burizaon FV	200
8	Jamuna Moudanga RF	Ambari FV	221
9	Jamuna Moudanga RF	Ghaniapar FV	218

বিষয় ঃ মীন বিভাগৰ আঁচনি আৰু ৰাজহ সংগ্রহ।

শ্রীনৰ কুমাৰ দলেই সুধিছে ঃ

২৪৫। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১১ চনৰ পৰা বর্তমানলৈ মীন বিভাগে অসমত কি কি আঁচনি গ্রহণ কৰিছে?

(প্রতিখন আঁচনিৰ বিপৰীতে ধার্য হোৱা ধন, ৰূপায়ণকাৰী ঠিকাদাৰৰ নাম-ঠিকনা, বর্তমানলৈ কামৰ অগ্রগতি আৰু ব্যয় হোৱা ধনৰ পৰিমাণসহ বিতং তথ্য উল্লেখ কৰি সদনত দিব)

(খ) ঢকুৰাখনা বিধান সভা সমষ্টিত মীন বিভাগৰ ৰাজহ সংগ্রহৰ উৎস কি এইবোৰৰ পৰা পর্যাপ্ত ৰাজহ সংগ্রহ হৈছেনে? ইয়াৰ দায়িত্ব কাৰ হাতত অর্পণ কৰা হৈছে?

(গ) ঢকুৰাখনা সমষ্টিত ৰাজহ সংগ্রহৰ নতুন উৎস সৃষ্টিৰ চেষ্টা কৰা হৈছে নেকি? যদি হৈছে, সেই দায়িত্ব কাক দিয়া হৈছে?

(যোৱা পাঁচ বছৰত ঢকুৰাখনাত সংগ্রহ হোৱা ৰাজহৰ বিতং তথ্য দিব)

শ্রীবসন্ত দাস (মীন বিভাগৰ মন্ত্রী (স্বতন্ত্র)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ পৰা বর্তমানলৈ মীন বিভাগে অসমত গ্রহণ কৰা আঁচনিসমূহৰ বিপৰীতে ধার্য হোৱা ধন, ৰূপায়ণকাৰী ঠিকাদাৰৰ নাম ঠিকনা, বর্তমানলৈ কামৰ অগ্রগতি আৰু ব্যয় হোৱা ধনৰ পৰিমাণসহ বিতং তথ্য পৰিশিষ্ট 'ক'ত

সংলগ্ন কৰা হৈছে।

(খ) ঢকুৱাখনা বিধান সভা সমষ্টিত মীন বিভাগৰ, জিলা মীন উন্নয়ন বিষয়াই ৰাজহ সংগ্রহৰ কোনো উৎস নাই। ৰাজহ সংগ্রহৰ দায়িত্ব মহকুমাধিপতি (অসামৰিক), ঢকুৱাখনাৰ ওপৰত ন্যস্ত আছে।

(গ) ঢকুৱাখনা বিধান সভা সমষ্টিত মীন বিভাগৰ, বিভিন্ন আঁচনিৰ যেনে— ৰাজ্যিক পৰিকল্পনা শিতান, অসম কৃষি সামর্থবর্ধন প্রকল্প, ৰাষ্ট্রীয় কৃষি বিকাশ যোজনা আদিৰ অধীনত উন্নয়নমূলক কাম মীন বিভাগ, লক্ষীমপুৰ জিলাই ৰূপায়ণ কৰি থকা হৈছে যদিও পোনপটীয়াভাৱে ৰাজহ সংগ্রহৰ কোনো আঁচনি বর্তমানলৈকে হাতত লোৱা হোৱা নাই।

ঢকুৱাখনা মহকুমাধিপতি কার্যালয়ৰ পৰা সংগ্রহিত তথ্য অনুসৰি বিগত পাঁচ বছৰত মীন মহলৰ পৰা সংগ্রহ কৰা ৰাজহৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

ক্রমিক নং	মীন মহলৰ নাম	ৰাজহ পৰিমাণ
১।	চেলা কাৰিকড়ীয়া	৮,৩৩,৪৫০.০০
২।	কঢ়া, খণ্ড (২)	৭.১৬,৫৩৯,০০
৩।	কঢ়া, খণ্ড (১)	১,৩৭,৬৫০.০০
৪।	গুটুং ভেটতলি	৪৫,০০০.০০
৫।	খনা বিল	২৭;০০০.০০

বিষয় ঃ উদ্যোগ স্থাপন।

শ্রীউৎপল দত্তই সুধিছে ঃ

২৪৬। মাননীয় বন ও পৰিৱেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ তেজপুৰ সদৰ ৰাজহচক্রৰ অধীনৰ হলেশ্বৰ মৌজাৰ গাঁঙা চাঁহদল গাঁৱত জনজীৱনৰ বাবে ভাবুকিস্বৰূপ উদ্যোগ স্থাপন সন্দর্ভত

বিভাগ অৱগতনে?

(খ) কৃষিভূমি পুতি হলেশ্বৰ মৌজাৰ ৭৩৬, ৭৩৫,৭৩৪,৭৩৩,৭৩২, ৭৩১,৭৩০, ৭২৯, ৮৭৩,৮৩৫, ৮৪০, ৯৩৫, ৯৪১, ৯৩৬, ৭৪১ নং দাগৰ সংলগ্ন ভূমিত মুৰ্গীৰ দানা তৈয়াৰী উদ্যোগ স্থাপনৰ অনুমতি গ্ৰহণৰ বাবে পদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ গ্ৰহণ কৰিছে নে?

(গ) যদি দিছে, জনস্বাস্থ্যৰ প্ৰতি ভাবুকি এনে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত ঘন জনবসতিপূৰ্ণ অঞ্চলত কিয় NOC দিয়া নাই, তেন্তে এই উদ্যোগ কেনেকৈ স্থাপন কৰিব পাৰিলে?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিৱেশ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শোণিতপুৰ জিলাৰ তেজপুৰ সদৰ ৰাজহচক্ৰৰ অধীনৰ হলেশ্বৰ মৌজাৰ গাঁঙা চাঁহদল গাঁৱত নিম্নলিখিত পশুখাদ্য প্ৰস্তুতকাৰী কাৰখানা বিভাগীয় অনুমতি সাপেক্ষে স্থাপিত হৈছে —

(১) মেচাৰ্ছ শ্ৰীৰাম কেটল ফিড-স্থাপন ২০০১-২০০২ বিভাগীয় অনুমতি আদেশ নং WB/TEZ/T-478/2001/2002/19 তাৰিখ ১১/০২/২০০২ জাৰি কৰা হয়।

(২) মেচাৰ্ছ শান্তি এগ্ৰোভেট, গাঁও-গাঙা, চাঁহদল, হলেশ্বৰ মৌজা, শোণিতপুৰ জিলা, স্থাপিত ২০১১-২০১২। উপৰোক্ত কাৰখানা স্থাপনৰ সন্দৰ্ভত বিভাগীয় নিৰ্দেশনা স্থানীয় গাঁও পঞ্চায়তৰ তৰফৰ পৰা পোৱা আপত্তিবিহীন প্ৰমাণ পত্ৰ, মাটিৰ বিভাগীয় নথিপত্ৰ, প্ৰকল্প সম্পৰ্কীয় যাৱতীয় নথিপত্ৰ দি আই চি চিৰ পঞ্জীয়ন নং NO.DICC, SONITPUR/EM(PT-1)/01196/2011 তাৰিখ ০৯/০৩/২০১১ৰ ওপৰত ভিত্তি কৰি প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অনুমতি আদেশ নং WB/TEZ/T-1217/11-12/49 তাৰিখ ১২/০৮/২০১১ জাৰি কৰা হয়।

(ঘ) প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদত জমা দিয়া মাটিৰ নথিপত্ৰসমূহত নিম্নলিখিত দাগ নংসমূহ সন্নিবিষ্ট দেখুওৱা হৈছে—

১। মেচার্ছ শ্রীৰাম কেটল ফিড ঃ দাগ নং ৭৩৪

২। মেচার্ছ শান্তিত এগ্রোভেট, দাগ নং ৭২৩, ৭২৪, ৭৩৪, ৭৩৫, ৭৩৬, ৭৪০, ৭৪., ৯৩৫। ৯৩৬, ৯৪২।

জমা দিয়া মাটিণ যাৱতীয় নথিপত্র অনুসৰি, ওপৰোক্ত দাগ নং সন্নিৱিষ্ট এলেকা ব্যৱসায়িক মাটি হিচাপে শ্রেণীবিভক্ত হোৱাৰ প্রতি লক্ষ্য ৰাখি প্রদূষণ নিয়ন্ত্রণ ব'ৰ্ডৰ আপত্তিবিহীন প্রমাণ পত্র দিয়া হৈছে।

(গ) ওপৰোক্ত দুয়োটা কাৰখানা পুৰণি উদ্যোগীক এলেকা আৰু ব্যৱসায়িক মাটিত স্থাপিত হৈছে। এই কাৰখানাসমূহত জনসাধাৰণৰ বা জনস্বাস্থ্যৰ বাবে ক্ষতিকাৰক নহয়। এইক্ষেত্রত কোনোধৰণৰ লোক অভিযোগ ঐতিয়ালৈকে পোৱা হোৱা নাই।

(ঘ) ওপৰোক্ত দুয়োটা কাৰখানা প্রদূষণ নিয়ন্ত্রণ পৰিষদৰ যাৱতীয় প্রমাণ পত্রৰ ভিতৰ স্থাপিত হৈছে।

বিষয় ঃ মীন বিভাগৰ আঁচনিত অগ্রগতি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

২৪৭। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিভাগে বিগত ৫বছৰত জাল ক্রয় কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে বিগত পাঁচ বছৰত কিমানখন জাল ক্রয় কৰিছিল? (স্বায়ত্ত শাসিত পৰিষদসহ তালিকা দাখিল কৰিব)

(গ) এই ক্ষেত্রত মুকলি নিবিদা আহ্বান কৰা হৈছিলনে?

(ঘ) কোন কোন প্রতিষ্ঠানে নিবিদা দাখিল কৰিছিল?

(ঙ) প্রতিখন জাল যোগানৰ বাবে প্রতিষ্ঠানক কিমান ধন মোকলাই দিয়া হৈছিল?

(চ) প্রতিখন জিলাৰ হিতাধিকাৰীৰ তালিকা সদনত দাখিল কৰিবনে?

শ্রীবসন্ত দাস (মীন বিভাগৰ মন্ত্রী (স্বতন্ত্র))য়ে উত্তৰ দিছে ঃ

(ক) হয়, মীন বিভাগে বিগত ৫বছৰত জাল ক্রয় কৰাৰ বিষয়ে চৰকাৰ জ্ঞাচ।

(খ) বিগত ৫বছৰৰ ভিতৰত মীন বিভাগৰ দ্বাৰা মুঠ ৪৭৮৫খন জাল ক্রয় কৰা হয়। ইয়াৰ বিতং তথ্য তলত দিয়া হ'ল।

ক্রমিক নং	বর্ষ	পোনা ধাৰ জাল	খেৱালী জাল	বেৰ জেল	ফাঁচী জাল	মন্তব্য
১	২০০৯-১০	নাই	১২১২	নাই	নাই	
২	২০১০-১১	নাই	১২০০	১০০	নাই	
৩	২০১১-১২	নাই	নাই	নাই	নাই	
৪	২০১২-১৩	নাই	নাই	নাই	নাই	
	মুঠ	-	১৪১২	১০০	সর্বমুঠ	২৫১২খন

স্বায়ত্ব শাসিত পৰিষদৰ অন্তর্গত কার্বি আংলং জিলা পৰিষদৰ জিলা পৰিষদৰ যোগেদিহে জাল ক্রয় কৰা তথ্য তলত দিয়া হ'ল।

ক্রমিক নং	বর্ষ	পোনা ধাৰ জাল	খেৱালী জাল	বেৰ জেল	ফাঁচী জাল	মন্তব্য
১	২০০৮-০৯	০২	১৫০	৬৬১	নাই	
২	২০০৯-১০	নাই	নাই	৮০৫	নাই	
৩	২০১০-১১	নাই	১৩০	১০৬	নাই	

৪	২০১১-১২	নাই	নাই	১৯৬	নাই	
৫	২০১২-১৩	১৫৯	৪০	২৪	নাই	
	মুঠ	১৬১	৩২০	১৭৯২	সর্বমুঠ	২২৭৩খন

স্বায়ত্ব শাসিত পৰিষদৰ বিতং তথ্য পৰিশিষ্ট 'ক' ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) হয়, উক্ত জাল ক্রয় কৰিবৰ বাবে মুকলি নিবিদা আহ্বান কৰা হৈছিল।

(ঘ) নিবিদা দাখিল কৰা প্রতিষ্ঠানবোৰৰ ২০০৯-১০ৰ তালিকা পৰিশিষ্ট 'খ'ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল। ২০১০-১১বৰ্ষৰ জিলা ভিত্তিত নিবিদা দাখিল কৰা প্রতিষ্ঠানবোৰৰ তালিকা জিলাসমূহৰ পৰা সংগ্রহ কৰি থকা হৈছে আৰু তালিকা প্রাপ্তি হোৱাৰ পিচত দাখিল কৰা হ'ব।

(ঙ) ২০০৯-১০বৰ্ষত প্রতিখন খেৱালী জাল যোগানৰ বাবে প্রতিষ্ঠানসমূহক ১৬৫০.০০টকাকৈ মোকলাই দিয়া হৈছিল। ২০১০-১১বৰ্ষত প্রতিখন খেৱালী জাল যোগানৰ বাবে প্রতিষ্ঠানসমূহক ১৭০০.০০টকাকৈ আৰু প্রতিখনবেৰ জাল যোগানৰ বাবে ১৪,০০০.০০ টকাকৈ মোকলাই দিয়া হৈছিল। সর্বমুঠ ৫৪.৪০লাখ টকা জাল কিনাৰ বাবদ খৰচ কৰা হয়। (স্বায়িত্ব শাসিত পৰিষদৰ বাহিৰত) আৰু স্বায়ত্ব শাসিত পৰিষদৰ অন্তর্গত কার্বি আংলং জিলাত প্রতিখন বেৰ জালৰ বাবদ ১৬,৮০০.০০ টকা, খেৱালী জালৰ বাবদ ৩.১০০.০০টকা আৰু পোনা ধৰা জালৰ বাবদ ১২,২০০.০০টকাকৈ খৰচ কৰি সর্বমুঠ ৫৯.৬৭লাখ টকা জাল ক্রয়ৰ বাবদ খৰচ হয়।

(চ) জিলা ভিত্তিত সংগ্রহ কৰা হিতাধিকাৰী তালিকা পৰিশিষ্ট 'গ'ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ **Pollution Control Board** ৰ নির্দেশ।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

২৪৮। মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে।

(ক) Pollution Control Board Assam এ Encironment (Protection) Act. 1986, water (Prevention & Control of Pollution Act. 1974 আৰু Air (prevention & Control of Pollution) Act, 1981 সংশোধন কৰি নিয়ম প্রস্তুত কৰি কয়লা জমা কৰা আৰু ব্যৱসায় কৰা উদ্যোগী সকলক সময়ে সময়ে জাননী দিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, ৰাজ্যখনৰ কেইবাটাও ৰেল ষ্টেচনত কয়লা উঠোৱা আৰু নমোৱাত Pollution Control Board ৰ নিয়ম (গাইড লাইন) মানি নচলাৰ ফলত বায়ু প্রদূষিত হৈ বহু বনুৱা টি,বি আৰু অচিন ৰোগত আক্রান্ত হোৱাৰ ক্ষেত্রত কি ব্যৱস্থা লৈছে?

(গ) ব্যৱসায়সকলে নিয়ম অমান্য কৰাৰ ফলত পৰিৱেশ দূষিত হৈ কৃষি ভূমি বিনষ্ট আৰু কৃষিৰ বাবে ব্যৱহাৰৰ অনুপযোগী হোৱাৰ ক্ষেত্রত চৰকাৰে বিহিত ব্যৱস্থা ল'বনে?

(ঘ) কয়লা ব্যৱসায়ীসকলে কয়লা জমা ৰখা আৰু ব্যৱসায় কৰাৰ ক্ষেত্রত বান্ধি দিয়া নিয়ম (গাইড লাইন) মানি নচলাৰ ফলত পানী দূষিত হৈ ৰাজ্যখনৰ বিভিন্ন ঠাইৰ খাল, বিল আৰু জলাশয়সমূহত বিষক্রিয়া হৈ মৃত্যু হোৱা মাছ-কাছসমূহৰ অকাল মৃত্যু ৰোধ কৰিবলৈ চৰকাৰে ব্যৱস্থা ল'বনে?

(ঙ) উপৰোক্ত খ, গ, আৰু ঘ প্রশ্নৰ ক্ষেত্রত কোনে ধৰণৰ ব্যৱস্থা চৰকাৰে লৈছে, সবিশেষ জনাবনে? (ব্যৱস্থা গ্রহণ প্রতিলিপি সদনত দাখিল কৰিব)

(চ) অসমত কয়লা জমা কৰা ব্যৱসায়ী কিমানজন আছে? (ব্যৱসায়ীসকলৰ নাম ঠিকনাৰ লগতে পঞ্জীয়নৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (বন আৰু পৰিৱেশ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে অসম প্রদূষণ নিয়ন্ত্রণ পৰিষদৰ দ্বাৰাই পৰিৱেষ (সংৰক্ষণ) আইন, ১৯৮৬, বায়ু প্রদূষণ (প্রদূষণ প্রতিৰোধ আৰু নিয়ন্ত্রণ) আইন, ১৯৭৪ৰ অধীনত কয়লা জমা কৰা জাননী জাৰি কৰি প্রদূষণ প্রতিৰোধৰ বাবে দৰকাৰী ব্যৱস্থাৱলী লৱলৈ নির্দেশ দি আহিছে।

(খ) ৰেল ষ্টেচনত কয়লা ৰেকত উঠোৱা আৰু নমোৱাৰ ফলত প্রদূষিত হৈ বনুৱা আদি ৰোগত আক্রান্ত হোৱাৰ কোনো তথ্য সম্বলিত অভিযোগ এতিয়ালৈকে চৰকাৰে পোৱা নাই। ৰেল ষ্টেচনত প্রদূষণ নিয়ন্ত্রণৰ কাৰণে কয়লা উঠোৱা-নমোৱা এলেকাৰ চোতাল পকীকৰণ কৰিব দিয়া হৈছে।

(গ) কয়লা ব্যৱসায়ৰ ফলত কৃষি ভূমি বিনষ্ট হোৱাৰ তথ্য সম্বলিত অভিযোগ পালে বিধিসম্মত ব্যৱস্থা লোৱা হ'ব।

(ঘ) এতিয়ালৈকে চৰকাৰে কয়লা ব্যৱসায়ৰ ফলত পানী প্রদূষিত হৈ মাছৰ মৃত্যু হোৱাৰ অভিযোগ পোৱা নাই। তথ্য সম্বলিব অভিযোগ পালে অথবা এনেকুৱা ঘটনাৰ উমান পালে বিহিত ব্যৱস্থা লোৱা হয়।

(ঙ) খ, গ আৰু ঘ প্রশ্নৰ ক্ষেত্রত লোৱা বা লবলগীয়া ব্যৱস্থাৱলীৰ সবিশেষ উপৰোক্ত ক, খ আৰু গ উত্তৰত সন্নিবিষ্ট কাৰ হৈছে।

(চ) অসমত কয়লা জমা আৰু ব্যৱসায় আৰু ১২১জন ব্যৱসায়ীৰ নাম ইয়াৰ লগত সংলগ্ন 'ক'ত গাঠি দিয়া হ'ল। তাৰোপৰি এই তালিকাত অর্ন্তভূক্ত নোহোৱা কয়লা ব্যৱসায়ীৰ নাম আৰু ঠিকনা সংগ্রহ কৰি থকা হৈছে। অচিৰেই সকলো কয়লা ব্যৱসায়ীৰ নাম আৰু ঠিকনা সম্বলিত তালিকা প্রস্তুত হৈ ওলাব। পঞ্জীয়নৰ বিষয়টো এই বিভাগৰ আওঁতাত নপৰে।

বিষয় ঃ কীর্তিচিহ্ন সংৰক্ষণ সম্পর্কীয়।

শ্রীআব্দুল ৰহিম খানে সুধিছে ঃ

২৪৯। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমানটা স্বীকৃতিপ্ৰাপ্ত কীৰ্তিচিহ্ন আছে?'(জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত স্মৃতিচিহ্ন/কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে? (বিগত ১০বছৰৰ বিত্তীয়বৰ্ষ অনুযায়ী আঁচনিৰ তালিকা সদনত দাখিল কৰিব)

(গ) ঐতিহ্যপূৰ্ণ আহোম ৰাজত্বৰ স্মৃতিচিহ্ন চৰাইদেউত স্বৰ্গজেউৰ মৈদাম সংৰক্ষণৰ বাবে কিবা ব্যৱস্থা কৰিছেনে?

(ঘ) উক্ত মৈদাম সংৰক্ষণৰ অভাৱত ইয়াৰ মাটিকালি বেদখল হৈছে নেকি?

(ঙ) স্বৰ্গদেউ শিৱ সিংহৰ মৈদামটো খান্দি চাৰি গৰাকী লোকৰ কংকালসহ সোণ, ৰূপ আৰু হাতী দাঁতেৰে নিৰ্মিত আ-অংলকাৰ লৈ যোৱাটো চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, উন্মুক্ত হৈ থকা মৈদামটো সংৰক্ষণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীমতী প্ৰণতি ফুকন (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত অসম চৰকাৰৰ অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ অধীনত তালিকাভূক্ত মুঠ ১১৫টা কীৰ্তিচিহ্ন আৰু প্ৰত্ততাত্বিক স্থান আছে। জিলাভিত্তিত তালিকা 'পৰিশিষ্ট ক' ত সংলগ্ন কৰা হ'ল।

(খ) উক্ত কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ বাবে অসম প্ৰত্ততত্ব সঞ্চালকালয়ৰ অধীনত বিভিন্ন শিতানত বিগত ১০বছৰত গ্ৰহণ কৰা আঁচনি সমূহৰ তালিকা তলত দিয়া হ'ল ঃ

<u>সাধাৰণ পৰিকল্পনা শিতান ঃ</u>

(১) প্ৰত্ততাত্বিক উদঘাটন আৰু খনন।

(২) কীৰ্তিচিহ্ন আৰু প্ৰত্ততাত্বিক স্থানৰ সংৰক্ষণ।

(৩) কীৰ্তিচিহ্ন আৰু প্ৰত্ততাত্বিক স্থানৰ পুনৰ নিৰ্মাণ/মেৰামতি।

(৪) প্ৰন্ততাত্বিক উদ্যান আৰু ক্ষেত্ৰ সংগ্ৰহালয় স্থাপন।

ৰাজ্যিক বিশেষ আঁচনি, অতিৰিক্ত কেন্দ্ৰীয় সাহায্য (ACA) আঁচনি ঃ

একাদশ বিত্তীয় আয়োগৰ অধীনৰ আঁচনি ঃ

দ্বাদশ বিত্তীয় আয়োগৰ অধীনৰ আঁচনি ঃ

ত্ৰয়োদশ বিত্তীয় আয়োগৰ অধীনৰ আঁচনি ঃ

(গ) হয়, ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ঘ) জিলা কতৃপক্ষই চৰাইদেউ মৈদামৰ ভূমি হস্তান্তৰ (Physical possession) কৰাৰ পিছত অসম প্ৰন্ততত্ব সঞ্চালকালয়ে ১৯৮২চনত সংৰক্ষণ কৰে। উক্ত সংৰক্ষিত এলেকাৰ ভিতৰত মাটিকালি বেদখল হোৱা নাই।

(ঙ) সাংস্কৃতিক পৰিক্ৰমা বিভাগ অৱগত হয়।

(চ) প্ৰশ্ন নুঠে। অসম প্ৰন্ততত্ব সঞ্চালকালয়ৰ অধীনৰ সংৰক্ষিত কোনো মৈদাম উন্মুক্ত হৈ থকা নাই।

বিষয় ঃ গঁড় হত্যা।

শ্ৰীভূপেন ৰায়ে সুধিছে ঃ

২৫০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বৰ্ষৰ এতিয়ালৈকে অসমত কিমানটা গড় হত্যা হ'ল? (গড় হত্যাৰ স্থান, তাৰিখ উল্লেখ কৰিব)

(খ) এই গড় হত্যাৰ আঁৰত কোন আছে আৰু এইসকলক কৰায়ত্ব কৰিবলৈ কি ব্যৱস্থা হাতত লোৱা হৈছে?

(গ) চলিত বৰ্ষৰ গড় হত্যাৰ গোচৰত কিমানজন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু এইসকলৰ কাৰ কাৰ বিৰুদ্ধে চাৰ্চশ্বিত দিয়া হৈছে?

(ঘ) গড় হত্যাকলৈ চি চি আইয়ে তদন্ত কৰি আছে নেকি? যদি আছে, কোন কেইটা গোচৰ চি বি আইয়ে গ্ৰহণ কৰিছে?

(ঙ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বৰ্তমান কি কি পৰ্য্যায়ৰ কিমান বিষয়া কৰ্মচাৰী আৰু কি কি পৰ্য্যায়ৰ কিমান পদ খালী আছে আৰু এই পদসমূহ কেতিয়া পূৰণ কৰা হ'ব?

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যোনত বৰ্তমান কি কি জীৱজন্তু আছে? (সংখ্যা সহ জনাব)

(ছ) ২০০১ চনৰ পৰা চোৰাং চিকাৰীৰ হাতত কিমান জীৱজন্তু নিহত হৈছে? (জীৱ-জন্তুৰ নামৰ বিপৰীতে সংখ্যা পৃথকে পৃথকে জনাব)

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চলিত বৰ্ষত এতিয়ালৈ অসমত ৪০টা গঁড় হত্যাৰ তালিকা তলত দাখিল কৰা হ'ল।

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঃ

পূৱ বনাঞ্চল- ২৫-০২-২০১৩

০১-০৩-২০১৩

১১-০৪-২০১৩

১১-০৫-২০১৩

২৪-০৫-২০১৩

০৬-১০-২০১৩

০২-১১-২০১৩

০৫-১২-২০১৩

পশ্চিম বনাঞ্চল- ১৭-০২-২০১৩

২৪-০৩-২০১৩

০৯-০৫-২০১৩

২৪-০৫-২০১৩

০১-০৯-২০১৩

০৪-০৯-২০১৩

২৩-১১-২০১৩

বুঢ়াপাহাৰ বনাঞ্চল- ২৮-০১-২০১৩

০২-০২-২০১৩

২৩-০৩-২০১৩

০২-০৭-২০১৩

২১-০৪-২০১৩

২১-০৮-২০১৩

১৭-০৯-২০১৩

২৫-১০-২০১৩

২৪-১১-২০১৩

উত্তৰ বনাঞ্চল - ০৩-০২-২০১৩

২৬-০৩-২০১৩

বোকাখাত সংমণ্ডল- ৩১-০১-২০১৩

২। ৰাজীৰ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যান ঃ

০৩-১১-২০১৩ (উদ্যানৰ বাহিৰত নিছলামাৰী গাঁও)

০৯-১১-২০১৩

০৯-১১-২০১৩

৩। পবিতৰা অভয়াৰণ্য ঃ

২৫-০৭-২০১৩

০৮-১০-২০১৩

৪। মানাহা ৰাষ্ট্ৰীয় উদ্যান ঃ

১৩-০১-২০১৩

০৩-০৪-২০১৩

০৬-০৮-২০১৩

২৯-১০-২০১৩

নগাঁও সংমণ্ডল, চিতলমাৰী - ০৭-০১-২০১৩

শোণিতপুৰ (পশ্চিম) সংমণ্ডল, কৰিয়ণী - ০৫-০১-২০১৩

শোণিতপুৰ (পূৰ) সংমণ্ডল, মন্টুঘাট - ১১-০১-২০১৩

কাৰ্বি আংলং, ৰাবাৰবাগান - ২৮-০১-২০১৩

(খ) এই গঁড় হত্যাৰ আঁৰত চোৰাং চিকাৰী আছে আৰু উগ্রপন্থী জড়িত থকা বুলি সন্দেহ কৰা হৈছে। গঁড় হত্যাত জড়িত লোকসকলক কৰায়ত্ত কৰিবলৈ চৰকাৰ তলত দিয়া ব্যৱস্থাসমূহ গ্রহণ কৰিছে।

১। অত্যাধুনিক অস্ত্র-শস্ত্রৰে সুসজ্জিত কৰি নতুনকৈ আকৌ এটা বন সুৰক্ষা বাহিনী ২য় গঠন কৰা হৈছে। ইয়াৰ উপৰিও অস্ত্রধাৰী গৃহৰক্ষী বাহিনী ও অতিৰিক্ত বনকর্মী মোতায়ন কৰা হৈছে।

২। বুদ্ধিমত্ত তথা আহৰণ কৰি অভিযুক্ত দুষ্কৃতিকাৰীসমূহক আশ্রয়স্থলীসমূহৰ পৰা কৰায়ত্ত কৰি আইনী ব্যৱস্থা লোৱা হৈছে।

৩। জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক সহিতে জড়িত সকলো সংশ্লিষ্ট বিভাগসমূহক ঐক্যবদ্ধ ও সু-সংহতকৰণ।

৪। অভয়াৰণ্যৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত লোকসমূহৰ মাজত বন্যপ্রাণী সংৰক্ষণৰ বাবে সজাগতা বৃদ্ধি কৰিবলৈ বিহীত ব্যৱস্থা লোৱা হৈছে।

(গ) চলিত বর্ষত গঁড় হত্যাৰ গোচৰত গ্রেপ্তাৰ হোৱা চোৰাং চিকাৰীৰ সংখ্যা।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ৬৫জন

ৰাজী গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যান ১০ জন

মানাহ ৰাষ্ট্ৰীয় উদ্যান ঃ ০৫জন

পবিতৰা অভয়াৰণ্য ঃ ২৬ জন

উক্ত আটাইকেইজন চোৰাং চিকাৰীৰ বিৰুদ্ধে চার্জশ্বিত (Office Report) দাখিল কৰা হৈছে।

(ঘ) হয়, তদন্ত কৰি আছে। এই বিষয়ে গৃহ বিভাগহে জ্ঞাত।

(ঙ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বর্তমানৰ কর্মৰত আৰু খালী হৈ থকা পদৰ তালিকা সংলগ্ন (ক)ত গাঁঠি দিয়া হ'ল।

খালী থকা পদসমূহ পর্যায়ক্রমে যোগ্যতাৰ ভিত্তিত চৰকাৰৰ নিয়ম অনুসাৰে নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও বর্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৪২৭ জন অসম বন সুৰক্ষা বাহিনীৰ জোৱান, ১২৪ জন গৃহৰক্ষী আৰু ১৩২জন সাময়িক কর্মীৰ নিয়োজিত হৈ আছে।

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বর্তমান প্রধানকৈ তলত উল্লেখিত জীৱ-জন্তুসমূহ আছে

গণনা বর্ষ	প্রাণীৰ নাম	সংখ্যা
২০১৩	গঁড়	২৩২৯ টা
২০১১	হাতী	১১৬৩ টা
২০১০	বাঘ	১০৬টা
২০০৮	বনৰীয়া ম'হ	১৯৩৭ টা
২০১১	দলহৰিণা	১১৬৮ টা

(ছ) ২০০১ চনৰ পৰা অসমত চোৰাং চিকাৰীৰ হাতত নিহত হোৱা জীৱ-জন্তুৰ

সংখ্যা তলত উল্লেখ কৰা হ'ল—

চন	গঁড়	বাঘ	হাতী
২০০১	০৯	০	০৩
২০০২	০৫	০	০১
২০০৩	০৬	০	০২
২০০৪	০৫	০	০২
২০০৫	১২	০	০১
২০০৬	০৯	০	০১
২০০৭	১৯	০	০২
২০০৮	১২	০	০১
২০০৯	১৮	০	০৩
২০১০	০৮	০	০২
২০১১	০৯	০	০৩
২০১২	২২	০	০৪
২০১৩	৪০	০	০৩

(১৫-১২-২০১৩ পর্যন্ত)

SHORT NOTICE QUESTION AND ANSWERS

মাননীয় অধ্যক্ষ ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ১৭, মাননীয় সদস্য, শ্ৰীআব্দুৰ ৰহিম খান।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুল ৰহিম খানে সুধিছে ঃ

১৭। মাননীয় শিক্ষা বিভাগী মন্ত্রী অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰাক উপত্যকাত Assamese Medium School আৰু Non-Assamese Medium School সমূহত 2011 Act মতে দুজনকৈ Classical Teacher Staff pattern অন্তর্ভুক্ত কৰা হৈছিল য'ত দুয়োটা Medium ৰ কাৰণে প্ৰযোজ্য আছিল। কিন্তু 2012 Amendmentত Assamese Medium Schoolত দুজন আৰু Non-Assamese Medium School ১জনকৈ শিক্ষক ৰখাটো সঠিক হৈছেনে?

(খ) যদি হোৱা নাই, এইক্ষেত্ৰত ২০১২ চনৰ আইনখন সংশোধন কৰি ২০১১ চনৰ Act বাহাল ৰাখি দুয়োটা Mediumত দুজনকৈ Classical Teacher নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) যদি নকৰে, তেতিয়াহ'লে Non-Assamese Medium Schoolত কৰ্মৰত শিক্ষক আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কি হ'ব জনাবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ 'The Assam Venture Educational Institution (Provincialisation of Services) Act, 2011'ত সন্নিবিষ্ট থকা Staff Scheduleমতে ২ শ্ৰেণীৰ আৰু ৫ শ্ৰেণী হাইস্কুলত দুজন Classical Teacherৰ ব্যৱস্থা আছিল আৰু এইটো সমগ্ৰ অসমৰ কাৰণে প্ৰযোজ্য আছিল। আইন প্ৰৱৰ্তন হোৱাৰ পাছতে বিভিন্ন মহলে দাবী কৰে যে বৰাক উপত্যকাত বহুতো non-Assamese হাইস্কুল আছে আৰু সেইবোৰ স্কুলত Language Teacher বিষয়ৰ শিক্ষক কাম কৰি আছে। এনে ভাষা শিক্ষকৰ অৰ্থাৎ Language Teacher 2011ৰ অন্তর্ভুক্ত হোৱা নাছিল। বিভিন্ন মহলে এই শংকা ব্যক্ত কৰে যে ২০১১ চনৰ Staff Pateern প্ৰৱৰ্তন কৰিলে বৰাক উপত্যকাত Language Teacherপ্ৰাদেশীকৰণ আওতাৰ পৰা বাদ পৰিব। যিহেতু শিক্ষকৰ সংখ্যা বঢ়াই দিয়াতো সম্ভৱ নহ'ল সেয়েহে ২০১২ চনত সংশোধনৰ জৰিয়তে দুজন Classical শিক্ষকৰ ঠাইত এজন Language Teacher ১জন

Classical Teacher for non-Assamese medium স্কুলৰ কাৰণে পৰিশিষ্ট বা Staff patternত অন্তর্ভুক্ত কৰা হয়। এই সংশোধনৰ জৰিয়তে বৰাক উপত্যকাত স্কুলসমূহে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চাই এজন Classical আৰু ১জন Language teacher ৰাখিব পাৰে আৰু সেই হিচাপে Staff Level Security Committee এ কাম সম্পূৰ্ণ কৰিছে। অসম উপত্যকাত স্কুলসমূহত যিহেতু Language teacher নাই গতিকে তেনে স্কুলে দুজন Classical ৰাখিব পাৰিছে। শিক্ষকৰ সংখ্যা যিহেতু বঢ়াব পৰা ব্যৱস্থা নাছিল গতিকে সংশোধনীৰ যোগে এই ব্যৱস্থা কৰা হয়।

(খ) যদি দুজন Classical Teacher দিবলগীয়া হয় তেনেহে'লে Enrolment থকা অসমীয়া, মণিপুৰি, নেপালি শিক্ষক প্ৰাদেশীকৰণ আওতাৰ পৰা বাদ পৰাৰ সম্ভাৱনা আছে। দুজন Classical Teacher বৰাক উপত্যকাৰ স্কুলসমূহত ৰাখিব লাগে বুলি তৰা দাবী সন্দর্ভত চৰকাৰ অৱগত আৰু বিষয়টো চৰকাৰৰ বিবেচনাধীন।

(গ) Non-Assamese Medium স্কুলত এজন Classical Teacher আৰু এজন Language Teacherৰ ব্যৱস্থা আছে।

Mr. Speaker : Now, Short Notice Question No. 18, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

১৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ৩-১২-২০১৩ তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত

'জালিয়াতিৰে অন্য পঞ্চায়তৰ আই ডি নং ব্যৱহাৰ কৰি ১৩২গৃহ আৱণ্টন'শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে?

(খ) নাওবৈছা উন্নয়ন খণ্ডৰ অধীনষ্ঠ পহুমৰা গাঁও পঞ্চায়ত গৃহ আৱণ্টন পোৱা ১৩২ জন হিতাধীকাৰীৰ নাম, ঠিকনাসহ আই ডি নং দিবনে?

(গ) শ্রীমুলুঙা বৰুৱা আই ডি নং ১৭৫৬৯ আৰু দুতিৰাম গগৈ আই ডি নং ১৭৫৫৬ ব্যক্তিৰ স্ব-জমীত IAYৰ ঘৰ আছে নে নাই?

(ঘ) চৰজমিন তদন্ত কৰি দোষী সভাপতি, বিষয়া-কর্মচাৰী আদিক চৰকাৰীভাৱে বিহীত ব্যৱস্থা লোৱাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিবনে?

(ঙ) পশুমৰা পঞ্চায়তৰ স্থায়ী Wailt Listখন সদনৰ মেজত দিবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, দৃষ্টিগোচৰ হৈছে। বাতৰিটোত উল্লেখ কৰা কথাটো সত্য নহয়। Indira Awaas Yojana (IAY) Guidelines, May 2010 and July 2012 ৰ Para 2.2ৰ Point VII মতে বেলেগ গাঁও পঞ্চায়তৰ আই ডি নম্বৰ দি অইন এখন গাঁও পঞ্চায়তত গৃহ আবৰটন দিব পাৰে। IAYগৃহ আবণ্টনত দুটা বস্তু চোৱা হয় BPL IDনং আৰু মাটি আছেনে নাই।

(খ) নাওবৈছা উন্নয়ন খণ্ডৰ অধীনত পহুমৰা গাঁও পঞ্চায়তৰ গৃহ আবণ্টন পোৱা হিতাধিকাৰীৰ তালিকা ২০১১-১২ আৰু ১০১২-১৩ বর্ষৰ তালিকা আই ডি নংসহ Annexure 'A'ত সংলগ্ন কৰা হ'ল। বাতৰিত উল্লেখ কৰা মতে ১৩২ জন নহয়, কিন্তু ১৪০ জনক তলত দিয়া ধৰণে আবণ্টন দিয়া হৈছে। চৰকাৰীভাৱে প্রস্তুত কৰা আই ডি নম্বৰ নাম ঠিকনাসহ পহুমৰা পঞ্চায়তৰ প্রস্তাৱিত তালিকাৰ যোগেদি ঘৰ আবণ্টন দিয়া হৈছে।

২০১১-১২বর্ষত মুঠ = ৭৬জন

২০১২-১৩বর্ষত মুঠ = ৬৪জন

সর্বমুঠ = ১৪০জন

(গ) শ্রীমুলুঙা বৰুৱাক ২০১১-১২আৰু ২০১২-১৩ বৰ্ষত কোনো আই.এ. ৱাই ঘৰ আবণ্টন ১৬০০০.০০ টকা মুকলি কৰি দিয়া হৈছে। যিহেতু ভাৰত চৰকাৰৰ পৰা দ্বিতীয় কিস্তী পলমকৈ পোৱা হ'ল সেয়ে দ্বিতীয় কিস্তি মুকলি কৰাৰ প্ৰস্তুতি কৰা হৈছে। সম্পূৰ্ণ টকা নোপোৱাৰ বাবে মুলুঙা বৰুৱাৰ ঘৰ সম্পূৰ্ণ হোৱা নাই। শ্রীদুতিৰাম গগৈ আই ডি নং ১৭৫৫৬ব্যক্তিৰ IAYৰ ঘৰ ১২-১২-২০১৩তাৰিখে খণ্ড উন্নয়ন বিষয়াই স্ব-জমীন তদন্ত কৰি সম্পূৰ্ণ ঘৰ পাইছে।

(ঘ) প্ৰযোজ্য নহয়।

(ঙ) পহুমৰা পঞ্চায়তৰ স্থায়ী Wait list খন Annexure 'B' ত গাঠি দিয়া হ'ল।

Mr. Speaker : Now, Short Notice Question No. 19.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্রীউৎপল দত্তই সুধিছে ঃ

১৯। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ৩/১২/২০১৩ তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত '৪১লাখ ৰেচন কার্ডধাৰী উপভোক্তাই নাপালে এমুঠিও চাউল' শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে?

(খ) যদি হৈছে, ইয়াৰ ওপৰত কি বিহিত ব্যৱস্থা লোৱা হ'ব?

(গ) ৰেচন কার্ডৰ চাউলৰ আৱন্টন যোগান বিভাগে সম্পূৰ্ণ ৰূপে মুখ্য মন্ত্রীৰ অন্ন সুৰক্ষা যোজনালৈ স্থানান্তৰ কৰা কথাটো সচা নে?

(ঘ) যদি সঁচা, এইটো কৰাৰ কাৰণ কি?

(ঙ) ৰেচন কার্ডধাৰীয়ে কেতিয়াৰ পৰা চেনী, চাউল, কেৰাচিন আদি

নিয়মিতভাৱে পাব?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দৃষ্টিগোচৰ হৈছে।

(খ) ২০১০ চনৰ ২ অক্টোবৰৰ পৰা অসম চৰকাৰে মুখ্য মন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনা নামেৰে এখন নতুন আঁচনি দুখীয়া পৰিয়ালৰ খাদ্য সুৰক্ষাৰ বাবে আৰম্ভ কৰে। অসম চৰকাৰে বিবেচনা কৰে যে পূৰ্বে নিৰ্দ্ধাৰিত APL পৰিয়াল পৰিচয় পত্ৰধাৰী পৰিয়ালৰ তলৰ স্তৰৰ প্ৰায় ২০লাখ হিতাধীকাৰী পৰিয়াল BPL শ্ৰেণীৰ যোগ্য। গতিকে এই দুখীয়া পৰিয়ালসমূহক ২০কেজিকৈ চাউল BPL দৰত প্ৰতি মাহে দি থকা হৈছে। গতিকে ৪১লাখ ৰেচন কার্ডধাৰী উপভোক্তাৰ মাজৰ প্ৰায় ২০লাখ ৰেচন কার্ডধাৰী পৰিয়ালে চাউল BPL দৰত পাই আছে।

নবেম্বৰ মাহত ৫.৭২কোটিৰ উপৰিও ডিচেম্বৰ মাহৰ ৫.৭২কোটি যোগ দি ১১.৪৪কোটি টকা ইতিমধ্যে FCIক আদায় দিয়া হৈছে আৰু এই চাউল ৰেচন কার্ড ধাৰীক ১৫জানুৱাৰী ২০১৪ৰ ভিতৰত উঠাবলৈ কেন্দ্ৰীয় চৰকাৰে অনুমতি দিছে। গতিকে ৪১লাখ ৰেচন কার্ডধাৰী উপভোক্তাই এমুঠিও চাউল নোপোৱা তথ্য সম্পূৰ্ণ মিছা।

(গ) ২০১৩ বৰ্ষৰ নবেম্বৰ আৰু ডিচেম্বৰ মাহত নিয়মিত APL আৰু অতিৰিক্ত APLৰ চাউল মুখ্য মন্ত্ৰীৰ অন্ন সুৰক্ষা আঁচনিৰ জৰিয়তে মুকলাই দিয়া কথাটো সত্য।

(ঘ) 'খ' দফাত উল্লেখ কৰাৰ দৰে, যিহেতু APL শ্ৰেণীৰ প্ৰায় ৪১লাখ ৰেচন কার্ডধাৰীৰ ভিতৰত প্ৰায় ২০লাখ তলৰ স্তৰৰ হিতাধীকাৰী পৰিয়ালক দিয়াৰ বিবেচনা হৈছে, গতিকে উক্ত চাউল দুখীয়া লোকৰ নিম্ন স্তৰৰ খাদ্য সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰা হৈছে।

(ঙ) ৰেচন কার্ডধাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ আবন্টিত চাউল আৰু কেৰাচিন তেল

নিয়মিতভাৱে পাই আছে। চেনীৰ ক্ষেত্ৰত FCIৰ বিকল্প অনুস্থান হিচাপে Assam civil supply corporation গঢ় ললে পুনৰ চেনী আহৰণ আৰু বিতৰণ কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীজাহান উদ্দিনে সুধিছে ঃ

২০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২আৰু ২০১২-১৩বিত্তীয় বৰ্ষত জলসিঞ্চন বিভাগটোয়ে ধুবুৰী জিলাত কি কি আঁচনি গ্ৰহণ কৰিছিল? (বিতং খতিয়ান দিব)

(খ) জিলাখনৰ ধুবুৰী সমষ্টিৰ কৃষকে লাভান্বিত হোৱাকৈ বিভাগে কেনে চিন্তা-চৰ্চা কৰিছে আৰু যোৱা দুটা বছৰে কি কি আঁচনি ৰূপায়ণ কৰিছে?

(গ) Superintending Engineer, Kokrajhar Circle (Irrigation)য়ে ধুবুৰী জিলাৰ বাবে চিঠি নং CHD/SEKI/3/M-110(c)/2011-12/1746যোগেদি RIDF XVII (NABARD) ৰ অধীনত The Chief Engineer, Minor Irrigation,Assam লৈ আঁচনি প্ৰস্তাৱ প্ৰেৰণ কৰিছিলনে?

(ঘ) যদি কৰিছিল তেন্তে এই সন্দৰ্ভত চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু যদি কৰা নাই তেন্তে কিয় কৰা নাই?

(ঙ) ধুবুৰী সমষ্টিৰ অন্তৰ্গত Silghagri LIS Sluice Gate আৰু Breach portion ৰ মেৰামতিৰ বাবে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(চ) যদি কৰিছে, আঁচনিৰ বিতং তথ্য দিবনে? আৰু যদি নাই কৰা তেন্তে ৰাইজৰ স্বাৰ্থত মেৰামতিৰ আঁচনিৰ কাম হাতত ল'বনে? (কেনে পদক্ষেপ লব জনাব)

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাৰ ধুবুৰী জলসিঞ্চন সংমণ্ডৰ অধীনত ২০১১-১২বৰ্ষত 'ত্ৰয়োদশ বিত্তীয় আয়োগৰ' অনুদানত ৭খন আঁচনি গ্ৰহন কৰা হৈছে। ২০১১-১২

বৰ্ষত 'বিশেষ মেৰামতি' শিতানত ৬খন আঁচনি, ত্ৰয়োদশ বিত্তীয় আয়োগৰ অনুদানৰ অধীনত ২খন আঁচনি আৰু নাবার্ডৰ (NABARD) অধীনত ৩খন আঁচনি গ্ৰহণ কৰা হৈছে। মানকাচাৰ জলসিঞ্চন সংমণ্ডৰ অধীনত ২০১২-১৩ বিত্তীয় বৰ্ষত ১আঁচনি 'বিশেষ মেৰামতি' শিতানত আৰু আন এখন আঁচনি 'ত্ৰয়োদশ বিত্তীয়' অনুদানৰ অধীনত গ্ৰহণ কৰা হৈছে।

(খ) ধুবুৰী সমষ্টিৰ কৃষকে লাভান্বিত হোৱাকৈ ২০১১-১২বৰ্ষত বিশেষ মেৰামতি শিতানৰ অধীনত জাগ্ৰাপাৰা উত্তোলিত জলসিঞ্চন আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে। তাৰোপৰি NABARDৰ বিত্তীয় ঋণেৰে ৩খন (আদাবাৰী গভীৰ নলী-নদ আঁচনি, জংলিপাৰা গভীৰ নদী-নদ আঁচনি আৰু চিয়ামাৰী গভীৰ নলী-নাদ) আঁচনি ২০১৪-১৫বৰ্ষৰ বাবে প্ৰাক্কলৰ যুগুতাই প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

(গ) হয়, প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল।

(ঘ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঙ) ধুবুৰী সমষ্টিৰ অন্তৰ্গত শিলঘাগ্ৰী উত্তোলিত জলসিঞ্চন আঁচনিৰ পানী দুৱাৰ (Sluice Gate) আৰু ভঙা অংশ (Breach portion) মেৰামতিৰ বাবে সীমান্ত অঞ্চল উন্নয়ণ কাৰ্য্যসূচীৰ (BADR) অধীনত ২০১২-১৩বৰ্ষত ৫২৬.২৫লাখ টকাৰ এখন প্ৰাক্কলৰ ধুবুৰী জিলাৰ অতিৰিক্ত উপায়ুক্তৰ জৰিয়তে গুৱাহাটীস্থিত সীমান্ত অঞ্চল সঞ্চালকালয়লৈ প্ৰেৰণ কৰা হৈছে।

(চ) সীমান্ত অঞ্চল উন্নয়ণ সঞ্চালকালৰ পৰা উক্ত প্ৰাক্কলন অনুমোদন হ'লেই আঁচনিটোৰ মেৰামতিৰ কাম হাতত লোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২১। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত সমূহত ১৯৯০চনৰ পৰা বৰ্তমানলৈকে বিভিন্ন বিভাগত অনুকম্পনৰ (Compensation ground)ৰ আধাৰত কিমানজন প্ৰাৰ্থীয়ে আবেদন কৰিছে? (প্ৰাৰ্থীৰ নাম ঠিকনা আৰু বিভাগৰ তালিকাৰ সৈতে সদনত দাখিল কৰিব।)

(খ) উক্ত আবেদনকাৰী প্ৰাৰ্থীৰ কিমানজনক চৰকাৰে নিযুক্তি প্ৰদান কৰিলে? (নিযুক্তিৰ প্ৰতিলিপি সহ কৰ্মৰত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ নাম উল্লেখ কৰি সঠিক তথ্য সদনত দাখিল কৰিব।)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ৰ অধীনত থকা জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত সমূহত ১৯৯০চনৰ পৰা বৰ্তমানলৈকে ৮৭জন প্ৰাৰ্থীৱ পৰা অনুকম্পাৰ (compensation ground) আধাৰত আবেদন পোৱা হৈছিল। প্ৰাৰ্থীৰ নাম ঠিকনা সহ বিতং তালিকা পৰিশিষ্ট 'ক'ত গাঁঠি দিয়া হ'ল।

(খ) উক্ত আবেদনকাৰী প্ৰাৰ্থীৰ ৪২জন প্ৰাৰ্থীক ৰাজ্যৰ বিভিন্ন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত সমূহত নিযুক্তি দিয়া হৈছে। বিতং তথা পৰিশিষ্ট 'খ' ত গাঁঠি দিয়া হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীজাহান উদ্দিনে সুধিছে ঃ

২২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ স্বাস্থ্য সেৱাৰ সঞ্চালকে প্ৰতিখন জিলাৰে যুটিয়া সঞ্চালক সকললৈ LLIN বিতৰণ সম্পৰ্কে চিঠি নং P&D/CDN/46/2011-12/343-369, dtd 6th July 2013 যোগেদি জাননী প্ৰেৰণ কৰা বিষয়টো সত্যনে?

(খ) উক্ত চিঠি মর্মে LLIN সমূহ বিতৰণৰ সকলো প্ৰক্ৰিয়াতে সংশ্লিষ্ট বিধায়ক জনক অৱগত কৰাৰ লগতে সক্ৰিয় ভূমিকা থকাৰ কথা উল্লেখ কৰা হৈছিল নে?

(গ) যদি উল্লেখ আছিল, তেন্তে কিহৰ স্বাৰ্থত ধুবুৰী জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকজনে চিঠি নং NVBDCP/Store/Bed-Net/L-4/2303-29, dtd.18/7/2013 যোগে Circle officer/ BDO সকললৈ প্ৰেৰণ কৰা জনানীখন বিধায়কসকলৰ সক্ৰিয় অংশ গ্ৰহণৰ কথা নকৈ কেৱল উক্ত চিঠিৰ প্ৰতিলিপি বিধায়কসকলক জ্ঞাতাৰ্থে দিয়া হ'ল।

(ঘ) উক্ত জাৰিকৃত চিঠিখন Modify কৰি সংশ্লিষ্ট বিধায়কসকলৰ সক্ৰিয় অংশ গ্ৰহণৰ কথা উল্লেখ কৰাৰ ব্যৱস্থা কৰিব নে?

(ঙ) যদি নকৰে, তেন্তে ষড়যন্ত্ৰমূলক ভাৱে বিধায়কসকল বঞ্চিত হ'ব পাৰে বুলি মন্ত্ৰী মহোদয়ে ভাৱেনে?

(চ) যদি ভাৱে তেন্তে ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা।

(খ) হয়, হৈছিল।

(গ) স্বাস্থ্য বিভাগৰ চিঠি নং HLA69/2008/87, dtd. 23/9/2010 মর্মে Mosquito Net বিতৰণৰ ক্ষেত্ৰত প্ৰেৰণ কৰা নিৰ্দেশনা অনুযায়ী স্বাস্থ্য সঞ্চালকক বিহিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হৈছিল। সেইমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। (প্ৰ-পত্ৰ 'ক'ত উল্লেখ কৰা হ'ল)

(ঘ) ২০১০ চনৰ নিৰ্দেশ আৰু ২০১৩ চনৰ নিৰ্দেশৰ মাজত হোৱা পাৰ্থক্যৰ বাবে ভুল বুজাবুজি দূৰীকৰণৰ বাবে চৰকাৰে দুই এদিনতে নতুন নিৰ্দেশ জাৰি কৰিব।

(ঙ) তেনে কোনো অভিসন্ধি নাই। পৰৱৰ্তী সময়ত তেনে কোনো অভিযোগ আহিলে ব্যৱস্থা লোৱ হ'ব।

বিষয় ঃ মাননীয় বিধায়ক শ্রীজাহান উদ্দিন ডাঙৰীয়াই ২০১৩ চনৰ শীতকালীন অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্রশ্ন জাননী।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

২৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিত্তীয় বর্ষ ২০০৯-১০আৰু ২০১০-১১ত ধুবুৰী সমষ্টিত MLALAD শিতানত কিমান টকাৰ কি কি আঁচনি ৰূপায়নৰ কৰাৰ বাবে প্রস্তাৱ লোৱা হৈছিল? ((Implementing Agency) ৰ নামসহ কামৰ অগ্রগতিৰ তথ্য সহ খতিয়ান দিব।)

(খ) এয়া সত্য নে, উক্ত বিত্তীয় বর্ষ দুটাৰ অধীকাংশ আঁচনিৰ ১ম কিস্তিৰ আংশিক আৰু ২য় কিস্তিৰ টকাৰ কাম এতিয়াও সম্পূর্ণ ভাৱে ৰূপায়ণ হোৱা নাই? (তেনে আঁচনি সমূহৰ U/C সহ বিতং খতিয়ান তথ্য সহকাৰে দিব)

(গ) যদি সত্য, তেন্তে এতিয়ালৈকে স্থানীয় বিধায়কজনক কিয় অৱগত কৰোৱা ন'হল জনাবনে?

শ্রীটংক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ২০০৯-১০ আৰু ২০১০-১১ বিত্তীয় বর্ষত MLAAD আঁচনিৰ অধীনত ধুবুৰী সমষ্টিৰ বাবে মুঠ ৪০.০০ লাখ টকাকৈ আৱণ্টন দিয়া হৈছিল। মাননীয় ধুবুৰী সমষ্টিৰ বিধায়ক মহোদয়ে ২০০৯-১০বর্ষৰ বাবে মুঠ ৪৭টা আঁচনি আৰু ২০১০-১১ বর্ষৰ বাবে মুঠ ১৩টা আঁচনিৰ নাম মনোনীত কৰিছিল। (উক্ত আঁচনিসমূহৰ তালিকা আৰু অগ্রগতিৰ সবিশেষ পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(খ) সত্য নহয়। ২০০৯-১০ আৰু ২০১০-১১ বিত্তীয় বর্ষৰসমূহ আঁচনি সম্পূর্ণ ভাৱে ৰূপায়ণ কৰা হৈছে। ২০০৯-১০ বর্ষৰ ৩টা আঁচনিৰ কাম সম্পূর্ণ

হৈছে যদিও Physical Monitoring Reportসময়মতে নোপোৱাৰ বাবে চূড়ান্ত কিস্তিৰ ধন মুকলি কৰিব পৰা নাই।

(উক্ত ৩টা আঁচনিৰ U/Cপৰিশিষ্ট 'খ' ত সংলগ্ন কৰা হ'ল।)

(গ) সত্য নহয়।

বিষয় ঃ তাকৰীয় সময়ৰ প্রশ্ন ।

শ্রীজাহান উদ্দিনে সুধিছে ঃ

২৪। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিত্তীয় বর্ষ ২০০৯-১০, ২০১০-১১আৰু ২০১১-১২ত গৌৰীপুৰ উন্নয়ণ খণ্ডৰ অধীনত SGSY (PI) শিতানত কি কি আঁচনি গ্রহণ কৰা হৈছিল? (বর্ষ অনুযায়ী প্রতিটো আঁচনিৰ নাম সহ কামৰ অগ্রগতি বিতং খতিয়ান দিব)

(খ) উক্ত বিত্তীয় বর্ষ সমূহত কোন আঁচনিৰ বিপৰীতে কিমান টকা মুকলি কৰি দিয়া হ'ল, মুকলিকৃত টকাৰ বিপৰীতে কিমান টকা খৰচ কৰা হ'ল আৰু অৱশিষ্ট টকাখিনি ক'ত কেনেকৈ ৰখা হ'ল U/C সহ বিতং জনাবনে?

(গ) কি কাৰণত, কাৰ ভুলৰ বাবে উল্লেখিত বিত্তীয় বর্ষ উকলি যোৱাৰ ইমান দিন পিছতো আঁচনি সমূহৰ অধিকাংশৰ কাম আংশিক বা অর্ধসম্পন্ন অৱস্থাতে পেলাই ৰখা হ'ল সবিশেষ জনাবনে।

(ঘ) চৰকাৰে SGSY আঁচনিখনৰ সলনি NLRM আঁচনি ঘোষণা কৰি SGSY আঁচনিৰ অৱশিষ্ট জমাকৃত টকাখিনি NLRM আঁচনিত Transfer/divert কৰাৰ নির্দেশনা জাৰি কৰাৰ পিছতো গৌৰীপূৰ উন্নয়ন খণ্ডৰ BDO জনে বর্তমানলৈকে খৰচ নকৰাকৈ কিহৰ ভিত্তিত SGSY(PI) আঁচনিৰ টকাখিনি ঘূৰাই নিদি নিজৰ অধীনত ৰাখি থৈছে?

(ঙ) BDO জনৰ অধীনত জমা হৈ টকাখিনিৰে কাম নকৰি বা ঘূৰাই নিদিয়াৰ আঁৰৰ ৰহস্য কি জনাবনে?

(চ) চৰকাৰী নীতি-নির্দেশনাসমূহ আওকান কৰা উক্ত BDO জনৰ বিৰুদ্ধে এই ক্ষেত্রত কেনে পদক্ষেপ গ্রহণ কৰিব জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় বর্ষ ২০০৯-১০, ২০১০-১১আৰু ২০১১-১২ত গৌৰীপূৰ উন্নয়ন খণ্ডৰ অধীনৰ SGSY(PI) শিতানত গ্রহণ কৰা আঁচনি সমূহ Annexure-Aত দেখুওৱা হ'ল।

(খ) মুকলি কৰা টকাৰ বিপৰীতে কি খৰচ কৰা আৰু অৱশিষ্ট টকাৰ হিচাব Annexure-A ত দেখুওৱা হ'ল।

(গ) পর্য্যাপ্ত পুঁজিৰ অভাৱত আঁচৰি বাবে ধার্য্য ধন সময়মতে মোকলাব নোৱাৰত কিছুমান আঁচনি সম্পূর্ণ হৈ উঠা নাই।

(ঘ) গৌৰীপূৰৰ খণ্ড উন্নয়ন বিষয়াই SGSYআঁচনি অৱশিষ্ট পূজি NRLMআঁচনি আৰম্ভ হোৱাৰ পিছত প্রকল্প সঞ্চালক ধুবুৰীক উভতাই দিছে।

(ঙ) প্রশ্ন নুঠে।

(চ) প্রশ্ন নুঠে।

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

25. Will the Minister of P.W.D. be pleased to state:

(a) Is it true that large scale anomalies in PMGSY core Network in Baghbar LAC was brought to the notice of Hon 'ble Minister PWD etc. by the local MLA vide his D.O. letter No. 45/D-6 (i)IRCCBr/2013-14 dated 12~07-2013 ?

(b) If yes, what steps have been taken so far for rectification of the anomalies in the PMGSY core-Network in respect of Baghbar LAC ? Please furnish in details.

(c) Is it true that the hon'ble Minister, PWD etc. on receipt of the said D.O. letter directed the Chief Engineer, Assam over phone to convene a meeting with all concerned officers in presence of the local MLA for discussion and taking necessary steps in this regard ?

(d) Is the hon'ble Minister, PWD etc. aware that the said meeting has not been convened as yet? If yes, how is it that the instruction of a hon'ble Cabinet Minister are disobeyed so blatantly by the Subordinate officers?

Shrimati Ajanta Neog (Minister, PWD) replied :

a) Yes. It is true.

b) Steps have been taken up for updation of the Core Network as per the, 2001 Census Report.

c) Yes. Accordingly, meeting was convened with all the Executive Engineer of PWD Assam for taking necessary updation of Core Network.

d) Hon'ble Minister, PWD was apprised of the anomalies in the core network and the action taken for updation of the same.

Sub : Short Notice Question.

Shri Sherman All Ahmed asked :

26. Will the Hon'ble Minister PWD be pleased to state:

a) Is it true that Barpeta-Mandia Road inspite of being a MDR is in a totally dilapidated condition and is almost un-usable?

b) Is it also true that a project under AIFA is under process for sanction for construction of the said road alongwith a two lane RCC bridge near Mandia ? If yes, would the Govt. be pleased to expedite the sanction of the said project and construct the road early?

Smti Ajanta Neog (Minister, PWD) replied :

a) The road in question needs urgent repairing. However, the same has been maintained in a trafficable condition.

b) The said project is not under process of sanction at present. Issue of sanction of the project will depend on availability of fund.

বিষয় ঃ তাকৰীয় সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Govt. Notification No. FPC/109/2010/41 Dtd. 19-12-2011 মৰ্মে Provincialised High/H.S. School ৰ প্ৰধানসকলে Special allowance হিচাপে ৩০০.০০ টকাকৈ লাভ কৰি আছে। এইক্ষেত্ৰত একে Rankৰ Provincialised High Madrassa/Madrassa H.S.ৰ প্ৰধানসকলে উক্ত Allowance প্ৰাপ্তৰ পৰা বঞ্চিত হৈ থকাটো চৰকাৰ অৱগত নে?

(খ) এই ক্ষেত্ৰত যোৱা ১৩/৩/২০১৩ ইং তাৰিখৰ তৰা চিহ্নিত ১২৫ নং প্ৰশ্নৰ

উত্তৰত High Madrassa/Madrassa H.S Schoolৰ প্ৰধাৰনসকলে সমাহাৰত উক্ত allowance প্ৰায় আৰু পাব বুলি বিধান সভাত জনাইছিল। কিন্তু চৰকাৰ এই বিষয়ে অৱগত নে Govt. Notification No. FPC/109/2010/41 dtd 19-12-2001ৰ Copy সমূহত Supdt./Principal of High Madrassa/ Madrassa H.S. School উল্লেখ নথকাৰ দোহাই দি এই প্ৰধানসকলক উক্ত বিশেষ ভাট্টা দি থকা নাই, গতিকে এইক্ষেত্ৰত necessary Order নাইবা Corrigendum দি উক্ত প্ৰধানসকলক হাইস্কুলৰ প্ৰধান সকলৰ দৰে এৰিয়াসহ উক্ত ভাট্টা মোকলাই দিয়াৰ ব্যৱস্থা কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) Govt. Notification No. FPC/109/2010/41 Dtd. 19-12-2011 মৰ্মে Provincialised High/H.S. School ৰ Headmaster/Principal সকলে Special allowance হিচাপে ৩০০.০০ টকাকৈ পোৱা ব্যৱস্থা আছে। উক্ত চৰকাৰী নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি এই ভাট্টা হাই মাদ্ৰাছাৰ অধীক্ষকসকলে পাই আছে। কিন্তু বৰপেটা জিলা কোষাগাৰ বিষয়াই উক্ত চৰকাৰী নিৰ্দেশনাত হাই মাদ্ৰাছাৰ অধীক্ষকৰ বিষয়ে উল্লেখ নথকাৰ পৰিপ্ৰেক্ষিতত এটা ভাট্টা দিবলৈ অস্বীকাৰ কৰিছে। অন্যান্য জিলাৰ Provincialised High Madrassa ৰ প্ৰধানসকলে এই ভাট্টা পাই আছে। এনে পৰিপ্ৰেক্ষিতত মাধ্যমিক শিক্ষা বিভাগে ২৯-০৪-২০১৩ তাৰিখে বিত্ত বিভাগৰ মতামত বিচাৰিযোগাযোগ কৰে। কিন্তু বিত্ত বিভাগে তেওঁলোকৰ মতামত দিয়াৰ সলনি এই ভাট্টা বাকী হাই মাদ্ৰাছাৰ অধীক্ষকসকলক কি ধৰণে দিয়া হৈছে জানিব বিচাৰে। বিষয়টো সন্দৰ্ভত বিত্ত বিভাগৰ সৈতে যোগাযোগ অব্যাহত আছে। Natificationৰ Extract কপি পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(খ) বিত্ত বিভাগৰ যাৱতীয় অনুমোদন সাপেক্ষে বৰপেটা জিলাৰ High Madrassa ৰ প্ৰধানসকলক বকেয়াসহ একে হাৰত Special al-

lowance দিয়াৰ বিবেচনা কৰা হ'ব।

বিষয় ঃ তাকৰীয় সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

২৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ DGP কাৰ্যালয়ৰ ADGP (A)ৰ ২৫/৭/২০১২ ইং তাৰিখৰ চিঠি নং FB/XIV/14/PS/63-A মৰ্মে ৰাজ্যখনৰ বিভিন্ন জিলাৰ গৃহৰক্ষী, প্ৰাক্তন গৃহৰক্ষীৰ পৰা বাচনি কৰি ১২শ জোৱানক সহস্ৰ প্ৰশিক্ষণ দি SPO হিচাপে বিভিন্ন দুৰ্গম আৰু অশান্তজৰ্জৰ এলেকাত কৰ্মত নিয়োজিত কৰা বিষয়ত চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, SPO হিচাপে এই জোৱানসকলক নিয়মিতভাৱে কোনো মাননী বা দা-দৰমহা দি থকা হৈ আছেনে?

(গ) যদি হোৱা নাই, দিয়াৰ ব্যৱস্থা কৰিব নে?

(ঘ) এইসকল সহস্ৰ প্ৰশিক্ষণপ্ৰাপ্ত জোৱান BSF, CRPF, APBn.ৰ দৰে সমানে সেৱা আগবঢ়োৱা হেতুকে তেওঁলোকক নিয়মীয়াকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? বা তেওঁলোকক AISF, ASRFত চামিল কৰি নিয়মীয়াকৰণ কৰিব পাৰিনে?

শ্ৰী ৰকিবুল হুছেইন (গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ বন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ) প্ৰতিজন SPO ক নিয়নীয়াকৈ দৈনিক ভাট্টা ২০০.০০(দুশ) টকাকৈ আদায় দিয়া হৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্তমান চৰকাৰে এই বিষয়ত কোনো সিদ্ধান্ত লোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ Feasibility Report ত অৰ্ন্তভুক্ত থকা বিষয়ত কৰ্মৰত সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকৰ পদবোৰৰ প্ৰাদেশীকৰণৰ কি কি ব্যৱস্থা লোৱা হ'ল জনাবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) The Assam Venture Educational Institution (Provincialisation of Service) Act, 2011 amended 2012 ৰ অধীনত চৰকাৰী অনুমতিপ্ৰাপ্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ Feasibility report থকা এখন উচ্চতৰ মাধ্যেমিক বিদ্যালয়ত কলা আৰু বিজ্ঞান শাখাত ৭জনকৈ বিষয় শিক্ষক আৰু বাণিজ্য শাখাত ৬জনকৈ বিষয় শিক্ষকৰ পদ প্ৰাদেশীকিকৰণ কৰা হৈছে। ইয়াতকৈ অতিৰিক্ত বিষয় শিক্ষকৰ পদ প্ৰাদেশীকিকৰণ কৰা নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৩০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিলসাঁকো বিল প্ৰসংগত অসম ৰাজ পত্ৰৰ নং LGL. 103/2008/14. dtd 8-8-2008 তাৰিখে প্ৰকাশিত অধ্যাদেশ অনুযায়ী জলাশয় সংৰক্ষণ আইনৰ বিধিমতে 'শিলসাঁকো বিল' ক সংৰক্ষণৰ বাবে কি কি ব্যৱস্থা লৈছে?

(খ) শিলসাঁকো বিলৰ অন্তৰ্গত ৰাজহ গাঁওৰ ১নং মদঘৰীয়া, সাতগাঁও আৰু হেঙেৰাবাৰীৰ আবাসিক এলেকা হোৱা স্বত্তেও নথঁইষ্ট এগ্ৰিকালচাৰ মাৰ্কেটিং চোছাইটি হাজমা প্ৰপাৰটিজলৈ নামাকৰণ কৰি ১৮বিঘা ১কঠা ১৯লেচা জমি আৱন্টনলৈ কেবামহলীয়া অট্টালিকাৰ নিৰ্মাণ কাৰ্য্য চলাই

আছে নে? যদি আছে ইয়াৰ কি কি ব্যৱস্থা লৈছে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শিলসাঁকো বিল Guwahati Metropolitan Development Authority ৰ অন্তর্গত। সেয়েহে প্রশ্নটো বনবিভাগৰ ক্ষেত্রত প্রযোজ্য নহয়।

(খ) প্রযোজ্য নহয়।

বিষয় ঃ তাকৰীয় সময়ৰ প্রশ্ন ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৩১। মাননীয় গৃহ বিভাগৰ মন্ত্রী ডাঙৰীয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিগত তিনিটা বছৰৰ পৰা বর্তমানলৈ-বৰপেটা জিলাৰ সীমান্ত শাখাৰ আৰক্ষীয়ে জিলাখনত কিমান জন ব্যক্তিৰ নামত বিদেশী সন্দেহত Notice জাৰি কৰিছে? (ব্যক্তিৰ নাম ঠিকনাৰ তালিকা Notice ৰ প্রতিলিপিৰ সৈতে সদনত দাখিল কৰিব)

(খ) তাৰে ভিতৰত কিমানজন ব্যক্তিৰ বিৰুদ্ধে বিদেশী সংক্রান্তত গোচৰ ৰুজু কৰি FT Court লৈ প্রেৰণ কৰিছে?

(গ) কি সন্দেহৰ ভিত্তিত Notice জাৰি কৰি গোচৰ ৰুজু কৰা হৈছে? (প্রতিজনৰ বিৰুদ্ধে থকা কাৰণ সমূহৰ সৈতে গোচৰৰ প্রতিলিপি সদনত দাখিল কৰিব)

(ঘ) জিলাখনত উক্ত বিভাগত কিমান বিষয়া কর্মচাৰী নিয়োজিত কৰা হৈছে? (বিষয়া-কর্মচাৰীৰ পদবীনাম ঠিকনা থানা ভিত্তি তালিকা সদনত দাখিল কৰিব)

(ঙ) কোন কোন বিষয়াই কিমান Noticeজাৰি কৰিলে আৰু কিমান গোচৰ FT Court লৈ প্রেৰণ কৰিলে? (থানা ভিত্তিত বিষয়া সকলৰ নাম ঠিকনা আৰু গোচৰ ৰুজু হোৱা ব্যক্তিসকলৰ তালিকা পৃথকে পৃথকে সদনত দাখিল কৰিব।)

শ্রীৰকিবুল হুছেইন (গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ পৰিৱেশ ও বন আৰু পঞ্চায়ত, গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত তিনিটা বছৰৰ পৰা বৰ্তমানলৈ বৰপেটা জিলাৰ সীমান্ত শাখাৰ অৰাক্ষীয়ে জিলাখনত ১০৪০জন ব্যক্তিৰ নামত বিদেশী সন্দেহত Notice জাৰি কৰিছে। ব্যক্তিৰ ঠিকনাৰ তালিকা Annexure 'I' ৰ (ক)ত দেখুওৱা হৈছে।

(খ) তাৰ ভিতৰত ৭৫৩জন ব্যক্তিৰ বিৰুদ্ধে বিদেশী সংক্রান্তত গোচৰ ৰুজু কৰি F.T Court লৈ প্রেৰণ কৰিছে।

(গ) গাঁৱৰ চার্ভে কৰাৰ সময়ত কোনো বৈধ নথি-পত্র দিব নোৱাৰা কাৰণে সন্দেহ কৰি তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে।

(ঘ) জিলাখনত উক্ত বিভাগত ৯৩জন বিষয়া কর্মচাৰী নিয়োজিত কৰা হৈছে। বিষয়া কর্মচাৰীসলকৰ সুবক্ষা আৰু কর্ম প্রেৰণাৰ খাতিৰত তেখেতসকলৰ নাম পদবী ও ঠিকনা থানা ভিত্তিত প্রেৰণ কৰিব পৰা নাযায়।

(ঙ) থানা ভিত্তিত Notice জাৰি কৰা আৰু F.T.Court লৈ গোচৰ প্রেৰণ কৰা তালিকা Annexure-'I'ত দিয়া হৈছে। (ঘ) উল্লেখিত কাৰণতে তেখেতসকলৰ নাম, পদবী, ঠিকনা, থানা ভিত্তিত প্রেৰণ কৰিব পৰা নগ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাৱনে ঃ

(ক) অসমৰ নিম্ন প্রাথমিক বিদ্যালয় কর্মৰত দ্বিতীয় সহকাৰী শিক্ষকসকলৰ পদবোৰ চৰকাৰে নিয়মীয়া কৰণৰ কি কি ব্যৱস্থা লৈছে?

(খ) নিম্ন প্রাথমিক বিদ্যালয়বোৰত ১৫-২০ বছৰ কর্মৰত দ্বিতীয় সহকাৰী পদৰ শিক্ষকসকলে বিনা বেতনে কাম কৰি থকা কথাটো সত্যনে?

(গ) অসমত এনে ধৰণৰ দ্বিতীয় সহকাৰী পদৰ শিক্ষকৰ সংখ্যা কিমান? (নাম

সহ তথ্যদি জনাব)

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) Assam Venture Educational Institution (Provincialisation of Service) Act, 2011 as amended 2013 মতে নিম্ন প্রাথমিক বিদ্যালয় প্রাদেশীকৰণ কৰিবলগীয়া শিক্ষকৰ সংখ্যা দুজন ধার্য্য কৰা আছে। গতিকে, উক্ত আইনত দ্বিতীয় সহকাৰী শিক্ষকৰ পদ প্রাদেশীকৰণৰ কোনো ব্যৱস্থা নাই।

(খ) চৰকাৰ অৱগত নহয়।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীৰফিকুল ইছলামে সুধিছে ঃ

৩৩। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ ব্লক সমূহৰ Re-organize কৰাৰ কাম বর্তমানে কি পর্য্যায়ত আছে?

(খ) জনীয়া সমষ্টিৰ ৮টা পঞ্চায়ত, বাঘবৰ সমষ্টিৰ মণ্ডিয়া ব্লকৰ অর্ন্তভূক্ত আৰু ২৭টা পঞ্চায়ত হোৱা হেতুকে কাম-কাজবোৰ সুচাৰু ৰূপে সম্পন্ন নোহোৱৰ বিষয়ে চৰকাৰ জ্ঞাত নে?

(গ) দ্রুত কামৰ অগ্রগতিৰ কাৰণে জনীয়া সমষ্টিৰ ৮টা পঞ্চায়তক লৈ জনীয়াক সদৰ ঠাই হিচাপে লৈ এটা ব্লকৰ প্রস্তাৱ দিয়া হৈছে। উক্ত প্রস্তাৱটো গৃহীত কৰা হৈছে নে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ব্লক সমূহ Re-organise কৰাৰ বাবে সকলো উপায়ুক্তৰ পৰা ৪/৭/২০১৩তাৰিখ চিঠি মর্মে প্রস্তাৱ (Detail proposals) বিচৰা হৈছে। (Annexure-A)

(খ) হয়, জ্ঞাত।

(গ) বৰপেটা উপায়ুক্তৰ পৰা ৪/৭/২০১৩তাৰিখ চিঠি মৰ্মে প্ৰস্তাৱ (Detail proposals) পোৱা হৈছে যদিও কিছুমান উপায়ুক্তৰ পৰা এতিয়াও প্ৰস্তাৱ পোৱা নাই। উক্ত প্ৰস্তাৱসমূহ পালে বিবেচনা কৰা হ'ব।

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

34. Will the Minister Revenue & Disaster Management be pleased to state :

(a) Is it true that a proposal for anti-erosion and ancilliary measures in the stretch Paschim Moinbari is lying with the Govt.?

(b) If yes, would the Govt. be pleased to sanction the proposal early in view of the fact that Paschim Moinbari H.S. School, a few L.P. & ME Schools are at the great risk of being eroded?

Shri Prithibi Majhi (Minister, Revenue & D.M. Department) replied :

(a) No proposal has so far been received by the Revenue & D.M. Department.

(b) Does not arise.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিত্ত বিভাগে কিমান চনৰ পৰা প্ৰাদেশীকৃত উচ্চতৰ মাধ্যেমিক বিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষসকলৰ চাকৰি জীৱনৰ Leave Encashment Benefit দিয়া হৈছে।

(খ) নিৰ্দেশনা ওলোৱা আগতেও ২০০০ চনলৈ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সকলে Leave Encashment Benefit পাইছিল নেকি? যদি পাইছিল কি নিৰ্দেশনাৰ ভিত্তিত পাইছিল তাৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(গ) ১৯৯৬, ৯৭, ৯৮, ৯৯চনৰ বিভিন্নসময়ত অৱসৰ গ্ৰহণ কৰা বহু সংখ্যক অধ্যক্ষ Leave Encashment Benefitৰ ধন আদায় পোৱাটো সত্যনে? এই সন্দৰ্ভত চৰকাৰী নথিপত্ৰবোৰ অসত্যনে?

(ঘ) যদি সত্য তেন্তে Leave Encashment Benefitৰ ধন পোৱা অধ্যক্ষসকলৰ সংখ্যা কিমান জন? (নাম, ঠিকনা, বিদ্যালয়ৰ নাম সহ তালিকা দাখিল কৰিব)

(ঙ) নিৰ্দেশ নথকাকৈ যদি Leave Encashment Benefit ৰ ধন আদায় দিয়া হৈছিল, তেওঁলোকৰ পৰা চৰকাৰে ধন ঘূৰাই লব নেকি? আৰু ইয়াৰ উপযুক্ত তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব নেকি?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিত্ত বিভাগৰ নিৰ্দেশ নং FEG. 4/2000/11, dtd. 21-2-2000 মৰ্মে ২০০০চনৰ ২৯ফেব্ৰুৱাৰীৰ পিচত অৱসৰ গ্ৰহণ কৰা প্ৰদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষসকলক Leave Encashment Benefit দিয়া হৈছে।

(খ) নিৰ্দেশনা ওলোৱাৰ আগতে ২০০০চনলৈ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কেইগৰাকীমানে Leave Encashment Benefit ৰ ধন পোৱা তথ্য পোহৰলৈ আহিছে। কি নিৰ্দেশনাৰ ভিত্তিত ধন আদায় দিয়া হৈছিল সেই বিষয়ে জনা নাযায়।

(গ) কেইগৰাকীমান অধ্যক্ষই Leave Encashment Benefit ৰ ধন

আদায় পোৱাটো সত্য। কিন্তু যিহেতু ১৯৯৫চনলৈ তেখেতসকলে আর্জিত ছুটি পোৱা নাছিল গতিকে Leave Encashmeny Benefit পোৱাটো সমীচীন নহয়।

(ঘ) বর্তমানলৈ মাত্র চাৰি গৰাকী তেনে অধ্যক্ষৰ তথ্য পোহৰলৈ আহিছে তেখেতসকলৰ তালিকা সংলগ্ন কৰা হ'ল।

(ঙ) সংশ্লিষ্ট বিভাগৰ পৰামর্শ অনুসৰি তেওঁলোকৰ ধন ঘুৰাই লোৱাৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

৩৬। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) NRHM ৰ অধীনত কর্মৰত ঠিকাভিত্তিক কর্মচাৰীসকলৰ চাকৰি স্থায়ীকৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি? যদি লোৱা নাই, তেনেহ'লে কিবা ব্যৱস্থা কৰা হ'ব নেকি?

(খ) NRHM ৰ অধীনত কর্মৰত কর্মচাৰীসকলে নিষ্ঠাসহকাৰে কাম কৰাৰ পিছতো তেওঁলোকে স্থায়ী নিযুক্তিপ্রাপ্ত কর্মচাৰীসকলে পোৱা সুবিধাবোৰ যেনে— CPF, চিকিৎসা ভাট্টা, ঘৰভাড়া ভাট্টা, ছুটি (Leave Benefit) আদিৰ পৰা বঞ্চিত হৈ থকাটো সত্যনে?

(গ) যদি সত্য হয়, তেন্তে NRHMৰ অধীনত ঠিকাভিত্তিক কর্মচাৰীৰ বাবেও চৰকাৰৰ স্থায়ী কর্মচাৰীৰ দৰে Leave Rule সহ অন্যান্য সুবিধাবোৰ দিয়াৰ ব্যৱস্থা কৰা হব নেকি?

(ঘ) সর্বশিক্ষা মিশ্যন অভিযান, অসমত কর্মৰত ঠিকাভিত্তিক কর্মচাৰীসকলে দৰমহা যিদৰে Scale Pay হিচাপত পায়, সেইদৰে NRHM ত কর্মৰত কর্মচাৰীসকলৰ দৰমহাও Scale Pay হিচাপত দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব নেকি?

(ঙ) চৰকাৰৰ স্থায়ী কৰ্মচাৰীসকলক যিদৰে ১০শতাংশ হাৰত মৰগীয়া বানচ দিয়া হৈছে, NRHMৰ অধীনত ঠিকাভিত্তিক কৰ্মচাৰী সকলোৰো তেনেদৰে দৰমহা বৃদ্ধিৰ ব্যৱস্থা কৰা হ'ব নেকি?

(চ) স্বাস্থ্য বিভাগত খালি থকা Technical পদবোৰ পূৰণৰ বাবে বিজ্ঞাপন দিয়া হৈছে, তেনেদৰে বহু বছৰৰ পৰা খালি থকা Non-Technical পদবোৰ পূৰণৰ বাবে শীঘ্ৰেই কি ব্যৱস্থা লোৱা হ'ব নেকি?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াৱল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান তেনে কোনো প্রস্তাৱ নাই।

(খ) হয়। সঁচা।

(গ) বিষয়টো NRHM অসমৰ তৰফৰ পৰা কেন্দ্রীয় চৰকাৰৰ ওচৰত প্রস্তাৱ আগবঢ়োৱা হৈছিল যদিও এই প্রস্তাৱত কেন্দ্রীয় চৰকাৰে অনুমোদন জনোৱা নাই।

(গ) NRHMৰ কৰ্মচাৰীসকলৰ দৰমহা আদি সকলো পুঁজি কেন্দ্রীয় চৰকাৰৰ পৰা অনুমোদন হয়। বিষয়টো কেন্দ্রীয় চৰকাৰৰ ওপৰত উপস্থাপন কৰা হৈছিল যদিও কেন্দ্রীয় চৰকাৰৰ অনুমোদন পোৱা হোৱা নাই।

(ঙ) পদসমূহ পূৰণৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্রহণ কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীশ্বেৰমান আলি আহমেদে সুধিছে ঃ

৩৭। মাননীয় গড়কাপ্টানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) PMGSY ৰ পেকেজ নং AS-01-60 ৰ অধীনত বৰপেটা বাঘবৰ ৰাস্তাৰ পকীকৰণ আৰু দুখন পকী দলং নির্মাণৰ বাবে ৪৪৪.৬০লাখ টকা আৱন্টন সাপেক্ষে ১০/১০/২০০৮চনতে নির্মাণ কার্য্য আৰম্ভ হৈছিল যদিও প্রায় ৫বছৰ অতিবাহিত হোৱাৰ পাছতো উক্ত নির্মাণ কার্য সম্পূর্ণ নোহোৱাৰ

কাৰণ কি?

(খ) এখন পকী দলং তিনি বছৰ আগতে সম্পূৰ্ণ হোৱাৰ পিছতো Approach Roadৰ নিৰ্মাণ কাৰ্য আজিলৈকে সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(গ) উক্ত Approach Road নিৰ্মাণ নকৰা বাবে আৰু পানী ওলাই যোৱা বাট উলিয়াই নিদিয়াৰ বাবে ২০১২চনৰ বাবিষাৰ সময়ত নতুনকৈ নিৰ্মাণ কৰা ৩.৬০কি.মি ৰাস্তাৰ লগতে সম্পূৰ্ণ ৰৰপেটা বাঘবৰ ৰাস্তাটো অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা সম্পৰ্কে চৰকাৰৰ আৱগতনে?

(ঘ) যদি অৱগত, তেন্তে Approach Road ৰ কাম সময়তে সম্পূৰ্ণ নকৰাৰ বাবে সংশ্লিষ্ট ঠিকাদাৰজনক ৰৰপেটা বাঘবৰ ৰাস্তা বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ বাবে দোষী সাব্যস্ত কৰি উপযুক্ত শাস্তি বিহিবনে?

(ঙ) উক্ত ৰাস্তাৰ লগতে পকী দলং দুখনৰ নিৰ্মাণ কাৰ্য কেতিয়া সম্পূৰ্ণ হ'ব?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) PMGSY ৰ পেকেজ নং AS-01-60 ৰ অধীনৰ ৰৰপেটা বাঘবৰ ৰস্তাৰ পকীকৰণ আৰু দুখন পকী দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ সময়ত ৰাস্তাৰ ওচৰৰ বাসিন্দাসকলে উক্ত পথত কোনো ধৰণৰ কালভাট নালাগে বুলি আপত্তি দৰ্শোৱাৰ বাবে কামটো আৰম্ভ কৰোতে যথেষ্ট পলম হয়। তদুপৰি উক্ত কামৰ সংশ্লিষ্ট ঠিকাদাৰ জনে যোৱা বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাৰে থিয় হোৱাৰ হেতুকে বিভাগীয় নিয়ম অনুসৰি তেওঁৰ পৰা কামটো বাতিল কৰা হৈছিল। পিছত আকৌ তেওঁৰ আবেদন মৰ্মে বিভাগীয় নিয়ম অনুযায়ী পুনৰ উক্ত কামটো আৱন্টন দিয়া হয়। ইয়াৰ উপৰি প্ৰতি বছৰে হোৱা বানপানীয়ে পথচোৱাক বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰি থকাৰ বাবে অগ্ৰগতিত যথেষ্ট বিলম্ব হৈছে।

(খ) বৰ্তমান দলংখনৰ দুই মুৰৰ approach ৰ কাম GSB লৈকে সম্পূৰ্ণ হৈছে আৰু বাকী কামখিনি সম্পূৰ্ণ কৰিবৰ বাবে যো-জা কৰি থকা হৈছে। বৰ্তমান দলংখনৰ ওপৰেদি সকলো ধৰণৰ যান-বাহন চলি আছে।

(গ) হয় অৱগত। ইং ২০১২চনৰ বানপানীত ক্ষতি সাধন হোৱা ৰাস্তাটো পকী দলঙখনৰ approach ৰ বাবে হোৱা নাছিল। কিন্তু অভূতপূৰ্ব প্ৰলয়ঙ্কাৰী বানপানীৰ বাবেহে ৰাস্তাটি বহু ঠাইত ক্ষয়-ক্ষতি হৈছিল।

(ঘ) ওপৰোক্ত প্ৰশ্নোত্তৰত কোৱা ধৰণে বৰপেটা বাঘবৰ ৰাস্তাটো অভূতপূৰ্ব প্ৰলয়ঙ্কাৰী বানপানীত ক্ষয়-ক্ষতি হোৱা বাবে ঠিকাদাৰক জগৰীয়া কৰি দোষী সাব্যস্ত কৰিব পৰা নাযায়।

উক্ত ৰাস্তাৰ লগতে পকী দলং দুখনৰ নিৰ্মাণ কাৰ্য্য ৩১-০৩-২০১৪তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ বাবে স্থিৰ কৰা হৈছে।

(ঙ) উক্ত ৰাস্তাৰ, ৭/১নং পকী দলঙখনৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু ৫/১নং দলঙখনৰ কাম ৭০শতাংশ সম্পূৰ্ণ হৈছে আৰু বৰ্তমান কাম চলি আছে।

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

38. Will the Minister Home be pleased to state :

(a) Whether the reports of Agarwala Commission in respect of Lakhipur incident, Hareshwar Deka Commission in respect of Bechimari incident, Hoque Commission in respect of Kokrajhar incident and S.K. Kar Commission in respect of Barpeta & Beltola incident have been submitted to the Govt.? If yes, please submit copies of the reports.

(b) What action the Govt. has taken of or contemplate to undertake on these reports? Please specify in details.

Shri Rokybul Hussain (Minister of Environment and Forest and Panchayat & Rural Development etc.,) will reply on behalf of the Home Minister :

a) Reports of Agarwala Commission in respect of the incident at Lakhipur in Goalpara District, Hareshwar Barua Commission in respect of Besimari incident, Haque Commission in respect of Kokrajhar incident and S.K. Kar Commission in respect of Barpeta and Dispur Last Gate incident have been submitted to the Government. Report of Agarwal Commission in respect of the incident at Lakhipur in Goalpara District along with the Action Taken Report has already been laid in the Assam Legislative Assembly on 21 st July, 2009.

Report of Haque Commission in respect of Kokrajhar incident is under consideration of Cabinet Sub Committee and hence copy of the report could not be furnished. Reports of Hareshwar Barua Commission in respect of Besimari incident, S.K Kar Commissions in respect of Barpeta and Dispur Last Gate incident arc under consideration of the Government and hence copy of reports could not be furnished.

(b) On the recommendation of the Agarwal Commission in respect of Lakhipur incident, the Director General of Police (DGP), Assam has been asked to organize training programmes for the police officers/personnel on "Police Public Relationships" and Preparedness of the Police to

tackle mob violence" with due emphasis on the "Riot Manual" as suggested by the Commission. The State Government has also taken necessary steps for payment of compensation as per existing norms.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ঃ

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯-০৭-২০১৩ ইং তাৰিখৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৫৩ৰ উত্তৰ মতে TET পৰীক্ষাত পীৰক্ষার্থীসকলে উত্তৰৰ বহীত নাম লিখাটো বৰ্তমান বাধ্যতামুলক নহয়। এনে ক্ষেত্ৰত উত্তৰ বহী (২য় কাকত) ত থকা 'NAME OF CANDIDATE (IN CAPITAL LETTERS' শিতানটোৰ বিলুপ্তি ঘটাই আগন্তুক দিনবোৰত TET পৰীক্ষা অনুষ্ঠিত কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলি আহমেদে সুধিছে ঃ

৪০। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩ ইং চনত এবাৰ আৰু দহ বছৰ অন্তত ২০০৩ ইং চনত এবাৰ প্ৰকাশ পোৱাৰ চৰ-চাপৰি আৰ্থ-সামাজিক পিয়ল ২০১৩ খন কৰা হ'বনে?

(খ) যদি প্ৰকাশ কৰা হয়, কেতিয়ালৈ প্ৰকাশ পাব? আৰু যদি প্ৰকাশ কৰা নহয়, কিয় প্ৰকাশ কৰা নহ'ব?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ লোকগণনাৰ পিছত ২০০২-০৩ চনত অসমৰ চৰ-চাপৰিসমূহৰ এটি আৰ্থ সামাজিক জৰীপ কৰা হৈছিল আৰু জৰীপৰ প্ৰতিবেদন ২০০৪ চনৰ ছেপ্তেম্বৰ মাহত প্ৰকাশ কৰা হৈছিল। ২০১১ চনৰ লোক পিয়লৰ পিছত এতিয়ালৈকে চৰ-চাপৰিত আৰ্থ-সামাজিক জৰীপ চলোৱা হোৱা নাই।

(খ) পুঁজিৰ আবণ্টন পালে আৰ্থ-সামাজিক জৰীপৰ ব্যৱস্থা কৰা হ'ব আৰু প্ৰতিবেদন প্ৰকাশ কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৪২। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত তিনি বছৰৰ পৰা বৰ্তমানলৈ বৰপেটা জিলাৰ FT Court লৈ জিলাৰ সীমান্ত আৰক্ষীয়ে কিমান সংখ্যক গোচৰ প্ৰেৰণ কৰিছে? (নাম ঠিকনাৰে তালিকা সদনত দাখিল কৰিব)

(খ) জিলাখনৰ FT Court ত বৰ্তমানলৈ কিমান গোচৰ পঞ্জীয়ন হৈছে। (নাম ঠিকনা সহ গোচৰৰ প্ৰতিলিপি সদনত দাখিল কৰিব)

(গ) জিলাখনৰ FT Court ত কিমানজন মহামান্য ন্যায়ধীশ আছে? (মহামান্যন্যায়ধীশৰ নাম ঠিকনা সদনত দাখিল কৰিব)

(ঘ) কোন কোন মহামান্য ন্যায়ধীশৰ আদালতত কিমান গোচৰৰ ৰায় দান হ'ল? তাৰে একপক্ষীয় ৰায়দান আৰু Contesting কৰা ৰায়দানৰ সংখ্যা কিমান? (প্ৰতিটো ৰায়দানৰ প্ৰতিলিপি সদনত দাখিল কৰিব)

শ্ৰীৰকিবুল হুছেইনে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ (পৰিৱেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত তিনি বছৰৰ পৰা বৰ্তমানলৈ বৰপেটা জিলাৰ FT Court লৈ জিলাৰ সীমান্ত আৰক্ষীয়ে ৭৫৩টা গোচৰ প্ৰেৰণ কৰিছে। নাম ঠিকনা Annexure-I ত দিয়া হৈছে।

(খ) জিলাখনৰ F.T. Court সমূহত এই তিনি বছৰত ৭৫৩টা গোচৰ পঞ্জীয়ন হৈছে। নাম ঠিকনা Annexure-Iত দিয়া হৈছে।

(গ) জিলাখনৰ F.T Court ত দুজন মহামান্য ন্যায়ধীশৰ অধীনত আছে। মহামান্য ন্যায়ধীশৰ নাম ঠিকনা Annexure-I ত দিয়া হৈছে।

(ঘ) এতিয়ালৈ ৫৫১২টা গোচৰত ৰায়দান হ'ল। ইয়াৰ ভিতৰত ৫১৪৫টা contesting আৰু ৩৬৭টা একপক্ষীয় ৰায়দান। প্ৰতিটো ৰায়দানৰ প্ৰতিলিপি দাখিল কৰিবলৈ সময়ৰ প্ৰয়োজন হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰক প্ৰশ্ন ঃ

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত পাঁচ বছৰত অসম প্ৰকাশন পৰিষদে অসমৰ বিভিন্ন জিলাত বিনামূলীয়াকৈ যোগান ধৰা কিতাপ-বহী আদিৰ বাবদ কিমান টকা পৰিবহনৰ বাবদ ব্যয় কৰিছে? (জিলা ভিত্তত পৰিবহন সংস্থাৰ নাম-ঠিকনা, আদায় দিয়া টকাৰ পৰিমানসহ তথ্য দিব)

(খ) প্ৰকাশিত কিতাপসমূহত হোৱা বিভিন্ন ভুলৰ শুধৰণিৰ বাবে কি কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

ড° হিমন্তবিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম প্ৰকাশন পৰিষদৰ অসমৰ বিভিন্ন জিলাত বিনামূলীয়াকৈ কিতাপ বহী যোগান ধৰাৰ আঁচনি নাই আৰু বিগত পাঁচ বছৰত বিনামূলীয়াকৈ কোনো জিলাতে কিতাপ-বহী যোগান ধৰা নাই। সেয়ে ইয়াৰ পৰিবহণ ব্যয়ৰ কথা নাহে।

(খ) ভাষা সাহিত্যৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰন্থ প্ৰকাশৰ মূল উদ্দেশ্য আৰু লক্ষ্যৰে গঠিত অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰি অহা ভাষা-সাহিত্যৰ

মূল্যৱান গ্ৰন্থসমূহৰ ভাষা বাক্য-শব্দ সকলো দিশতে নিৰ্ভুলভাৱে প্ৰকাশ কৰাত বিশেষ গুৰুত্ব দি অহা হৈছে। কেতিয়াবা কিবা বিশেষ ছপাৰ ভুল থাকিলে পৰৱৰ্তী সংস্কাৰণত বা নতুনকৈ সেই বিশেষ পৃষ্ঠা ছপা আদি কৰি শুদ্ধভাৱে প্ৰকাশ কৰি উলিওৱাত গুৰুত্ব দিয়া হয়।

বিষয় ঃ তাকৰীয়া সময়ৰক প্ৰশ্ন ঃ

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৪৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাত বিহত বহু বছৰ/মাহ ধৰি পুলিচ অভাৱৰ কাৰণে কিমান সংখ্যক লোকে ড্ৰাইভিং লাইচেন্স, চাকৰিত যোগদান, বিদেশ ভ্ৰমণ এক্সিডেন্ট/ডেথ (মৃত্যু) ক্লেইমৰ বীমা আদি লাভ কৰিবলৈ সক্ষম হোৱা নাই?

(খ) জিলা ভিত্তিত তথ্য দিব?

(গ) অনুগ্ৰহ কৰি চৰকাৰে ইয়াৰ সু-সামাধানৰ ব্যৱস্থা খৰতকীয়াভাৱে লবনে?

শ্ৰীৰকিবুল হুছেইনে গৃহ বিভাগৰ মন্ত্ৰী মহোদয় হৈ (বন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পুলিচৰ অভৱাৰ কাৰণে ৰাজ্যখনত ড্ৰাইভিং লাইচেন্স, চাকৰিত যোগদান, বিশেষ ভ্ৰমণ, এক্সিডেন্ট। ডেথ (মৃত্যু) ক্লেইমৰ বীমা আদিৰ ক্ষেত্ৰত আৰক্ষী সেৱাৰ পৰা কোনো লোক বঞ্চিত হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৪৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ অন্তর্গত আমিনগাঁও, জালুকবাৰী, আদাবাৰী, মালিগাঁও, ফাঁচীবজাৰ, বশিষ্ঠ চালিআলি, খানাপাৰা, দিছপুৰ আদি ঠাইৰ পৰা কর্তৃত্ত্ববিহীনভাৱে ৰাস্তাৰ কাষত বা যতে-ততে ৰখাই থোৱাকে আদি কৰি দুর্ঘটনাগ্রস্ত গাড়ীসমূহৰ পৰা দৈনিক গড় হিচাপে আৰু বিগত তিনি মাহত জৰীমনা হিচাপে কিমান টকা পুলিচে প্রশাসনে আদায় কৰিছে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ক আৰু গ্রামোন্নয়ন আদি বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী হৈ উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰীৰ অন্তর্গত আমিনগাঁও, জালুকবাৰী, আদাবাৰী, মালিগাঁও, ফাঁচীবজাৰ, বশিষ্ঠ চাৰিআলি, খানাপাৰা, দিছপুৰ আদি ঠাইৰ পৰা কর্তৃতত্ত্ববিহীনভাৱে ৰাস্তাৰ কাষত বা য'তে-ত'তে ৰখাই থোৱাকে আদি কৰি দুর্ঘটনাগ্রস্ত গাড়ীসমূহৰ পৰা দৈনিক গড় হিচাপে আৰু বিগত তিনি মাহত জৰিমনা হিচাপে গুৱাহাটী মহানগৰ পুলিচ প্রশাসন আদায় কৰা টকাৰ সংখ্যা এনেধৰণৰ ঃ

ছেপ্টেম্বৰ - কেচৰ সংখ্যা ৩০৩৮১ টা জৰিমনা — ৪৮,১৫,৪৫০.০০ টকা

অক্টোবৰ- কেচৰ সংখ্যা ২৮৭৯১টা জৰিমনৰ — ৩৮,১৮,৬৫০.০০ টকা

নৱেম্বৰ- কেচৰ সংখ্যা ২৬২০৪ টা জৰিমনা— ৪১,৫৯,৭৫০.০০ টকা

এই হিচাপত যোৱা তিনিমাহৰ দৈনিক গড় হিচাপে ২,০৯,৭৩৫.২৫ টকাকৈ আদায় কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৪৬। **মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনত বস্তুৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, চৰকাৰে ইয়াৰ বাবে কাক জগৰীয়া কৰিব?

(গ) যোৱা দুটা বছৰত পিঁয়াজ, আলু, কনী, দালিৰ কিমান পৰিমাণৰ মূল্যবৃদ্ধি হৈছে বিতংভাৱে তথ্য দিব?

(ঘ) অভাৱনীয়ভাৱে বাঢ়ি গৈ থকা মূল্যবৃদ্ধিৰ প্ৰতিৰোধ কৰিবলৈ চৰকাৰৰ ওচৰত কোনো সুনিৰ্দিষ্ট নীতি আছেনে?

(ঙ) অসমৰ লাখ লাখ দুখীয়া জনসাধাৰণক সকাহ দিবলৈ চৰকাৰে অচিৰেই মূল্যবৃদ্ধি ৰোধ কৰিবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) উৎপাদনস্থলীতে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ উৎপাদন খৰচ, বৃদ্ধি, ৰেল ভৰাৰ নিৰিখ বৃদ্ধি আৰু ইন্ধনৰ ক্ৰমবৰ্ধনাম মূল্যবৃদ্ধিৰে নিত্যাব্যৱহাৰ্য সামগ্ৰীসমূহৰ মূল্য বৃদ্ধিৰ মূল কাৰণ। ইয়াৰোপৰি কিছুদিন পূৰে পশ্চিমবংগৰ চৰকাৰে অসমলৈ আহি থকা আলু ভৰ্তি ট্ৰাক শ্ৰীৰামপুৰ গেটত আবদ্ধ কৰি ঘূৰাই পঠোৱা বাবে অসমত আলুৰ কৃত্ৰিম নাটনিৰলগতে মূল্যবৃদ্ধি পায়।

(গ) যোৱা দুটা বছৰত পিঁয়াজ, আলু, কণী আৰু দালিৰ মূল্য বৃদ্ধিৰ বিতং তথ্য সংলগ্ন 'ক'ত দিয়া হ'ল।

(ঘ) অসমত নিত্যব্যৱহাৰ্য্য সামগ্ৰীসমূহৰ মূল্যবৃদ্ধি প্ৰতিৰোধ কৰিবলৈ চৰকাৰ তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে।

১। ৰেল কৰ্তৃপক্ষ, ভাৰতীয় খাদ্য নিগম আৰু ব্যৱসায়ী সস্থাৰ সৈতে সময়ে সময়ে সভা অনষ্ঠিত কৰি থকা হৈছে যাতে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ ব্যৱসায় কৰোতে কোনোধৰণৰ বাধা-বিপত্তি নাহে আৰু মূল্যবৃদ্ধিত অৰিহণা যোগোৱা অসাধু ব্যৱসায়ীক চিনাক্ত কৰি আইনগত ব্যৱস্থা লোৱা হৈছে।

২। জিলাধিপতি-মহকুমাধিপতিসকলক নিজ নিজ এলেকাত সামগ্ৰীসমূহৰ মজুত আৰু ক্ৰয়-বিক্ৰয়ৰ ওপৰত চোকা নজৰ ৰাখিবলৈ দৈনিক মূল্য তালিকা

যোগান সঞ্চালকলৈ তাঁৰ-ফেক্সযোগে প্ৰেৰণৰ নিৰ্দেশ দিয়া হৈছে।

৩। ৰাজ্যখনৰ ভিন্ন ভিন্ন প্ৰান্তত দৈনিক নিৰ্ধাৰিত মূল্যৰ সৰ্বনিম্ন আৰু সৰ্বোচ্চ তালিকা সংকলন কৰি ৰাজ্যিক তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ জৰিয়তে ৰাইজৰ জ্ঞাতাৰ্থে প্ৰচাৰ মাধ্যমত প্ৰকাশ কৰি থকা হৈছে।

৪। অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আৰু পিঁয়াজৰ দোকানত গ্ৰহকৰ জ্ঞাতাৰ্থে সামগ্ৰীসমূহৰ মজুত আৰু মূল্যসূচীৰ ফলক আঁৰি থোৱাৰ নিৰ্দেশ দিয়া হৈছে।

৫। জিলাধিপতি-মহকুমাধিপতিসকলক প্ৰতি সপ্তাহত স্থানীয় ব্যৱসায়ীসকলৰ লগত আলোচনাত বহি সামগ্ৰীৰ মজুত ও মূল্যসূচী পৰ্যালোচনা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

৬। প্ৰতিখন জিলা-মহকুমাত কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী আৰু যোগান বিভাগৰ বিষয়াৰ দ্বাৰা একোটা ভ্ৰাম্যমাণ পৰিদৰ্শন গোট গঠন কৰি খাদ্য সামগ্ৰী আৰু আলু-পিঁয়াজৰ সৰবৰাহ, ক্ৰয়-বিক্ৰয়ৰ আৰু মূল্যসূচীৰ ওপৰত চোকা নজৰ ৰাখিবলৈ জিলাধিপতি-মহকুমাধিপতিসকলক নিৰ্দেশ দিয়া হৈছে।

৭। যোগান সঞ্চালকালয়ত এটা নিয়ন্ত্ৰণ কক্ষ খোলা হৈছে য'ত কাৰ্যালয় খোলা থকাৰ সময়ত গ্ৰাহকে সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধি, চোৰাং বজাৰ আদিৰ ওপৰত অভিযোগ ফোন নং- ০৩৬১-২৫২৯৩২৯যোগে দাখিল কৰিব পাৰে।

৮। অসমৰ ৰাজ্যিক কৃষি বিপনন পৰিষদৰ পৰিচালনাত ভ্ৰাম্যমাণ খুচুৰা বিক্ৰীকেন্দ্ৰৰ জৰিয়তে আলু-পিঁয়াজ আৰু অন্যান্য শাক-পাচলি বিক্ৰী কৰাৰ ব্যৱস্থা কৰা হৈছে।

৯। কলিকতা আৰু দিল্লীৰ পৰা উক্ত স্থানসমূহত প্ৰচলিত হৈ থকা দৈনিক মূল্যৰ তালিকা সংশ্লিষ্ট অসম ভৱনৰ জৰিয়তে সংগ্ৰহ কৰি স্থানীয় মূল্যৰ সৈতে তুলনা কৰাৰ ব্যৱস্থা কৰা হৈছে।

১০। সকলো মাগুলিক আয়ুক্তক সংশ্লিষ্ট এলেকাৰ জিলাধিপতি-মহকুমাধিপতিসকলৰ পৰা সামগ্ৰী মজুত আৰু মূল্যসূচী পযেকীয়াভাৱে সংগ্ৰহ কৰি মূল্যবৃদ্ধিৰ ওপৰত নজৰ ৰাখিবলৈ নির্দেশ দিয়া হৈছে।

১১। পাইকাৰী মূল্যৰ ওপৰত মাত্ৰ দুটকা লাভাংশ দি আলু আৰু পিঁয়াজ চৰকাৰী সুলভ মূল্যৰ দোকানৰ জৰিয়তে খুচুৰা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে যাতে নিম্নতম প্ৰতিযোগিতামূলক দৰত গ্ৰাহকে আলু-পিঁয়াজ যোগান পায়।

১২। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যসমূহ জিলা-মহকুমাত ২৮১৪ খন নির্ৰাচিত সুলভ মূল্যৰ দোকান 'আমাৰ দোকান' নামাকৰণ কৰি নিত্যব্যৱহাৰ্য্য কিছুসংখ্যক সামগ্ৰী ন্যূনতম লাভ লৈ বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

(ঙ) কৰিব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীমতী গুল আঁখতাৰা বেগমে সুধিছে ঃ

৪৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বিভিন্ন প্ৰান্তত সঘনাই ঘটি থকা চুৰি কাৰ্যৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত চুৰি কাৰ্য ৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে।

(গ) যোৱা দুটা বছৰত গুৱাহাটী মহানগৰীত মুঠ কিমানটা চুৰি কাৰ্য সংঘটিত হৈছে বিতং তথ্য দাখিল কৰিব?

(ঘ) উক্ত চুৰি কাৰ্যৰ লগত জড়িত ব্যক্তি কিমানজনক কৰায়ত্ত কৰা হৈছে আৰু কি শাস্তি দিয়া হৈছে? ভৱিষ্যতে যাতে চুৰি কাৰ্য সংঘটিত নহয় তাৰ ব্যৱস্থা লৈছে নে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ক আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) যিবিলাক চুৰি কার্যৰ সম্পর্কত বিভিন্ন থানাত গোৰ ৰুজু হৈছে সেইবিলাকৰ বিষয়ে চৰকাৰ অৱগত।

(খ) চুৰি কার্য ৰোধ কৰিবলৈ পুলিচৰ ফলৰ পৰা নিম্ন উল্লেখিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে চুৰি কার্য বন্ধ হয়।

১। সকলো থানাসমূহক দিনে-ৰাতিয়ে আৰক্ষী টহল কর্তব্য কৰি থাকিবলৈ নির্দেশ দিয়া হৈছে।

২। আৰক্ষী চকী-পহাৰ চকী কিছুমান থানালৈ উন্নীত কৰা হৈছে।

৩। গাঁওৰক্ষী বাহিনীক সক্রিয় কৰি নৈশ তহলৰ ব্যৱস্থা কৰা হৈছে।

৪। গাঁওবুঢ়াসকলক নিজৰ নিজৰ এলেকাত অচিনাকি ব্যক্তিৰ আগমন হ'লে আৰু সন্দেহ হ'লে ওচৰৰ থানাত জনাবলৈ কোৱা হৈছে।

৫। স্বেচ্ছাসেৱী সংগঠনসমূহকো সন্দেহী ব্যক্তিৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ আৰু ওচৰৰ থানাত জনাবলৈ অনুৰোধ কৰা হৈছে।

৬। সম্ভব্যস্থলত (Vulnerable place) VDP/গৃহৰক্ষী মোতায়ন কৰা হৈছে।

৭। সকুলো চহৰ-নগৰৰ ভাৰাঘৰৰ মালিকসকলক সকলো ভাৰাতীয়াৰ ফটোসহ সবিশেষ তথ্য জনাবলৈ অনুৰোধ কৰা হৈছে, যাতে সংশ্লিষ্ট থানাৰ ফালৰ পৰা সিহঁতৰ স্বভাৱ, চৰিত্র সম্পর্কে পৰীক্ষা কৰিব পাৰে।

(গ) যোৱা দুটা বছৰত গুৱাহাটী মহানগৰীত মুঠতে ২০১২ চনত ২৬২৩টা আৰু ২০১৩ চনত ২৬৮২টা চুৰি কার্য সংঘটিত হয়। থানা অনুযায়ী তথ্য সংলগ্ন 'ক'ত দিয়া হ'ল।

(ঘ) উক্ত চুৰি কার্যৰ লগত জড়িত মুঠ ২৩৩১ জন আচামীক মহামান্য আদালতলৈ শাস্তিমূলক ব্যৱস্থা লোৱাৰ বাবে প্রেৰণ কৰা হৈছে। থানা অনুযায়ী তথ্য সংলগ্ন 'ক'ত দিয়া হ'ল।

ভৱিষ্যতে যাতে চুৰিকার্য সংঘটিত নহয় তাৰবাবে পুলিচৰ ফালৰ পৰা নিম্ন

উল্লেখিত ব্যৱস্থাসমূহ লোৱা হৈছে ঃ

১। ২৪ ঘণ্টাই মহানগৰীৰ সকলো ঠাইতে টহল কৰ্তব্য চলাই থকা হৈছে।

২। আৰক্ষী চকী-পহৰা চকী কিছুমান থানালৈ উন্নীত কৰা হৈছে।

৩। নাগৰিক সমিতিসমূহক সষ্টম কৰা হৈছে। পুলিচ আৰু ৰাইজৰ মাজত সুসম্পৰ্ক বজাই ৰখাৰ চেষ্টা কৰা হৈছে যাতে সন্দেহজনক ব্যক্তি দেখা পালে থানাত জনাবলৈ অনুৰোধ কৰা হৈছে।

৪। সকলো ভাৰাঘৰৰ মালিকসকলক সকলো ভাৰাতীয়া ফটোসহ সবিশেষ তথ্য জনাবলৈ অনুৰোধ কৰা হৈছে, যাতে সংশ্লিষ্ট থানাৰ ফালৰ পৰা সিহঁতৰ স্বভাৱ, চৰিত্ৰ সম্পৰ্কে পৰীক্ষা কৰিব পাৰে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৪৮। **মাননীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত ধাৰাবাহিকভাৱে সংঘটিত হৈ থকা 'গঁড়' হত্যাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যোৱা পাঁচটা বছৰত কিমানটা গড় মৃত্যুমুখত পৰিছে বৰ্ষ ভিত্তিত তথ্য দিব।

(গ) উক্ত গঁড় হত্যাৰ লগত জড়িত কিমানজন চোৰাং চিকাৰীক কৰায়ত্ত কৰা হৈছে আৰু চৰকাৰ তেওঁলোকক কি শাস্তি প্ৰদান কৰিছে?

(ঘ) অসমৰ আপুৰুগীয়া এই সম্পদক ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ) যোৱা পাঁচটা বছৰত মৃত্যুমুখত পৰা গঁড়ৰ সংখ্যা (বৰ্ষ ভিত্তিত) তলত উল্লেখ কৰা হ'ল—

চন	নিহত গঁড়ৰ সংখ্যা
২০০৯	১৪টা
২০১০	৮টা
২০১১	০৯টা
২০১২	২২টা
২০১৩	৪০টা

(১৩-১২-২০১৩ লৈ)

(গ) গঁড় হত্যাৰ লগত জড়িত চোৰাং চিকাৰী কৰায়ত্ত কৰা সংখ্যা বর্ষ ভিত্তিক তলত দিয়া হ'ল—

চন	চোৰাং চিকাৰীৰ সংখ্যা
২০০৯	৬৭ জন
২০১০	৪৯ জন
২০১১	২০ জন
২০১২	১৪৮ জন
২০১৩	৭৮ জন

গঁড় হত্যাৰ লগত জড়িত চোৰাং চিকাৰীক বন্যপ্রাণী (সুৰক্ষা) ১৯৭২ চনৰ সংশ্লিষ্ট আইনৰ ধাৰাত কৰায়ত্ত কৰি উক্ত আইনৰ ধাৰাত দণ্ড বিহিবলৈ মহামান্য আদালতলৈ প্রেৰণ কৰা হৈছে।

(ঘ) অসমৰ আপুৰুগীয়া সম্পদ 'গঁড়'ৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে তলত উল্লেখিত ব্যৱস্থাসমূহ গ্রহণ কৰিছে।

১। আন্তঃগাঁথনিসমূহ আধুনিক প্রযুক্তিৰে উন্নতকৰণ।

২। অত্যাধুনিক আগ্নেয়াস্ত্র দ্বাৰ সুসজ্জিত কৰি বন সুৰক্ষা বাহিনী মোতায়ন কৰাৰ

লগতে অতিৰিক্তভাৱে আগ্নেয়াস্ত্ৰ ধাৰী গৃহৰক্ষী বাহিনী মোতায়ন কৰা হৈছে।

৩। জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক ধৰি জড়িত সকলো সংশ্লিষ্ট বিভাগসমূহক ঐক্যবদ্ধ আৰু সু-সংহতকৰণ।

৪। বুদ্ধিমত্ত তথ্য আহৰণ কৰি অভিযুক্ত দুষ্কৃতিকাৰীসমূহক আশ্রয়স্থলীসমূহৰ পৰা কৰায়ত্ত কৰি আইন ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বন্যপ্রাণী (সুৰক্ষা) আইন, ১৯৭২ সংশোধন কৰি বন্যপ্রাণী (সুৰক্ষা) অসম সংশোধিত ২০০৯ আইন প্রণয়ন কৰি শাস্তিসমূহ গুৰু কৰা হৈছে। ইয়াৰ উপৰিও চি আৰ পি চি (Cr. P.C.)১৯৭ ধাৰাৰ অধীনত আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰাৰ বাবে বিশেষ ক্ষমতা আৰু সুৰক্ষা (Immunity)বন বিষয়াসকলক প্রদান কৰাৰ আইনী ব্যৱস্থা কৰা হৈছে।

৫। দাঁতিকাষৰীয়া গাঁওসমূহৰ ৰাইজৰ আর্থিক উন্নয়ন কৰাৰ বাবে কার্য ব্যৱস্থা গ্রহণ ও ৰাষ্ট্রীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত আৰু চৰকাৰৰ উদ্যোগত বন্যপ্রাণী ভিত্তিক পৰিৱেশৰ প্রতি সজাগ ও Eco-development ব্যৱস্থা গ্রহণ কৰি ইয়াৰ যোগেদি ৰাইজৰ সহযোগত গঁড় সুৰক্ষাৰ কটকটীয়া ব্যৱস্থা কৰা হৈছে।

৬। বন্যপ্রাণী সুৰক্ষা অধিক কটকটীয়া কৰিবলৈ কাজিৰঙা আৰু সংযোজন এলেকাসমূহৰ পুনৰ গঠন কৰি ৪ (চাৰি)টা নতুন বন্যপ্রাণী সংমণ্ডল গঠন কৰাৰ প্রস্তুতি আৰম্ভ কৰা হৈছে।

৭। দুষ্কৃতিকাৰীৰ গতিবিধিৰ ওপৰত প্রভাৱশালী চোকা দৃষ্টি ৰাখিবৰ বাবে ইলেকট্রনিক আই, ৰাতি দেখা দূৰবীণ, মানৱবিহীন উৰাজাহাজ আদিৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰক প্রস্তাৱ দাখিল কৰা হৈছে।

৮। ইয়াৰ উপৰিও বৈদ্যুতিক তাৰযুক্ত জেওৰা ও বানপানীৰ সময়ত আশ্রয়ৰ বাবে ওখ ঠাই স্থাপন কৰি দিয়া হৈছে, যাতে গঁড় ও অন্যান্য জীৱ-জন্তুসমূহ ওলাই গৈ চোৰাং চিকাৰীৰ হাতত নিধন নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) PMGSY আঁচনিৰ জড়িয়তে অসমৰ কিমান কিলোমিটাৰ পথ সম্পূৰ্ণ কৰা হ'ল? (এহেজাৰ পাঁচশ আৰু দুইশ পঞ্চাশৰ অধিক জনসংখ্যাৰ হিচাপে উল্লেখ কৰিব)

(খ) ধুবুৰী জিলাৰ পাঁচশ আৰু দুশ পঞ্চাশৰ অধিক জনসংখা থকা জিলা কিমান পথ PMGSY ৰ আওঁতালৈ অনা হ'ল। (পথৰ নাম, দৈৰ্ঘ্য সদনত দাখিল কৰিব)

(গ) ধুবুৰী জিলাৰ PMGSY ২০০৭-০৮ৰ Package No. AS-05-44ৰ NH-31to Sildanga Road আৰু PMGSY ২০০৮-০৯ৰ Package No. AS-05-55ৰ Halangbazar Kochua Road আৰু Khelbapara Anandanagar Road এতিয়ালৈকে সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(ঘ) ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়া সম্পূৰ্ণ কৰিব।

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) PMGSY আঁচনিৰ জৰিয়তে অসমত ১০০০ (এহেজাৰ)তকৈ অধিক জনবসতি সংযোগী পথৰ অনুমোদিত ১৫৯০৮.৫০ কিঃমিঃ ৰ বিপৰীতে ৩০ নৱেম্বৰ ২০১৩ লৈকে মুঠ ১৪৩০১.০৯ কিঃমিঃ দৈৰ্ঘ্য পকীকৰণ কৰা হৈছে। তদুপৰি ৫০০ (পাঁচশ) বা তাতোধিক জনবসতি সংযোগী পথ নিৰ্মাণৰ বাবে ১১৮৮.৫২ কিঃমিঃ পথৰ অনুমোদন পোৱা হৈছে আৰু তাৰে ৭.২১ কিঃমিঃ পথৰ আৱন্টন সম্পূৰ্ণ হৈছে আৰু কামবোৰ বিভিন্ন ঠাইত চলি আছে। ২৫০ বা তাতোধিক জনবসতি সংযোগী কোনোপথৰ অনুমোদনত এতিয়ালৈকে পোৱা হোৱা নাই।

খ) বিতং তথ্য Annexure-Aত সংলগ্ন কৰা হ'ল।

(গ) PMGSY ২০০৭-০৮ৰ Package No. AS-05-44ৰ NH-31to Sildanga Road বন বিভাগৰ অনুমতি দিয়াৰ বাবে কামটোৰ অনুমোদন বাতিল কৰিবৰ বাবে ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা। ২০০৮-০৯ৰ Package No. AS-05-55ৰ Halangbazar Kochua Road আৰু Khelbapara Anandanagar Road ৰ পূৰ্বৰ ঠিকাদৰ জনে লেহেম গতিৰে কাম কৰা বাবে কামটো বন্ধ কৰা হৈছে আৰু পুনৰ আৱন্টন প্ৰক্ৰিয়া চলি আছে।

(ঘ) ২০১৪ চনৰ ভিতৰত উক্ত কামবোৰ সম্পূৰ্ণ কৰিব পৰা যাব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনত চৰকাৰী নিৰ্দেশমতে সম্পূৰ্ণ মেধাৰ ভিত্তিত/ঠিকাভিত্তিক নিযুক্তি দিয়া সংযোগী শিক্ষাকৰ্মীসকলৰ পদসমূহক নিয়মীয়া কৰা হ'বনে?

(খ) শিক্ষামিত্ৰৰ পদসমূহ বিশেষ টেটৰ জৰিয়তে নিয়মীয়া কৰাৰ দৰে সংযোগী শিক্ষাকৰ্মীসকলৰ বাবেও বিশেষ টেটৰ ব্যৱস্থা কৰিবনে?

(গ) ভাৰতবৰ্ষৰ অইন অইন ৰাজ্য বিশেষকৈ পশ্চিমবংগ ৰাজ্যত ২০১০ চনৰ ৭ মে' তাৰিখত ৭৫,০০০ সংযোগী শিক্ষাকৰ্মীৰ চাকৰি নিয়মীয়া কৰাৰ বিষয়ে চৰকাৰ অবগতনে?

(ঘ) যদি অবগত, তেন্তে অসমৰাজ্যৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সংযোগী শিক্ষাকৰ্মীসকলৰ পদসমূহ নিয়মীয়াকৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই।

(খ) ভাৰত চৰকাৰৰ অনুমোদন অবিহনে কোনো বিশেষ টেট অনুষ্ঠিত কৰিব পৰা নাযায়।

(গ) অৱগত নহয়।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন আৰ্দশ বিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে? (সমষ্টি ভিত্তিত তথ্য দিব)

(খ) বিলাসী পাৰা পূৱ সমষ্টিত স্থাপন হ'বলগীয়া আদৰ্শ বিদ্যালয়সমূহৰ স্থান নিৰ্ধাৰণ কৰা হৈছে নে? (যদি হৈছে ঠাইসমূহৰ নাম দিব)

(গ) উক্ত বিদ্যালয়সমূহৰ নিৰ্মাণ কাৰ্য্যৰ কামত অগ্ৰগতি কি? (ঠিকাদাৰৰ নাম আৱন্টিত ধনৰ পৰিমান বিতং তথ্য দিব)

(ঘ) বিদ্যালয়সমূহৰ নিৰ্মাণকাৰ্য্য কেতিয়া সম্পূৰ্ণ হ'ব আৰু কেতিয়াৰ পৰা পাঠ্যক্ৰম আৰম্ভ হ'ব?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৮১খন আদৰ্শ বিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। সমষ্টি ভিত্তিক তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হৈছে।

(খ) হৈছে। বিতং তথ্য পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হৈছে।

(গ) বৰ্তমানলৈকে ৪৫খনৰ নিৰ্মাণকাৰ্য্য চলি আছে। বিতং তথ্য পৰিশিষ্ট 'গ'ত সংলগ্ন কৰা হৈছে।

(ঘ) নিৰ্মাণকাৰ্য্য সম্পন্ন হ'লে অহা শিক্ষাবৰ্ষত অতিকমেও ১০খনত পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ মনস্থ কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) The Assam Venture Educational Institutions (Provincialisation Services Act. 2011) ৰ অধীনত অসমৰ কোন কেইখন অপ্রাদেশীকৃত কণিষ্ঠ মহাবিদ্যালয় প্রাদেশীকৰণৰ ব্যৱস্থা কৰা হৈছে?

(খ) ২০০৬ চন আৰু তাৰ আগতে H.S.1sr year ৰ Govt. concurrence পোৱা Junior College কেইখন আৰু কি কি?

(গ) দীৰ্ঘদিন বিভাগীয় অনুমতি আৰু চৰকাৰী স্বীকৃতি প্রক্রিয়া বন্ধ থকা হেতুকে ২০০৯আৰু ২০১০চনত H.S 2nd year ৰ Govt. concurrence পোৱা উক্ত Junior College সমূহ প্রাদিশীকৰণ কৰিবনে?

(ঘ) উক্ত পর্য্যায়ৰ College সমূহক প্রাদেশীকৰণ আইন আওতাত লোৱাৰ দৰে Junior College সমূহৰ ক্ষেত্রতো একে ব্যৱস্থা লবনে?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) The Assam Venture Educational Institution (Provincialisation of Services) Act.2011 ৰ অধীনত তলত উল্লেখ কৰা ১২খন কনিষ্ঠ মহাবিদ্যালয় প্রাদেশীকিৰণ কৰা হৈছে।

১। মচলপুৰ কনিষ্ঠ মহাবিদ্যালয় - বাস্কা জিলা

২। বৰলৈ কনিষ্ঠ মহাবিদ্যালয় - দৰং জিলা

৩। মঙ্গলদৈ কনিষ্ঠ মহাবিদ্যালয় - দৰং জিলা

৪। কলাতলি কাঠমি আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয় - কামৰূপ (গ্রাম্য) জিলা

৫। পাতিদৰং কনিষ্ঠ মহাবিদ্যালয় - কামৰূপ (গ্রাম্য) জিলা

৬। টিপকাই কনিষ্ঠ মহাবিদ্যালয় - কোকৰাঝাৰ জিলা

৭। ৰাজগড় কনিষ্ঠ মহাবিদ্যালয় - লক্ষিমপুৰ জিলা

৮। পশ্চিম নলবাৰী কনিষ্ঠ মহাবিদ্যালয় - নৱবাৰী জিলা

৯। জনতা মহাবিদ্যালয় (কনিষ্ঠ) - তিনচুকীয়া জিলা

১০। কাকি কনিষ্ঠ মহাবিদ্যালয় - নগাওঁ জিলা

১১। কমাৰবন্ধা কনিষ্ঠ মহাবিদ্যালয় - গোলাঘাট জিলা

১২। মৰঙ্গী কনিষ্ঠ মহাবিদ্যালয় - গোলাঘাট জিলা

(খ) মাধ্যমিক শিক্ষা সঞ্চালকালয়ত থকা তথ্য অনুসৰি ২০০৬ চন আৰু তাৰ আগতে H.S. 1st year Govt. concurrence পোৱা কনিষ্ঠ মহাবিদ্যালয় সংখ্যা ১৯৯খন। (নামৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল) বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

(গ) আৰু (ঘ) -ঐ-

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫৩। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে অসমৰ চাব জনগোষ্ঠীৰ লোকসকলৰ বাবে কি কি আঁচনি গ্রহণ কৰিছে?

(খ) উক্ত আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ হৈছেনে?

(গ) বিলাসীপাৰা পুৱসমষ্টিৰ অর্ন্তগত কৃষ্ণকলি, চৈবাৰী আৰু চাপৰ চাহ বাগিচাৰ অন্তর্গত চাহ জনগোষ্ঠীৰ লোকসকলৰ এই আঁচনিৰ জৰিয়তে উপকৃত হৈছেনে? (বিতং তথ্য দিব)

(ঘ) সম্পূর্ণৰূপে অনগ্রসৰ উক্ত চাহ বাগিচাত বসবাস কৰা লোকসকলৰ চিকিৎসা, শিক্ষা, খোৱাপানী, পর্য্যাপ্ত বিদ্যুৎ যোগান আদিৰ সুব্যৱস্থা চৰকাৰে কৰিবনে?

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে অসমৰ চাহ জনজাতি কল্যাণ বিভাগৰ জৰিয়তে চাহ ও প্রাক্তন চাহ জনজাতি লোকসকলৰ বাবে গ্রহণ কৰা আঁচনিসমূহৰ তালিকা

পৰিশিষ্ট-১ত দাখিল কৰা হ'ল।

(খ) হয়। এই আঁচনি সমূহসঠিক ভাৱে ৰূপায়ণ হৈ আছে।

(গ) বিলাসীপাৰা পূৱসমষ্টিৰ অন্তর্গত কৃষ্ণকলি, চৈবাৰী আৰু চাপৰ চাহ বাগিচাৰ অন্তর্গত চাহ জনগোষ্ঠীৰ লোকসকল এই আঁচনিৰ জৰিয়তে উপকৃত হৈছে। বিতং তথ্য পৰিশিষ্ট - ক ত দাখিল কৰা হ'ল।

(ঘ) অসমৰ সমূহ চাহ ও প্রাক্তন চাহ জনজাতি ৰ কল্যাণার্থে বিশুদ্ধ খোৱা পানী যোগান, অনাময় আঁচনি ৰূপায়ণ, চাহ কর্মীৰ আৱাস গৃহত বিজুলি যোগানৰ সূচলার্থে বিনামূলীয়াকৈ বৈদ্যুতিক মিটাৰ বিতৰণ, শিক্ষাৰ সুচলার্থে চাহও প্রাক্তন চাহ জনজাতি ছাত্র-ছাত্রীসকললৈ প্রাক-প্রৱেশিকা, প্রৱেশিকোত্তৰ জলপানী তথা উচ্চ শিক্ষাৰ বাবে বিত্তীয় সাহার্য্য প্রদান আঁচনি ৰূপায়ণ কৰা অহা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫৪। মাননীয় বন ও পৰিৱেশ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৯ চনৰ পৰা বর্তমানলৈকে অসমৰ বন বিভাগৰ জৰিয়তে অসমৰ বিভিন্ন জিলাত বাঁহ ৰোপনৰ বাবদ কিমান পূঁজি আবন্টন দিয়া হৈছে? (জিলা ভিত্তিক তথ্য দিব)

(খ) ২০০৯ চনৰ পৰা বর্তমানলৈকে ধুবুৰী জিলাৰ বিভিন্ন ৰেঞ্জৰ অধীনত কোন কোন অঞ্চলত বাঁহ ৰোপন কৰা হৈছিল? (আঁচনি ভিত্তিত তথ্য দিব)

(গ) এতিয়ালৈকে কিমান সংখ্যক পুলি ৰোপন কৰা হৈছে আৰু কিমান পুলি জীৱিত অৱস্থাত আছে? প্রতি বছৰে বাঁহ ৰোপনৰ বাবদ কিমান ধন মোকলাই দিয়া হৈছিল? (আঁচনিৰ বিপৰীতে বছৰ ভিত্তিক তথ্য দিব)

(ঘ) FDA, Assam ৰ জৰিয়তে BIO-GAS PLANT আঁচনিখন অসমৰ কোন জিলাত ৰূপয়াণ হৈ আছে ? (বিতং তথ্য দাখিল কৰিব)

শ্রীৰকিবুল হুছেইন (বন ও পৰিৱেশ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্রীয় চৰকাৰৰ আঁচনি 'ৰাষ্ট্রীয় বাঁহ অভিযান' (National Bamboo Mission)ৰ অন্তর্গত 'বাঁহ উন্নয়ন অভিকৰণ, অসম' (Bamboo Development Agency, Assam) ৰ জৰিয়তে ২০০৯-১০চনৰ পৰা এতিয়ালৈকে (২০১৩-১৪ চনৰ ১২ ডিচেম্বৰ পর্য্যন্ত) মুঠ ৩২৮৪.০৯৪ লাখ পুঁজিৰ আৱন্টন দিয়া হৈছে।

(খ) 'বাঁহ উন্নয়ন অভিকৰণ, অসমে' 'ৰাষ্ট্রীয় বাঁহ অভিযান আঁচনিৰ জৰিয়তে ধুবুৰী জিলাৰ যোগীপাৰা (১০হেক্টৰ), চিৰাকুটা (১০ হেক্টৰ) আৰু টুলুপাৰা (১০ হেক্টৰ) জে.এফ.এম.চি আদিৰ জৰিয়তে (বন সংমণ্ডৰ বিষয়াৰ অধীনত) বাঁহ ৰোপন কৰা হৈছিল।)

(গ) 'ৰাষ্ট্রীয় বাঁহ অভিযান' আঁচনিখনৰ জৰিয়তে অসমৰ বিভিন্ন জিলাত সর্বমুঠ ২৫,২০,১৬০জোপা বাঁহ পুলি ২০০৬-০৭চনৰ পৰা বর্তমানলৈকে (১২-১২-২০১৩) ৰোপন কৰা হৈছে আৰু জীৱিত বাঁহপুলিৰ পৰিমাণ প্রায় ৬৪ শতাংশ।

(ঘ) FDA, Assamৰ জৰিয়তে Bio Gas Plant আঁচনিখন ৰূপায়ন হোৱাৰ বিতং তালিকা ১ত দিয়া হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫৫। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলাত BRGF আঁচনি ৰূপায়ণ হৈ আছে?

(খ) অসমৰ ভিতৰত আটাইতকৈ Backward হোৱা স্বত্তেও ধুবুৰী জিলাত কিয় BRGF আঁচনি ৰূপায়ণ কৰা হোৱা নাই?

(গ) বৃহত্তৰ ধুবুৰী জিলাবাসীৰ সর্বাদিশৰ উন্নয়ণ সাপেক্ষে উক্ত আঁচনি ৰূপায়ণ কৰিবনে?

(ঘ) যদি কৰে, কেতিয়া কৰিব?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ১৩খন জিলাত BRGFৰ আঁচনি ৰূপায়ন হৈ আছে। সেই জিলা কেইখন হ'ল ঃ-

(1) Baksa, (2) Barpeta, (3) Bongaigaon, (4) Cachar, (5) Dhemaji (6) Goalpara, (7) Hailakandi (8) Chirang, (9) Korajhar, (10) Karbi Anglong (11) N.C. Hills (Dima Hasao), (12) Morigaon, (13) Lakhimpur.

(খ) কেন্দ্রীয় চৰকাৰে বিভিন্ন দিশ পৰীক্ষা কৰি BRGF আঁচনিৰ বাবে জিলাসমূহ বাঁছনি কৰে। সেয়েহে অসম চৰকাৰে নিজে ধুবুৰী জিলাত BRGF আঁচনি ৰূপায়ন কৰাৰ প্রশ্ন নুঠে।

(গ) কেন্দ্রীয় চৰকাৰ সিদ্ধান্তৰ ওপৰত নির্ভৰ কৰে।

(ঘ) কেন্দ্রীয় চৰকাৰে জিলাখনক বাঁচনি কৰিলে কৰিব পৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ-

৫৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বার্ষিক পৰিকল্পনা শিতানত ২০১২-১৩আৰু ২০১৩-১৪বর্ষত কোন কোন জিলাত কিমান টকা মোকলাই দিয়া হৈছে? (তালিকা দখিল কৰিব)

(খ) ধুবুৰী জিলাৰ বিলাসীপাৰা পূৰ সমষ্টিৰ অন্তর্গত শালকোচা শিলগাৰা পথৰ শোচনীয় তথা জৰাজীর্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, তেনেহ'লে যাতায়ত সুচল হ'ব পৰাকৈ শীঘ্রে ইয়াৰ ব্যৱস্থা লবনে?

(ঘ) বিলাসীপাৰা পূৰ সমষ্টিৰ অন্তর্গত কাঠৰ দলংবোৰৰ জৰাজীর্ণ অৱস্থা বিষয়ে

চৰকাৰে অৱগতনে? যদি অৱগত, তেন্তে দলংবোৰ কেতিয়া পকীকৰণ কৰা হ'ব? (বিতং তথ্য দাখিল কৰিব)

(ঙ) CM Special Package ৰ জৰিয়তে অসমৰ কোন কোন জিলাত ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বৰ্ষকেইটাত কি কি আঁচনি লোৱা হৈছে। বিতং তথ্য দাখিল কৰিব।

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বাৰ্ষিক পৰিকল্পনা শিতানত ২০১২-১৩আৰু ২০১৩-১৪বৰ্ষত মুঠ ৩৮০৩৪.০৮৮২১ লাখ টকা আৰু মুঠ ১৭৮৬৬.১৮২৬০ লাখ টকা মোকলাই দিয়া হৈছে। (বিতং তথ্য পৰিশিষ্ট '১'ত সংলগ্ন কৰা হ'ল)

(খ) হয়। অৱগত।

(গ) উপযুক্ত শিতানত প্ৰয়োজনীয় ধনৰ অনুমোদন ও আৱণ্টন সাপেক্ষে পথটোৰ মেৰামতিৰ কাম হাতত লব পৰা যাব।

(ঘ) হয়। অৱগত। ইতিমেধ্য ৬খন কাঠৰ দলং, PMGSYৰ আঁচনিৰ জৰিয়তে পকীকৰণৰ ব্যৱস্থা কৰা হৈছে। বাকী থকা কাঠৰ দলংসমূহ পুঁজি সাপেক্ষে পৰ্যায়ক্ৰমে উপযুক্ত আঁচনিৰ জৰিয়তে পকীকৰণৰ ব্যৱস্থা কৰা হ'ব। (বিতং তথ্য পৰিশিষ্ট '২'ত সংলগ্ন কৰা হ'ল)

(ঙ) CM Special Package ৰ জৰিয়তে অসমৰ বিভিন্ন জিলাত ২০১১-১২চনত কোনো আঁচনি হাতত লোৱা হোৱা নাছিল।

২০১২-১৩ চনত ১২২খন আঁচনি হাতত লোৱা হৈছিল আৰু ২০১৩-১৪ চনত বৰ্তমানলৈকে ৯৪খন আঁচনি হাতত লোৱা হৈছে। (জিলা ভিত্তিত বিতং তথ্য পৰিশিষ্ট '৩'ত দিয়া হ'ল)

বিষয় ঃ বিলাসীপাৰাত সংঘটিত অগ্নিকাণ্ড।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সঘনাই সংঘটিত হৈ থকা অগ্নিকাণ্ড ৰোধ' কৰাৰ বাবে চৰকাৰৰ হাতত কি ব্যৱস্থা আছে?

(খ) ধুবুৰী জিলাত কিমানটা অগ্নি নির্বাপক কেন্দ্র আছে?

(গ) অলপতে বিলাসীপাৰা পূব সমষ্টিৰ অন্তর্গত বিলাসীপাৰা বজাৰত বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হোৱা সম্পর্কে চৰকাৰ অৱগত নে?

(ঘ) যদি অৱগত, বিলাসীপাৰাত অৱস্থিত অগ্নিনির্বাপক কেন্দ্রটোত পর্যাপ্ত সা-সুবিধাৰ ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়া কৰিব?

শ্রী ৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন ও বন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) অসম সংঘটিত হৈ থকা অগ্নিকাণ্ডবোৰ ৰোধ কৰাৰ বাবে বিদ্যালয়, মহাবিদ্যালয়, আৱাসগৃহৰ লগতে বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠংনসমূহত সজাগতা সভা, বাটৰ নাট প্রদর্শন, উদ্ধাৰ কার্যৰ কলা-কৌশল প্রদর্শন কৰাৰ উপৰিও অগ্নি প্রতিৰোধৰ সা-সঁজুলিসমূহ অনুষ্ঠান-প্রতিষ্ঠানসমূহত মজুত ৰখাৰ বাবে পৰামর্শ দি থকা হৈছে। ইয়াৰ উপৰিও অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ৰ তৰফৰ পৰা নিয়মীয়াভাৱে ৰাজ্যখনৰ বিভিন্ন স্থানৰ বাসগৃহ, ব্যৱসায় প্রতিষ্ঠান, হস্পিতাল, নার্ছিংহোম, স্কুল, তেল ডিপো, ফটকা দোকান, কাৰখানা, হাটবজৰ আদিৰ অগ্নি নিৰাপত্তামূলক ব্যৱস্থা পৰীক্ষা কৰি অগ্নিকাণ্ড ৰোধ কৰাৰ বাবে যাৱতীয় পৰামর্শ আৰু নির্দেশনা দি থকা হৈছে।

(খ) ধুবুৰী জিলাত বর্তমান ৭(সাত)টা অগ্নি ও আপদকালীন সেৱা কেন্দ্র কার্যকৰী হৈ আছে।

(গ) হয়, চৰকাৰ অৱগত।

(ঘ) বিলাসীপাৰাত অৱস্থিত অগ্নি আৰু আপদকালীন সেৱা কেন্দ্রত ইতিমধ্যে প্রয়োজনীয় সা-সঁজুলিৰ ব্যৱস্থা কৰা হৈছে। উক্ত সেৱা কেন্দ্রত মজুত থকা অগ্নিনির্বাপক বাহন আৰু সঁজুলিসমূহৰ তালিকাক ইয়াৰ লগত সংলগ্ন কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৫৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিত কোন কোন হাইস্কুলত হায়াৰ ছেকেণ্ডাৰী স্কুললৈ উন্নীত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে ?

(খ) কোন কোন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান আৰু কোন কেইখনত বাণিজ্য শাখা খোলা হ'ব?

(গ) এই সম্পৰ্কীয় অগ্ৰগতিৰ তথ্য চৰকাৰে সদনৰ মজিয়াত দাখিল কৰিবনে?

ড° হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধিং সমষ্টিত তলত উল্লেখ কৰা হাইস্কুল কেইখনৰ হায়াৰ ছেকেণ্ডাৰী স্কুললৈ উন্নীত কৰাৰ বাবে আবেদন তথা চুপাৰীশ পোৱা হৈছে আৰু বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

(১) দগাঁও এ কে হাইস্কুল।

(২) শালাকাটি হাইমাদ্ৰাছা।

(৩) বাটামাৰী হাইস্কুল ।

(৪) দাতিয়াল বড়ি হাইমাদ্ৰাছা।

(৫) জাৰামাৰী হাইস্কুল।

(খ) ধিং সমষ্টিত বিজ্ঞান আৰু কলা শাখা খুলিব বিচৰা বিদ্যালয় সমূহ হ'ল ঃ-

(১) দগাঁও এ কে হাইস্কুল-বিজ্ঞান শাখা।

(২) শালাকাটি হাইমাদ্ৰাছা - বিজ্ঞান শাখা।

(৩) বাটামাৰী হাইস্কুল -বাণিজ্য শাখা।

(৪) দাতিয়াল বড়ি হাইমাদ্ৰাছা - বাণিজ্য শাখা।

(৫) জাৰামাৰী হাইস্কুল - কলা শাখা।

(গ) বিভাগীয় পৰীক্ষা প্ৰত্যেকটো প্ৰস্তাৱৰ ওপৰত চলি আছে আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

বিষয় ঃ বিলাসীপাৰাত সংঘটিত অগ্নিকাণ্ড।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৫৯। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Assam Entry Tax ২০১১-১২ৰ অধীনত Old NH-31 (at Bilashipara) পথৰ কিমান কিঃমিঃ অংশ মেৰামতি কৰাৰ বাবে প্ৰস্তাৱ পোৱা গৈছিল?

(খ) প্ৰস্তাৱিত ৫০ লাখ টকাৰে উক্ত পথছোৱাৰ কিমান অংশ মেৰামতি কৰাৰ প্ৰাকলন প্ৰস্তুত কৰা হৈছিল?

(গ) Assam Entry Tax 2011-12ৰ অধীনত বিলাসীপাৰা পূব সমষ্টিত ৰূপায়ণ কৰা আঁচনিসমূহৰ প্ৰাকলন আৰু ব্যৱসায়িক প্ৰমাণ পত্ৰৰ প্ৰতিলিপি সদনত দাখিল কৰিবনে?

শ্ৰীমতী অজন্তা নেওক (গড়কাপ্টানি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) Assam Entry Tax শিতানত ২০১১-১২ বৰ্ষত Old NH-31 (at Bilashipara) পথৰ মুঠ ৪.৪৩ কিঃমিঃ বিভিন্ন অংশ মেৰামতি কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছিল।

(খ) উক্ত পথছোৱাৰ বিপৰীতে প্ৰস্তাৱিত ৫০.০০ লাখ টকাৰ বিপৰীতে মুঠ ৪৯.৯৬২৩ লাখ টকাৰ কাৰ্যকৰী প্ৰাককলন (working estimate) মুঠ ৪.৭০ কিঃমিঃৰ বিভিন্ন অংশ (in stretches) মেৰামতিৰ বাবে প্ৰস্তুত কৰা হৈছিল।

(গ) ৰূপায়িত আঁচনিসমূহৰ প্ৰাক্‌কলন আৰু ব্যৱহাৰিক প্ৰমাণ পত্ৰৰ প্ৰতিলিপি কাৰ্যবাহী অভিযন্তাৰ পৰা বিচৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৬০। মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উদ্যোগ আৰু বাণিজ্য বিভাগত বৰ্তমান কি কি আঁচনি চলি আছে?

(খ) উদ্যোগ আৰু বাণিজ্য বিভাগৰ জৰিয়তে ধুবুৰী জিলাত ২০১০-২০১১, ২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বৰ্ষত কিমানজন নিবনুৱাক ঋণ প্ৰদান কৰা হৈছে? (হিতাধিকাৰীৰ নামৰ সৈতে সমষ্টি ভিত্তিক বিতং তথ্য দাখিল কৰিব)

(গ) হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত কোনো বাছনি কমিটী আছেনে?

(ঘ) যদি আছে, এই কমিটীসমূহৰ ম্যাদ কিমান দিন? (কমিটী গঠনৰ নিয়ম-নীতিসমূহ দাখিল কৰিব)

শ্ৰী প্ৰদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উদ্যোগ আৰু বাণিজ্য বিভাগত চলি থকা আঁচনিসমূহ লগত গাঁঠি দিয়া হ'ল (Annexure-'A')

(খ) তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল (Annexure'B)

(গ) হয়, আছে।

(ঘ) এই কমিটীৰ ম্যাদৰ বিষয়ে উল্লেখ নাই। যেতিয়ালৈ এই আঁচনি থাকিব, কমিটীৰো ম্যাদ থাকিব। অৱশ্যে দৰকাৰ হ'লে সংশোধন কৰিব পৰা ব্যৱস্থা আছে। কমিটীৰ জাননী (Notification) ইয়াৰ লগত গাঁঠি দিয়া হ'ল। (Annexure'C') য'ত কমিটীৰো নিয়ম-নীতিসমূহ দিয়া আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

শ্ৰীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৬১। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত আজিলৈকে কিমানখন গাড়ী, কোন কোন হিতাধিকাৰীৰ মাজত আবণ্টন দি বিতৰণ কৰা হৈছে? (সমষ্টি ভিত্তিত হিতাধিকাৰীৰ তালিকা সদনত দাখিল কৰিব)

(খ) এই বিভাগত গাড়ী ক্রয় কৰাৰ বাবদ কিমান পুঁজি ব্যয় কৰিছে? (পৃথকে পৃথকে গাড়ীৰ মূল্যৰ তালিকা দাখিল কৰিব)

শ্রীচন্দন ব্রহ্ম (পর্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত আজিলৈকে মুঠ ৬০৯খন পর্যটক গাড়ী ৬০৯জন হিতাধিকাৰীৰ মাজত আৱণ্টন দিয়া হৈছে। জিলা ভিত্তিত হিতাধিকাৰীসকলৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত এই বিভাগে কোনো ধৰণৰ গাড়ী ক্রয় কৰা নাই। বৰঞ্চ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক পর্যটক বাহন, ধাবা আদিৰ বাবে ৰাজ-সাহায্য Margin Money হিচাপে প্রকল্প মূল্যৰ অধিকতম সীমা 80 % বা সর্বোচ্চ তিনি লাখ টকা পর্যন্ত হিতাধিকাৰীসকলক দিয়া হয়। এনে সাহায্য ২০০৮-০৯ চনৰ পৰা ২০১০-১১ চনলৈকে মুঠ ১৬.২৫ কোটি টকা ব্যয় কৰা হৈছে আৰু ২০১১-১২ আৰু ২০১২-১৩ৰ বিপৰীতে প্রায় ৭.৬৫ কোটি টকা দিয়াৰ বাবে যাৱতীয় প্রক্রিয়া প্রায় সম্পূর্ণ কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৬২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা পূব সমষ্টিৰ অন্তর্গত বিলাসীপাৰা চহৰৰ AUWSP আঁচনি কাম ১৯৯৯ চনত আৰম্ভ হৈছিল যদিও এতিয়াও সম্পূর্ণ নোহোৱাৰ কাৰণ কি আৰু ইয়াৰ বাবে দায়ী কোন?

(খ) উক্ত আঁচনিৰ কাম বর্তমানলৈকে কিমান শতাংশ সম্পূর্ণ হৈছে আৰু

কেতিয়া সম্পূর্ণ হ'ব?

(আঁচনিটোত আবণ্টিত পুঁজিৰ পৰিমাণ, খৰচ কৰা পুঁজিৰ পৰিমাণ, (ঠিকাদাৰ (Executive Agency)ৰ বিতং তথ্য দিব।

(গ) নগৰী উন্নয়ন বিভাগৰ জৰিয়তে বিলাসীপাৰা পূব সমষ্টিৰ চাপৰ নগৰত বিশুদ্ধ খোৱাপানীৰ নতুন আঁনি ৰূপায়িত হৈছেনে? যদি হোৱা নাই, ইয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীমতী অজন্তা নেওঁগ (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিলাসীপাৰা পূব সমষ্টিৰ অন্তর্গত বিলাসীপাৰা চহৰৰ AUWSP আঁচনিৰ কাম ১৯৯৯ চনত আৰম্ভ কৰা হৈছিল যদিও কিছুমান অত্যাৱশ্যকীয় কাম যেনে এটা গভীৰ নলীনাদ, পৰিশোধিত পানীৰ জলাধাৰ, পানী পৰিশোধ গোট আৰু কিছু অংশৰ পানী বিতৰক পৰিৱাহী নলী আদিৰ কাম অর্ধসমাপ্ত হোৱাৰ পাছত বাকী থকা কামখিনি সম্পূর্ণ কৰাৰ বাবে ৪৫৮.৯৯ লাখ টকাৰ এখন সংশোধিত বিস্তাৰিত প্রকল্প প্রতিবেদন (২০১২ চনত জানুৱাৰী মাহত অনুমোদিত)ৰ জৰিয়তে বাকী থকা কামখিনি কৰিবলৈ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত বর্তমান পৰিশোধিত পানী বিতৰণৰ জলাধাৰৰ কাম চলি আছে আৰু গভীৰ নলীনাদ এটা বহুওৱাৰ ব্যৱস্থা কৰা হৈছে। পর্যাক্রমে বাকী থকা কামখিনি সম্পূর্ণ কৰা হ'ব।

উপৰোক্ত প্রকল্পটো সম্পূর্ণ নোহোৱাৰ বাবে কাকো নির্দিষ্টভাৱে দায়ী কৰিব পৰা নাযায়।

(খ) উক্ত আঁচনিৰ কাম বর্তমানলৈকে ৬০ শতাংশ সম্পূর্ণ হৈছে আৰু অহা ২০১৪ বর্ষৰ ডিচেম্বৰ মাহত সম্পূর্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

আঁচনিত আবণ্টিত পুঁজিৰ পৰিমাণ, খৰচ কৰা পুঁজিৰ পৰিমাণ আৰু ঠিকাদাৰ (Executive Agency)ৰ নাম আদিৰ বিতং তথ্য পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল।

(গ) হোৱা নাই।

নগৰ উন্নয়ন বিভাগৰ অধীনৰ অসম নগৰ, পানীযোগান ও পয়-প্ৰণালী পৰিষদে চাপৰ নগৰত বিশুদ্ধ খোৱাপানী যোগান আঁচনিৰ বাবে এখন বিস্তাৰিত প্ৰকল্পৰ প্ৰতিবেদন চতুৰ্থ অসম ৰাজ্যিক বিত্তীয় আয়োগৰ শিতানত প্ৰস্তুত কৰি আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৬৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী এফ আৰ ইউত বৰ্তমান কৰ্মৰত চিকিৎসক-কৰ্মচাৰীৰ সংখ্যা কিমান?

(খ) কি কি পদ খালী আছে আৰু সেইবিলাক কেতিয়া পূৰণ কৰা হ'ব?

(গ) এফ আৰ ইউখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আৰু কি কি প্ৰয়োজন আছে? সেইবিলাক কাম চৰকাৰে কৰিবনে? যদি কৰে কেতিয়া কৰিব?

ড° হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী এফ আৰ ইউত বৰ্তমান কৰ্মৰত চিকিৎসক, কৰ্মচাৰীৰ সংখ্যা এনেদৰণৰ ঃ

১। চিকিৎসক	ঃ	৭ জন
২। নাৰ্ছ	ঃ	৭ গৰাকী
৩। লেবৰেটৰী টেক্‌নিচিয়ান	ঃ	১ জন
৪। ৰেডিঅ'গ্ৰাফাৰ	ঃ	১জন
৫। স্বাস্থ্য প্ৰশিক্ষক	ঃ	১জন

৬। সহায়ক ঃ ১জন

৭। ড্রেচাৰ ঃ ১জন

৮। চুইপাৰ ঃ ১জন

৯। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ঃ ৪ জন

১০। ফাৰ্মাচিষ্ট ঃ ১জন

(খ) মৈৰাবাৰী এফ আৰ ইউত বৰ্তমান স্বাস্থ্যৰ বিষয়াৰ এটা পদ আৰু চাৰিগৰাকী ষ্টাফ নাৰ্ছৰ পদ খালি হৈ আছে। বিভাগীয় নিয়মানুযায়ী খালি পদসমূহ পৰ্যায়ক্ৰমে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(গ) মৈৰাবাৰী এফ আৰ ইউখনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়াই জিলা উপায়ুক্ত মহোদয়লৈ প্ৰয়োজনীয় আহিলা, Man Power আদিৰ এখন তালিকা প্ৰস্তুত কৰি চিঠি নং Memo No MCHC/ FRU/Esstt./2012-13/17. dtd 31/5/2012 মৰ্মে অৱগত কৰিছে। বৰ্তমানে চৰকাৰৰ ওচৰত তেনে কোনো প্ৰাক্‌কলন স্বাস্থ্য সঞ্চালকালয়ৰ পৰা পোৱা হোৱা নাই। প্ৰস্তাৱ পালে বিবেচনা কৰি চোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাত কিমান উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰিবলৈ বাকী আছে?

(খ) ডাইচ কোডসহ সহবিদ্যালয়সমূহৰ তালিকা সদনত দাখিল কৰিবনে?

(গ) নগাঁও আৰু মৰিগাঁও জিলাত প্ৰাদেশীকৰণ কৰিবলৈ বাকী থকা প্ৰি-ছিনিয়ৰ মাদ্ৰাছাসমূহৰ নামৰ তালিকা ডাইচ কোডসহ সদনত দাখিল কৰিবনে? এইবিলাক কেতিয়া আৰু কি পদ্ধতিৰে প্ৰাদেশীকৰণ কৰা হ'ব।

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাত জিলা পর্যায়ৰ বাছনি কমিটীৰ দ্বাৰা অনুমোদিত প্রস্তাৱমর্মে প্রাদেশীকৰণৰ বাবে বাকী থকা বিদ্যালয়ৰ তথ্য তলত দিয়া হ'ল—

জিলা	নিম্ন প্রাথমিক	উচ্চ প্রাথমিক	মুঠ
নগাঁও	১৩০খন	৩খন	১৩৩খন
মৰিগাঁও	১৮খন	—	১৮ খন
সর্বমুঠ			১৫১খন

(খ) তালিকা Annexure-Iত দাখিল কৰা হ'ল।

(গ) তালিকা Annexure-II ত দাখিল কৰা হ'ল।

Assam Venture Educational Institution (Provincialisation of Services) Act, 2011 as amended 2013 মর্মে এই বিদ্যালয়সমূহৰ প্রাদেশীকৰণৰ প্রক্রিয়া চলি আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৬৫। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ জুৰীয়া উন্নয়ন খণ্ডৰ অধীনস্ত কান্ধুলীমাৰী পৰমাই ভেটি গাঁও পঞ্চায়তৰ পৰমাইভেটি গাঁৱৰ ইমান আলী নামৰ হিতাধীকাৰী এজনে IAY ঘৰৰ সম্পূর্ণ টকা নোপোৱাৰ বাবে জুৰীয়া থানাত এটা গোচৰ ৰুজু কৰাটো সত্য নে?

(খ) উক্ত গোচৰৰ পঞ্জীয়ণ নম্বৰ কিমান? কিমান তাৰিখে গোচৰটো পঞ্জীয়ণভূক্ত হৈছিল?

(গ) উপৰোক্ত গোচৰৰ অগ্রগতি কিমান? তদন্তৰ প্রতিবেদনৰ সহ এই সংক্রান্তত গ্রহণ কৰা কার্য্য ব্যৱস্থাৰ তথ্য জনাবনে?

শ্রীৰকিবুল হুছেইনে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ (পঞ্চায়ত আৰু গ্রামোন্নয়ন আদি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) উক্ত গোচৰৰ পঞ্জীয়ন নং ১৬১/১৩, ভাঃদঃবিঃ আইনৰ ১২০(খ)/৪০৬/৪০৯/৪২০/৫০৬/৩৪ধাৰা। গোচৰটো যোৱা ইং ০৩/০৬/২০১৩তাৰিখে পঞ্জীয়নভূক্ত হৈছিল।

(গ) গোচৰ বর্তমান তদান্তধীন হৈ আছে। এই গোচৰৰ পদকীয়া দুজন মোঃ ৰুহুল আমিন, সচিব, কান্দুলি মাৰি পৰমাই ভেটি গাঁও পঞ্চায়ত আৰু জুৰীয়া খণ্ড উন্নয়ন কার্য্যালয়ৰ কনিষ্ঠ অভিযন্তা মোঃ ইচাহাক চৌধুৰীয়ে মহামান্য উচ্চ ন্যায়ালয়ৰ পৰা অগ্রিম জামিন (Interim Bail) লৈ আছে। ইতিমধ্যে যোৱা ইং ০২/১২/২০১৩ তাৰিখে উভয় পক্ষই মিলি উক্ত IAY ৰ ঘৰটো উভয় পক্ষৰ সহযোগত বনোৱাৰ বাবে সিদ্ধান্ত কৰি স্থানীয় ৰাইজৰ সহযোগত গোচৰটো আপোচ মীমাংসা কৰিছে। গোচৰীয়া মোঃ ইমান আলীয়ে এই গোচৰ আৰু এজাহাৰত উল্লেখিত পদকীয়াৰ ওপৰত গোচৰ নচলাব বুলি লিখিত ভাবে আৰক্ষী চকীত জনাইছে। গতিকে এই পর্য্যন্ত পদকীয়া দুজনক গ্রেপ্তৰ কৰা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৬৬। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি ঃ

(ক) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয়বর্ষত নগাওঁ জিলাৰ জুৰীয়া উন্নয়ন খণ্ড আৰু বটদ্রৱা উন্নয়ন খণ্ডৰ DDP, TFC, 4th Finance আৰু SGSY আঁচনিৰ জৰিয়েতে মুঠ কিমান টকা আৱন্টিত

হৈছিল? গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ জৰিয়তে উপৰোক্ত শিতানসমূহত কি কি কাম কৰা হৈছিল? (আৱন্টিত টকা, আঁচনিৰ বিৱৰণ আৰু খৰচৰ তথ্য সহ পৃথক তালিকা দিব।)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত নগাঁও জিলাৰ জুৰীয়া আৰু বটদ্ৰৱা উন্নয়নখণ্ডৰ DDP, TFC আৰু 4th Finance আঁচনিৰ অধীনত জিলা পৰিষদৰ জৰিয়তে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়তসমূহত আৱন্টিত টকাৰ পৰিমান, আঁচনিৰ বিৱৰণ তথা খৰচৰ তথ্যসমূহ পৰিশিষ্ট 'ক'ত সদনৰ মেজত দাখিল কৰা হ'ল।

একেদৰে প্ৰকল্প সঞ্চালক, গ্ৰামীন বিকাশ অভিকৰন, নগাঁওৰ পৰা SGSY সন্দৰ্ভত পোৱা বিতং তথ্য পৰিশিষ্ট 'খ'ত সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৬৭। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয়বৰ্ষত নগাঁও জিলাৰ বটদ্ৰৱা ব্লকৰ অন্তৰ্গত বিলটীয়া আৰু কান্ধুলীমাৰী গাঁও পঞ্চায়তত আৰু জুৰীয়া ব্লকৰ আলিটাঙনী মৌজাৰ অন্তৰ্গত ১০খন গাঁও পঞ্চায়তত মুঠ কিমান জন হিতাধিকাৰীক আই এ ৱাইৰ ঘৰ প্ৰদান কৰা হৈছে? (পঞ্চায়ত ভিত্তিত হিতাধিকাৰী সংখ্যা পৃথক পৃথকে উল্লেখ কৰিব)

(খ) তাৰ ভিতৰত কিমান ঘৰ সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে?

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বটদ্ৰৱা উন্নয়ন খণ্ডৰ ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত নগাঁও জিলাৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত বিলটীয়া আৰু কান্ধুলীমাৰী

গাঁও পঞ্চায়তত আৰু জুৰয়ী উন্নয়ন খণ্ডৰ আলিটাঙনী মৌজাৰ অন্তৰ্গত ১০খন গাঁও পঞ্চায়তত IAY ঘৰ পোৱা হিতাধিকাৰীসকলৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

বটদ্ৰৱা উন্নয়ন খণ্ড —

	২০১১-২০১২		২০১২-১৩		২০১৩-২০১৪	
গাঁও পঞ্চয়তৰ নাম	আৱন্টিত ঘৰ	সম্পূৰ্ণ হোৱা ঘৰ	আৱন্টিত ঘৰ	সম্পূৰ্ণ হোৱা ঘৰ	আৱন্টিত ঘৰ	সম্পূৰ্ণ হোৱা ঘৰ
বিলতীয়া গাঁও পঞ্চায়ত	৫৭	৫৭	৩১	৩১	১৭	নাই
কান্দুলীমাৰী গাঁও পঞ্চায়ত	৩৬	৩৬	২০	২০	২৯	নাই
মুঠ	৯৩	৯৩	৫১	৫১	৪৬	নাই

জুৰীয়া উন্নয়ন খণ্ড—

	২০১১-২০১২		২০১২-১৩		২০১৩-২০১৪	
গাঁও পঞ্চয়তৰ নাম	আৱন্টিত ঘৰ	সম্পূৰ্ণ হোৱা ঘৰ	আৱন্টিত ঘৰ	সম্পূৰ্ণ হোৱা ঘৰ	আৱন্টিত ঘৰ	সম্পূৰ্ণ হোৱা ঘৰ
আলিটাঙনী গাঁও	৩১	২৪	২	২	২৭	নাই

সোনাইবেৰা শিমলুআৰ্টী	৪৪	৪৩	৩৩	২৯	৩০	নাই
দগাঁও ধিংগাঁও	৪৪	৪৪	৩৩	২৯	২৭	নাই
কান্দুলীমাৰী পৰমাইভেটী	৪৪	৪২	৩১	২৮	৪৭	নাই
মেলেকামিং মুকুন্দআটি	৩৭	৩৫	৩২	৩০	৩৯	নাই
বালিকটীয়া	৫০	৪৬	২৮	২৭	৪১	নাই
বৰালিমাৰী ফুৰহানআটি	৪৫	৪২	৩৪	৩০	৩৪	নাহ
জৰামাৰি লঙিয়া	২৭	২৩	৩২	২৮	৩৪	নাই
পতিয়াচাপৰি মৌমাৰি	৩৭	৩৩	৩১	২৫	২৫	নাই
জেঙ্গনী কলাডুবা	৪৫	৪২	৩৬	২৮	৩৬	নাই
মুঠ	৪০৪	৩৭৩	২৯২	২৫৬	৩৪০	নাই

(খ) বটদ্রলা উন্নয়ন খণ্ডৰ বিলটীয়া আৰু কান্দুলীমাৰী গাঁও পঞ্চায়তৰ ২০১১-১২, ২০১২-১৩ বৰ্ষৰ আৱন্টিত IAY ঘৰসমূহৰ নিৰ্ম্মাণ সম্পূৰ্ণ হৈছে। ২০১৩-১৪বৰ্ষৰ IAY ঘৰসমূহৰ নিৰ্ম্মাণৰ কাম প্ৰাৰম্ভিক পৰ্য্যায়তে আছে।

জুৰীয়া উন্নয়ন খণ্ডৰ আলিটাঙনী মৌজাৰ এলেকাধীন ১০টা গাঁও পঞ্চয়াতৰ ২০১১-১২বৰ্ষৰ মুঠ ৪০৪টা ঘৰৰ বিপৰীতে ৩৭৩টা আৰু ২০১২-১৩বৰ্ষৰ ২৯২টাৰ বিপৰীতে ২৫৬টা ঘৰৰ কাম সম্পূৰ্ণ হৈছে। ২০১২-১৩বৰ্ষৰ ৩৪০টা IAYঘৰ নিৰ্মাণ কাম প্ৰাৰম্ভিক পৰ্য্যায়তে আছে।

বিতং তথ্য 'ক' অংশৰ প্ৰশ্নোত্তৰত দেখুৱা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৬৮। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী ব্লকত ২০১১-১২বৰ্ষ, ২০১২-২০১৩বৰ্ষ আৰু ২০১৩-১৪বৰ্ষত মুঠ কিমানজন হিতাধিকাৰীক আই এ ৱাইৰ ঘৰ প্ৰদান কৰা হৈছে? (তৰ ভিতৰত কিমান ঘৰ সম্পূৰ্ণ হৈছে আৰু কিমান ঘৰ সম্পূৰ্ণ হ'বলৈ বাকী আছে)

(খ) উপৰোক্ত সময়ছোৱাত গাঁও পঞ্চায়ত অনুযায়ী আই এ ৱাইৰ ঘৰ লাভ কৰা হিতাধিকাৰীৰ সংখ্যা উল্লেখ কৰিব। (হিতাধিকাৰীৰ তালিকা নিস্প্ৰয়োজন)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী উন্নয়ন খণ্ডত ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪বৰ্ষত মুঠ ২৫৮৭জন হিতাধিকাৰীক আই এ ৱাইৰ ঘৰ প্ৰদান কৰা হৈছে। তাৰ ভিতৰত ১৬০১জনৰ ঘৰ সম্পূৰ্ণ হৈছে আৰু ১৮৭জন হিতাধিকাৰীৰ ঘৰ অসম্পূৰ্ণ হৈ আছে। পৰিশিষ্ট 'ক' হিতাধিকাৰীৰ বিতং তালিকা সংলগ্ন কৰা হ'ল।

(খ) মৈৰাবাৰী উন্নয়ন খণ্ডত এলেকাৰ গাঁও পঞ্চায়ত অনুযায়ী আই এ ৱাইৰ

ঘৰ লাভ কৰা হিতাধিকাৰীৰ সংখ্যা ২৫৮৭জন। (২০১১-১২ঃ- ১০৮১জন; ২০১২-১৩ঃ- ৭৩৮জন ; ২০১৩-১৪ঃ-৭৬৮জন) (সবিশেষ পৰিশিষ্ট 'ক'ত সন্নিৱিষ্ট হৈ আছে)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৬৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাত ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত কোন কোন শিতানত কিমান টকা আৱন্টন দিয়া হৈছিল আৰু এই টকা কোন কোন আঁচনিৰ বিপৰীতে ক'ত খৰচ কৰা হৈছিল? (প্ৰতিটো আঁচনিৰ বিপৰীতে খৰচৰ তথ্য দিব)

(খ) ধিং সমষ্টিৰ অৰ্ন্তগত জুৰীয়া আৰু বটদ্ৰৱা ব্লকৰ অংশত মীন বিভাগৰ জৰিয়তে উপকৃত হোৱা হিতাধিকাৰীৰ নাম, আঁচনিৰ নাম, আৱন্টিত পুঁজি, খৰচৰ তথ্য সহ বিতং তালিকা দাখিল কৰিব (উপৰোক্ত সময়ছোৱাৰ তথ্য দিব)

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ)য়ে উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাত ২০১১-১২বিত্তীয় বৰ্ষত বিভিন্ন শিতানত মুঠতে ৩২৭.৬৫০লাখ টকাৰ আৱন্টন দিয়া হৈছিল। ইয়াৰ বিপৰীতে মুঠতে ৩১৪.৫৫২০৩ লাখ টকাৰ আৱন্টন দিয়া হৈছিল। ইয়াৰ বিপৰীতে মুঠতে ৩১৪.৫৫২০৩লাখ টকা খৰচ হয়। এই একেখন জিলাতে ২০১২-১৩বিত্তীয় বৰ্ষত ২২২.৪১৬লাখ টকা আৱন্টন দিয়া হৈছে তাৰে ২০৩.৩৩৬৬লাখ টকা খৰচ কৰা হয়। ২০১৩-১৪বিত্তীয় বৰ্ষৰ বাবে এতিয়ালৈ কোনো টকা আৱন্টন দিয়া হোৱা নাই। (খৰচৰ তথ্য পৰিশিষ্ট 'ক'১, 'খ'১, আৰু 'গ'ত সংলগ্ন কৰা হ'ল)

(খ) ধিং সমষ্টিৰ অৰ্ন্তগত জুৰীয়া আৰু বটদ্ৰৱা ব্লকৰ অংশত মীন বিভাগৰ জৰিয়তে উপকৃত হোৱা হিতাধিকাৰীৰ নাম, আঁচনিৰ নাম, আৱন্টিত পুঁজি,

খৰচৰ তথ্য সহ বিতং তালিকা পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৭০। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী অঞ্চলিক পঞ্চায়ত এলেকাত ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বিত্তীয় বৰ্ষত DDP, TFC, 4th Finance, BRGF, SGSY শিতানত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ জৰিয়তে কিমান টকা খৰচ কৰা হৈছে?

(প্ৰতিটো আঁচনিৰ বিপৰীতে আৱন্টিত পুঁজি, আঁচনিৰ নাম আৰু স্থান, খৰচৰ তথ্য সহ বিতং বিৱৰণ দাখিল কৰিব)

(খ) SGSY আঁচনিৰ জৰিয়তে SHG সমূহে পোৱা টকাৰ পৰিমান আৰু SHG ৰ নাম সহ তালিকা দাখিল কৰিব।

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী অঞ্চলিক পঞ্চায়ত এলেকাত ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বিত্তীয় বৰ্ষত DDP, TFC, 4th Finance, BRGF, SGSY শিতানত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ জৰিয়তে খৰচৰ বিৱৰণ 'Annexure-A-1', 'Annexure-A-2', 'Annexure-A-3', 'Annexure-B-1', 'Annexure-B-2', 'Annexure-B-3', 'Annexure-C-1', 'Annexure-C-2', 'Annexure-D', ত সদনৰ মেজত উল্লেখ দাখিল কৰা হ'ল।

(খ) SGSY আঁচনিৰ জৰিয়তে SHG সমূহে পোৱা টকাৰ পৰিমান আৰু SHG ৰ নাম সমূহ 'Annexure-1-D' ত সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৭১। মাননীয় পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী ব্লকত ২০১৩-১৪বৰ্ষত চতুৰ্থ বিত্তীয় আয়োগৰ অধীনত কিমান টকা আৱন্টিত হৈছিল আৰু কোন কোন আঁচনিৰ বিপৰীতে খৰচ কৰা হৈছে?

(খ) মৈৰাবাৰী আঞ্চলিক পঞ্চায়তৰ জৰিয়তে আৱন্টিত ধন কোন কোন আঁচনিৰ বিপীৰতে খৰচ কৰাৰ সিদ্ধান্ত লোৱা হৈছে?

(গ) প্ৰতিটো গাঁও পঞ্চায়তত একোটাকৈ আঁচনি আঞ্চলিক পঞ্চায়তে গ্ৰহণ কৰিছে নে? যদি নাই কৰা, কোন কোন পঞ্চায়ত বাকী আছে আৰু কিয়? (পঞ্চায়ত ভিত্তিত আঁচনিৰ নাম আৰু পুঁজিৰ পৰিমান উল্লেখ কৰিব)

(ঘ) আঁচনি সমূহ কি পদ্ধতিৰে বাচনি কৰা হৈছিল? (বিতং তথ্য সহ উল্লেখ কৰিব)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী ব্লকত ২০১৩-১৪বৰ্ষত চতুৰ্থ বিত্তীয় আয়োগৰ অধীনত কোনো ধন আৱন্টন পোৱা নাই।

(খ) মৈৰাবাৰী আঞ্চলিক পঞ্চায়তৰ জৰিয়তে চতুৰ্থ বিত্তীয় আয়োগৰ অধীনত এতিয়ালৈকে কোনো ধৰণৰ আঁচনি অনুমোদন পোৱা নাই।

(গ) প্ৰতিটো গাঁও পঞ্চায়তত একোটাকৈ আঁচনি লোৱা হৈছে যদিও আঁচনি এতিয়ালৈকে গৃহীত হোৱা নাই। আঁচনিৰ তালিকা 'Annexure-I' ত গাঠি দিয়া হ'ল।

(ঘ) আঁচনি সমূহ গাঁও সভাৰ জৰিয়তে বাচনি কৰা হয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৭২। মাননীয় গৃহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে NRC প্ৰস্তুত কৰণ নে উন্নীতকৰণ আৰম্ভ কৰিছে? এই সংক্ৰান্তত সদৌ অসম ছাত্ৰ সন্থাই কি Modalities Cabinet Sub-Committee ত দাখিল কৰিছিল আৰু Cabinet Sub-Committe য়ে কি Modalities কেন্দ্ৰলৈ প্ৰেৰণ কৰিলে? (দুয়োটাৰ পৃথক প্ৰতিলিপি সদনত দাখিল কৰিব)

(খ) বৰপেটা জিলাৰ ১৯৫১চনৰ NRC চৰকাৰৰ হাতত মজুত আছে নে?

(গ) যদি আছে, ৰাজহ চক্ৰ হিচাপে গাঁও ভিত্তিত NRC ৰ প্ৰতিলিপিসমূহ সদনত দাখিল কৰিব?

শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ পৰিৱেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে এন.আৰ.চি উন্নীতকৰণৰ বাবে ব্যৱস্থা হাতত লৈছে। সদৌ অসম ছাত্ৰ সন্থাই কোনো Modalities Cabinet Sub-Committe ত দাখিল কৰা নাছিল আৰু Cabinet Sub Committeeয়েও কোনো Modalities কেন্দ্ৰলৈ প্ৰেৰণ কৰা নাই। কিন্তু, Cabinet Sub-Committe য়ে দাখিল কৰা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি চৰকাৰে Modalities প্ৰস্তুত কৰি কেবিনেটৰ অনুমোদন সহ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে। উক্ত Modalities ৰ প্ৰতিলিপি Annexure-A ত সংলগ্ন কৰা হ'ল।

(খ) আছে।

(গ) বৰ্তমান অসমৰ সকলো জিলাতে এন.আৰ.চি. ৰ Digitisation, Verification ৰ কাম চলি থকা হেতুকে ইয়াৰ প্ৰতিলিপি দাখিল কৰিব পৰা

নাযায়। Digitisation, Verification ৰ কাম সম্পূৰ্ণ হ'লে এই এন.আৰ.চি. ৰ প্ৰতিলিপি উপলব্ধ হ'ব।

বিষয় ঃ ভোটাৰ তালিকা ।

শ্ৰীআব্দুল ৰহিম খানে সুধিছে ঃ

৭৩। মননীয় নিৰ্বাচন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা জিলাৰ ভোটাৰ তালিকা বৰ্তমান কিমান 'ডি' ভোটাৰ আছে? এই 'ডি' ভোটাৰ ১৯৯৭চনত কিমান আছিল? ২০০৯চনত কিমান আছিল আৰু ২০১১চনত কিমান আছিল? (বৰ্ষ ভিত্তিত 'ডি'ভোটাৰৰ নাম তালিকা সদনত দাখিল কৰিব)

(খ) মহামান্য আদালতে বৰ্তমানলৈকে কিমান সংখ্যক 'ডি' ভোটাৰ ভাৰতীয় হিচাপে বুলি চিহ্নিত কৰিলে? (নাম ঠিকনাৰ তালিকা সদনত দাখিল কৰিব)

(গ) ভাৰাতীয়া হিচাপে চিহ্নিত হোৱা 'ডি' ভোটাৰক ভোটৰ তালিকাৰ পাৰ নিশ্চিহ্ন কৰা হৈছেনে?

(ঘ) যদি হৈছে কিমান সংখ্যকৰ কৰা হৈছে। (নাম ঠিকনাৰ তালিকা সদনত দাখিল কৰিব)

(ঙ) ভাৰতীয় হিচাপে প্ৰমাণিত হোৱা কিমান সংখ্যক 'ডি' ভোটৰ ভোটাৰ তালিকাৰ পৰা এতিয়ালৈকে 'ডি' নিশ্চিহ্ন কৰা হোৱা নাই? (নাম ঠিকনাৰ তালিকা সদনত দাখিল কৰিব)

(চ) মহামান্য আদালতে ভাৰতীয় বুলি চিহ্নিত কৰাৰ পিছতো উক্ত ব্যক্তিসকলৰ নামৰ বিপৰীতে ভোটাৰ তালিকাত থকা 'ডি' মোচন (নোহোৱাৰ কাৰণ কি? (সদনত জনাব)

শ্ৰীটংক বাহাদুৰ ৰায় (ভাৰপ্ৰাপ্ত মন্ত্ৰী)য়ে নিৰ্বাচন বিভাগৰ হৈ উত্তৰ দিছে ঃ

(ক) ৰৰপেটা জিলাৰ ভোটাৰ তালিকাত বৰ্তমান ২২৩৮৫জন 'ডি' ভোটাৰ আছে। ১৯৯৭ইং ও ২০০১ইং চনত ৩৩৩৭০জন আৰু ২০১১ইং চনত

২৩০৮৪জন 'ডি'ভোটাৰ আছিল। ২০১১ইং চনৰ 'ডি' ভোটাৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল (সংলগ্ন-১)। ১৯৯৭ আৰু ২০০১চনৰ 'ডি' ভোটাৰ তালিকা জিলাৰ পৰা পোৱাৰ পিছত মাননীয় বিধায়কক দিব পৰা যাব।

(খ) মহামান্য আদালতে বৰ্তমানলৈকে ১৭৫৯জন 'ডি' ভোটাৰক ভাৰতীয় নাগৰিক হিচাপে চিহ্নিত কৰিছে। তালিকা সংলগ্ন কৰা হ'ল (সংলগ্ন-২)

(গ) হয়, ভাৰতীয় হিচাপে চিহ্নিত হোৱা 'ডি' ভোটাৰক ভোটৰ তালিকাৰ পৰা 'ডি' চিহ্ন উঠাই লোৱা হৈছে।

(ঘ) বৰ্তমানলৈ ৭১২জন বিপৰীতে 'ডি' চিহ্ন উঠাই লোৱা হৈছে (সংলগ্ন-৩)।

(ঙ) ভাৰতীয় হিচাৰে প্ৰমাণিত হোৱা ১০৪৭জন 'ডি' ভোটাৰ, ভোটাৰ তালিকাৰ পৰা উঠাই লবলৈ বাকী আছে। বৰ্তমান ভোটাৰ তালিকা সংশোধনী প্ৰক্ৰিয়া চলি আছে লগতে সংশ্লিষ্ট নিৰ্বাচনী প্ৰাধিকাৰীৰ পৰা পোৱা Manuscript ৰ ভিত্তিত 'ডি' উঠাই লোৱা প্ৰক্ৰিয়া অব্যাহত আছে।

(চ) বৰ্তমানৰ ভোটাৰ তালিকাত থকা নাম ঠিকনা ইত্যাদিৰ বিসংগতিৰ কাৰণে মহামান্য আদালতে ভাৰতীয় হিচাপে চিহ্নিত কৰাৰ পিছতো কিছু লোকৰ ক্ষেত্ৰত 'ডি' ভোটাৰ তালিকাৰ পৰা উঠাই লব পৰা হোৱা নাই। ইয়াৰ প্ৰক্ৰিয়া বৰ্তমানো চলি আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৭৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তৃতীয়টো কাৰ্যকাল মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে চৰকাৰী ভ্ৰমণসূচীলৈ বিদেশৰ কোনো কোন স্থানলৈ কেতিয়াৰ পৰা কেতিয়ালৈ ভ্ৰমণ কৰিছে?

(খ) চৰকাৰী ভ্ৰমণৰ কাৰ্যসূচীসমূহ কি কি আছিল? (স্থানভেদে পৃথক কৈ তথ্য দিব)

(গ) এই ভ্রমণৰ বাবদ কিমান চৰকাৰী পুঁজি ব্যয় হৈছে? (ভ্রমণসূচী অনুসৰি ব্যয়ৰ তথ্য পৃথক পৃথককৈ দিব)

(ঘ) তৃতীয়টো কার্যকালত মুখ্য মন্ত্রীয়ে হেলিকপ্তাৰেৰে ক'ত কেতিয়া কি কার্যসূচীত অংশ ললে বিতং তথ্য দিবনে?

(ঙ) অসম মন্ত্রীসভাৰ সদস্যসকলৰ ভ্রমণ ব্যয়ৰ বাবদ তৃতীয় কার্যকালত মুঠ কিমান টকা ব্যয় হ'ল? (মন্ত্রীৰ ব্যয় অনুসৰি চৰকাৰী সূচীৰ তালিকা দিব)

(চ) ৰাজ্যত থকা সংসদীয় সচিবসকলৰ চৰকাৰী ভ্রমণৰ বাবদ তৃতীয়টো কার্যকালত মুঠ কিমান টকা ব্যয় হ'ল? (সংসদীয় সচিবসকলৰ চৰকাৰী সূচীমতে ব্যয়ৰ তালিকা পৃথক পৃথক কৈ দিব)

শ্রীযুত তৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তৃতীয়টো কার্যকালত মুখ্য মন্ত্রী শ্রীতৰুণ গগৈয়ে চৰকাৰী ভ্রমণসূচীলৈ বিদেশৰ কোন কোন স্থান কেতিয়াৰ পৰা কেতিয়ালৈ ভ্রমণ কৰিছে তাৰ তথ্য তলত দিয়া হ'ল —

ক্রমিক নং	বিদেশ ভ্রমণৰ তাৰিখ	ভ্রমণ কৰা দেশৰ নাম
১	২৬-০৭-২০১১ৰ পৰা ০৪-০৮-২০১১ লৈ	ইউনাইটেড কিংডম, চুইজাৰেলণ্ড, ফ্রান্স
২	০৯-০৮-২০১১ৰ পৰা ১২-০৮-২০১১ লৈ	ভূটান
৩	০৬-০৯-২০১১ৰ পৰা ০৭-০৯-২০১১ লৈ	বাংলাদেশ
৪	১০-০৯-২০১১ৰ পৰা ১৫-০৯-২০১১ লৈ	স্পেইন, বেলিজিয়াম
৫	২৫-০৯-২০১১ৰ পৰা ০২-০১-২০১১ লৈ	দক্ষিণ কোৰিয়া, হংকং
৬	২১-০৬-২০১২ৰ পৰা ২৯-০৬-২০১২ লৈ	আমেৰিকা
৭	২১-০৯-২০১২ৰ পৰা ২৬-০৯-২০১২ লৈ	জাপান

৮	০৪-১২-২০১২ৰ পৰা ০৮-১২-২০১২ লৈ	ভিয়েটনাম
৯	০৯-০৬-২০১৩ৰ পৰা ১৩-০৬-২০১৩ লৈ	থাইলেণ্ড
১০	২৫-০৬-২০১৩ৰ পৰা ০১-০৭-২০১৩ লৈ	ইউনাইটেড কিংডম
১১	২০-১১-২০১৩ৰ পৰা ২৪-১১-২০১৩ লৈ	ছিংগাপুৰ

দেশ ভ্ৰমণৰ চৰকাৰী কাৰ্যসূচীসমূহ তলত স্থানভেদে উল্লেখ কৰা হ'ল—

ক্ৰমিক নং	বিদেশ ভ্ৰমণৰ তাৰিখ	ভ্ৰমণ কৰা দেশৰ নাম	ভ্ৰমণৰ কাৰ্যসূচী
১	২৬.০৭.২০১১ৰ পৰা ০৪.০৮.২০১১লৈ	ইউনাইটেড কিংদম, চুইজাৰলেণ্ড, ফ্ৰান্স	বৃত্তিমূলক প্ৰশিক্ষণ আৰু দক্ষতা উন্নয়ন, বন ব্যৱস্থাপনা আৰু জৈৱ বৈচিত্ৰ, সেউজ শিক্ষা, সেউজ কৰ্ম, জৈৱ কৃষি আৰু খাদ্য সুৰক্ষা সম্পৰ্কীয় আলোচনা। ফ্ৰান্সৰ সৌৰশক্তিৰ ওপৰত এটি বিশেষ অতিৰিক্ত আলোকপাত। (Official study tour on vocational training and skill development, forest management and biodiversity, green education, green jobs, organic ariculture and food security. A special focus in addition would be solar energy in France).

২	০৯.০৮.২০১১ৰ পৰা ১২.০৮.২০১১লৈ	ভূটান	'Gross National Happiness'ৰ ওপৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সম্মিলনত অংশ গ্ৰহণ। (To attend the International Conference on Gross National Happiness).
৩	০৬.০৯.২০১১ৰ পৰা ০৭.০৯.২০১১লৈ	বাংলাদেশ	ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধিবৰ্গৰ সদস্য হিচাপে বাংলাদেশলৈ চৰকাৰী ভ্ৰমণ (Official visit to Bangladesh as a member of Hon'ble Prime Minister of India's delegation)
৪	১০.০৯.২০১১ৰ পৰা ১৫.০৯.২০১১লৈ	স্পেইন, বেলজিয়াম	ৰাজ্যিক বিত্তমন্ত্ৰীসকলৰ উচ্চক্ষমতা সম্পন্ন সমিতিৰ প্ৰতিনিধিবৰ্গৰ সদস্য হিচাপে স্পেইন আৰু বেলজিয়াম ভ্ৰমণ (To Spain and Belgium as a member of an Indian delegation of Empowered Committed of State Finance Minister)
৫	২৫.০৯.২০১১ৰ পৰা ০২.১০.২০১১লৈ	দক্ষিণ কোৰিয়া, হংকং	5th International Union for Conservation of Nature (IUCN)ৰ হংকংস্থিত এছিয়া মাণ্ডলিক কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত অংশগ্ৰহণ। (To Participate in 5th

			International Union for Conservation of Nature (IUCN), Asia Regional Office at Honking).
৬	২১.০৬.২০১২ৰ পৰা ২৬.০৮.২০১২লৈ	আমেৰিকা	অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ সম্পৰ্কীয় বুজাবুজি চুক্তিত স্বাক্ষৰ আৰু ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ। (To attend a programme of signing MOU and roundable discussion pertaining to the Assam State Diasaster Management Authority).
৭	২১.০৯.২০১২ৰ পৰা ২৬.০৯.২০১২লৈ	জাপান	GST'ৰ প্ৰয়োগ আৰু ইয়াৰ লগত জড়িত বিষয়ৰ অধ্যয়ন। (As a part of official Indian delegation for study of GST Implementation and related matters).
৮	০৪.১২.২০১২ৰ পৰা ০৮.১২.২০১২লৈ	ভিয়েটনাম	ভাৰত-ভিয়েটনাম বাণিজ্যি আৰু বিনিয়োগৰ সম্ভাব্য সুযোগ বৃদ্ধিৰ ওপৰত অনুষ্ঠিত বাণিজ্যিক আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠান আৰু হো চি মিন চহৰত অনুষ্ঠিত Asean-India Car Rally সামৰণি অনুষ্ঠান অংশগ্ৰহণ। (To attend the Inauguiral Session

			of Business Seminar on 'Potential Opportunities for Boosing Indo-Vietnam Trade & Investment' and to at tend at the flag off programme of ASEAN-India Car Raly at Ho chi Minh City).
৯	০৯.০৬.২০১৩ৰ পৰা ১৩.০৬.২০১৩লৈ	থাইলেণ্ড	বেংকক মহানগৰ এলেকাক বিশেষভাবলৈ থাইলেণ্ডৰ আকস্মিক বান প্ৰতিৰোধ আৰু ব্যৱস্থানা পদ্ধতি সম্পৰ্কীয় অধ্যয়ন। (To study the flash flood defences and management system in Bangkok Metropolitan area a particular and Thailand in general).
১০.	২৫.০৬.২০১৩ৰ পৰা ০১.০৭.২০১৩লৈ	ইউনাইটেড কিংডম	লণ্ডনৰ চাথাম হাউছত অনুষ্ঠিত India : Regionalization, Reformক and investment সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণ। (To attend the conference on India: Regionalization, Reform and investment at Chatham House, London).

১১.	২০.১১.২০১৩ৰ পৰা ২৪.১১.২০১৩লৈ	ছিংগাপুৰ	দ্বিতীয় দক্ষিণ এছিয়া Diaspora সন্মিলনত অংশগ্রহণ আৰু মূল বক্তৃতা প্রদান (To attend and address the second South Asian Diaspora Convention on 21st to 23st November, 2013).

উপৰোক্ত ভ্রমণবোৰৰ ক্ষেত্রত মুখ্যমন্ত্রীৰ ভ্রমণ ব্যয় তলত উল্লেখ কৰা হ'ল—

ক্রমিক নং	বিদেশ ভ্রমণৰ তাৰিখ	ভ্রমণ কৰা দেশৰ নাম	মুখ্যমন্ত্রীৰ ভ্রমণ ব্যয় (টকাৰ হিচাপত)
১	২৬-০৭-২০১১ৰ পৰা ০৪-০৮-২০১১ লৈ	ইউনাইটেড কিংডম, চুইজাৰেলণ্ড, ফ্রান্স	৫,৬৪,৭৭৬.০০
২	০৯-০৮-২০১১ৰ পৰা ১২-০৮-২০১১ লৈ	ভূটান	৪১,৮৮০.০০
৩	২১-০৬-২০১২ৰ পৰা ২৯-০৬-২০১২ লৈ	আমেৰিকা	৫,৮৮,৬০৪.০০
৪	২১-০৯-২০১২ৰ পৰা ২৬-০৯-২০১২ লৈ	জাপান	২,৪৪,৯৮৭.০০

৫	০৪-১২-২০১২ৰ পৰা ০৮-১২-২০১২ লৈ	ভিয়েটনাম	১,১৭,৫৪০.০০
৬	০৯-০৬-২০১৩ৰ পৰা ১৩-০৬-২০১৩ লৈ	থাইলেণ্ড	৩৯,৫৩৯.০০
৭	২৫-০৬-২০১৩ৰ পৰা ০১-০৭-২০১৩ লৈ	ইউনাইটেড কিংডম	৩,৬৫,৩০৪.০০
৮	২০-১১-২০১৩ৰ পৰা ২৪-১১-২০১৩ লৈ	ছিংগাপুৰ	——
		মুঠ	২৪,৬৬,১০৩.০০

তৃতীয়টো কার্য্যকালত মুখ্যমন্ত্রীয়ে হেলিকপ্তাৰেৰে অংশ গ্রহণ কৰা কার্য্যসূচীৰে তালিকা (১৮-০৫-২০১১ৰ পৰা ৩০-১১-২০১৩লৈ)

স্থান	তাৰিখ	কার্য্যসূচী
নাৰেংগী-হোজাই-নাৰেংগী	১৮-০৮-২০১১	ৰাজহুৱা সেৱা
ৰৰৈয়া-বোকাজান-ৰকলীয়া-নাৰেংগী	৩০-১২-২০১১	ৰাজহুৱা সেৱা
ৰৰৈয়া-লাকুৰা-ৰৰৈয়া	১৩-০১-২০১২	ৰাজহুৱা সেৱা
মোহনবাৰী-জোনাই-ৰৰৈয়া	১৯-০১-২০১২	ৰাজহুৱা সেৱা
শালনীবাৰী-বিশ্বনাথ চাৰিআলি-শালনিবাৰী	২২-০১-২০১২	ৰাজহুৱা সেৱা
নাৰেংগী-খাৰুপেটীয়া-নাৰেংগী	২৫-০২-২০১২	ৰাজহুৱা সেৱা

বৰঝাৰ-যোৰহাট	২৪-০৩-২০১২	ৰাজহুৱা সেৱা
যোৰহাট-সোনতলী, গৌৰীসাগৰ-নাৰেংগী	২৫-০৩-২০১২	ৰাজহুৱা সেৱা
নাৰেংগী-যোৰহাট	২৯-০৩-২০১২	ৰাজহুৱা সেৱা
যোৰহাট-দুলিয়াজান-থাওৰা-গেলেকী	৩০-০৩-২০১২	ৰাজহুৱা সেৱা
গোলাঘাট-নাৰেংগী	৩১-০৩-২০১২	ৰাজহুৱা সেৱা
নাৰেংগী-মৈৰাবাৰী-নাৰেংগী	০২-০৪-২০১২	ৰাজহুৱা সেৱা
সৰুসজাই-জাহিৰপুৰ-সৰুসজাই	০৯-০৪-২০১২	ৰাজহুৱা সেৱা
দেৰগাঁও-নাৰেংগী	২২-০৪-২০১২	ৰাজহুৱা সেৱা
বৰঝাৰ-মেডাৰটাৰী ঘাট-বৰঝাৰ	০২-০৫-২০১২	ৰাজহুৱা সেৱা
বাংগালোৰ-মাইচোৰ-বাংগালোৰ	০৩-০৬-২০১২	ৰাজহুৱা সেৱা
যোৰহাট-মাজুলী-যোৰহাট	০২-০৭-২০১২	ৰাজহুৱা সেৱা
নাৰেংগী-নলবাৰী-বৰপেটা-ধুবুৰী-হাউলী-বৰঝাৰ	০৬-০৭-২০১২	ৰাজহুৱা সেৱা
বৰঝাৰ-কোকৰাঝাৰ-বৰঝাৰ	২৮-০৭-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-পানবাৰী-খানাপাৰা	৩০-০৭-২০১২	ৰাজহুৱা সেৱা
বৰঝাৰ-ধুবুৰী-সৰসজাই	১৩-০৮-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-যোৰহাট	০৫-০৯-২০১২	ৰাজহুৱা সেৱা
থার্ড এ. পি বি এন গেষ্ট হাউচ-খানাপাৰা	০৬-০৯-২০১২	ৰাজহুৱা সেৱা
বৰঝাৰ-গামবাৰী বিল, গোসাইগাঁও-কঠালগুৰী	১১-০৯-২০১২	ৰাজহুৱা সেৱা
লক্ষীগঞ্জ, বিলাসীপাৰা-এন টি পি চি		
খানাপাৰ-ঢেকীয়াজুলি-খানাপাৰা	২০-০৯-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-জাগীৰোড-ৰৌৱা	২৮-০৯-২০১২	ৰাজহুৱা সেৱা

ৰৰৈয়া-চাপাখোৱা-মোহনবাৰী	২৯-০৯-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-যোৰহাট	০২-১০-২০১২	ৰাজহুৱা সেৱা
যোৰহাট-শিৱসাগৰ-মোহনবাৰী	০৩-১০-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-গেলেকী-খানাপাৰা	১০-১০-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-যোৰহাট	২৮-১০-২০১২	ৰাজহুৱা সেৱা
যোৰহাট-খানাপাৰা	২৯-১০-২০১২	ৰাজহুৱা সেৱা
খানাপাৰা-কমাৰকুছি, নলবাৰী-খানাপাৰা	১৬-১১-২০১২	ৰাজহুৱা সেৱা
সৰুসজাই, আই-টি-আই, নগাঁও-ৰৌতা-সৰুসজাই	২১-১১-২০১২	ৰাজহুৱা সৱা
পুনে এয়াৰপৰ্ট-কোলহাপুৰ, ৰাৰ্ণা ডায়েৰী-এন ডি এ	২৬-১১-২০১২	ৰাজহুৱা সৱা
সৰুসজাই, বগৰীগুৰী, জুৰীয়া-সৰুসজাই	০২-১২-২০১২	ৰাজহুৱা সেৱা
সৰুসজাই-ৰৰপেটা-সৰুসজাই	১৫-১২-২০১২	ৰাজহুৱা সেৱা
ৰৰঝাৰ-ধুবুৰী-সৰুসজাই	২৩-১২-২০১২	ৰাজহুৱা সেৱা
সৰুসজাই-লক্ষীপুৰ-সৰুসজাই	১২-০১-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-দিয়াবাৰী, কোকৰাঝাৰ-সৰুসজাই	১৬-০১-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-লাকুৱা, মাহমৰা-ডিমৌ-কঠালগুৰী-যোৰহাট	২১-০১-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-ৰৰহোলা, তিতাবৰ-থর্ড এপিবিএন ফিল্ড-যোৰহাট	২২-০১-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-পহুমৰা, মাজগাঁও-গোগামুখ-ঢকুৰাখানা-মোহনবাৰী	২৩-০১-২০১৩	ৰাজহুৱা সেৱা
মোহনবাৰী-মাছখোৱা, ধেমাজী-ঢলা, তিনিচুকীয়া-মোহনবাৰী	২৪-০১-২০১৩	ৰাজহুৱা সেৱা

সৰুসজাই-কাকী, লামডিং-নিজ কঠিয়াতলী,		
নৱহমপুৰ-বেছামাৰী, ধিং-সৰুসজাই	২৫-০১-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-বেহোৱা, টিই-বুটীদিহিং,		
তিনিচুকীয়া-মোহনবাৰী	২৭-০১-২০১৩	ৰাজহুৱা সেৱা
মোহনবাৰী-দলিয়াজান-টিংখং-মোহনবাৰী	২৮-০১-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-গহপুৰ-বিশ্বনাথ		
চাৰিআলি-সৰুসজাই	২৯-০১-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-ভুৰবন্ধা, মৰিগাঁও-সোনাপুৰ-		
সৰুসজাই	৩০-০১-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-কাৰাডাংগা-নাৰিকুলি-		
ভাংগুনমাৰী চৰ-সৰুসজাই	৩১-০১-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-নিত্যানন্দ-মাণিকপুৰ-এইট		
এপিবিনএন-সৰুসজাই	০২-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-কমলপুৰ-নগৰবেৰা-		
পলাশবাৰী-সৰুসজাই	০৩-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-মন্দিয়া-বহৰি-গোবিন্দপুৰ-সৰুসজাই	০৪-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-বিলাশীপাৰা-ফৰীৰগঞ্জ-সৰুসজাই	০৫-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-দলগোমা-ৰেষ্ট		
গোৱালপাৰা-সৰুসজাই	০৬-০২-২০১৩	ৰাজহুৱা সেৱা
শিলচৰ এয়াৰপৰ্ট-নিলাম বজাৰ-		
আকবৰপুৰ-হাইলাকান্দি-শিলচৰ	০৮-০২-২০১৩	ৰাজহুৱা সেৱা

শিলচৰ-কালাইন-দল, শিলচৰ এয়াৰপৰ্ট	০৯-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-ৰেষ্ট গাৰো হিলচ্-মহেন্দ্রগঞ্জ,		
চাউথ গাৰো হিলচ্-সৰুসজাই	১৪-০২-২০১৩	ৰাজহুৱা সেৱা
বৰঝাৰ-গোৱালপাৰা-সৰুসজাই	১৯-০২-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-জামুগুৰীহাট-নামেৰি-সৰুসজাই	২৩-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-নলবাৰী-বৰঝাৰ	২৪-০২-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-টিপকাই, কোকৰাঝাৰ-সৰুসজাই	১৭-০৩-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-নগাঁও-সৰুসজাই	১৮-০৩-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-মাজুলী-যোৰহাট	১০-০৪-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-মংগলদৈ-সৰুসজাই	১২-০৪-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-বোকাখান-যোৰহাট	১৮-০৪-২০১৩	ৰাজহুৱা সেৱা
নাৰেংগী-কলগাছিয়া, বৰপেটা-চিবাং-নাৰেংগী	২৫-০৫-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট,গোলাঘাট-তিৰুৱাল,		
টি.ই-থার্ড এপিবিন, তিতাবৰ	২৮-০৫-২০১৩	ৰাজহুৱা সেৱা
যোৰহাট-নামৰূপ-যোৰহাট	০৮-০৮-২০১৩	ৰাজহুৱা সেৱা
নাৰেংগী-নগাঁও-নাৰেংগী	১৮-০৮-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-ধুবুৰী-সৰুসজাই	১৮-০৯-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-হালেম, গহপুৰ-সৰুসজাই	২০-০৯-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-হোজাই-সৰুসজাই	৩০-০৯-২০১৩	ৰাজহুৱা সেৱা
নাৰেংগী-বৰপেটা-নাৰেংগী	০৩-১০-২০১৩	ৰাজহুৱা সেৱা
সৰুসজাই-দক্ষিণ ধৰমতুল, মৰিগাঁও-সৰুসজাই	১৫-১০-২০১৩	ৰাজহুৱা সেৱা

মাজুলী-ৰাজাবাৰী, ডিমৌ-যোৰহাট	১৭-১১-২০১৩	ৰাজহুৱা সভা
নাৰেংগী-নলবাৰী-নাৰেংগী	৩০-১১-২০১৩	ৰাজহুৱা সভা

অসম মন্ত্রীসভাৰ সদস্যসকলৰ ভ্রমণ ব্যয়ৰ বাবদ তৃতীয় কার্যকালত মুঠতে— ১,৩১,৬০,৪১৪.০০ টকা ব্যয় হৈছে।

মন্ত্রীৰ ব্যয় অনুসৰি চৰকাৰী সূচীৰ তালিকাত তলত দিয়া হ'ল—

ক্রঃ নং	মন্ত্রী সভাৰ সদস্য	চৰকাৰী সূচী	মুঠ ব্যয় (টকাৰ হিচাপ)
১	শ্রীপৃথিৱী মাঝী	ৰাজহুৱা সেৱাত ৩১.৫.২০১১ৰ পৰা ২৯.০৫.২০১৩লৈ	৮,৬৩,৫২৫.০০
২	শ্রীটংক বাহাদুৰ ৰায়	ৰাজহুৱী সেৱাত ১.৬.২০১১ৰ পৰা ০৩.০৬.২০১৩লৈ	১৭,৯১,২১৯.০০
৩	শ্রীগৌতম ৰয়	ৰাজহুৱা সেৱাত ৩১.৫.২০১১ৰ পৰা ২৪.০৪.২০১২লৈ	১৭,৯১,২১৯.০০
৪	শ্রীমতী অজন্তা নেওগ	ৰাজহুৱা সেৱাত ১৬.৬.২০১১ৰ পৰা ২৯.০২.২০১২লৈ	২,৫৩,১১১.০০

৫	শ্রীঅকন বৰা	ৰাজহুৱা সেৱাত ১৫.৬.২০১১ৰ পৰা ২৪.০২.২০১৩লৈ	১,৮৬,৩৫২.০০
৬	ডঃ অৰ্ধেন্দু কুমাৰ দে	ৰাজহুৱা সেৱাত ০৯.৬.২০১১ৰ পৰা ৭.০৫.২০১৩লৈ	৮,০৭,৩৩১.০০
৭	শ্রীচন্দন ব্রহ্ম	ৰাজহুৱা সেৱাত ১৩.৫.২০১১ৰ পৰা ২৯.০৬.২০১২লৈ	৯,৩৫,১২৭.০০
৮	ডঃ হিমন্ত বিশ্ব শর্মা	ৰাজহুৱা সেৱাত ৩১.৫.২০১১ৰ পৰা ৩০.১২.২০১২লৈ	৮,৮১,৫৫৮.০০
৯	শ্রীখৰ সিং ইংতি	ৰাজহুৱা সেৱাত ১.৬.২০১১ৰ পৰা ২৪.০২.২০১৩লৈ	৮,৫৯,২৬১.০০
১০	নজৰুল ইছলাম	ৰাজহুৱা সেৱাত ২.৬.২০১১ৰ পৰা ২৭.০৪.২০১৩লৈ	৪,৭৬,৫৩৭.০০

১১	শ্রীনীলমণি সেন ডেকা	ৰাজহুৱা সেৱাত ০৮.৬.২০১১ৰ পৰা ৩০.০৬.২০১৩লৈ	৭,৭৩,৮৪৯.০০
১২	শ্রীপ্রদ্যুৎ বৰদলৈ	ৰাজহুৱা সেৱাত ০৯.৬.২০১১ৰ পৰা ৭.০৫.২০১৩লৈ	১০,৪৩,৫৬৮.০০
১৩	শ্রীমতী প্রণতি ফুকন	ৰাজহুৱা সেৱাত ০৯.৬.২০১১ৰ পৰা ২০.০৩.২০১৩লৈ	৮,৫৮,৫৯৩.০০
১৪	শ্রীৰকিবুল হুছেইন	ৰাজহুৱা সেৱাত ১৮.৬.২০১১ৰ পৰা ৯.০৪.২০১৩লৈ	৪,৫৩,২২৮.০০
১৫	শ্রীঅজিত সিং	ৰাজহুৱা সেৱাত ০১.৬.২০১১ৰ পৰা ১৯.০৩.২০১৩লৈ	৫,৩২,৩৪৭.০০

১৬	শ্রীবসন্ত দাস	ৰাজহুৱা সেৱাত ০২.৬.২০১১ৰ পৰা ১৯.১২.২০১২লৈ	৫,১৮,৪২৪.০০
১৭	শ্রীৰাজীৱ লোচন পেগু	ৰাজহুৱা সেৱাত ০৮.৬.২০১১ৰ পৰা ৩১.০১.২০১৩লৈ	২,৪৮,৯৮০.০০
১৮	শ্রীচিদ্দিক আহমেদ	ৰাজহুৱা সেৱাত ০১.৬.২০১১ৰ পৰা ২৮.০২.২০১৩লৈ	১৩,৮৯,৫৫৫.০০
		মুঠ ঃ	১,৩১,৬০,৪১৪০০

ৰাজ্যত থকা সংসদীয় সচিবসকলৰ চৰাকাৰী ভ্রমণ ব্যয়ৰ বাবদ তৃতীয় কার্যকালত মুঠতে—৫৫,৯৯,৪৩৩.০০ টকা ব্যয় হৈছে।

সংসসদীয় সচিবসকলৰ চৰকাৰী সূচীমতে ব্যয়ৰ তালিকা পৃথক পৃথকৈ তলত দিয়া হ'ল—

ক্ৰ. নং	সংসদীয় সচিব	চৰকাৰী সূচী	মুঠ ব্যয় (টকাৰ হিচাপ)
১	শ্ৰীৰাজেন্দ্ৰ প্ৰসাদ সিং	ৰাজহুৱা সেৱাত ১.৬.২০১২ৰ পৰা ২৬.৫.২০১৩লৈ	৩,৯৯,৭২০.০০
২	শ্ৰীৰাজু চাহ	ৰাজহুৱা সেৱাত ৯.৫.২০১২ৰ পৰা ২৪.৫.২০১৩লৈ	পৰিশোধ হ'বলৈ বাকী
৩	শ্ৰীমতী জীৱনতাৰা ঘাটোৱাৰ	ৰাজহুৱা সেৱাত ১৭.৫.২০১২ৰ পৰা ২৮.৫.২০১৩লৈ	৩,০১,৫৮৪.০০
৪	শ্ৰীপ্ৰদান বৰুৱা	ৰাজহুৱা সেৱাত ১২.০৫.২০১২ৰ পৰা ৫.১২.২০১৩লৈ	১,৪৪,৩৩৬.০০
৫	শ্ৰীশৰৎ শইকীয়া	ৰাজহুৱা সেৱাত ৫.৫.২০১২ৰ পৰা ২.৭.২০১৩লৈ	৩,৮১,৮১২.০০
৬	শ্ৰীমতী জোন জোনালী বৰুৱা	ৰাজহুৱা সেৱাত ১.৩.২০১২ৰ পৰা ৩০.৮.২০১৩লৈ	১,৩০,৮৪৭.০০

৭	শ্রীবিদ্যা সিং ইংলেং	ৰাজহুৱা সেৱাত ৩.৩.২০১২ৰ পৰা ১৫.৫.২০১৩লৈ	৮,৮০,৮২৩.০০
৮	শ্রীমণিলাল গোৱালা	ৰাজহুৱা সেৱাত ২১.৫.২০১২ৰ পৰা ৮.৬.২০১৩লৈ	২,২২,৯৫৭.০০
৯	শ্রীআবু তাহেৰ বেপাৰী	ৰাজহুৱা সেৱাত ২৪.৫.২০১২ৰ পৰা ২৮.২.২০১৩লৈ	৩,৬৪,৯২০.০০
১০	শ্রীইলিয়াচ আলি	ৰাজহুৱা সেৱাত ৩.৩.২০১২ৰ পৰা ৩০.৪.২০১৩লৈ	২,৯৮,০৯৯.০০
১১	শ্রীবিবেকান্দ দলৈ	ৰাজহুৱা সেৱাত ২.৪.২০১২ৰ পৰা ৩০.১১.২০১৩লৈ	২,৮৫,৫৩৯.০০
১২	শ্রীমতী সুমিত্রা দলৈ পাটিৰ	ৰাজহুৱা সেৱাত ৮.৩.২০১২ৰ পৰা ২৩.৭.২০১৩লৈ	১,১৬,৯১৪.০০
১৩	শ্রীবলিন চেতিয়া	ৰাজহুৱা সেৱাত ১৪.৬.২০১২ৰ পৰা ৩০.১১.২০১৩লৈ	২,৫৫,৮৩০.০০

১৪	শ্রীৰেকিবুদ্দিন আহমেদ	ৰাজহুৱা সেৱাত ৫.৫.২০১২ৰ পৰা ২১.৮.২০১৩লৈ	৬৯,২৭৮.০০
১৫	শ্রীমনেশ্বৰ ব্রহ্ম	ৰাজহুৱা সেৱাত ৩.৩.২০১২ৰ পৰা ৩১.৮.২০১৩লৈ	৪,৩৭,৬৪৮.০০
১৬	শ্রীৰাখেশ্বৰ ব্রহ্ম	ৰাজহুৱা সেৱাত ২.৩.২০১২ৰ পৰা ৩১.১১.২০১৩লৈ	৩,২৬,৩৮৬.০০
১৭	ডঁ মনসিং ৰংপি	ৰাজহুৱা সেৱাত ২১.৩.২০১২ৰ পৰা ৩০.১.২০১৩লৈ	২,২৯,৩৫৭.০০
১৮	শ্রীশুকুৰ আলি আহমেদ		
১৯	শ্রীচন্দন কুমাৰ চৰকাৰ	ৰাজহুৱা সেৱাত ২.৩.২০১২ৰ পৰা ৩০.১১.২০১৩লৈ	১,৬৩,৫৮৮.০০
২০	শ্রী এটোৱা মুণ্ডা		
২১	শ্রীৰাণা গোস্বামী (প্রাক্তন সংসদীয় সচিব)	ৰাজহুৱা সেৱাত ১১.৫.২০১২ৰ পৰা ২৫.৩.২০১৩লৈ	২,৩৭,৩৬২.০০

২২	শ্রীভূপেন কুমাৰ বৰা (প্ৰাক্তন সংসদীয় সচিব)	ৰাজহুৱা সেৱাত ৫.৫.২০১২ৰ পৰা ৪.৪.২০১৩লৈ	৩,৫২,৪৩৩.০০
		মুঠ	৫৫,৯৯,৪৩৩.০০

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৭৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী ব্লকৰ অন্তৰ্গত কোন কোন হিতাধিকাৰীক ২০১১বৰ্ষৰ পৰা বৰ্তমানলৈকে কোন কোন আঁচনিৰ অধীনত কিমান টকাৰ অনুমোদন দিয়া হৈছে? (আঁচনিৰ নাম, হিতাধিকাৰীৰ নাম আৰু পুঁজিসহ তালিকা দিব)

(খ) মৈৰাবাৰী ব্লকৰ অধীনত কেইটা বিল আৰু জলাশয় আছে আৰু তাৰ ভিতৰত কোন কেইটা উন্নয়নৰ বাবে কিমান পুঁজি খৰচ কৰা হৈছে?

শ্ৰীবসন্ত দাস (মীন বিভাগৰ মন্ত্ৰী(স্বতন্ত্ৰ)) য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী ব্লকৰ ২০১১বৰ্ষৰ পৰা বৰ্তমানলৈকে বিভিন্ন আঁচনিৰ অধীনত অনুদান দিয়া, হিতাধিকাৰীৰ নাম ও পুঁজিসহ সমূহ তথ্য পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(খ) মৈৰাবাৰী ব্লকৰ অধীনত ২খন বিল আৰু ৩টা জলাশয় আছে; তাৰে ভিতৰত নিম্নলিখিত বিল আৰু জলাশয় কেইটা ২০০৮-০৯বৰ্ষত উন্নয়ন কৰা হৈছিল তাৰ বাবে পুঁজিৰ আৱন্টন ও খৰচৰ তথ্য তলত দিয়া হ'ল লগতে সবিশেষ তথ্য পৰিশিষ্ট 'খ' টো পৃথকে দিয়া হ'ল।

ৰ্ষ	উন্নয়ন খণ্ডৰ নাম	জলাশয়/বিলৰ সংখ্যা	উন্নয়নৰ সংখ্যা	খৰচৰ পৰিমাণ
২০০৮-০৯	মৈৰাবাৰী উঃ খণ্ড	(ক) বিল ২খন (খ) জলাশয় ৩খন	১খন ১খন	৩.০লাখ টকা ৫.০লাখ টকা

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৭৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও চহৰৰ পৰা ধিং, লাহৰীঘাট; ভূৱাগাঁও হৈ মৰিগাঁও যোৱা ৰাষ্টাটোৰ (S.H-47) মুঠ ১১৭ কিঃ মিঃ দৈর্ঘ্যৰ ভিতৰত দুইফালে নতুনকৈ পকীকৰণ হোৱাৰ ফলত দলৈগাঁওৰ পৰা লাহৰীঘাটলৈকে মাত্ৰ ৭কিঃমিঃ (CH:34-CH:41) জৰাজীর্ণ হৈ থকা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(খ) এই ৰাস্তাৰ অংশটো পকীকৰণ কৰিবলৈ কি আঁচনিৰ দ্বাৰা সম্ভৱ?

(গ) চৰকাৰে অনতিপলমে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উল্লেখিত পথছোৱাৰ কিছু অংশৰ মেৰামতিৰ প্ৰয়োজন হোৱাটো চৰকাৰ জ্ঞাত।

(খ) বার্ষিক পৰিকল্পনাৰ যিকোনো আঁচনিৰ দ্বাৰা পকীকৰণ কৰিব পৰা যাব।

(গ) এই বিষয়টো পুজিৰ অনুমোদনৰ ওপৰত নির্ভৰ কৰিব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৭৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিৰ বিধায়কৰ ঘৰৰ সন্মুখেদি যোৱা দগাঁও সোনাই বেৰা পাম ৰাস্তাটো জৰাজীর্ণ হোৱা সম্পর্কে চৰকাৰ জ্ঞাতনে?

(খ) এই ৰাস্তাৰ আধা অংশ পৰীকৰণৰ বাবে Annual Plan ২০১৩-১৪ৰ অধীনত ১.২৬ কোটি টকাৰ ব্যয়ৰ সাপেক্ষে প্রস্তুত কৰি পঠোৱা প্রাককলন চৰকাৰে পাইছেনে?

(গ) যদি পাইছে, Annual Plan২০১৩-১৪ৰ অধীনত আঁচনিটো গ্রহণ কৰা হৈছে নে?

(ঘ) যদি হৈছে, কামটো কেতিয়া মুকলি কৰা হ'ব?

শ্রীমতী অজন্ত নেওঁগ (গড়কাপ্তানি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পথটোৰ মেৰামতিৰ প্রয়োজন হোৱাটো চৰকাৰ জ্ঞাত।

(খ) পোৱা হৈছে।

(গ) কামটোৰ অনুমোদন এতিয়ালৈ হোৱা নাই।

(ঘ) এই বিষয়টো অনুমোদনৰ ওপৰত নির্ভৰ কৰিব।

বিষয় ঃ অংগনবাদী কেন্দ্র স্থাপন সম্পর্কে ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৭৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১১ চনৰ ১ মে'ৰ পৰা বর্তমানলৈকে মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰু নগাঁও জিলাৰ জুৰীয়া আৰু বটদ্রৱা সংহত শিশু উন্নয়ন প্রকল্পৰ অধীনত কোন কোন অংগনবাদী কেন্দ্রৰ গৃহ নির্মাণ কৰা হ'ল? (পুজি আৱন্টন আৰু খৰচৰ পৰিমাণ সহ তালিকা দিব)

(খ) উপৰোক্ত তিনিটা প্রকল্পৰ অধীনত উপৰোক্ত সময়ছোৱাত কেইটা নতুন কেন্দ্র আৰু মিনি অংগনৱাদী কেন্দ্র গঠন হয়?

(গ) সদ্যহতে নতুনকৈ আৰু মিনি অংগনৱাদী কেন্দ্র স্থাপনৰ পৰিকল্পনা আছে নেকি?

(ঘ) যদি আছে, ক'ত ক'ত প্রস্তাৱ কৰা হৈছে?

শ্রীঅকণ বৰা (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰু নগাঁও জিলাৰ জুৰীয়া আৰু বটদ্রৱা সংহত শিশু উন্নয়ন সেৱা প্রকল্প অধীনত ২০১১চনৰ ১মে তাৰিখৰ পৰা অঙ্গনবাড়ী কেন্দ্রৰ নির্মাণ কৰা গৃহ সমূহৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰি দিয়া হল।

(খ) ২০১১চনৰ ১মে তাৰিখৰ পৰা বর্তমানলৈকে মৰিগাঁও জিলাৰ মৈৰাবাৰী সংহত শিশু উন্নয়ন সেৱা প্রকল্পৰ অধীনত ২৬টা ক্ষুদ্র (Mini) অঙ্গনবাড়ী কেন্দ্র গঠন কৰা হয়। উল্লেখনীয় যে উক্ত কেন্দ্রসমূহ ২০০৯চনতেই অনুমোদিত হৈছিল যদিও মহামান্য আদালতৰ গোচৰাধীন হৈ থকা বাবে গঠন কৰিব পৰা হোৱা নাছিল।

নগাঁও জিলাৰ জুৰীয়া সংহত শিশু উন্নয়ন সেৱা প্রকল্পৰ অধীনত উক্ত সময় ছোৱাত কোনো অঙ্গনবাড়ী কেন্দ্র গঠন কৰা হোৱা নাই। আনহাতে বটদ্রৱা সংহত শিশু উন্নয়ন সেৱা প্রকল্পৰ অধীনত ১টা পূর্ণ পর্য্যায়ৰ আৰু ২টা ক্ষুদ্র (Mini) অঙ্গনবাড়ী কেন্দ্র গঠন কৰা হয়।

(গ) জিলাৰ সমিতিৰ পৰা প্রস্তাৱ পোৱা হৈছে আৰু বিবেচনাধীন হৈ আছে।

(ঘ) নগাঁও জিলাৰ জুৰীয়া আৰু বটদ্রৱা সংহত শিশু উন্নয়ন সেৱা প্রকল্প কেইটাৰ বিপৰীতে জিলা পর্য্যায়ৰ অঙ্গনবাড়ী বাছনি সমিতিৰ জৰিয়তে ক্রমে ১১টা আৰু ৩৯টা ক্ষুদ্র (Mini) অঙ্গনবাড়ী কেন্দ্র স্থাপনৰ বাবে প্রস্তাৱ পোৱা হৈছে। উক্ত প্রস্তাৱ মর্মে দাখিল কৰা ক্ষুদ্র (Mini) অঙ্গনবাড়ী কেন্দ্রসমূহৰ তালিকা পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হ'ল।

এই ক্ষেত্রত মৰিগাঁও জিলাৰ মৈৰাবাৰী সংহত শিশু উন্নয়ন সেৱা প্রকল্পৰ বিপৰীতে নতুন অঙ্গনবাড়ী কেন্দ্র গঠনৰ বাবে বর্তমানলৈ কোনো প্রস্তাৱ পোৱা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৭৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ বৰ্ষৰ পৰা বৰ্তমানলৈকে ধিং সমষ্টিৰ কোন কোন বিদ্যালয়ত ACR, HM room, Girl's toilet/Common Toilet, Ramp আদিৰ বাবে কিমান টকাকৈ আৱন্টন দিয়া হৈছে?

(খ) নগাঁও জিলাৰ জুৰীয়া আৰু বটদ্ৰৱা শিক্ষাখণ্ড আৰু মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষাখণ্ডৰ অধীনত (ধিং সমষ্টিৰ আওঁতাভুক্ত) বিদ্যালয়ত সৰ্বশিক্ষা অভিযান মিছনৰ পৰা আৱন্টিত পুঁজি (বিদ্যাল ভিত্তিত) আৰু কামৰ অগ্ৰগতিৰ তথ্য সদনত দাখিল কৰিবনে?

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিতং তথ্য Annexure-I ত দাখিল কৰা হ'ল।

(খ) বিতং তথ্য Annexure-II ত দাখিল কৰা হ' ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৮০। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ চনৰ পৰা বৰ্তমানলৈকে মৰিগাঁও জিলাৰ লাহৰীঘাট উপ-সংমণ্ডলৰ অধীনত মৈৰাবাৰী মৌজাত (ধিং সমষ্টি) কোন কোন চুবুৰীত কিমান দৈর্ঘ্যৰ নতুন বিদ্যুৎ পৰিবাহী লাইনৰ ব্যৱস্থা কৰা হৈছে আৰু কোন কোন চুবুৰীত নতুনকৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হ'ব?

(খ) উক্ত সময়ছোৱাত মৈৰাবাৰী মৌজাৰ কোন কোন ঠাইত নতুন ট্ৰেন্সফৰমাৰৰ ব্যৱস্থা কৰা হৈছে আৰু কোন কোন ঠাইত পুৰণা ট্ৰেন্সফৰমাৰ সলনি কৰা হৈছে?

শ্ৰীপদ্যুৎ বৰদলৈ (শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ পৰা বৰ্তমানলৈকে মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ

অধীনত সামৰি লোৱা গাঁওৰ তালিকা সংলগ্ন (Annexure-I) ত গাঠি দিয়া হৈছে। মৈৰাবাৰী মৌজা হিচাবে কোনো তথ্য বৰ্তমান মজুত নাই।

(খ) উক্ত সময়ছোৱাত লাহৰীঘাট ৰাজহ চক্রৰ অধীনৰ নতুন ট্রেন্সফৰ্মাৰৰ তালিকা ওপৰোক্ত সংলগ্ন (Annexure-I) ত দিয়া হৈছে। বিকল হোৱা ট্রেন্সফৰ্মাৰৰ ঠাইত নতুন ট্রেন্সফৰ্মাৰ বহুৱা ব্যৱস্থা 'CMPSAM' ৰ আঁচনিৰ জৰিয়তে প্রথম পর্য্যায়ত ৬৩০টা Transformer ক্রয় কৰা হৈছে আৰু প্রতি সমষ্টিৰ বাবে ৫টাকৈ Transformer বিধায়কৰ অনুমোদন ক্রমে দি থকা হৈছে। বাকী থকা মুঠ ২৫২০সংখ্যক Transformerৰ বাবে নিবিদা আহ্বান কৰি যোগানৰ আদেশ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৮১। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে জনাবনে ঃ

(ক) ২০১১ চনৰ পৰা বৰ্তমানলৈকে নগাঁও জিলাৰ ধিং আৰু নগাঁও উপ-সংমণ্ডলৰ অধীনত ধিং সমষ্টিৰ কোন কোন ঠাইত নতুনকৈ বিদ্যুৎ লাইনৰ ব্যৱস্থা কাৰ হৈছে? কোন কোন ঠাইত নতুনকৈ বিদ্যুৎ যোগানৰ প্রস্তাব লোৱা হৈছে?

(খ) উপৰোক্ত সময় ছোৱাত ধিং সমষ্টিৰ কোন কোন ঠাইত নতুন ট্রেন্সফৰমাৰৰ যোগান ধৰা হৈছে আৰু কোন কোন স্থানত পুৰনা ট্রেন্সফৰ্মাৰ বদলি কৰা হৈছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) RGGVY ৰ তথ্য কেৱল উন্নয়ন খণ্ড পর্য্যায়তহে উপলব্ধ। ধিং সমষ্টিৰ অন্তর্গত ধিং ৰাজহ চক্রৰ অধীনত ২০১১চনৰ পৰা বৰ্তমানলৈকে সামৰি লোৱা গাঁওৰ তালিকা সংলগ্ন (Annexure-I) ত গাঠি দিয়া হৈছে।

(খ) উপৰোক্ত সময়ছোৱাত ধিং ৰাজহ চক্ৰৰ অধীনৰ নতুন ট্ৰেন্সফৰ্মাৰৰ তালিকা ওপৰত উল্লেখ কৰা তালিকাত অন্তভুক্ত হৈ আছে। বিকল হোৱা ট্ৰেন্সফৰ্মাৰৰ ঠাইত নতুন ট্ৰেন্সফৰ্মাৰ বহুৱা ব্যৱস্থা 'CMPSAM' ৰ আঁচনিৰ জৰিয়তে প্ৰথম পৰ্য্যায়ত ৬৩০টা Transformer ক্ৰয় কৰা হৈছে আৰু প্ৰতি সমষ্টিৰ বাবে ৫টাকৈ Transformer বিধায়কৰ অনুমোদন ক্ৰমে দি থকা হৈছে। বাকী থকা মুঠ ২৫২০সংখ্যক Transformerৰ বাবে নিবিদা আহ্বান কৰি যোগানৰ আদেশ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৮২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী এফ.আৰ.ইউৰ বাবে MLAADS ২০১১-১২ৰ অধীনত এখন এম্বুলেঞ্চ দিয়া সংক্ৰান্তত চৰকাৰ জ্ঞাতনে?

(খ) এম্বুলেন্সখন মৈৰাবাৰী থানাত কিয় আবদ্ধ হৈ আছে? গাড়ীখনৰ এপাত চাবি নোপোৱাটো সত্যনে?

(গ) চাবিপাত বৰ্তমান কাৰ ওচৰত আছে আৰু এইটো উদ্ধাৰ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) কিমান দিনৰ ভিতৰত চৰকাৰে এম্বুলেঞ্চখন এফ.আৰ.ইউক চমজাই দিব?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) হয় জ্ঞাত। ইতিমধ্যে এম্বুলেঞ্চখন মৈৰাবাৰী এফ.আৰ. ইউৰ IN-charge ক চমজাই দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ইতিমধ্যে এম্বুলেঞ্চখন মৈৰাবাৰী এফ.আৰ. ইউৰ IN-charge ক চমজাই দিয়া হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৮৩। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ জুৰীয়া থানাত ৩৫১/১৩ নম্বৰৰ গোচৰটো কাৰ বিৰুদ্ধে পঞ্জীয়নভুক্ত হৈছে? এই সংক্রান্তত কি কার্য্যব্যস্থা গ্রহণ কৰা হ'ল?

(খ) জুৰীয়া উন্নয়ন খণ্ডৰ বি.ডি,অ'জনৰ বিৰুদ্ধে এতিয়ালৈকে কিমান গোচৰ পঞ্জীয়নভুক্ত হৈছে? গোচৰৰ নম্বৰ সহ প্রত্যেকটো গোচৰ সংক্রান্তত গ্রহণ কৰা কার্যব্যৱস্থা সর্ম্পকে সদনক জনাবনে?

শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন আদি বিভাগৰ মন্ত্রী)য়ে মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ জুৰীয়া থানাত ৩৫১/১৩ নম্বৰৰ গোচৰটো ভাঃদঃবিঃ আইনৰ ৩২৫/৩৫৪-A(3)/২৯৪থাৰাত জুৰীয়া খণ্ড উন্নয়ন বিষয়া মঃ নাছেৰ চৌকতৰ বিৰুদ্ধে পঞ্জীয়নভুক্ত হৈছে। উক্ত গোচৰটো জামিন যোগ্য হোৱা হেতুকে তদন্তকাৰী বিষয়াই মঃ নাছেৰ চৌকতক গ্রেপ্তাৰ কৰি জামিনত যাব দিছে।

(খ) জুৰীয়া উন্নয়ন খণ্ডৰ বি.ডি.অ'জনৰ বিৰুদ্ধে এতিয়ালৈকে দুটা গোচৰ পঞ্জীয়নভুক্ত হৈছে। গোচৰৰ নম্বৰ সহ প্রত্যেকটো গোচৰ সংক্রান্তত গ্রহণ কৰা কার্য্যব্যৱস্থা সর্ম্পকে তলত উল্লেখ কৰা হ'ল ঃ-

(১) জুৰীয়া থানা গোচৰ নং ৩৫১/১৩, ভাঃদঃবিঃ আইনৰ ৩২৫/৩৫৪-A(3)/২৯৪ধাৰা।

(২) জুৰীয়া থানা গোটৰ নং ১৮১/১৩, ভাঃদঃবিঃ আইনৰ ১২০ (B)/ ৪০৯/৪২০ধাৰা।

উক্ত গোচৰ দুটা বৰ্তমান তদান্তধীন হৈ আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৮৪। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬ চনৰ পিচৰ পৰা এতিয়ালৈকে সংখ্যালঘুসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান ধন লাভ কৰা হৈছে?

(খ) সেই ধনৰ পৰা কিমান টকা কোন কোন শিতানৰ বিপৰীতে খৰচ কৰা হৈছে? (পুঁজি ব্যয়ৰ বিতং তথ্য দাখিল্ল কৰিব)

(গ) কিমান টকা অব্যৱহৃত হৈ আছে? অব্যবহৃত পুঁজি কি কৰা হৈছে?

(ঘ) MSDP ৰ জৰিয়তে নগাঁও আৰু মৰিগাঁও জিলাত এতিয়ালৈকে কি কি কাম কৰা হৈছে আৰু কি কি কামৰ প্ৰস্তাৱ আছে?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ পিছৰ পৰা এতিয়ালৈকে সংখ্যালঘুসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ ৬৮৪,৭৪,১০,৮৬৬/- টকা লাভ কৰা হৈছে।

(গ) শিতান অনুযায়ী খৰছৰ হিচাপ তলত দেখুওৱা হ'ল —

(২০১৩চনৰ নৱেম্বৰলৈ)

শিতান	খৰছ (টকাত)	মন্তব্য
এম.এছ.দি.পি আঁচনি (MSDP Scheme)	৪৭১,৫৪,০৯,১৭০/	

স্কলাৰশ্বি আঁচনি (Scholarship Scheme)	১৩৬,৬৫,৩৪,৮৪২/-	
মুঠ	৬০৮,১৯,৪৪,০১২/-	

বাকী থকা পুঁজি মোকলাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

(গ) কোনো টকা অব্যহৃত হৈ থকা নাই।

(ঘ) একাদশ পঞ্চবার্ষিক্ পৰিকল্পনাৰ সময়ছোৱাত (২০০৭-১১) MSDP ৰ অধীনত নগাঁও আৰু মৰিগাঁও জিলাত ৰূপায়ন হোৱা আৰু ৰূপায়িত হৈ থকা আঁচনিসমূহৰ বিৱৰণ পৰিশিষ্ট ক ত গাথি দিয়া হৈছে।

দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাত (২০১২-১৭) জিলা দুখনত ৰূপায়ন হব লগা আঁচনিসমূহ বর্তমান কেন্দ্রীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

৮৫। মাননীয় গৃহ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৯চনত আই,এছ,আই সন্দেহত গুৱাহাটীত কিমান লোকক গ্রেপ্তাৰ কৰা হৈছিল? (তেওঁলোকৰ নাম ঠিকনা দিব)

(খ) তাৰ ভিতৰত কিমানজনক আই,এছ,আইৰ এজেন্ট বুলি প্রমান পোৱা গৈছে? (নাম সহ জনাব)

(গ) নির্দোষী বুলি প্রমানিত হোৱাসকলৰ নাম কি? তেওঁলোকৰ ভিতৰত কোন কেতিয়া ৰেহাই পাইছিল?

(ঘ) নির্দোষীসকলে বিনাদোষত কিমান বছৰ কাৰাবৰণ কৰিছিল? তেওঁলোকক

কিবা ক্ষতিপুৰণ দিয়া হ'বনে?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ১৯৯৯চনৰ আগষ্ট মাহত আই.এচ.আইৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা পাকিস্তানৰ হৰকত-উল-মুজাহিদীন (হাম) নামৰ ইছলামিক মৌলবাদী সংগঠনটোৰ ৪(চাৰি)জন সদস্যক গুৱাহাটীত গ্ৰেপ্তাৰ কৰা হয়। এই চাৰিজন সদস্য যথাক্ৰমে(১) চেলিম আহমেদ ওৰফে কাৰী চেলিম ওৰফে আব্দুল আজিজ, পিতা—আব্দুল বহিদ, গাঁও—মেহেলকী, থানা—জালচেদ, জিলা—মুজাফৰ নগৰ (উত্তৰ প্ৰদেশ) (২) মোঃ আক্ৰাম মালিক ওৰফে মুজাফৰ হুছেইন ওৰফে আতাউল্লা, পিতা—আব্দুল আজিজ মালিক, গাঁও—মুকান চোহৰালী, থানা—কুপৰাৰা, জিলা—কুপৰাৰা (জম্মু-কাশ্মীৰ), (৩) মোঃ ফাচিউল্লা হোছেইনী ওৰফে হামিদ মাহমুদ ওৰফে ৰালিদ, পিতা—হাবিবুল্লা, গাঁও—লতিফাবাদ, পাকিস্তান, জিলা—হায়দৰাবাদস কৰাচী আৰু (৪) মুছাফা ওৰফে মেহৰাজ ওৰফে ৰহমান ডেনিচ ওৰফে জাবেদ ৰাক্কাৰ, পিতা—মোঃ চামছেদ খান, গাঁও—মনচুৰপুৰ, থানা—মনচুৰপুৰ, জিলা—মুজাফৰ নগৰ (উত্তৰ প্ৰদেশ)। এওঁলোকৰ জবানবন্দীৰ ভিত্তিত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা সৰ্বমুঠ ১৭জন হৰকৃত-উল্-মুজাহীদীনৰ সদস্যক কৰায়ত্ব কৰা হয়।

(খ) যদিও আদালতত এই চাৰিজনৰ ভিতৰত এজনো আই.এচ.আইৰ এজেন্ট বুলি প্ৰমাণিত হোৱা নাই, কিন্তু আৰক্ষীৰ আগত দিয়া জবানবন্দীত এওঁলোক চাৰিজনেই পাক অধিকৃত কাশ্মীৰত অৱস্থিত হৰকতুল মুজাহীদীনৰ শিবিৰত আই.এচ.আইৰ পৃষ্ঠপোষকতাত প্ৰশিক্ষণ লৈছিল। এওঁলোকৰ ভিতৰত মোঃ ফাচিউল্লা হোছেইনী এজন পাক নাগৰিক আছিল আনহাতে মুচাফা ওৰফে মেহৰাজ ওৰফে আব্দুৰ ৰহমান দানিচ ওৰফে জাভেদ ৰাক্কাৰৰ পৰা এখন পাকিস্তানৰ পৰিচয় পত্ৰ পোৱা গৈছিল, চেলিম আহমেদ

ওৰফে আব্দুল আজিজ হিকতুল মুজাহিদীন সংগঠনটোৰ ভাৰতৰ আমীৰ আছিল। আৰক্ষীৰ আগত দিয়া জবানবন্দী অনুসৰি কাৰী চেলিম আৰু তেওঁৰ সহযোগীসকলে নামনি অসমৰ পৰা ১৭জন মুচলমান যুৱকক হৰকতুল মুজাহিদীনত ভর্তি কৰি উক্ত সংগঠনটোৰ পাক অধিকৃত কাশ্মীৰত থকা শিবিৰত প্রশিক্ষণ লবলৈ প্রেৰণ কৰিছিল।

(গ) এই চাৰিজন ১৯৯৯চনৰ আগষ্ট মাহত পানবজাৰ থানাৰ মোঃ নং—৩২১/৯৯ ত গ্রেপ্তাৰ কৰি অৱশেষত তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ১২০/(খ)/১২১(ক)/১২২/১৫৩-(ক), বিদেশী নাগৰিক আইনৰ ধাৰা নং ১৪আৰু বেআইনী কার্যকলাপ প্রতিৰোধ আইনৰ ১০/১৩ধাৰাত অভিযোগ দাখিল কৰা হয়। কিন্তু বিচাৰ প্রক্রিয়াৰ অন্তত ১২-০৬-২০০৮তাৰিখে মহামান্য কামৰূপ জিলা সত্র আদালতৰ ফাষ্ট ট্রেক কর্টৰ ৰায়দানত এওঁলোক আটাইকেইজনকে উপৰোক্ত অভিযোগসমূহৰ পৰা অব্যহতি দিয়া হয়। কেৱল মোঃ ফাচিউল্লা হোছেইনী আৰু মোঃ মুচাফাক পাছপোর্ট এক্ট ৰ ধাৰা ১৪ত ৫(পাঁচ) বছৰৰ কাৰণে ১০০০(এহেজাৰ) টকা জৰিমনা সহ (জৰিমনা নিদিলে অতিৰিক্তি ৬(ছয়) মাহৰ সশ্রম কাৰাদণ্ড) সশ্রম কাৰাদণ্ড দিয়া হ'ল। ইয়াৰ উপৰিও এই চাৰিজনকে এচ.ও.ইউ থানা মোঃ নং ১/৯৯আৰু দুধনৈ থানা মোঃ নং ৬৯/৯৯ত গ্রেপ্তাৰ কৰি উভয় গোচৰতে অভিযোগনামা দাখিল কৰা হৈছিল যদিও আদালতে উপৰোক্ত গোচৰসমূহৰ পৰাও এওঁলোকক অব্যাহতি দিয়ে। অসম চৰকাৰে আদালতৰ ৰায়দান স্থগিত কৰণৰ বাবে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত তৎকালীন ভাৱে আপীল কৰিছিল যদিও মহামান্য ন্যায়ালয়ে ২১/৫/২০১৩তাৰিখৰ হুকুমত দুয়োটা আপীল খাৰিজ কৰে আৰু নিম্ন আদালতৰ ৰায় বাহাল থাকে।

এই ক্ষেত্রত উনুকিয়াব পাৰি যে, এওঁলোক চাৰিজনকেই ৰাষ্ট্রীয় নিৰাপত্তা আইনৰ অধীনত আটকাধীন কৰা হৈছিল।

(ঘ) মহামান্য আদালতে বিচাৰ প্ৰক্ৰিয়া শেষ কৰাৰ ক্ষেত্ৰত লোৱা সময়ৰ বিষয়ে কোনো মন্তব্য নাই। তেনেধৰণৰ ব্যক্তিক ক্ষতিপূৰণ দিয়াৰ কোনো আঁচনি নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৮৬। মাননীয় গৃহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১২ চনত বি.টি.এ.ডি এলেকাত হোৱা জনগোষ্ঠীয় সংঘাট সংক্ৰান্তত চৰকাৰে অবৈধ অস্ত্ৰ জব্দ অভিযান চলাইছিল নে?

(খ) এই অভিযানত সৰ্বমুঠ কিমান অস্ত্ৰ জব্দ হৈছিল?

(গ) অস্ত্ৰসমূহ কাৰ কাৰ ঘৰৰ পৰা জব্দ কৰা হৈছিল? (ব্যক্তিৰ নাম সহ অস্ত্ৰৰ বিৱৰণ দিব)

(ঘ) এই সংঘৰ্ষত নিহত ব্যক্তিসকলৰ নামৰ তালিকা সদনত দাখিল কৰিব নে?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হে উত্তৰ দিছে ঃ

(ক) আৰু (খ) ২০১২চনত বি.টি.এ.ডি. এলেকাত জনগোষ্ঠীয় সংঘাট সংক্ৰান্তে চৰকাৰে অবৈধ অস্ত্ৰ-শস্ত্ৰ জব্দ কৰাৰ অভিযান চলাই ১২৪টা অবৈধ অস্ত্ৰ জব্দ কৰা হৈছে।

(গ) জব্দ কৰা অস্ত্ৰৰ বিৱৰণ আৰু কাৰ ঘৰৰ পৰা জব্দ কৰা হৈছে তাৰ তালিকা নথি 'ক'ত গাঁঠি দিয়া হ'ল।

(ঘ) ২০১২ চনত বি.টি.এ.ডি এলেকাত হোৱা গোষ্ঠী সংঘৰ্ষত মুঠ ১০০জন ব্যক্তি নিহত হয়। ২০১২ চনত হোৱা জনগোষ্ঠীয় সংঘৰ্ষত বি.টি.এ.ডি এলেকাৰ বাহিৰেও ধুবুৰী জিলাতো ৯জন ব্যক্তিৰ মৃত্যু হয়। সংলগ্ন 'খ'ত উল্লেখ কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৮৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা বৰ্তমানলৈকে কোকৰাঝাৰ, বঙ্গাইগাঁও, বাগসা, চিৰাং, ওদালগুৰি, বৰপেটা আৰু দৰং জিলাত উগ্ৰপন্থীৰ হাতত সৰ্বমুঠ কিমান লোক নিহত হৈছিল? (নিহত লোকসকলৰ তালিকা দিব)

(খ) এই সংক্ৰান্তত বৰ্তমানলৈকে কিমান গোচৰ ৰুজু হৈছে? (গোচৰ নম্বৰ সহ আচামীৰ নামৰ তালিকা দাখিল কৰিব)

(গ) উপৰোক্ত গোচৰ সংক্ৰান্তত কিমান আচামীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ ও বন আৰু পঞ্চায়ত ও গ্ৰমোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বিগত ২০০১ চনৰ পৰা বৰ্তমানলৈকে (নৱেম্বৰ ২০১৩) কোকৰাঝাৰ, বঙ্গাইগাঁও, বাগ্‌সা, চিৰাং, ওদালগুৰী, বৰপেটা আৰু দৰং জিলাত বিভিন্ন উগ্ৰপন্থীৰ হাতত সৰ্বমুঠ ৫৯৯জন (সাধাৰণ নাগৰিক ৫৩৯, নিৰাপত্তাৰক্ষী ৬০) নিহত হয়। নিহত সকলৰ তালিকা নথিসহ 'ক'ত দিয়া হ'ল।

(খ) আৰু (গ) এই সংক্ৰান্তত তথ্য সংগ্ৰহ কৰি থকা হৈছে। সম্পূৰ্ণ আৰু সঠিক তথ্য দিবলৈ সময়ৰ প্ৰয়োজন হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৮৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ সত্ৰৰ সংখ্যা কিমান?

(খ) এই সত্ৰসমূহৰ মাটিৰ পৰিমান কিমান আৰু কোন কোন সত্ৰৰ কিমান মাটি

বেদখলৰ কবলত পৰিছে?

(গ) বেদখলৰ কবলত পৰা সত্ৰৰ মাটি বেদখল মুক্ত কৰিবলৈ কি কি ব্যৱস্থা কৰিছে আৰু কিমান মাটি বেদখল মুক্ত কৰা হ'ল ?

(ঘ) বেদখল মুক্ত কৰাৰ বাবে উচ্চ ন্যায়লয়ে কি নিৰ্দেশ দিছে? নিৰ্দেশ ৰূপায়ণ কৰা যদি হৈছে কেনেদৰে ৰূপায়ন কৰা হৈছে? (নিৰ্দেশৰ কপি দিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৬খন জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি অসমত সৰ্বমুঠ সত্ৰৰ সংখ্যা ৩৬০খন।

(খ) ১৬খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি সত্ৰসমূহৰ মাটিৰ পৰিমান আৰু বেদখলৰ কবলত পৰা সত্ৰৰ মাটিৰ পৰিমান পৰিশিষ্ট 'ক'ত কৰা হ'ল।

(গ) বেদখলকাৰীসমূহক উচ্ছেদৰ কাৰণে ৰাজ্য চৰকাৰে জিলা উপায়ুক্তসকলক সময়ে সময়ে অসম ভূমি আৰু ৰাজহ অধিনিয়ম আইনৰ ১৮(২) ধাৰামতে আৰু মাননীয় গুৱাহাটী উচ্চ ন্যায়লয়ৰ চিভিল ৰুল ১৬৪৯/১৯৯১গোচৰত ২৭-০৩-১৯৯৭তাৰিখে দিয়া হুকুম আৰু নিৰ্দেশৰ আধাৰত বেদখলকৃত জমী মুক্ত কৰিবলৈ নিৰ্দেশ দিয়া আছে।

অসম ৰাজ্যিক ধৰ্মানুষ্ঠান আৰু ৰাজহুৱা দাতব্য অনুষ্ঠাৰ ভূমি অধিগ্ৰহণ আইন, ১৯৫৯ৰ গণ্ডীৰ ভিতৰত সত্ৰৰ মাটি সংৰক্ষণ আৰু সংবৰ্ধনৰ বিশেষ ব্যৱস্থা আছে। সেইমতে উপায়ুক্তসকলক ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া আছে। (নিৰ্দেশৰ প্ৰতিলিপিসমূহ পৰিশিষ্ট 'খ'ত দাখিল কৰা হ'ল)

ইয়াৰ উপৰিও ১৬খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি বেদখলৰ কবলত পৰা সত্ৰৰ মাটিৰ বেদখল মুক্ত কৰিবলৈ জিলাৰ উপায়ুক্তসকলে জিলাসমূহত লোৱা ব্যৱস্থাসমূহ পৰিশিষ্ট 'ক'ত দাখিল কৰা হ'ল।

(ঘ) বেদখল মুক্ত কৰাৰ বাবে উচ্চ ন্যায়লয়ে দিয়া নির্দেশৰ প্রতিলিপি পৰিশিষ্ট 'গ'ত দাখিল কৰা হ'ল। নির্দেশ ৰূপায়ন কৰাৰ তথ্য 'গ' প্রশ্নৰ উত্তৰত দাখিল কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীউৎপল দত্তই সুধিছে ঃ

৮৯। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমানলৈ অসমত কিমান জন সাংবাদিকক হত্যা কৰা হৈছে। এই সাংবাদিকসকলৰ নাম, ঠিকনা, বয়স ঘটনাৰ তাৰিখ, বিৱৰণী দাখিল কৰিব। এই সংবাদিক হত্যাৰ গোচৰসমূহ ৰাজ্যৰ কোন আৰক্ষীৰ থানাত পঞ্জীয়ণ ভূক্ত হৈছিল।

(খ) সাংবাদিক হত্যাৰ গোচৰসমূহৰ বর্তমান স্থিতি কি? বর্তমানলৈ কোন কেইজন সাংবাদিকক হত্যাৰ গোচৰ ছার্চশ্বিট দাখিল কৰা হৈছে?

(গ) সাংবাদিকক হত্যাৰ গোচৰত কোন কোন লোকক গ্রেপ্তাৰ কৰা হৈছিল। গ্রেপ্তাৰ হোৱা লোকসকল বর্তমান মুক্ত নে জেল হাজোতত আছে। প্রতিটো গোচৰৰ বিপৰীতে পৃথকে পৃথকে তথ্য দিব।

(ঘ) এই গোচৰ বোৰৰ কিমনটা গোচৰ নিস্পতি হৈছে। যদি হৈছে কোন কেইটা গোচৰ নিস্পতি হৈছে আৰু কিমানটা গোচৰ নিস্পতি হবলৈ বাকী আছে?

(ঙ) নিহত সাংবাদিকসকলৰ পৰিয়ালসমূহক ৰাজ্য চৰকাৰৰ ফালৰ পৰা কিবা ক্ষতি-পূৰণ দিয়া হৈছে নেকি? যদি হৈছে কি দিয়া হৈছে?

(চ) কোকৰাঝাৰৰ সাংবাদিক জগজিৎ শইকীয়াক ২০০৮চনৰ ২২নৱেম্বৰত দিন দুপৰতে আততায়ীয়ে হত্যা কৰিছিল মৃত্যুৰ সময়ত তেওঁ 'আমাৰ অসম' ৰ প্রতিনিধি আৰু আসাম প্রেছ কৰেছপন্ডেন্ট্ছ ইউনিয়ন (আপুক) ৰ কোকৰাঝাৰ জিলা সমিতিৰ কোষাধ্যক্ষ আছিল। 'আপুক' ৰ এটা প্রতিনিধি দৰে মুখ্যমন্ত্রী তৰুণ গগৈক সাক্ষাৎ কৰাত তেওঁ নিহত সাংবাদিকৰ

পৰিয়ালক এটা চৰকাৰী চাকৰী দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এই সম্পৰ্কত জনসংযোগ বিভাগে এটা প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰিছিল। কিয় এতিয়াও তেওঁ পৰিয়ালৰ আনক আজিও চাকৰি দিয়া নহ'ল। এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰবিনে?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিৱেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈ অসমত মুঠ ১৪জন সাংবাদিকক হত্যা কৰা হৈছে। এই সাংবাদিক সকলৰ নাম, ঠিকনা, বয়স, ঘটনাৰ তাৰিখ ও (খ), (গ), (ঘ) প উত্তৰ নঠি 'ক'ত সংলগ্ন কৰা হ'ল।

(ঙ) ধুবুৰী জিলাৰ ৰায়হানু নেইম নামৰ নিহত সাংবাদিক জনৰ পৰিয়ালক তিনি লাখ টকাৰ এককালীন সাহায্য চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। বাকী জিলা সমূহৰ উপায়ুক্তৰ পৰা প্ৰস্তাৱ লাভ কৰাৰ পাচত দিয়া হ'ব।

(চ) কোকৰাঝাৰ জিলাৰ উপায়ুক্তৰ পৰা তথ্য বিচৰা হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

৯০। **মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰ্তমান অসমৰ কৃষিভূমি কিমান? ২০০১ চনত অসমৰ কৃষিভূমিৰ পৰিমাণ কিমান আছিল? ২০০১ চনৰ পৰা বৰ্তমানলৈ ৰাজ্যৰ কোন কোন জিলাত কিমান কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তিত কৰা হৈছে? কিয় এই ভূমিসমূহ পৰিৱৰ্তন কৰা হ'ল?

(খ) কামৰূপ (মহানগৰ) আৰু কামৰূপ (গ্ৰাম্য জিলাত কোন কোন অনুষ্ঠানে চৰকাৰী ভূমি আৱণ্টন বিভাৰি দিয়া আবেদন বিবেচনাধীন হৈ আছে? অনুষ্ঠানসূমহৰ নাম আৰু তেওঁলোকৰ আবেদন পত্ৰৰ প্ৰতিলিপি দাখিল কৰিব।

(গ) ২০০১ চনৰ পৰা ২০০৩ চনৰ নৱেম্বৰ মাহলৈ পলাশবাৰী ৰাজহচক্ৰৰ পৰা কোন কোন অনুষ্ঠানে ভূমি আৱণ্টন বিচাৰি দিয়া প্ৰস্তাৱসমূহ কামৰূপ জিলাৰ উপায়ুক্তলৈ প্ৰেৰণ কৰিছিল?

(ঘ) বৰ্তমান অসমত কিমানটা ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয় আছে? এই কাৰ্যালয়সমূহৰ কোন কোন কাৰ্যালয়ত স্থায়ী চক্ৰ বিষয়া নাই? কি কাৰণত এই পদসমূহ খালী হৈ আছে।

(ঙ) বৰ্তমান ৰাজ্যৰ কোন ৰাজহচক্ৰত কিমানটা বাটোৱাৰা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে? এই গোচৰসমূহ ক্ষীপ্ৰভাৱে নিষ্পত্তি কৰাৰ বাবে ৰাজহ বিভাগে কি পদক্ষেপ হাতত লৈছে?

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিভাগত থকা জিলাভিত্তিক কৃষি ভূমিৰ পৰিমাণ পৰিশিষ্ট 'ক' যোগে দাখিল কৰা হয়। ২০০১ চনত অসমত থকা কৃষি ভূমিৰ তথ্য উপায়ুক্তৰ পৰা বিচৰা হৈছে। কৃষি ভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তন কৰাৰ সম্পৰ্কে ২০০১ চনৰ পৰা বৰ্তমানলৈ পোৱা ২০ খন জিলাৰ তথ্য পৰিশিষ্ট 'খ' যোগে দাখিল কৰা হ'ল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কৃষি ভূমিসমূহ বাসস্থান, উদ্যোগ, ব্যৱসায় আদিৰ বাবে পৰিৱৰ্তন হৈছে। তাৰোপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাব ভূমি অধিগ্ৰহণৰ বাবেও শ্ৰেণী পৰিৱৰ্তন হৈছে।

(খ) কামৰূপ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য পৰিশিষ্ট 'গ'যোগে দাখিল কৰা হ'ল। কামৰূপ মহানগৰ জিলা তথ্য পৰিশিষ্ট 'ঘ'যোগে দাখিল কৰা হ'ল। বিতং তথ্য বিচৰা হৈছে।

(গ) পৰিশিষ্ট 'ঙ'যোগে দাখিল কৰা হ'ল।

(ঘ) বৰ্তমান অসমত মুঠ ১৫৪টা ৰাজহচক্ৰ আছে। এই ৰাজহচক্ৰসমূহৰ ভিতৰত মুঠ ৪২টা ৰাজহচক্ৰত স্থায়ী চক্ৰ বিষয়া নাই। ইয়াৰ তথ্য পৰিশিষ্ট 'চ'যোগে দাখিল কৰা হ'ল। পৰ্যাপ্ত বিষয়াৰ অভাৱৰ কাৰণে চক্ৰ বিষয়াৰ পদসমূহ খালী হৈ আছে।

(ঙ) কামৰূপ জিলাৰ ৰাজহচক্রসমূহ নিষ্পত্তি নোহোৱাকৈ থকা বাটোৱাৰা গোচৰৰ সংখ্যা পৰিশিষ্ট 'ছ'যোগে দাখিল কৰা হ'ল। কামৰূপ মহানগৰ জিলাৰ তথ্য এনেধৰণৰ—গুৱাহাটী-৭০৭, সোণাপুৰ-৮০, আজাৰা-১২৭, দিছপুৰ- ১৮৯৮, চন্দ্রপুৰ-২, উত্তৰ গুৱাহাটি চক্র-১৮টা। বাটোৱাৰা গোচৰ সমূহ নিষ্পত্তি কৰিবলৈ ৰাজহ আদালতৰ যোগে চক্র বিষয়াসকলে পদক্ষেপ ল'ব লাগে। বাটোৱাৰা গোচৰ সোনকালে নিষ্পত্তি কৰিবলৈ (৯০দিনৰ ভিতৰত) সম্পূর্ণ বাটোৱা জনসেৱা অধিকাৰ আইন ২০১২ (Right to Public Service Act. 2012)ৰ আওতালৈ নিয়া হৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৯১। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ জুৰীয়া থানাৰ অন্তর্গত মেলেকাধিঙৰ এখন চাহৰ দোকানত জুই লাগি দুজন বন কৰা ল'ৰা জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু বৰণ কৰা সম্পর্কে চৰকাৰ অৱগতনে?

(খ) ঘটনাটো কিমান তাৰিখে সংঘটিত হৈছিল?

(গ) অগ্নিদগ্ধ হৈ মৃত্যুবৰণ কৰা ল'ৰা দুজনৰ নাম কি?

(ঘ) মৃত ল'ৰা দুজনৰ পৰিয়ালক চৰকাৰে কি ক্ষতিপূৰণ দিলে?

শ্রীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগীয় মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ জুৰীয়া থানাৰ অন্তর্গত মেলেকাধিঙৰ এখন চাহৰ দোকানত জুই লাগি দুজন বনকৰা ল'ৰা জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুবৰণ কৰা ঘটনা সম্পর্কে চৰকাৰ অৱগত হয়। এই সম্পর্কে জুৰীয়া থানাত এটি অপঘাত মোঃ নং ৯/১৩ ৰুজু কৰা হয়। কার্যবাহী দণ্ডাধীশ তথা ধিং ৰাজহ চক্রৰ

বিষয়া মহোদয়ে মৃতদেহৰ ওপৰত চুৰৎ হাল তৈয়াৰ কৰি দিয়া মৃতদেহ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত গোষ্টমৰ্টেম কৰাই অভিভাৱকক চমজাই দিয়া হয়।

(খ) ঘটনাটো যোৱা ইং ০২/০৭/২০১৩ তাৰিখে সংঘটিত হৈছিল।

(গ) অগ্নিদগ্ধ হৈ মৃত্যুবৰণ কৰা ল'ৰা দুজনৰ নাম ঃ

১। শ্বৰিফুল ইছলাম (বয়স ১৭বছৰ), পিতা ঃ মোঃ আবুল কালাম, সাংঃ মেলেকাধিং, থানা ঃ জুৰীয়া, জিলাঃ নগাঁও (অসম)

২। হিফজুৰ ৰহমান ৰহমান (বয়স ২২ বছৰ), পিতা ঃ মোঃ আব্দুল চামাদ, সাং ঃ মেলেকাধিং, থানা ঃ জুৰীয়া, জিলাঃ নগাঁও (অসম)।

(ঘ) নগাঁও জিলা উপায়ুক্তৰ পৰা নিহত হোৱা লোক দুজনৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ বাবে উপযুক্ত প্ৰস্তাৱ পালে, বিহীত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰী আমিনুল ইছলামে সুধিছে ঃ

৯২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ মোৰাঝাৰ থানাত ১৯৯১ চনৰ পৰা বৰ্তমানলৈকে কিমান গোচৰ ৰুজু হৈছে?

(খ) ৰুজুৰ হোৱা গোচৰবিলাকৰ মাজত কিমান আচামী এতিয়ালৈকে পলাতক হৈ আছে?

(গ) পলাতক আচামীসকলৰ নামৰ তালিকা সদনত দাখিল কৰিবনে?

শ্ৰীৰকিবুল হুছেই (বন ও পৰিৱেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগীয় মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) নগাঁও জিলাৰ মোৰাঝাৰ থানাত ১৯৯১ চনৰ পৰা বৰ্তমানলৈকে মুঠ ৪৪৪৮ টা গোচৰ ৰুজু কৰা হৈছে।

(খ) নগাঁও জিলাৰ মোৰাঝাৰ থানাত উক্ত ৰুজু হোৱা গোচৰসমূহৰ মুঠ ৩৯ জন আচামী এতিয়ালৈকে পলাতক হৈ আছে।

(গ) পলাতক আচামীসকলৰ নামৰ তালিকা সংলগ্ন 'ক'ত গাঁঠি দিয়া হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

৯৩। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত আৰ্থ সামাজিক আৰু জাতিৰ পিয়ল কেতিয়াৰ পৰা আৰম্ভ হৈছিল?

(খ) এই পিয়লৰ খচৰা প্ৰকাশ হৈছে নেকি? (যদি হৈছে কি কি জিলাত হৈছে আৰু বি পি এল লোকৰ সংখ্যা কিমান)

(গ) এই পিয়লৰ চূড়ান্ত তালিকা কেতিয়া প্ৰকাশ কৰা হ'ব?

(ঘ) এই পিয়ল আগতে কেতিয়া হৈছিল আৰু বি পি এল লোকৰ সংখ্যা কিমান আছিল? (জিলা অনুসৰি তথ্য দিব)

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত এই পিয়লৰ কাম ২০১১ চনৰ ৩০ ডিচেম্বৰত আৰম্ভ হৈছিল।

(খ) এই পিয়লৰ খচৰা তালিকা ১১ খন জিলাত (বাক্সা, চিৰাং, বঙাইগাঁও, ধুবুৰী, ওদালগুৰি, কামৰূপ (মহানগৰ), শোণিতপুৰ, শিৱসাগৰ, বৰপেটা, তিনিচুকীয়া আৰু নলবাৰী) প্ৰকাশ হৈছে।

বি পি এল লোকৰ তালিকা প্ৰস্তুতিৰ কাম এতিয়াও আৰম্ভ হোৱা নাই।

(গ) ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ে এই তালিকা প্ৰকাশ কৰিব। তাৰবাবে কোনো তাৰিখ নিৰ্ধাৰণ কৰা হোৱা নাই।

(ঘ) 'আৰ্থ-সামাজিক আৰু জাতি পিয়ল, ২০১১' ধৰণৰ পিয়ল আগতে হোৱা নাছিল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

৯৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এন আৰ চি) উন্নীতকৰণ প্ৰক্ৰিয়া কি পৰ্যায়ত আছে আৰু কেতিয়াকৈ সম্পূৰ্ণ হ'ব?

(খ) এন আৰ চি উন্নীতকৰণৰ বাবে কিমান পুঁজি কেন্দ্ৰৰ পৰা বিচৰা হৈছে আৰু কিমান পুঁজি মুকলি আৰু ব্যয় হৈছে?

(গ) এন আৰ চি উন্নীতকৰণৰ বাবে কমিচনাৰেট গঠন কৰা হৈছে নেকি? যদি হৈছে কাক দায়িত্ব দিছে আৰু কাৰ্যালয়ৰ অন্যান্য বিষয়া, কৰ্মচাৰীৰ সংখ্যা কিমান?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিৱেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগীয় মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ কৰিবলৈ আৰু তিনি বছৰৰ ভিতৰত ইয়াক সম্পূৰ্ণ কৰিবলৈ ভাৰতৰ মহাগাণনিকে অধিসূচনা জাৰি কৰিছে।

(খ) ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৪৪২.৫০ কোটি টকা বিচৰা হৈছে। এই সংক্ৰান্তত যোৱা ২৫ ডিচেম্বৰ ২০১৩ ইং তাৰিখে কেন্দ্ৰীয় চৰকাৰে ২৫ কোটি টকা মোকলাই দিছে। উক্ত ২৫ কোটি টকা ব্যৱহাৰৰ বাবে S.D. Proposal বিত্ত বিভাগলৈ পঠোৱা হৈছে আৰু ইতিমধ্যে বিত্ত বিভাগে ইয়াত অনুমোদন দিছে। এই টকা এতিয়ালৈ ব্যয় হোৱা নাই।

(গ) বৰ্তমানলৈ এন আৰ চি উন্নীতকৰণৰ বাবে কমিচনাৰেট গঠন কৰা হোৱা নাই যদিও ৰাজনৈতিক বিভাগৰ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া আয়ুক্ত সচিব শ্ৰী প্ৰতীক হাজেলাক State Coordinator আৰু In Charge of the Directorate of NRCহিচানে নিযুক্তি দিয়া হৈছে।

বষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

৯৫। মাননীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰীৰ বিশেষ বন গৰাখহনীয়া ক্ষতিগ্ৰস্ত পৰিয়ালক সাহাৰ্য আঁচনিত যোৱা বছৰত কি কি সাহায্য দিয়া হ'ল (জিলা অনুসৰি তথ্য দিব)

(খ) এই আঁচনিত ২বান্ডিলকৈ টিনপাত আৰু ৫হাজাৰকৈ টকা দিয়া হৈছিল নেকি? (যদি হৈছিল জিলা অনুসৰি তথ্য দিব)

(গ) এই আঁচনিৰ জৰিয়তে লখিমপুৰ জিলাৰ লখিমপুৰ আৰু তেলাহী ব্লকৰ কিমান পৰিয়ালৰ বাবে টিনপাত আৰু টকা আৱন্টন হৈছিল? ইয়াৰ পৰা কিমানটা পৰিয়ালক দিয়া হ'ল? যদি দিয়া নাই কেতিয়াকৈ দিব?

শ্ৰীপৃথিৰী মাঝি (ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মুখ্যমন্ত্ৰীৰ বিশেষ বান গৰাখনীয়া ক্ষতিগ্ৰস্ত পৰিয়ালক দিয়া সাহায্য আঁচনি ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ জৰিয়তে ৰূপায়ন কৰা হোৱা নাই।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি এই আঁচনিৰ অধীনত যোৱা ২০১২-১৩ বৰ্ষত বান গৰাখনীয়া ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য হিচাপে ২(দুই) বান্ডিলকৈ টিনপাত আৰু নগদ ৫০০০/- (পাঁচ হাজাৰ) টকাকৈ মঞ্জুৰী দিয়া হৈছিল।

(খ) এই সম্পৰ্কত সংশ্লিষ্ট পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰা পোৱা তথ্য পৰিশিষ্ট 'ক'ত সংলগ্ন কৰি দিয়া হ'ল।

(গ) 'খ' প্ৰশ্নৰ উত্তৰত দিয়া আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৯৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা চীট্ ফান্ডে ব্যৱসায় চলাই আছে? (নাম সহকাৰে জনাব)

(খ) কিমানটা চীট্ ফান্ডে গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰ বাবে গোচৰ ৰুজু হৈছে আৰু এই গোচৰসমূহৰ অনুসন্ধানৰ অগ্ৰগতিৰ বিষয়ে জনাব।

(গ) চীট্ ফান্ডৰ বিৰুদ্ধে থকা গোচৰ চি বি আইৰ অনুসন্ধানৰ বাবে দিয়া হৈছে নেকি?

(ঘ) যদি দিয়া হৈছে, চীট্ ফান্ড অনুসৰি গোচৰ কেইটা কি কি? অনুসন্ধানৰ অগ্ৰগতিৰ তথ্য পাতি জনাবনে?

শ্ৰীনীলমণি সেন ডেকা (কৃষি আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে বিত্ত বিভাগৰ মন্ত্ৰী মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ দেৱৰ হৈ উত্তৰ দিছে ঃ

(ক) চীট্ ফান্ড পঞ্জীয়ক, অসমে দিয়া তথ্য অনুসৰি অসমত বৰ্তমানলৈ কোনো কম্পানী বা ব্যৱসায়ীক প্ৰতিষ্ঠান চীট্ ফান্ড পঞ্জীয়কৰ অধীনত পঞ্জীয়নভূক্ত হোৱা নাই।

(খ) গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰ বাবে ' Assam Co-operative Insurance Ltd.' নামৰ এটা কোম্পানীৰ বিৰুদ্ধে ' Chit found Act'.– ৰ অধীনত মৰিগাঁও থানাত (Morigaon PS C/No.306/12 u/s 406/420 IPC R/W Sec 76 Chit Fund Act.) এটা গোচৰ ৰুজু হৈছে। বৰ্তমান তদন্ত অব্যাহত আছে।

(গ) চীট্ ফান্ড ৰ বিৰুদ্ধে কোনো গোচৰ চি বি আই— ৰ অনুসন্ধানৰ বাবে দিয়া হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৯৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধোৱাবীন ধোপাত প্ৰতিৰোধ বিধেয়কখন এতিয়া কি পৰ্য্যায়ত আছে?

(খ) ৰাজ্যপাল অনুমোদনৰ অপেক্ষাত বিধেয়কখন আছে নেকি? যদি আছে কেতিয়াৰ পৰা অপেক্ষাত আছে?

(গ) বিধান সভাত বিধেয়কখন গৃহীত কেতিয়া হৈছিল আৰু ৰাজ্যপালৰ অনুমোদনৰ পূৰ্বে বিধায়কখন কোন বিভাগত কিমান দিন আছিল?

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধোৱাবিহীন ধপাত প্রতিৰোধ বিধেয়কখন এতিয়া মহামান্য ৰাজ্যপালৰ অনুমোদনৰ অপেক্ষাত আছে?

(খ) হয় আছে। ৩০-১১-২০১৩ইং তাৰিখৰ পৰা আছে।

(গ) ধোৱাবিহীন ধপাত প্রতিৰোধ বিধেয়কখন যোৱা ১৯জুলাই ২০১৩তাৰিখত বিধান সভাত গৃহীত হোৱাৰ পিছত, মহামান্য ৰাজ্যপালৰ অনুমোদনৰ বাবে মাননীয় মুখ্যমন্ত্রীৰ জৰিয়তে ২৭-৮-২০১৩তাৰিখত এল.জি.এল ২২/২০১৩নং ফাইলটো মুখ্যমন্ত্রীৰ সচিবালয়লৈ পঠোৱা হয়।

মাননীয় মুখ্যমন্ত্রীয়ে কেইটামান বিধিগত বিষয় বিস্তৃতভাৱে ব্যাখ্যা কৰিবৰ বাবে বিধায়িনী বিভাগৰ আয়ুক্ত সচিবলৈ উক্ত ফাইলটো ৫/৯/২০১৩ত প্রেৰণ কৰে আৰু সেই অনুসৰি মাননীয় মুখ্যমন্ত্রীয়ে বিচৰা ব্যাখ্যাসহ ফাইলটো ১০-৯-২০১৩পুনৰ মুখ্যমন্ত্রীৰ সচিবালয়লৈ প্রেৰণ কৰা হয়।

মাননীয় মুখ্যমন্ত্রীয়ে বিধান বিভাগৰ আয়ুক্ত সচিবক বিষয়টো মহাধিবক্তাৰ লগত আলোচনা কৰি পুনৰ প্রেৰণ কৰিবলৈ ৩০-৯-২০১৩তাৰিখত ফাইলটো বিধায়িনী বিভাগলৈ পঠায় আৰু বিধায়িনী বিভাগে ৭-১০-২০১৩তাৰিখত ফাইলটো মহাধিবক্তাৰ কার্য্যালয়লৈ প্রেৰণ কৰে।

মহাধিবক্তাই কার্য্যালয়ে মহাধিবক্তাৰ মতামত সহ ফাইলটো ১১-১১-২০১৩ত বিধায়িনী বিভাগলৈ পঠায় আৰু বিধায়িনী বিভাগে মাননীয়

মুখ্যমন্ত্রীৰ জৰিয়তে মহামান্য ৰাজ্যপালৰ অনুমোদৰ বাবে ১৫-১১-২০১৩ত মুখ্যমন্ত্রীৰ সচিবালয়লৈ ফাইলটো প্ৰেৰণ কৰে।

উক্ত ফাইলটো মাননীয় মুখ্যমন্ত্রীয়ে ২৯-১১-২০১৩ত অনুমোদন কৰি বিধায়িনী বিভাগক ওভটাই দিয়ে আৰু বিধায়নী বিভাগে পৰ্য্যায়ক্ৰমে ফাইলটো ৰাজ্যপলৰ অনুমোদনৰ বাবে ৩০-১১-২০১৩ৰাজ্যপালৰ সচিবালয়লৈ মাননীয় মুখ্যমন্ত্রীৰ জৰিয়তে প্ৰেৰণ কৰে। সেই অনুসৰি মাননীয় মুখ্যমন্ত্রীয়ে ফাইলটো ৩০-১১-২০১৩তাৰিখে মহামান্য ৰাজ্যপাললৈ প্ৰেৰণ কৰে।

মহামান্য ৰাজ্যপালে বিশেষ কেইটামান বিষয়ত ব্যাখ্যা প্ৰদান কৰিবলৈ মাননীয় মুখ্যমন্ত্রীৰ জৰিয়তে বিধায়িনী বিভাগলৈ ফাইলটো ১১-১২-২০১৩ তাৰিখত পঠায়; যিটো বিধায়িনী বিভাগে ১১-১২-২০১৩তৰিখত গ্ৰহণ কৰে। বৰ্তমান বিধায়িনী বিভাগে বিষয়কেইটা পৰীক্ষা কৰি আছে আৰু বিষয়কেইটা ব্যাখ্যা কৰাৰ পিছত ফাইলটো মাননীয় মুখ্যমন্ত্রীৰ জৰিয়তে পুনৰ মহামান্য ৰাজ্যপাললৈ পঠোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৯৮। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শক্তি বিভাগৰ অধীনত বিনামূলীয়া বিদ্যুৎ সংযোগৰ বাবে কি কি আঁচনি চলি আহিছে?

(খ) এই আঁচনিৰ অধীনত ১৯৯৬চনৰ পৰা এতিয়ালৈ কিমানটা পৰিয়ালক বিদ্যুৎ দিয়া হৈছে?

(গ) এই আঁচনিত পৰিয়ালসমুহৰ বাবে বিদ্যুৎৰ নিৰিখ কেনেকৈ নিৰ্দ্ধাৰণ কৰা হৈছে আৰু কেনেদৰে ৰাজহ সংগ্ৰহ কৰা হৈছে?

(ঘ) তেওঁলোকে ব্যৱহাৰ কৰা বিদ্যুৎৰ বাবদ সংযোগৰ সময়তে বিল দি থকা

হৈছিল নেকি?

(ঙ) এই পৰিয়ালসমূহক বিদ্যুৎ যোগানৰ বাবে আৰম্ভনিৰ পৰা এতিয়ালৈ একেলগে বিদ্যুৎ বিল দিয়াৰ বিষয়ে অৱগত নে?

(চ) যদি অৱগত এই পৰিয়ালসমূহক বৃহৎ হাৰত বিল দিয়াত সৃষ্টি হোৱা সমস্যা কেনেদৰে সমাধান কৰিব?

(ছ) বৃহৎ হাৰত মুঠকৈ বিল দিয়াত পৰিশোধ কৰিব নোৱাৰাত তেওঁলোকৰ বিদ্যুৎ সংযোগ কৰ্তন কৰা হৈছে নেকি?

(জ) বিভাগীয় হেমাহিত নিয়মীয়াকৈ বিদ্যুৎৰ বিল নিদি মুঠকৈ বিল দি হাৰাশাস্তিৰ সন্মুখীন কৰা পৰিয়ালবসমূহক বিল আদায়ৰ পৰা ৰেহাই দি পুনৰ বিদ্যুৎ সংযোগ কৰা হব নেকি?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শক্তি বিভাগৰ অধীনত বিনামূলীয়া বিদ্যুৎ সংযোগৰ বাবে তলত উল্লেখ কৰা আঁচনিসমূহ চলি আছে।

(১) ৰাজীৱ গান্ধী গ্রামীন বৈদ্যুতিকৰণ যোজনা।

(২) RVE Programme through Solar Photo Voltaic Home Lighting (HLS) আৰু Solar Photo Voltaic Street Lighting (SLS).

(খ) ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিৰ অধীনত ২০০৭চনৰ পৰা ৩০-১১-২০১৩ইং তাৰিখলৈ ১০,৪১,৯৬৫টা পৰিয়ালক (BPL) প্রথম বিনামূলীয়া বিদ্যুৎ সংযোগ কৰা হৈছিল আৰু RVE Programme ত ৬১৯৯৬ টা পৰিয়ালক Photo Voltaic Home Lighting (HLS) ৰ দ্বাৰা বিনামূলীয়া বিদ্যুৎ সংযোগ কৰা হৈছে লগতে Solar Photo Voltaic Street Lighting (SLS) ৰ দ্বাৰা ৬৪১টা স্থাপন কৰা হৈছে।

(গ) এই আঁচনিৰ পৰিয়াল বোৰৰ কাৰণে পৃথকে বিদ্যুৎ নিৰিখ ঠিক কৰা হোৱা

নাই। এনে ধৰণৰ গ্ৰাহকবোৰ সৰ্বনিম্ন স্লেবৰ জীৱনধাৰা নামৰ এটা বিভাগৰ অৰ্ন্তভুক্ত হয় যদিহে তেওঁলোকৰ মাহেকীয়া বিদ্যুৎ খৰছ ৩০ইউনিতৰ অধিক নহয়। ইয়াৰ কাৰণে তেওঁলোকে মাহে ১৫.০০টকা Fixed Charge আৰু প্ৰতি ইউনিটত ৩.৫৩ টকা energy charge দিব লগা আছিল, বৰ্তমান চৰকাৰে ভৰ্ত্তুকি (Subsidy) দিয়াৰ ফলত এই হাৰ ২.৪৩ টকাকৈ কমিছে।

(ঘ) বিদ্যুৎ খৰচ কৰাৰ বাবদ মাহেকীয়া ভাৱে বিল দি থকা হয়।

(ঙ) অৱগত নহয়।

(চ) প্ৰযোজ্য নহয়।

(ছ) এনেকুৱা নিৰ্দ্দিষ্ট তথ্য আমাৰ হাতত নাই।

(জ) এনে ধৰণৰ গ্ৰাহকবোৰ যদি নিৰ্দিষ্ট কৰ্য্যালয়ত আৱেদন কৰে তেওঁলোকৰ বিষয়টো বিবেচনা কৰিবৰ কাৰণে APDCL ৰ নিৰ্দিষ্ট নিয়ম (কিস্তি হিচাবে দিয়াৰ) আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৯৯। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১/৫/২০১১ পৰা ৩০/১১/২০১৩ পৰ্যন্ত অসম চৰকাৰৰ প্ৰতিটো বিভাগ, চৰকাৰৰ নিয়ন্ত্ৰনাধীন ৰাজ্যিক পৰ্য্যায়ৰ প্ৰতিটো নিকায়সমূহৰ দ্বাৰা বিভিন্ন বাতৰি কাকত, আলোচনী প্ৰচাৰ মাধ্যমত প্ৰকাশিত বিজ্ঞাপনৰ বাবদ কিমান টকা আদায় দিয়া হৈছে? (বিভাগ, নিগম, নিকায়ৰ টকাৰ পৰিমান প্ৰচাৰ মাধ্যমৰ নামসহ বিতং তথ্য দিব)

(খ) উল্লেখিত বিষয়ত বৰ্তমানলৈ কিমান টকাৰ বিল পৰিশোধ কৰা হৈছে আৰু কিমান বিল পৰিশোধ কৰিবলৈ বাকী আছে? (বিভাগ, নিগম, নিকায়ৰ টকাৰ পৰিমান প্ৰচাৰ মাধ্যমৰ নামসমূহ বিতং তথ্য দিব)

(গ) উল্লেখিত সময়চোৱাত দিয়া আঁচনিৰ বিজ্ঞাপনসমূহৰ পৰা কিমান সংখ্যৰ হিতাধিকাৰীয়ে উপকৃত হৈছে আৰু কিমানটা আঁচনিৰ কাম বৰ্তমান চলি আছে আৰু কিমানটা আঁচনিৰ কাম সম্পূৰ্ণ হৈছে? (বিভাগ, নিগম, নিকায়, আঁচনিৰ নাম, বিজ্ঞানপৰ তাৰিখ প্ৰচাৰ মাধ্যমৰ নামসহ বিতং তথ্য দিব)

(ঘ) বিভাগ, নিকায়, নিগমসমূহৰ বিজ্ঞাপন বিলাকত মুখ্যমন্ত্ৰী, সংসদীয় সচিবৰ ফটো প্ৰচাৰৰ যুক্তি কি উল্লেখ কৰিব?

শ্ৰীৰসন্ত দাস (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ))য়ে উত্তৰ দিছেঃ

(ক) ০১-০৫-২০১১ ৰ পৰা ৩১-০৩-২০১২ লৈ মুঠ আদায় দিয়া ধনৰ পৰিমান— ৫,২২,৬১,৮০৩.০০ টকা ।

০১-০৪-২০১২ ৰ পৰা ৩১-০৩-২০১৩ লৈ মুঠ আদায় দিয়া ধনৰ পৰিমান— ৯,২৮,৮৯,৪৭৩.০০ টকা ।

০১-০৪-২০১৩ ৰ পৰা ৩১-১১-২০১৩ লৈ মুঠ আদায় দিয়া ধনৰ পৰিমান— ৩,২৭,৩৩,৩১২.০০ টকা ।

সৰ্বমুঠ আদায় দিয়া ধনৰ পৰিমান — ১৭,৭৮,৮৪,৫৮৮.০০ টকা

(বিতং তথ্য সংলগ্ন 'ক'ত দিয়া হৈছে)

(খ) বৰ্তমানলৈকে মুঠ বিল পৰিশোধ কৰা ধনৰ পৰিমান — ১৭,৭৮,৮৪,৫৮৮.০০ টকা আৰু বৰ্তমান ৪,৪৭,১৭,৬৪৭ টকা পৰিশোধ কৰিবলৈ বাকী আছে । (বিতং তথ্য সংলগ্ন 'খ'ত দিয়া হৈছে)

(গ) তথ্য আৰু জনসংযোগ বিভাগে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগসমূহৰ উন্নয়নমুলক কাম কাজ সম্পৰ্কে বিভাগসমুহে প্ৰস্তুত কৰি দিয়া বিজ্ঞাপন প্ৰকাশৰ যোগেদি জনসাধাৰণৰ মাজত প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰচাৰ কৰে। আঁচনিসমুহৰ দ্বাৰা উপকৃত হোৱা হিতাধিকাৰীৰ সংখ্যা, চলি থকা আৰু সম্পূৰ্ণ হোৱা আঁচনিৰ সংখ্যা সম্পৰ্কে বিভাগ জড়িত নহয়। আন বিভাগসমূহৰ পৰা তথ্য বিচাৰি থকা হৈছে।

ৰাজ্য চৰকাৰৰ বিভিন্ন জনহিতকৰ আঁচনি, কাৰ্যসূচী, সজাগতা বিষয়ক বিভিন্ন কথাংশ ৰাইজক অৱগত কৰাৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰাৰ লগতে আলোকচিত্ৰ ব্যৱহাৰ কৰিব লগা হয়। বিজ্ঞাপনত সংলিষ্ট বিভাগৰ মন্ত্ৰী, সংসদীয় সচিব তথা বিভাগৰ কাম-কাজ প্ৰতিফলিত কৰা আলোকচিত্ৰ পৰম্পৰাগত ভাবে প্ৰকাশ কৰা হৈ আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআব্দুল ৰহিম খানে সুধিছে ঃ

১০০। মাননীয় গৃহ নিৰ্মান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীত কিমানটা Housing Colony ক'ত ক'ত আছে?

(খ) উক্ত Housing Colony সমূহত ক'ত কিমানটা আবাস গৃহ আছে?

(গ) এই আবাস গৃহসমূহ কোন কোন বিষয়া-কৰ্মচাৰী ও ব্যক্তিৰ নামত আৱন্টন দিয়া হৈছে?

(তেওঁলোকৰ আবেদনৰ প-পত্ৰৰ প্ৰতিলিপি সৈতে নাম ও স্থায়ী ঠিকনাৰ তালিকা সদনত দাখিল কৰিব।)

(ঘ) আবাসীসকলৰ পৰা নিয়মিত ভাবে বিভাগে ভাড়া প্ৰাপ্ত হৈছেনে?

(ঙ) যদি হৈছে, যোৱা ৫বছৰত বিভাগে ভাড়াৰ বাবদ কিমান টকা আদায় পালে?

(চ) যদি কাৰোবাৰ ভাড়া অনাদায় আছে, তাৰ তালিকা সদনত দাখিল কৰিবনে?

(ছ) আৱন্টিত আবাস গৃহসমূহৰ অধিকাংশই তৃতীয় ব্যক্তিলৈ হস্তান্তৰ কৰি ভাড়াত দিয়া বিষয়ে চৰকাৰে অৱগত নে?

(জ) যদি অৱগত, চৰকাৰে ইয়াৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীমতী অজন্তা নেওগ (গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটীত মুঠ ৯টা হাউচিং ক'লনী নিম্নলিখিত ঠাইত আছে - (১)

হেঙৰাবাৰী (২) চান্দমাৰী কৃষ্ণনগৰ (৩) চান্দমাৰী ক'লনী (৪) খাৰঘুলি পাহাৰ (৫) ভেটাপাৰা (৬) ভেটাপাৰা কালী মন্দীৰ (৭) ঘোঁৰামাৰা ক'লনী (৮) বৰসজাই ক'লনী (৯) মালিগাঁও ক'লনী ।

(খ) ১। হেঙাৰাবাৰী ২৬টা অট্টালিকাত সর্বমুঠ ২১৬টা আৱাসগৃহ আছে।

২। চান্দমাৰী কৃষ্ণনগৰত ৭টা অট্টালিকাত সর্বমুঠ ৩৪টা আৱাসগৃহ আছে।

৩। চান্দমাৰী ক'লনীত ৫টা অট্টালিকাত সর্বমুঠ ৪৪টা আৱাসগৃহ আছে।

৪। খাৰঘূলী পাহাৰত ৯টা অট্টালিকাত সর্বমুঠ ১০২টা আৱাসগৃহ আছে।

৫। ভেটাপাৰা ৩০টা অট্টালিকাত সর্বমুঠ ৫০০টা আৱাসগৃহ আছে।

৬। ভেটাপাৰা কালিমন্দিৰত ৪টা অট্টালিকাত সর্বমুঠ ২৪টা আৱাসগৃহ আছে।

৭। ঘোঁৰামাৰা ক'লনীত ১২টা অট্টালিকাত সর্বমুঠ ৩২০টা আৱাসগৃহ আছে।

৮। বৰসজাই ক'লনীত ৮টা অট্টালিকাত সর্বমুঠ ৪৮টা আৱাসগৃহ আছে।

৯। মালিগাঁও ক'লনীত ২টা অট্টালিকাত সর্বমুঠ ৩২টা আৱাসগৃহ আছে।

(গ) আৱন্ট প্রাপ্ত বিষয়া কর্মচাৰী ও ব্যক্তিৰ নাম পৰিশিষ্ট 'ক' ত দিয়া হ'ল যদিও সীমিত সময়ৰ ভিতৰত আটাইবোৰ আৱন্টনকাৰীৰ আবেদন প্র-পত্র নথিৰ পৰা উলিয়াই প্রতিলিপি দিয়া সম্ভৱ নহ'ল। প্রয়োজন অনুসৰি ১৫দিনৰ ভিতৰত প্র-পত্রৰ প্রতিলিপি সন্মানীয় বিধায়কজনক যোগান ধৰা হব।

(গ) নিয়মিতভাৱে ভাড়া প্রাপ্তি হৈছে যদিও কিছুমানৰ ক্ষেত্রত ভাড়া বাকী আছে।

(ঙ) যোৱা ৫ বছৰত ভাড়াৰ বাবাদ গৃহ নির্মাণ পৰিষদে মুঠ ৭,২৯,৭০,১২৮.০০ টকা আদায় পোৱা হৈছে।

(চ) হয়, ভাড়া অনাদায় আছে। তালিকা পৰিশিষ্ট (খ)ত দাখিল কৰা হ'ল।

(ছ) এই ক্ষেত্ৰত চৰকাৰ অৱগত নহয়।

(জ) প্ৰশ্ন নুঠে।

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

101. Will the Minister of Panchayat & Rural Development be pleased to state:

(a) What are the different schemes implemented by Barpeta Zilla Parishad during 2011-12, 2012-13 and 2013-14 ? Financial year-wise detailed list of schemes with financial involvement implemented in G.P, A.P & Z.P level with location for each such schemes may kindly be furnished.

(b) Is it true that several Community Halls comstructed by Barpeta Zilla Parishad during 2011-12 ? If yes, the numbers of Community Halls, name of the schemes with location, financial involvement for each community hall so constructed and the No of Community Halls which have not been constructed as yet with location & financial involvements for each community hall and the reasons thereof for non-construction of the Community Hall may kindly be furnished.

Shri Rokybul Hussain (Minister of Panchayat & Rural Development Department) replied :

(a) Name of different schemes implemented by Barpeta Zilla

Parishad during 2011-12, 2012-13 and 2013-14 are BRGF, DDP, TFC and 4th ASFC.

Financial year wise list of schemes with location and Financial involvement in

GP, AP and ZP level are furnished in the Annexure as shown below :-

BRGF——At Annexure 1,2

DDP———At Annexure 3,4

TFC———At Annexure 5,6 (list of schemes for the year 2011-12 are being collected from Chief Executive Officer, Zilla Parishad, Barpeta).

4th ASFC——At Annexure 7,8.

Fund for the above schemes during 2013-14 have not yet been released from Govt.

(b) Community Halls were not constructed in the year 2011-12.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

102. Will the Minister Education be pleased to state :

(a) Is it true that one Dr. Faziur Rahman with Arabic background has recently been appointed as Deputy Director of Madrassa Education? Is it also true that no work with regard to administrative affairs of the Directorate has been allotted to the said Deputy Director? If yes, why & for what reasons no such work has been allotted to the said Deputy Director? (Kindly furnish details).

(b) It is true that instead of routing the files through the Deputy Director, it has been ordered for routing the files of the Directorate through the Production Officer Shri Ajit Baruah, a non-Gazzated Officer without any Madrassa qualification ? Reasons thereof may kindly be stated.

(c) Is it mandatory under NCTE, Rules to appoint only TET Qualified teachers as Asst. Teachers in provincialised Institutions? Is it also true that Govt. has been appointing teachers in 74 provincialised Madrassa Institutions without TET? If yes, is it not in contravention of NCTE Rules? Is it also not discriminatory to the students of Minority Community pursuing education in those Madrassa ?

Dr. Himanta Biswa Sarma (Minister of Education) replied :

(a) It is true that Dr. Faziur Rahman is with Arabic background but he is attached in this Directorate as DDME in addition to his own duties in Cotton College. The entire academic matter have been allotted to Dr. F. Rahman. Thus Dr. Rahman has to look after the examinations, syllabus, action calender of the Board as the SMEB is to conduct the five public examinations. Moreover, as and when Govt and Directorate require he is also engaged in Administrative duties mostly connected with the inspection of Madrassa, attending workshops etc.

(b) The files for academic matters are routed through the DDME as mentioned above, It is the internal administrative matter of the Director to process or route the file through

gazetted or non-gazetted officer for smooth functioning of the Directorate.

(c) A PIL No. 48/2013 has been moved on the subject of holding TET examination before selection of teacher in 74 provincialised Madrassa at the Hon'ble High Court. Now the Govt. has decided to hold TET for Madrassa Education also and earlier appointment process has been stayed.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

103. Will the Minister Education be pleased to state :

(a) For how long Smti. Gita Sharma has been working as Deputy Secretary of Education Department? How many years such an officer can continue in one Department as per Rule?

(b) Is it true that the said officer was transferred by the Govt. vide notification dated 20-04-2013 from Education Department and later on transfer order was stayed for a Period of 3 months vide notification dated 05-7-2013 ? Is it true that even after expiry of free months, she has not been released from Education Department as yet ? If yes, under what provision & for whose interest she has not been released as yet?

(c) Is it true that Gita Sharma is also holding the charge

of Director, Madrassa Education & Secretary, State Madrassa Education Board? Does she have any qualification in Arabic language? If not, is she competent enough to manage the affairs of the theological education system mostly in Arabic & Urdu languages under Madrassa Education?

Dr. Himanta Biwa Sarma (Minister of Education) replied :

(a) She has been working as Deputy Secretary, Department of Education since 5 years. There is no specific provision in any rule.

(b) Yes, She will be released from Education Department after this financial year.

(c) Yes, She does not have any knowledge of Arabic language. Director is an administrative post and the person from the ACS cadre has been posted.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

104. Will the Minister Education be pleased to state :

(a) Is it true that the post of Director of Madrassa Education has not been created till now, inspite of separate Directorate of Madrassa Education was created in 2005 ? If yes, what steps the Govt. have taken in this regard during the last 8 years?

(b) Whether Govt. has taken any step to establish separate

premises for the Directorate of Madrassa Education? If yes, what is the progress of work till now?

(c) Is there any separate service Rules for the employees & teachers working under the Directorate of Madrassa Education ? If not, when such Rule shall be framed and under which Rules & conditions the employees & teachers are now enjoying the service benefits?

Dr. Himanta Biwa Sarma (Minister of Education) replied :

(a) Yes. However, the matter relating to creation of the post of Director and other posts of Madrassa Education is under consideration and awaiting clearance, from AR and Training Department.

(b) Yes, an amount of Rs. 1.00 crore had been allotted to the Director of Madrassa Education, Assam and some of the ground works and one chaat has been constructed by Assam State Housing Board. The Govt. have now taken up the construction matter with the PWD (Building) for remaining works of the building.

(c) No separate Service Rules for Directorate of Madrassa Education has yet been finalized. However, the same is under process. The Teachers are enjoying the service benefits under the provisions of Assam Madrassa Education (Provincialisation) Act, 1995.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

105. Will the Minister Transport be pleased to state :

(a) It it true . that the Hon'ble Minister Transport assured in the august House (July Session/2011) that three numbers of streamers would be provided in the Brahmaputra Water-course at (i) Dongra-Kholabhanda (ii) Manikpur-Pamerchar &(iii) Tarakandi- Goalpara Ghats under Baghbar LAC?

(b) Is it true that Govt. has received a proposal from Director, IWT for introduction of the streamers in the aforesaid Ghats? If yes, when the proposal was received? Whether the proposal have been accorded approval ? If not, Why? If yes, when the streamers would be introduced?

Shri Chandan Brahma (Minister of Transport) replied :

(a) Hon'ble Minister, Transport did not assure to provide streamers in the Brahmaputra water course at (i) Dongra-Kholabhanda (ii) Manikpur-Pamerchar (iii)Tarakandi-Goalpara Ghats as these Water courses were not notified as public ferry under Northern India ferries Act 1878.

(b) Viewing the importance of the matter regarding use of small mechanized boats, Govt. has notified the above mentioned water courses as Public Ferry under Northern India Ferries Act, 1878 and tender for settlement of the Ferry Service under Control & Management of Ferries Rules, 1968 will be called for shortly.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

106. Will the Minister Environment and Forest be pleased to state:

(a) Is it true that a large tract of Reserve forest have been cleared for non-forest activities under BTAD since 1985? If yes, please furnish the details of such area, present usages, whether any human habitation have developed etc.)

(b) Is it true that 93,000 people have constructed their homes in Manas Tiger Reserve alone by encroachment of the Reserve Forest?

(c) If answer to the above questions are yes, what actions have taken so far for eviction of these encroachers from the Reserve Forest? (Detailed informations may pleased furnished).

Shri Rokybul Hussain (Minister of Environment & Forest) replied :

(a) Yes, 48908.80 hectares of Reserve forestland has been cleared for non-forest activity namely cultivation, construction of homestead by encroachers. A statement (Annexure-A) showing Reserve forest wise encroachment of forestland is enclosed.

(b) 4575 people (912 families) have constructed their houses in 1550 hectare forestland under Panbari Range of Manas National Park. Another 200 ha has been encroached at Betbari under Bhuanpara Range of Manas National

Park by neighbouring villagers for cultivation.

(c) The department had been carrying out eviction operations to remove encroachers from forestland from time to time, but in most cases the encroachers reoccupied the forestland. Now, a large number of the encroachers have acquired forest right under The Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Rights) Act, 2006. Disposal of claim of forest right of the encroachers under the said Act is being taken up by the Committees formed under the provision of the Act. After exhausting all legal processes of claims of forest right of the encroachers, illegal encroachers will be evicted as per Rule.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

107. Will the Minister Education be pleased to state :

(a) Is there any office assistants or any UDAILDA working in the Directorate with Madrassa background? If yes, please mention the name of such employee with his/her Madrassa qualification. If not, how an academic Board is functioning without any assistant having the knowledge of Arabic & Urdu languages which are the main subjects of Madrassa Education?

(b) The state Madrassa Education Board, Assam is a Govt. Board and perhaps it is the only academic Board in the

arena of education which conducts five numbers of public examinations in every year without a controller of Examination. Can any public examination be conducted smoothly without a Controller of Examination? When the Govt. will seriously think over the matter and appoint or attach a qualified person as the Controller of Examination in the interest of proper education and fair examination system in the Madrassas?

Dr. Himanta Biswa Sarma (Minister of Education) replied :

(a) No. The Academic Board of Madrassa Education is functioning under the banner of Academic Council with Principals/Superintendents/Teachers having Arabic/Urdu language background. This Academic Council is headed by Deputy Director of Madrassa Education who is also having Arabic/Urdu landguage background.

(b) Proposal for creation of the post of Controller of Examination is under the consideration of the Government.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

108. Will the Minister Education be pleased to state :

(a) Who is the present Secretary of State Madrassa Education Board? Does he/she have' any Madrassa qualification? If not, what type of academic development can we expect from such a Secretary?

(b) What is the intention of the Govt. behind entrusting the academic responsibility of Madrassa Education to such an incompetent person who does-not have even the preliminary knowledge about the subjects taught in the Madrassas in the state?

Dr. Himanta Biswa Sarma (Minister of Education) replied :

(a) The Director of Madrassa Education is the Secretary of State Madrassa Education Board at present. She does not have any Madrassa qualification. The post of Director of Madrassa Education is administrative in nature.

(b) The said post of Director does not require any Madrassa qualification. But, in order to suffice the responsibility of Madrassa Education, Dr. F. Rahman, Associate Professor, Deptt. of Arabic Language, Cotton Col1ege, has been appointed as the Deputy Director of Madrassa Education, in addition to his own duties.

Sub : Short Notice Question

Shri Sherman Ali Ahmed asked :

109. Will the Minister of Panchayat & Rural Development be pleased to state:

(a) What are the schemes that have been implemented by the different G.P.s AP members and ZP members under Baghbar LAC after the Panchayat Election, 2013?

(Detailed list of the schemes with physical and Financial

targets/ achievement that have been implemented so far may kindly be furnished)

(b) Is the Govt. aware that Sign Boards specifying name of the scheme, location, physical and financial targets/ achievements have been erected in case of most of the executed schemes ? if yes, would the Govt. be pleased to take necessary steps for construction of sign Boards early and if not, would the Govt. be pleased to cause an immediate enquiry and takes necessary steps accordingly.

Shri Rokybul Hussain (Minister of Panchayat & Rural Development Department) replied :

(a) The schemes implemented by different GPs/ Aps members and ZP members under Baghbar LAC after the Panchayat Election 2013 are BRGF, DDP , TFC and MGNREGA.

Detailed list of the schemes with Physical and Financial Targets/achievements are enclosed at Annexure A,B,C,D,A1 and A2.

(b) It is not true. Photograph of the schemes showing sign Boards against the schemes of BRGF, DDP, TFC are enclosed at Annexure E, F, G and H .

In accordance with MGNREGA Guideline, eraction of information at the time of commencement of a work is mandatory and the guideline has been followed in respect of all works schemes of MGNREGA.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

110. Will the Minister Home be Pleased to state:

(a) How many villages with non-Bode majority have been included under BTAD ?

(Detailed list of villages with population (Bodo & non-Bodo population) as per 2001 & 2011 Census may kindly be furnished.)

(b) Is it true that around 100 villages with 50% or more non-Bodo people are included in BTAD? If yes, would the Govt. be pleased to request the Governor to exclude such areas from BTAD as per provisions in the "constitution" (sub-paragraph (3) of Paragraph- 1 of the sixth Schedule of the Constitution) ?

Shri Tarun Gogoi (Chief Minister (Home)) replied :

(a) As informed by WPT &BC department there is no Census Report of villages showing Bodo & Non-Bodo break up of population as per 2011 Cencus.

(b) At present it could not be ascertained for reasons as stated above.

Sub : Language in Anganwadi Centres under BTAD.

Shri Sherman Ali Ahmed asked :

111. Minister of Social Welfare be pleased to state :

(a) What language is being used as medium of instruction in the Anganwadi Centres under BTAD.

(b) How many Anganwadi Centres under BTAD are located in areas with non-Bodo majority? Detailed list may please be furnished).

(c) Is the Govt. aware that "Bodo" Language is being used as medium even in the Anganwadi Centres with non-Bodo majority which has created a lot of inconveniences? If yes, will the Govt. take necessary steps early to use "Assamese" language atleast in the Anganwadi Centres located in non-Bodo majority areas and if not, will the Govt. cause an immediate enquiry and take necessary steps accordingly?

Shri Akon Bora (Minister of Social Welfare, Assam) replied :

(a) Education in Anganwadi Centres is only non-formal education based on play way method. So, no specific language is required to be prescribed as medium of instruction in the Anganwadi Centres. As the Anganwadi Workers and the Anganwadi Helpers are recruited from the very locality in which the Anganwadi Centres are located, they know which language is to be used with the children during the play way educational interaction. Education in these Centres is given with the help of playing objects, charts' of fruits, vegetable, animals, birds, human body and of alphabets of English, Assamese, Bodo, Bengali etc. as the case may be.

(b) There are altogether 7165 Anaganwadi Centres in BTAD area. The matter relating to Education of such centres falling in non-Bodo majority localities of BTAD area is being taken and it will take some time to complete the identification process and to Prepare lists of such centres.

(c) As starred in reply to Question No. (a).

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

112. Will the Minister Education be pleased to state-

(a) Govt. has already stopped permission and recognition to new Madrassa Educational Institutions, but it has been reported that one production officer of the Directorate in collaboration with the Director has now been issuing permission and recognition in favour of new Madrassa Institutions. If so, what action has been initiated against the said officers?

(b) Is it true that as per Rules only the Asstt. Inspector of schools and/or Deputy Director, Madrassa Education are empowered to inspect Madrassa Educational Institutions? Is it also true that one Ajit Baruah, Production Officer is allowed and/or deputed to inspect Madrassa Institutions of the state? Does the Production Officer have any Madrassa qualification? If not, how the said Ajit Baruah has been allowed and/or deputed to inspect Madrassa

Institutions of the State contrary to the existing norms & Rules? (please mention the educational qualification of Ajit Baruah).

Dr. Himanta Biswa Sarma (Minister of Education) replied :

(a) Government is not aware of stopping of according permission and recognition to new Madrassa institutions. Permission and recognition to new Madrassa institutions are accorded as per section 12(1) of para (i) & (ii) and 12(2) of the Assam Venture Madrassa Educational Institutions (provincialisation of Services) Act, 2011 (Assam Act No. IV of 2007) & Central Act No. 35 of 2009). All such venture Madrassa institutions which have obtained the required permission and recognition, as the case may be, shall be allowed to function as purely private or non-Government educational institutions. The Government has no financial liabilities against such Madrassas.

The question of taking action against the officers does not arise.

(b) There are no field officers under the Directorate of Madrassa Education, Assam. The Directorate, as and when it feels necessary empowers the Assistant Inspector of Schools and/or Deputy Director of Madrassa Education for inspection/enquiry, etc.

It is true that one Ajit Baruah, Production Officer has been allowed/deputed to inspect Madrassa Institutions

of the State since there is no field officer under the Directorate of Madrassa Education in the State.

No, Ajit Baruah does not have any Madrassa qualification.

The educational qualification of Ajit Baruah is Graduate in Arts with Diploma in Printing Technology.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬ চনৰ পৰা ২০১৩ৰ ৫ ডিচেম্বৰ পৰ্যন্ত অসমৰ ক'ত ক'ত কিমানটা গড় হত্যা হ'ল। বৰ্ষ অনুযায়ী আৰু ৰাষ্ট্ৰীয় উদ্যান অনুসৰি হত্যাৰ সংখ্যা পৃথকে পৃথকে জনাব।

(খ) একেই সময়ত অসমত কিমান বাঘ, হাতীকো চোৰাং চিকাৰীয়ে হত্যা কৰিলে।

(গ) বৰ্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কিমান সংখ্যক কি কি জীৱ জন্তু আছে। ২০১১, ২০১২ আৰু ২০১৩ৰ বৰ্তমানলৈ কাজিৰঙাত প্ৰাকৃতিকভাৱে কিমান জীৱ-জন্তু মৃত্যু হ'ল। জীৱ-জন্তু ভেদে মৃত্যুৰ সংখ্যা জনাব।

(ঘ) ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমান কিমান সংখ্যক কি কি জীৱ জন্তু আছে? ২০০৬ চনৰ পৰা ২০১৩চনৰ ৫ডিচেম্বৰ পৰ্যন্ত এই ৰাষ্ট্ৰীয় উদ্যানখন কি কি জীৱ-জন্তুক চোৰাং চিকাৰিয়ে হত্যা কৰিলে? জীৱ-জন্তু ভেদে হত্যাৰ সংখ্যা জনাব।

(ঙ) কাজিৰঙা আৰু ওৰাং উদ্যানৰ বিকাশ আৰু উন্নয়নৰ বাবে ২০০৬-০৭ বিত্তীয় বৰ্ষৰ পৰা ২০১৩-১৪ বিত্তীয় বৰ্ষলৈ কেন্দ্ৰীয় চৰকাৰে কিমান ধন আৱন্টন দিছিল। ইয়াৰে কিমান ধন কেন্দ্ৰই মুকলি কৰি দিলে আৰু কিমান

ধন ব্যৱহাৰ অসমে কৰিলে। এই আঁচনিবোৰ কি আছিল?

(চ) ২০১৩ চনত কাজিৰঙাত কিমানজন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে?

(ছ) কাজিৰঙাৰ সুৰক্ষাৰ বাবে বন বিভাগে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

চন	ৰাষ্ট্ৰীয় উদ্যান/অভয়াৰণ্য	সংখ্যা
২০০৬	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	০৫
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০৩
	পৱিতৰা অভয়াৰণ্য	০১
২০০৭	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	১৬
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০৩
২০০৮	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	০৬
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০৬
২০০৯	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	০৬
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০৬
	বন সংমণ্ডল, ডিব্ৰুগড়	০১
	কাৰ্বি আংলং, বন সংমণ্ডল	০১
২০১০	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	০৫
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০২
	বন সংমণ্ডল, ডিব্ৰুগড়	০১
২০১১	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	০৩
	মানাহ ৰাষ্ট্ৰীয় উদ্যান	০১
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০১
	পবিতৰা অভয়াৰণ্য	০৩

	বন সংমণ্ডল, গোলাঘাট	০১
২০১২	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	১১
	মানাহ ৰাষ্ট্ৰীয় উদ্যান	০১
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০২
	পবিতৰা অভয়াৰণ্য	০১
	বন সংমণ্ডল, কার্বি আংলং	০৬
	বন সংমণ্ডল, নগাঁও	০১
২০১৩	কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান	২৭
(নৱেম্বৰ)	মানাহ ৰাষ্ট্ৰীয় উদ্যান	০৪
	ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং	০৩
	পবিতৰা অভয়াৰণ্য	০২
	বন সংমণ্ডল, নগাঁও	০১

(খ) ২০০৬ চনৰ পৰা ২০১৩ৰ ৫ডিচেম্বৰ পর্য্যন্ত অসমত বাঘ, হাতীক চোৰং চিকাৰীয়ে হত্যা কৰা তথ্য তলত দিয়া হ'ল ।

চন	বাঘ	হাতী
২০০৬	০০	০২
২০০৭	০০	০১
২০০৮	০০	০১
২০০৯	০০	০৩
২০১০	০২	০২
২০১১	০২	০৩
২০১২	০০	০৪

২০১৩	০০	০৩

(০৫ডিচেম্বৰ)

(গ) বৰ্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পোৱা জীৱ-জন্তুৰ সংখ্যা—

গণনা বৰ্ষ	প্ৰাণীৰ নাম	সংখ্যা
২০১৩	গঁড়	২৩৩৯
২০১১	হাতী	১১৬৩
২০১০	বাঘ	১০৬
২০০৮	ম'হ	১৯৩৭
২০১১	দলহৰিণা	১১৬৮

২০১১, ২০১২ আৰু ২০১৩ চনৰ বৰ্তমানলৈ কাজিৰঙাত প্ৰাকৃতিক ভাৱে মৃত্যু হোৱা জীৱ-জন্তুৰ সংখ্যা তলত দিয়া হ'ল।

চন	হাতী	বাঘ
২০১১	১৯	০৬
২০১২	২৫	০৪
২০১৩	৪৩	০৬

(ঘ) ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমান জীৱ-জন্তুৰ সংখ্যা তলত দিয়া ধৰণৰ —

(১) গড় — ১০০টা

(২) বাঘ — ২৪টা

(৩) হাতী — ৭টা

২০০৬ চনৰ পৰা ২০১৩ চনৰ ৫ ডিচেম্বৰ পৰ্য্যন্ত চোৰাং চিকাৰীয়ে হত্যা কৰা জীৱ-জন্তুৰ সংখ্যা তলত দিয়া হ'ল।

(১) গড় — ২৫টা

(২) বাঘ — ০০

(ঙ) কাজিৰঙা আৰু ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বিকাশ আৰু উন্নয়নৰ বাবে ২০০৬-২০০৭বিত্তীয় বৰ্ষৰ পৰা ২০১৩-১৪বিত্তীয় বৰ্ষলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আবন্টিত, মুকলি কৰি দিয়া আৰু ধন ব্যৱহাৰৰ তালিকা সংলগ্ন 'ক' যোগে দিয়া হ'ল।

(চ) ২০১৩ চনৰ নৱেম্বৰ মাহ পৰ্য্যন্ত কাজিৰঙাত ৬৫জন চোৰাং চিকাৰী গ্ৰেপ্তাৰ কৰা হৈছে।

(ছ) কাজিৰঙা সুৰক্ষাৰ বাবে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ হাতত লোৱা হৈছে।

আন্তঃগাঠনিসমূহ আধুনিক প্ৰযুক্তিৰে উন্নতকৰণ।

অত্যাধুনিক আগ্নেয়াস্ত্ৰৰ দ্বাৰা সুসজিত কৰি বন সুৰক্ষা বাহিনী মোতায়ন কৰাৰ লগতে অতিৰিক্তি ভাৱে আগ্নেয়াস্ত্ৰ ধাৰী গৃহৰক্ষী বাহিনী, বনকৰ্মী মোতায়ন কৰা হৈছে।

জিল উপায়ুক্ত আৰু আৰক্ষী অধীক্ষককে ধৰি জড়িত সকলো সংশ্লিষ্ট বিভাগসমূহক ঐক্যবদ্ধ ও সু-সংহতকৰণ।

বুদ্ধিমত্ত তথ্য আহৰণ কৰি অভিযুক্ত দুষ্কৃতিকাৰী সমূহক আশ্ৰয়স্থলীসমূহৰ পৰা কৰায়ত্ত কৰি আইনী ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২সংশোধন কৰি বন্যপ্ৰাণী (সুৰক্ষা) আইন সংশোধিত ২০০৯ত আইন প্ৰণয়ন কৰি শাস্তিসমূহ গুৰু কৰা হৈছে। ইয়াৰ উপৰিও চি.আৰ.পি.চি (Cr.PC) 197 ধাৰাৰ অধীনত আগ্নেয়াস্ত্ৰ ব্যৱহাৰ কৰাৰ বাবে বিশেষ ক্ষমতা আৰু সুৰক্ষা (Immunity) বন বিষয়াসকলক প্ৰদান কৰাৰ আইনী ব্যৱস্থা কৰা হৈছে।

দাঁতিকাষৰীয়া গাঁওসমূহৰ ৰাইজৰ আৰ্থিক উন্নয়ণ কৰাৰ বাবে কাৰ্য্য ব্যৱস্থা গ্ৰহণ ও ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ সহযোগত

আৰু চৰকাৰৰ উদ্যোগত বন্যপ্রাণী ভিত্তিক পৰিৱেশৰ প্রতি সজাগ ও Eco-development ব্যৱস্থা গ্রহণ কৰি ইয়াৰ যোগেদি ৰাইজৰ সহযোগত গড় সুৰক্ষাৰ কটকটীয়া ব্যৱস্থা কৰা হৈছে।

বন্যপ্রাণী সুৰক্ষা অধিক কটকটীয়া কৰিবলৈ কাজিৰঙা আৰু সংযোজন এলেকাসমুহৰ পুনৰ গঠন কৰি ৪টা নতুন বন্যপ্রাণী সংমণ্ডল গঠন কৰাৰ প্রস্তুতি আৰম্ভ কৰা হৈছে।

তদুপৰি দুষ্কৃতিকাৰীৰ গতিবিধিৰ ওপৰত প্রভাৱশালী চোকা দৃষ্টি ৰাখিবৰ বাবে ইলেকট্রনিক আই, ৰাতি দেখা দুৰবীণ, মানৱ-বিহীন উৰাজাহাজ আদিৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰক প্রস্তাৱ দাখিল কৰা হৈছে।

ইয়াৰ উপৰিও বৈদ্যুতিক তাৰযুক্ত জেওঁৰা ও বানপানীৰ সময়ত আশ্রয়ৰ বাবে ওখ ঠাই স্থাপন কৰি দিয়া হৈছে, যাতে গঁড় ও অন্যান্য জীৱজন্তুসমূহ ওলাই গৈ চোৰাং চিকাৰীৰ হাতত নিধন নহয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ব্রহ্মপুত্র নদীৰ ওপৰত বর্তমান কোন কোন ঠাইত দলং নির্মাণৰ কাম চলি আছে? এই দলঙৰ নাম, দলংৰ স্থান, আঁচনিৰ ধন, দলংৰ দৈর্ঘ্য, প্রস্থ উল্লেখ কৰিব।

(খ) প্রতিটো আঁচনিৰ কাম কেতিয়াৰ পৰা আৰম্ভ হৈছিল? ৰৰ্ক অর্ডাৰ মতে এই দলঙৰ কাম কেতিয়া শেষ হ'ব লাগিছিল। এতিয়া এই দলং কেতিয়া সম্পূর্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। বর্তমান দলংকেইখনৰ কিমান শতাংশ কাম সম্পূর্ণ হৈছে?

(গ) ব্রহ্মপুত্র নদীৰ ওপৰত আৰু ক'ত ক'ত দলং নির্মাণৰ প্রস্তাৱ ৰাজ্য চৰকাৰৰ

আছে? এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ লগত গড়কাপ্তানি বিভাগৰ কোন পত্রত আদান প্রদান হৈছে নেকি? যদি হৈছে সেই পত্রৰ প্রতিলিপি দাখিল কৰিব।

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্টানি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ব্রহ্মপুত্র নদীৰ ওপৰত বর্তমানে তিনিখন দলঙৰ নির্মাণ কার্য্য চলি আছে। দলঙৰ নাম, স্থান, দৈর্ঘ্য, প্রস্থ আৰু আঁচনিৰ ধন তলত উল্লেখ কৰা হ'ল—

(১) দলঙৰ নাম আৰু স্থান ঃ- NHAI ৰ অধীনত নির্মাণ কার্য্য চলি থকা গুৱাহাটী শৰাইঘাট দলঙৰ সমীপত দ্বিতীয় দলং।

আঁচনিৰ ধন — Original cost = Rs.238.140cr, Revised Cost = Rs. 309.500cr

দলঙৰ দৈর্ঘ্য — ১.৭৫কি.মি, মূল দলং - ১.৫০ কি.মি., Vaiduct (North Bank)= 144m,South Bank=108m

দলঙৰ প্রস্থ - তিনিলেন যুক্ত

(২) দলঙৰ নাম স্থান ঃ- ডিব্রুগড়ৰ বগীবিল ৰেল ও পথ দলঙৰ নির্মাণ কার্য্য ৰেল বিভাগৰ অধীনত চলি আছে।

আঁচনিৰ ধন - ৫,০০০.০০কোটি টকা।

দলঙৰ দৈর্ঘ্য — ৪.৯৪কি.মি., দলঙৰ প্রস্থ — দুইলেন যুক্ত।

(৩) দলঙৰ নাম আৰু স্থান ঃ কেন্দ্রীয় পথ পৰিবহণ মন্ত্রালয়ৰ অধীনত তিনিচুকীয়া জিলাৰ চৈখোৱাঘাটৰ পৰা সদিয়ালৈ নির্মীয়মান ঢলা-সদিয়া দলং।

আঁচনিৰ ধন-৮৭৬.০০ কোটি টকা (মূল দলং-৪০০.০০ কোটি আৰু Approachও সৰু দলং- ৪৭৬.০০ কোটি টকা)।

দলংঙৰ দৈর্ঘ্য- ৯.১৫ কিঃমিঃ মূল দলং-৪ কিঃ মিঃ North via-

duct=2.65 km. South viaduct=2.50 km দলঙৰ পথ দুইলেনযুক্ত।

(খ) দলংকেইখনৰ আঁচনিৰ কাম আৰম্ভ, শেষ আৰু অগ্রগতিৰ হাৰ তলত উল্লেখ কৰা হ'ল—

১। গুৱাহাটী শৰাইঘাট দলঙৰ সমীপত নির্মাণ হৈ থকা দ্বিতীয় দলঙৰ কাম অক্টোবৰ, ২০০৬ আৰম্ভ হৈছিল। ৰ্বকঅর্ডাৰ মতে কাম শেষ কৰিবলগীয়া সময়—২১/০৪/২০১০

বর্তমানে কাম শেষ কৰা লক্ষ্য—ডিচেম্বৰ, ২০১৪

কামৰ অগ্রগতিৰ হাৰ-৭১.৭৩ শতাংশ

২। ডিব্রুগড় বগীবিল ৰেল আৰু পথ দলঙৰ কাম এপ্রিল, ২০০২ত আৰম্ভ হৈছিল।

এই বিভাগে সংগ্রহ কৰা তথ্য মতে কাম শেষ কৰাৰ লক্ষ্য, ডিচেম্বৰ, ২০১৬

কামৰ অগ্রগতিৰ হাৰ- ৭০ শতাংশ।

৩। তিনিচুকীয়া জিলাৰ চৈখোৱাঘাটৰ পৰা সদিয়ালৈ নির্মীয়মান ঢোলা-সদিয়া দলঙৰ কাম ১৭/০৬/২০১১ত আৰম্ভ হৈছিল।

ৰ্বকঅর্ডাৰ মতে কাম শেষ কৰিবলগীয়া সময় ও কাম শেষ কৰাৰ লক্ষ্য, ডিচেম্বৰ-২০১৫

কামৰ অগ্রগতি হাৰ-৫৬ শতাংশ

(গ) ব্রহ্মপুত্রৰ ওপৰত পাঁচখন নতুন দলঙৰ নির্মাণৰ প্রস্তাৱ ৰাজ্য চৰকাৰৰ আছে। ইয়াৰে ভিতৰত (১) ধুবুৰী-ফুলবাৰী, (২) গহপুৰ-নুমলিঘাট, (৩) কলিয়াভোমাৰা দলঙৰ কাষত ব্রহ্মপুত্রৰ ওপৰত অতিৰিক্তি ২ লেণ্ডযুক্ত পথ দলঙৰ প্রস্তাৱ কেন্দ্রীয় পথ পৰিবহণ মন্ত্রালয়লৈ প্রেৰণ কৰা হৈছে।

(৪) মাজুলী নদীদ্বীত সংযোগ প্রস্তাৱৰ লগত দিচাংমুখ-টেকেলীফুটাৰ মাজত আন এখন দলঙৰ প্রস্তাৱ কেন্দ্রীয় চৰকাৰলৈ বিবেচনাৰ বাবে পঠোৱা হৈছে। পত্রসমূহৰ-প্রতিলিপি অনুবদ্ধ 'ক'ত সংলগ্ন কৰা হ'ল। ইয়াৰ উপৰিও মাননীয় মুখ্যমন্ত্রীৰ ২০১৩ চনৰ বাজেট ভাষণত উল্লেখ কৰা হিচাপে ৰাজ্য চৰকাৰে নিজাৰবীয়াকৈ (৫) নাৰেংগী-কুৰুৱা সংযোগী এখন ৬ লেনযুক্ত দলং নির্মাণ কৰাৰ বাবে যাৱতীয় feasibility report প্রস্তুতিৰ কাম হাতত লৈছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৫। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী কিমানটা ঠাইত কিমানটা চি চি টি ভি কেমেৰা স্থাপন প্রস্তাৱ আছিল? ইয়াৰ ভিতৰত কিমানটা স্থানত কিমানটা কেমেৰা সংস্থাপন কৰা হ'ল? এই কেমেৰাবোৰৰ ফুটেজ ৰেকর্ডিং সংৰক্ষণৰ বাবে চার্ভাৰটো সংস্থাপন কৰা হ'লনে? যদি হোৱা নাই কিয়?

(খ) চি চি টি ভি কেমেৰাৰ বাবে কিমান টকাৰ আঁচনি লোৱা হৈছিল? এই কাম নিয়ম মতে কেতিয়া শেষ হ'ব লাগিছিল? কোন প্রতিষ্ঠানে গুৱাহাটীত চি চি টি ভি কেমেৰা সংস্থাপনৰ কাম লাভ কৰিছিল?

(গ) সময়মতে কাম কৰিবলৈ নোৱৰাৰ কাৰণে এই প্রতিষ্ঠানটোৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ল?

(ঘ) ইতিমধ্যে সংস্থাপন কৰা কিমানটা কেমেৰা সক্রিয় হৈ আছে কিমানটা নিষ্ক্রীয় হৈ আছে?

শ্রীৰকিবুল হুছেইন (বন, পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) গুৱাহাটীত, ৯১ ঠাইত ২৯০ টা চি চি টি ভি কেমেৰা স্থাপন প্রস্তাৱ আছিল।

ইয়াৰ ভিতৰত ৯১টা স্থানত ২৯০টা কেমেৰা সংস্থাপন কৰা হ'ল। এই কেমেৰাবোৰৰ Footage Recording সংৰক্ষণ বাবে ছাৰ্ভাৰটো বৰ্তমানলৈ সংস্থাপন কৰা হোৱা নাই। কেমেৰাবোৰৰ ফুটেজ ৰেকৰ্ডিং ২৪ ঘণ্টা সংৰক্ষণ কৰিব পৰাকৈ ব্যৱস্থা ইতিমধ্যে নিয়ন্ত্রণ কক্ষত সংস্থাপন কৰা হৈছে। Storage ছাৰ্ভাৰ সংস্থাপন কৰাৰ পাছত ফুটেজ ৰেকৰ্ডিং ১৫ (পোন্ধৰ) দিনৰ বাবে সংৰক্ষণ কৰিব পৰা যাব।

(খ) চি চি টি ভি কেমেৰাৰ বাবে মুঠ ১০.৩৮ কোটি টকাৰ আঁচনি লোৱা হৈছিল। প্রতিষ্ঠানৰ লগত কৰা চুক্তি মতে এই কাম ২০১২ চনৰ এপ্রিল মাহত শেষ হ'ব লাগিছিল। M/S Level One Communication (India) Pvt. Ltd. New Delhi নামৰ প্রতিষ্ঠানটোৱে গুৱাহাটীত চি চি টি ভি কেমেৰা সংস্থাপনৰ কাম লাভ কৰিছিল।

(গ) প্রতিষ্ঠানটোৱে বৰ্তমানলৈকে প্রকল্পটো প্রায় ৬০ শতাংশ (ষাঠি শতাংশ) কাম শেষ কৰিছে। কিন্তু ঠিকাৰ চর্ত আৰু চুক্তি মতে কাম সম্পূর্ণ কৰিব নোৱাৰাৰ বাবে তেওঁলোকক ধন আদায় দিয়া নাই।

(ঘ) ইতিমধ্যে স্থাপন কৰা ২৯০টা কেমেৰাৰ ভিতৰত বৰ্তমান ২৬৫ কেমেৰা সক্রিয় হৈ আছে। বাকী ২৫টা কেমেৰা বিভিন্ন আনুসংগীক কাম, যেনে জালুকবাৰী গৃহ নির্মাণ গুৱাহাটী ৰেল ষ্টেচনৰ মেৰামতি, পল্টন বজাৰৰ বহুমহলীয়া যান-বাহন ৰখা গৃহ নির্মাণ আদিৰ কাম সম্পূর্ণ নোহোৱাৰ বাবে সক্রিয় কৰিব পৰা হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৬। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰত বৰ্তমান পানী যোগানৰ কি কি আঁচনিৰ কাম চলি আছে। প্রতিটো আঁচনিৰ নাম, অনুমোদিত ধন, আঁচনিৰ পৰিষদ, আঁচনিৰ কাম আৰম্ভ হোৱাৰ দিন, কাম শেষ হোৱাৰ দিন (প্রাককলন অনুযায়ী)

আঁচনি ৰূপায়ণ কৰা প্ৰতিষ্ঠানৰ নাম দাখিল কৰিব।

(খ) বৰ্তমান প্ৰতিটো আঁচনিৰ অগ্ৰগতি কিমান হৈছে? কেতিয়া প্ৰতিটো আঁচনিৰ কাম শেষ হ'ব আৰু কেতিয়া গুৱাহাটীৰ ৰাইজে এই আঁচনিৰ পৰা পানী পাব? আঁচনি ভেদে পৃথকে পৃথকে তথ্য দিব।

(গ) প্ৰতিটো আঁচনিৰ ধন ক'ৰপৰা আহিছে?

(ঘ) গুৱাহাটীবাসীয়ে পাবলগা পানীৰ বাবত কি হাৰত ধন দিব লাগিব? পানীযোগান আঁচনিসমূহ ৰূপায়ণৰ পাছত আঁচনি পৰিচালনাৰ দায়িত্বত কোন থাকিব? এইক্ষেত্ৰত গুৱাহাটীৰ ৰাইজৰ লগত আলোচনা কৰা হৈছেনে?

(ঙ) গুৱাহাটীত নিৰ্মাণ হৈ থকা প্ৰতিটো পানী যোগান আঁচনিৰ কোনটোৱে কোন কোন এলেকাসমূহত সামৰি ল'ব?

(চ) পানীযোগান আঁচনিৰ বাবে কিমানটা পথ খান্দি পেলোৱা হৈছে? ইয়াৰে কিমানটা পথ এতিয়ালৈ পুনৰ পকীকৰণ কৰা হৈছিল। বাকীবোৰ পথ কেতিয়া নিৰ্মাণ কৰা হ'ব। চুক্তিমতে এই পথসমূহ কেতিয়া নিৰ্মাণ হ'ব লাগিছিল?

শ্ৰীমতী অজন্তা নেওগ (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰত বৰ্তমান তিনিটা পানী যোগান আঁচনিৰ কাম চলি আছে। প্ৰতিটো আঁচনিৰ নাম, অনুমোদিত ধন, আঁচনিৰ পৰিসৰ, আঁচনিৰ কাম আৰম্ভ হোৱা দিন, কাম শেষ হোৱাৰ দিন, সংলগ্ন পৰিশিষ্ট 'ক'ত দিয়া হ'ল। আঁচনিসমূহ ৰূপায়ণৰ দায়িত্ব গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষক দিয়া হৈছে। তেওঁলোকৰ তত্ত্বাৱধানত Gammon India Limited, M/S IVRCL Infrasturcture Projects Ltd,. M/S Vishwa-BRC CPL (JV)., M.S Jindal Saw Ltd., M/S Electrostreel Castrings Ltdক ৰূপায়ণৰ দায়িত্ব দিয়া হৈছে।

(খ) উত্তৰ পৰিশিষ্ট 'ক'ৰ ৮নং স্তম্ভত চাব পাৰে।

(গ) ১। দক্ষিণ গুৱাহাটী পশ্চিম পানী যোগান আঁচনি- কেন্দ্রীয় চৰকাৰৰ পৰা

২। দক্ষিণ কেন্দ্রীয় গুৱাহাটী আৰু উত্তৰ গুৱাহাটী— জাপান ইণ্টাৰনেচনেল কোঃপাৰেচন এজেন্সীৰ (JICA) পৰা।

৩। পূব গুৱাহাটী পানী যোগান আঁচনি—এছিয়ান ডেভলপমেণ্ট বেংকৰ পৰা।

(ঘ) এইক্ষেত্রত চৰকাৰে বর্তমানলৈকে কোনো সিদ্ধান্ত লোৱা নাই। ইতিমধ্যে চৰকাৰে গঠন কৰা Guwahati Metropolitan Drinking Water & Sewerage Board (Jal Board)ক দায়িত্ব দিয়া হ'ব। ইয়াৰ বাবে ৰাইজৰ লগত আলোচনা কৰা হৈছে।

(ঙ) এই সম্পর্কে 'ক'ৰ ৪ নং স্তম্ভত চাব পাৰে।

(চ) মুঠ ১৪৩৩টা পথ খান্দি পেলোৱা হৈছে। তাৰে ৬২৮ টা পথ পুনৰ পকীকৰণ কৰা হৈছে। বাকী থকা পথসমূহ পুনৰ পকীকৰণৰ ব্যৱস্থা কৰি থকা হৈছে। তেনে কোনো সময়সীমা নাছিল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীফণীভুষণ চৌধুৰীয়ে সুধিছে ঃ

১১৭। মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বর্তমান অসমত কিমানখন বিদেশী ন্যায়াধীকৰণ আছে? বিদেশী ন্যায়ধীকৰণ থকা ন্যায়ধীশৰ নাম, বর্তমান থকা গোচৰৰ সংখ্যা ২০১৩চনত নিষ্পত্তি হোৱা গোচৰৰ সংখ্যাও জনাব।

(খ) বিদেশী ন্যায়াধীশৰ সংখ্যা ১০০খনলৈ বৃদ্ধিৰ বিষয়টো বর্তমান কি পর্যায়ত আছে। অতিৰিক্ত ৬৪খন ন্যায়ধীকৰণ ক'ত স্থাপন হ'ব। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ লগত অসম চৰকাৰৰ যিমানবোৰ পত্র আদান-প্রদান হৈছে, তাৰ সকলোবোৰৰ প্রতিলিপি দাখিল কৰিব।

(গ) অসমত এতিয়ালৈ সর্বমুঠ কিমান বিদেশী চিনাক্ত কৰা হ'ল। ইয়াৰে কিমান জনক অসমৰ পৰা বহিস্কাৰ কৰা হ'ল। বাকীবোৰক কিয় বহিষ্কাৰ কৰিব পৰা হোৱা নাই। এইসকলক পলাতক হিচাপে ঘোষণা কৰা হৈছে নেকি? (তথ্য সমুহ বর্ষ অনুযায়ী পৃথকে পৃথকে জনাব)

(ঘ) বৈধ ভিছা লৈ অসমত প্ৰৱেশ কৰা কিমানজনক বাংলাদেশী নাগৰিক/পাকিস্তানী নাগৰিক এতিয়াও অসমৰ পৰা ওভতি যোৱা নাই। এইসকলৰ ক্ষেত্ৰত চৰকাৰৰ নীতি কি? এইসকলক কৰায়ত্ত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত হৈছে। এই নাগৰিকসমূহ কোন ফালেদি অসমত প্ৰৱেশ কৰিছিল।

শ্ৰীৰকিবুল হুছেইন (পৰিৱেশ ও বন আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বর্তমান অসমত মুঠ ৩৬খন বিদেশী ন্যায়াধীকৰণ আছে। ন্যায়ধীশৰ নাম ঠিকনা সংলগ্ন কৰা হ'ল। (তথ্য Annexure -'A' ত সংলগ্ন কৰা হ'ল)

(খ) বর্তমান ন্যায়ধীকৰণসমূহত ২৫৪৪৪৮টা গোচৰ বিচাৰাধীন হৈ আছে। ২০১৩চনৰ জানুৱাৰী মাহৰ পৰা ৩০ছেপ্তেম্বৰলৈকে ৮৮১৬টা গোচৰ নিস্পত্তি হৈছে।

(গ) অসমত ন্যায়াধীকৰণৰ সংখ্যা ৩৬খনৰ পৰা ১০০খনলৈ বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ গৃহ মন্ত্ৰণালয়ৰ পৰা অনুমোদন পোৱা গৈছে আৰু অতিৰিক্ত ৬৪খন ন্যায়াধীকৰণ স্থাপনৰ বাবে বিহিত ব্যৱস্থা লোৱা হৈছে।

অতিৰিক্ত ৬৪খন ন্যায়াধীকৰণ ক'ত ক'ত স্থাপন কৰা হ'ব তাৰ তথ্য Annexure 'B' ত সংলগ্ন কৰা হ'ল।

অতিৰিক্ত ৬৪খন ন্যায়াধীকৰণ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ লগত যোগাযোগ কৰা পত্ৰৰ প্ৰতিলিপি Annexure 'B-1' ত সংলগ্ন কৰা হ'ল।

অসমত ২০১৩চনৰ ছেপ্তেম্বৰ মাহলৈকে ২৪৫০জন বিদেশী চিনাক্তকৰণ ও বহিস্কৰণ কৰা হ'ল। ইয়াৰ তথ্য Annexure -'C' আৰু 'D' ত সংলগ্ন কৰা হৈছে। তাৰে ৯০জন ঘোষিত বাংলাদেশী লোকক নিজ দেশলৈ

ওভোতাই পঠোৱৰ বাবে Detention Camp ত ৰখা হৈছে। বহিষ্কাৰ কৰিব নোৱাৰা চিনাক্ত কৰা বিদেশীসকল পলাতক অৱস্থাত আছে। তেওঁলোকক পলাতক হিচাপে ঘোষণা কৰাৰ বাবে জিলাসমূহৰ পৰা তথ্য বিচৰা হৈছে।

(ঘ) সৰ্বমুঠ ২০জন বাংলাদেশী নাগৰিকে বৈধ ভিছা লৈ অসমত প্ৰৱেশ কৰিছিল আৰু তেওঁলোক এতিয়াও ওভতি যোৱা নাই। তেওঁলোকক কৰায়ত্ত কৰিবলৈ চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে। এই বাংলাদেশী নাগৰিকসকল কৰিমগঞ্জ, সুতাৰকান্দি আৰু মানকাৰছাৰ (ধুবুৰী) ICP-য়েদি প্ৰৱেশ কৰিছিল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত পি এম জি এছ ৰাই আঁচনিৰ অধীনত প্ৰতিটো বিত্তীয় বৰ্ষত কিমান কিলোমিটাৰ পথ নিৰ্মাণত কেন্দ্ৰই অনুমোদন দিছিল আৰু এই অনুমোদনৰ বিপৰীতে কিমান কিলোমিটাৰ পথ অসমত নিৰ্মাণ কৰা হ'ল। এতিয়া আৰু কিমান কিলোমিটাৰ পথ নিৰ্মাণ হ'বলৈ বাকী আছে?

(খ) আৰম্ভনিৰ পৰা ২০১৩-১৪ বিত্তীয় বৰ্ষলৈ অসমত পি এম জি এছ ৰাইৰ বিপৰীতে অসমলৈ কিমান টকা আৱন্টন দিছিল, ইয়াৰে কিমান টকা কেন্দ্ৰই মুকলি কৰি দিছিল, ইয়াৰ ভিতৰত কিমান টকা ব্যয় হ'ল?

(গ) অসমত বৰ্তমান কিমান সংখ্যক কাঠৰ দলং আছে। ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বিত্তীয় বৰ্ষত কিমানখন কাঠৰ দলং পকীকৰণৰ বাবে ৰৰ্ক অৰ্ডাৰ দিয়া হৈছিল, ইয়াৰ ভিতৰত কিমান দলং সময়মতে নিৰ্মাণ হ'ল আৰু কিমানখন সময়মতে নিৰ্মাণ নহ'ল। পকী দলংবোৰ কেতিয়া পকীকৰণ কৰা হ'ব।

(ঘ) ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪ৰ বৰ্তমানলৈ গুৱাহাটী মহানগৰত

(City-I, City-II, City-III, City-IV, State Road) মেৰামতি শিতান, বার্ষিক পৰিকল্পনা আৰু এন এল চি পি আৰ, এন ই চি শিতানত কি কি আঁচনি ৰূপায়ণ কৰা হ'ল? আঁচনিৰ নাম, পথৰ দৈর্ঘ্য, আঁচনিৰ ধন, কাম কৰা ঠিকাদৰজনৰ নাম উল্লেখ কৰিব। এই কাম সমূহৰ প্ৰতিটোৰ টেণ্ডৰ কোন কোন বাতৰি কাকতত, কিমান তাৰিখে প্ৰকাশ হৈছিল?

শ্ৰীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত পি এম জি এছ ওৱাই আঁচনিৰ অধীনত ২০০০-০১চনৰ পৰা ২০১৩-১৪চনলৈ প্ৰতিবর্ষত সর্বমুঠ ৫১৪টা পথৰ ১৭০৯৭.০২কিঃমিঃ পথৰ নির্মাণৰ বাবে অনুমোদন পোৱাৰ বিপৰীতে নৱেম্বৰ ২০১৩চনলৈ মুঠ ৩৬৮৮টা পথৰ দৈর্ঘ্য— ১৪২৯৩.৯৮ কিঃমিঃ পথৰ পকীকৰণৰ কাম সম্পূর্ণ কৰা হৈছে বাকী থকা ১৪৫৫টা পথৰ দৈর্ঘ্য ২৮০৩.০৩কিঃমিঃ পথৰ পকীকৰণৰ কাম বিভিন্ন পর্য্যায়ত চলি আছে। সবিশেষ তথ্য Annexure-I ত দেখুওৱা হ'ল।

(খ) আৰম্ভণিৰ পৰা ২০১৩-১৪বিত্তীয় বর্ষৰ ৩০নৱেম্বৰ ২০১৩লৈকে ৬১২৩.০০কোটি টকা আৱণ্টনৰ বিপৰীতে ৭৮২৪.৪৭কোটি টকা কেন্দ্রই মুকলি কৰি দিছে আৰু ইয়াৰে ৭৭৩২.১৬কোটি টকা ব্যয় কৰা হৈছে।

(গ) অসমত বর্তমান ১৭৪০খন কাঠৰ দলং আছে।

প্ৰধানমন্ত্রী গ্রাম চড়ক যোজনাৰ (Leftout) আঁচনিৰ অধীনত ২০১১-১২বিত্তীয় বর্ষত কাঠৰ দলং পকীৰকণৰ বাবে কোনো ৰৰ্ক অর্ডাৰ দিয়া হোৱা নাই। ২০১২-১৩বিত্তীয় বর্ষত কাঠৰ দলং পকীকৰণৰ বাবে ২৫৭খন দলঙৰ ভিতৰত বর্তমান ২০০খন দলঙৰ ৰৰ্ক অর্ডাৰ অলপতে দিয়া হৈছে। পকীকৰণৰ কাম চলি আছে। ২০১৩-১৪বিত্তীয় বর্ষত এই আঁচনিৰ অধীনত কোনো কাঠৰ দলং পকীকৰণ ব্যৱস্থা কৰা নাই।

২০১১-১২বর্ষত United SCA আঁচনিৰ অধীনত (১০১খন) কাঠৰ দলং পকীকৰণৰ বাবে ৪৮খন ৰৰ্ক অর্ডাৰ দিয়া হৈছিল, ইয়াৰ ভিতৰত

মুঠ-২৪ খন দলঙৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু বাকী থকা দলং কেইখনৰ কাম সময়মতে সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। MMPDNA আঁচনিৰ অধীনত কাঠৰ দলং পকীকৰণৰ বাবে ৩৯খন ৰ্ৰক অৰ্ডাৰ দিয়া হৈছিল, ইয়াৰ ভিতৰত ১২খন দলঙৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু বাকী থকা দলং কেইখনৰ পকীকৰণ কাম সময়মতে সম্পূৰ্ণ কৰা হ'ব। RIDF আঁচনিৰ অধীনত কাঠৰ দলং পকীকৰণৰ বাবে ১০২খন ৰ্ৰক অৰ্ডাৰ দিয়া হৈছিল, ইয়াৰে বৰ্তমানলৈ এখনো দলংৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰা হোৱা নাই যদিও সময়মতে সম্পূৰ্ণ কৰা হ'ব বুলি আশা কৰা হৈছে।

২০১২-১৩ বৰ্ষত CM's Spl. Package আঁচনিৰ অধীনত (৪৮খন) কাঠৰ দলং পকীকৰণৰ বাবে ২৯খন ৰ্ৰক অডাৰ দিয়া হৈছিল, ইয়াৰে ১১খন দলঙৰ পকীকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু বাকী থকা দলং কেইখনৰ পকীকৰণৰ কাম সময়মতে সম্পূৰ্ণ কৰা যাব বুলি আশা কৰা হৈছে। ২০১৩-১৪বৰ্ষত United SCA, CM's Spl. Package আৰু RIDF আঁচনিৰ অধীনত এতিয়ালৈকে কোনো ৰ্ৰক অৰ্ডাৰ দিয়া হোৱা নাই।

NLCPR আঁচৰি অধীনত ২০১১-১২, ২০১২-১৩আৰু ২০১৩-১৪বৰ্ষত ৪৮খন কাঠৰ দলং পকীকৰণৰ বাবে ৰ্ৰক অৰ্ডাৰ দিয়া হৈছিল, ইয়াৰ ভিতৰত ১৬খন দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী থকা দলং কেইখনৰ কাম চলি আছে। বাকী থকা এই দলং কেইখনৰ কামো অতি সোনকালে সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে ।

(ঘ) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত মেৰামতি শিতান, বাষিক পৰিকল্পনা শিতানত ৰূপায়ণ কৰা আঁচনি সমূহৰ নাম, পথৰ দৈর্ঘ্য, আঁচনিৰ ধন, কাম কৰা ঠিকাদাৰৰ নাম তথা টেন্ডাৰসমূহ প্ৰকাশিত হোৱা বাতৰি কাকতৰ নাম ইত্যাদি অনুবদ্ধ 'খ'ত সন্নিৰিষ্ট কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৯। মাননীয় অসম চুক্তি ৰূপায়িত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ প্ৰতিটো দফাৰ বিপৰীতে কি কি কাম কাৰ্য্যকৰী কৰা হ'ল? কোন দফা এতিয়াও কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই? ইয়াৰ কাৰণ কি?

(খ) ভাৰত-বাংলাদেশ সীমান্তৰ অসম অংশৰ মুঠ দৈর্ঘ্য কিমান? ইয়াৰ কিমান অংশ ফেন্সিং দিয়া হ'ল। কিমান অংশত এতিয়াও ফেন্সিং দিবলৈ বাকী আছে। এই অঞ্চলসমূহ ক'ত ক'ত? কেতিয়া এই অংশ সমূহত ফেন্সিং দিয়াৰ কাম সম্পূৰ্ণ হ'ব?

(গ) ফেন্সিং দিয়া কামত এতিয়ালৈ কিমান ধন ব্যয় কৰা হ'ল। আৰু কিমান ধন ফেন্সিংৰ বাবে লাগিব।

(ঘ) অসম অংশ কিমান কিলোমিটাৰ ফ্লাড লাইট দিয়া হ'ল। এই ফ্লাড লাইট লগোৱাৰ কাম বৰ্তমান কি পৰ্য্যায়ত আছে। এই কাম কেতিয়া সম্পূৰ্ণ হ'ব। কোন কোম্পানীয়ে এই কাম কৰি আছে। এই কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিমান ধন আৱন্টন দিছে আৰু বৰ্তমানলৈ কিমান ধন মুকলি কৰি দিছে।

(ঙ) নদী সীমান্তৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া কমিটিখনৰ প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিব।

ড° হিমন্ত বিশ্ব শৰ্মা (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈ অসম চুক্তিৰ দফাসমূহৰ ভিতৰত ৮.১, ৮.২, ১৩, ১৪ আৰু ১৫দফা ৰূপায়িত হ'ল আৰু ৫.১ৰ পৰা ৫.৮লৈ, ৬,৭,৮,৯.১,৯.২,১১আৰু ১২দফা ৰূপায়িত হৈ আছে। কাৰ্য্যকৰী হৈ থকা কামৰ খতিয়ান পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(খ) ভাৰত বাংলাদেশ সীমান্ততৰ মুঠ ২৬৭.৩০০ কিঃমিঃ দৈঘ্যৰ ভিতৰত ২২৩.০৬৮ কিঃমিঃ ভূমি সীমান্ত আৰু ৪৪.২৩২ কিঃমিঃ নদী সীমান্তত

আৰু কামৰ অনুপযোগী অঞ্চল। সীমান্তৰ কাটাতাৰৰ নির্মানৰ কাম কেৱল স্থলভাগতহে কৰা হৈছে। আৰু উক্ত ৪৪.২৩২কিঃমিঃ নদী সীমান্ত উন্মুক্ত আছে। অসম গড়কাপ্তানি বিভাগৰ সীমান্তপথ বিভাগক অর্পণ কৰা স্থলভাগৰ কামৰ ১৭৬.৩১৪কিঃমিঃ অংশত কাটাতাঁৰৰ বেৰৰ কাম সম্পূর্ণ কৰা হৈছে। বাটাৰচক অঞ্চলত বাকী থকা ০.০৬কিঃমিঃ কাইটিয়া তাঁৰৰ বেৰ আৰু ০.০৬কিঃমিঃ সীমান্ত পথৰ কাম সুৰমা নদীৰ পাৰৰ দলঙৰ Revised Estimate ৰ অনুমোদনৰ বাবে ভাৰত চৰকাৰলৈ পঠোৱা হৈছে আৰু ভাৰত চৰকাৰৰ পৰা অনুমোদন পোৱাৰ ৬মাহৰ ভিতৰত কৰিব পৰা যাব।

কেন্দ্রীয় চৰকাৰৰ এন বি চি চি য়ে Phase-II মুঠ ৩৫.৮০কিঃমি কাটাতাৰৰ কামৰ ৩.৫০কিঃমিঃ কৰিমগঞ্জ টাউনৰ বিবাদমান অঞ্চল হেতুকে অসমাপ্ত হৈ আছে। কেন্দ্রীয় চৰকাৰে ইতিমধ্যে অনুমোদন দিয়া এই কামৰ পুঁজি আৱন্টনৰ প্রক্রিয়া বাকী আছে আৰু Phase-III ৰ ২৪.৫৪কিঃমিঃ কাটাতাৰৰ কাম সম্পূর্ণ হৈছে। এন পি চি চি য়ে কৰা কামৰ ৩০.৮৫৮কিঃমিঃ কাটাতাৰৰ কাম সম্পূর্ণ হৈছে আৰু ৮.১৬৬কিঃমিঃ বাকী থকা কাম ২০১৪চনৰ মার্চ মাহৰ ভিতৰত সম্পূর্ণ হ'ব।

(গ) সীমান্তত ফেন্সিং দিবলৈ ২০১৩চনলৈকে ২৮৫.৮৯কোটি টকা ব্যয় কৰা হৈছে আৰু কিমান ধন লাগিব এই বিষয়ে সংশ্লিষ্ট বিভাগৰ পৰা তথ্য বিচৰা হৈছে ।

(ঘ) ভাৰত বাংলাদেশ সীমান্তৰ অসম অঞ্চলত মুঠ ২১৩.৭৪কিঃমিঃ অঞ্চলত ফ্লাড লাইট দিয়া হ'ব। কেন্দ্রীয় গড়কাপ্তানী বিভাগে কৰি থকা এই কাম ২১৩.৭৪কিঃমি অঞ্চলত কার্যকৰী কৰি থকা হৈছে। মুঠ ৪৭৪৮.৯০লাখ টকা ব্যয়েৰে কৰি থকা ফ্লাড লাইটৰ কাম ২০১৪চনৰ মার্চ মাহৰ ভিতৰত সম্পূর্ণ কৰা হ'ব।

(ঙ) নদী সীমান্তৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া কমিটিখনে প্রতিবেদন চৰকাৰক দাখিল কৰিছে আৰু বর্তমান বিবেচনাধীন হৈ আছে।

প্রতিলিপি পৰিশিষ্ট 'খ'ত দাখিল কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

১২০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলা উদ্যোগ বিভাগৰ জৰিয়তে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষত DICC, KVIC, KVIB আৰু KALPATARU আঁচনিৰ জৰিয়তে উপকৃত হোৱা হিতাধিকাৰীৰ তালিকা সদনত দাখিল কৰিবনে?

(খ) প্ৰতিটো আঁচনিৰ হিতাধিকাৰী বাছনিৰ প্ৰক্ৰিয়া কি?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলা উদ্যোগ বিভাগৰ জৰিয়তে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষত DICC, KVIC, KVIB আৰু KALPATARU আঁচনিৰ জৰিয়তে উপকৃত হোৱা হিতাধিকাৰীৰ তালিকা তথ্য তলত জনোৱা মতে দাখিল কৰা হ'ল।

১। DICC, KVIC আৰু KVIB নগাঁও জিলাৰ PMEGP ৰ অধীনত ২০১১-১২, ২০১২-১৩ বৰ্ষৰ তালিকা Annexure 'A', 'A1' ত সদনৰ মেজত দাখিল কৰা হ'ল। DICC, KVIC আৰু KVIB মৰিগাঁও জিলাৰ PMEGPৰ অধীনত ২০১১-১২, ২০১২-১৩ বৰ্ষৰ তালিকা Annexure 'B', 'B1'ত সদনৰ মেজত দাখিল কৰা হ'ল।

বিদ্রঃ

(i) মৰিগাঁও জিলাৰ ২০১২-১৩ বৰ্ষৰ তালিকা বিবেচনাধীন হৈ আছ।

(ii) ২০১৩-১৪ বৰ্ষৰ উপকৃত হোৱা হিতাধিকাৰী এতিয়াও ঠিৰাং হোৱা নাই।

২। DICC নগাঁৱৰ KALPATARU আঁচনিৰ ২০১১-১২ বৰ্ষৰ তালিকা Aannexure 'C'ত সদনৰ মেজত দাখিল কৰা হ'ল।

বিদ্র ঃ i) ২০১২-১৩ বর্ষৰ তালিকা অধ্যক্ষৰ (জিলা উপাযুক্ত) অনুমোদন হ'বলৈ বাকী আছে।

ii) ২০১৩-১৪ বর্ষৰ বাবে প্রক্রিয়া আৰম্ভ হোৱা নাই।

DICC মৰিগাঁও KALPATARU আঁচনিৰ ২০১১-১২ বর্ষৰ তালিকা Aannexure 'D'ত সদনৰ মেজত দাখিল কৰা হ'ল।

বিদ্র ঃ i) ২০১২-১৩ বর্ষৰ তালিকা জিলা পর্যায়ৰ কমিটীৰ অনুমোদন অপেক্ষাত আছে।

ii) ২০১৩-১৪ বর্ষৰ বাবে প্রক্রিয়া আৰম্ভ হোৱা নাই।

(খ) বাছনিৰ প্রক্রিয়া তলত উল্লেখ কৰা হ'ল।

১। প্রধানমন্ত্রীৰ নিয়োগ সৃষ্টি আঁচনি (PMEGP)ৰ District Level Task Force Committee ৰ সাক্ষাৎকাৰৰ দ্বাৰা বাছনি কৰা হয়।

২। Kalpataru Component IIIৰ বাছনি District Level Committeeৰ সাক্ষাৎকাৰৰ দ্বাৰা বাছনি কৰা হয়।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

১২১। মাননীয় পর্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্রী অসম বিকাশ যোজনাৰ জৰিয়তে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বর্ষত কিমান হিতাধিকাৰীক গাড়ী প্রদান কৰা হৈছে ? (হিতাধিকাৰীৰ নামৰ তালিকাসহ বিৱৰণ দাখিল কৰিব)

(খ) প্রতিটো সমষ্টিৰ বিধায়কৰ জৰিয়তে সমানুপাতিক হাৰত এই আঁচনিখন প্রৱর্তন কৰিব নোৱাৰিনে?

শ্রীচন্দন ব্রহ্ম (পর্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মুখ্যমন্ত্রীৰ অসম বিকাশ যোজনা আঁচনিৰ অধীনত ২০১১-১২ আৰু

২০১২-১৩ বর্ষত মুঠ ২৬০জন হিতাধিকাৰী নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰা হৈছে। ২০১৩-১৪ চনৰ বাবে প্ৰস্তাৱ অনুমোদনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত আগতে বা বৰ্তমানেও গাড়ী প্ৰদান কৰা নহয়। বৰঞ্চ হিতাধিকাৰীক গাড়ী আদিৰ বাবে ৰাজ-সাহায্য (sub-sidy) আগবঢ়োৱা হয়।

(খ) বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

১২২। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাঁও আৰু নগাঁও জিলা উপায়ুক্তৰ জৰিয়তে United Fund, ২০১৩-১৪ৰ অধীনত ধিং সমষ্টিৰ পৰা কি কি কামৰ প্ৰস্তাৱ পোৱা গৈছে?

(খ) এই কামসমূহৰ অগ্ৰগতি কিমান?

(গ) চৰকাৰে আঁচনিসমূহ অনুমোদন কৰিছেনে?

শ্ৰীটংক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) United Fundৰ আঁচনি বা কাম জিলা ভিত্তিতহে জিলা উপায়ুক্তৰ পৰা পোৱা হয়, সমষ্টি ভিত্তিত নহয়। গতিকে ধিং সমষ্টিৰ পৰা আঁচনি বা কামৰ প্ৰস্তাৱ পোৱাৰ প্ৰশ্ন নুঠে।

(খ) আৰু (গ) প্ৰশ্ন নুঠে।

Sub : Short Notice Question.

Shri Shennan Ali Ahmed asked :

123. Will the Minister P& R D be pleased to state :

(a) Is the Govt. aware that one community hall at Baghmara G.P. and one at Kadamtole GP have remained half done?

What amount has been withdrawn for construction of these Community halls?

(b) Is it true that one J.E., Mr. Zakir Hussain received the payment for the said two community halls and has not made any payment?

c) Is it also true that the said JE has been absent without authority for last 1 year?

d) If answer to above questions (a), (b) & (c) are yes, what action the Govt. has taken against the said JE for remaining unauthorised absent for such a long period and for fraudulently withdrawing money for the community halls? (Detailed information may please be furnished).

Shri Rokybul Hussain (Minister of Panchayat & Rural Development Department) replied :

a) It is true that two Community Halls, one at Baghmara G.P and at Kadamtola G.P under Mandia A.P are in a half done stage.

Shri Zakir Hussain, J.E Mandia Development Block had been entrusted to construct the building of these Community Halls. Following amount was paid to the concerned J.E Shri Zakir Hussain of Mandia A.P as per his requisition.

1) Baghmara G.P= Rs. 6,54,512.00 paid on 14/3/2013.

2) Kadamtola GP= Rs. 6,54,512.00 paid on 14/3/2013.

Copy of Requisition and Money Receipt signed by Shri

Zakir Hussain, J.E is enclosed as follows :-

1) Baghmara G.P Annexure -1 & I-A

2) Kadamtola GP Annexure -2 & 2-A

(b) It is true that Shri Zakir Hussain, J.E Mandia Development Block had been entrusted to execute the construction of these two Community Halls. He submitted requisition for 80% Advance Money for construction of the Community Halls. Accordingly he had Hall. The money was received by Shri Zakir Hussain from the Accountant, barpeta Zilla Parishad as stated in reply to question 123 (a) above.

Till date Shri Zakir Hussain, JE has not submitted any UC and vouchers as a proof of payment despite repeated instructions issued to him vide letter issued by the CEO, Barpeta Zilla Parishad as reported by the CEO, ZP Barpeta.

Copy enclosed as Annexure -3 and Annexure -4.

c) The BDO Mandia Dev. Block reported that Shri Zakir Hussain, JE was absent unauthorized w.e.f 20/5/2013. On 26/6/2013 Shri Zakir Hussain, JE submitted one Earned Leave application to the BDO, Mandia with Medical Certificate for grant of Earned Leave w.e.f 20/5/2013 to 23/6/2013 . On 18/7/2013 Shri Zakir Hussain, JE submitted EL extension petition for extension of leave w.e.f 24/6/2013 to 21/7/2013. He also submitted leave extension application for extension of Earned Leave w.e.f

01/8/2013 to 10/08/2013 and 11/8/2013 to 25/8/2013. Therefore no leave extension application has been received from Shri Zakir Hussain, JE.

d) Two Notices were issued to Shri Zakir Hussain, JE to submit UC and Vouchers vide letter at Annexure -3 and Annexure -4 . But Shri Zakir Hussain, JE did not respond to those notice. Having no alternatives F.I.R was lodged at Barpeta Police station vide Barpeta ZP letter No BZP (FASFC) 89/2011/992 dtd 29/6/2013 (copy enclosed as Annexure -5). Accordingly Barpeta Police Station has registered a case no 1697/13/U/S 420/409/403 IPc.

On the basis of report submitted by the CEO Barepta, ZP vide letter No BZP (FASFC) 89/2011/1362 dtd 26/11/2013 . Shri Zakir Hussain, JE Mandia Dev. Block, Barpeta placed under suspension vide Govt. letter No PDA 387/2013/7 dtd 19/12/2013 (copy enclosed at Annexure -7)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

১২৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) টেট উত্তীৰ্ণ কিমানজন প্ৰাৰ্থীয়ে নিজৰ কৰ্মস্থলত যোগদান কৰা নাই? (জিলা ভিত্তিত তথ্য পৃথকে দিব)

(খ) যোগদান নকৰা টেট উত্তীৰ্ণ শিক্ষকসকলৰ বিৰুদ্ধে কি কাৰ্যব্যৱস্থা গ্ৰহণ হৈছে?

(গ) এই কথাটো সত্যনে যে কিছুমান টেট উত্তীৰ্ণ শিক্ষকক পদসহ নিজৰ গৃহ

জিলালৈ বদলি কৰা হৈছে?

(ঘ) যদি হয়, তেনে কিমান পদ কৰ্তন কৰি বেলেগ জিলালৈ লৈ যোৱা হ'ল? (জিলা ভিত্তিত তথ্য পৃথকে দিব)

ডঃ হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নিজৰ কৰ্মস্থলত যোগদান নকৰা বা যোগদান কৰিও চাকৰিৰ পৰা অব্যাহতি লোৱা টেট উত্তীর্ণ শিক্ষকৰ সংখ্যাত তলত দিয়া ধৰণৰ—

নিম্ন প্রাথমিক — ৪৭৭৬ জন।

উচ্চ প্রাথমিক— ১৯২২ জন।

(জিলা ভিত্তিক তালিকা সংলগ্ন 'ক'ত দিয়া হ'ল)

অৱশ্যে ইয়াৰ অধিকাংশই নিয়মীয়া শিক্ষকৰ পদত যোগদান কৰিছে।

(খ) টেট উত্তীর্ণ হৈ চাকৰিত যোগদান কৰা বা নকৰাটো প্রার্থীৰ ব্যক্তিগত সিদ্ধান্ত ইয়াৰ বাবে প্রার্থীজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্রহণৰ প্রশ্ন উঠিব নোৱাৰে।

(গ) কোনো টেট উত্তীর্ণ শিক্ষকক পদসহ নিজৰ গৃহ জিলালৈ বদলি কৰা হোৱা নাই।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

১২৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধিং সমষ্টিত কোনখন চিকিৎসালয়ক মডেল হস্পিতেল হিচাপে উন্নীত কৰিবলৈ চৰকাৰে প্রস্তাৱ পাইছে? এই সম্পর্কত কি ব্যৱস্থা লোৱা হৈছে।

(খ) জেঙ্গনি-কলাতুবা, কান্ধলীমাৰী আৰু উলুবাৰী নৈপৰীয়া স্বাস্থ্য কেন্দ্র স্থাপনৰ

বাবে কিমান টকা আবণ্টন দিয়া হৈছিল আৰু কামৰ অগ্রগতি কিমান? (ভাউছাৰ, খৰচৰ ব্যৱহাৰিক প্রমাণ-পত্রসহ বিস্তাৰিত বিৱৰণ ও তথ্য দাখিল কৰিব)

(গ) উপৰোক্ত স্বাস্থ্য কেন্দ্র তিনিখন নির্মাণৰ বাবে প্রস্তুত কৰা প্রাক্কলনৰ প্রতিলিপি সদনত দাখিল কৰিব।

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান তেনে কোনো প্রস্তাৱ নাই।

(খ), (গ) তথ্য-পত্র 'ক'ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

১২৬। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্র কৰা জনাবনে?

(ক) মৈৰাবাৰী FRUৰ বাবে ২০১১-১২ বর্ষৰ বিধায়কৰ সমষ্টি উন্নয়ন পুঁজিৰ পৰা প্রদান কৰা এম্বুলেঞ্চ গাড়ীখন কেইজনমান দুস্কৃতিকাৰীয়ে ভাৰাত চলাই প্রায় ১০ মাহৰ কেইবালাখ টকা আত্মসাৎ কৰাৰ কিবা গোচৰ মৈৰাবাৰী থানাত পঞ্জীয়নভুক্ত হৈছিল নেকি? গোচৰটোৰ আচামীসকলৰ নাম কি?

(খ) কিমান তাৰিখে গোচৰটো ডায়েৰী কৰা হৈছিল? এতিয়ালৈকে কেইজন আচামী কৰায়ত্ত কৰা হ'ল আৰু কি কার্যব্যৱস্থা গ্রহণ কৰা হ'ল?

শ্রীৰকিবুল হুছেইন (বন ও পৰিৱেশ আৰু পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে গৃহ বিভাগৰ মন্ত্রী মহোদলয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) মৈৰাবাৰী থানাত গোচৰ নং 100/2013 U/S 420/406/506/34 IPC পঞ্জীয়নভুক্ত হৈছে। গোচৰটো আচামীসকলৰ নাম ঃ

১। মঃ ফাৰীদুদ্দিন আচজদ, মাৰফৎ হাজি আবদুল জলিল, গাঁও-পাণবাৰী, থানা-ধিং, নগাঁও।

২। মঃ আৰিফুদ্দিন আচজদ, মাৰফৎ হাজি আবদুল জলিল, গাঁও-পাণবাৰী, থানা-ধিং, নগাঁও।

৩। মঃ চহিদুল ইছলাম,থানা-মৈৰাবাৰী, জিলা- মৰিগাঁও।

৪। মঃ মেৰাজুল হক, থানা-মৈৰাবাৰী, জিলা- মৰিগাঁও।

(খ) গোচৰটো ০৬/০৮/২০১৩ তাৰিখে পঞ্জীয়নভুক্ত হৈছিল। এতিয়ালৈকে মঃ ফাৰীদুদ্দিন আচজদ আৰু চহিদুল ইছলাম নামৰ দুজন আচামী কৰায়ত্ত কৰা হ'ল। আচামী দুজন বর্তমানে আদালতত জামিন লৈ জেলৰ পৰা মুক্ত হৈছে।

বর্তমান গোচৰ প্রক্রিয়া চলি আছে।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

১২৭। মাননীয় গড়াকাপ্টানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ২০১১ চনৰ পৰা বর্তমানলৈকে ধিং সমষ্টিত অকান কোন আঁচনিৰ জৰিয়তে কোন কোন ৰাস্তা আৰু দলং পকীকৰণ হৈছে? (আবণ্টিত ধনৰ পৰিমাণসহ জনাব)।

নতুনকৈ কোন কোন পথ নির্মাণ কৰাৰ আঁচনি গ্রহণ কৰা হৈছে?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্টানি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১ চনৰ বর্তমানলৈকে ধিং সমষ্টিৰ বিভিন্ন আঁচনিৰ জৰিয়তে ৰাস্তা আৰু দলঙৰ পকীকৰণৰ বিতং তথ্য অনুবদ্ধ 'ক'ত দিয়া হ'ল।

উক্ত সমষ্টিত নতুনকৈ পথ নির্মাণ কৰাৰ কাৰণে লোৱা আঁচনিসমূহ অনুবদ্ধ 'ক' দিয়া হ'ল। অনুমোদন সাপেক্ষে আঁচনিসমূহ ৰূপায়ণ কৰা হ'ব।

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআমিনুল ইছলামে সুধিছে ঃ

১২৮। মাননীয় পাৱপত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গুৱাহাটী পাছপ'ৰ্ট কাৰ্যালয়ত আবেদন কৰাৰ কিমানদিনৰ ভিতৰত পাৱপত্ৰসমূহ প্ৰদান কৰা হয়?

(খ) GUWM00152812 ফাইল নম্বৰ আবেদনকাৰী কোন আছিল আৰু কিমান তাৰিখে আবেদন কৰিছিল?

(গ) আবেদনকাৰীয়ে আজিলৈকে পাৱপত্ৰখন নোপোৱাৰ কাৰণ কি? পাৱপত্ৰখন ইছ্যু হৈছেনে?

(ঘ) যদি হৈছে ক'ত আছে আৰু আবেদনকাৰীয়ে কেতিয়া পাব?

শ্ৰীৰকিবুল হুছেইন (বন ও পৰিবেশ আৰু পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে পাৱপত্ৰ বিভাগৰ মন্ত্ৰী মহোদলয়ৰ হৈ উত্তৰ দিছে ঃ

(ক) বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ আঞ্চলিক পাৱপত্ৰ কাৰ্যালয়ৰ অধীনত।

(খ) বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ আঞ্চলিক পাৱপত্ৰ কাৰ্যালয়ৰ অধীনত। ৰাজ্য চৰকাৰৰ আওতাত নপৰে।

(গ) যিহেতু ৰজ্য চৰকাৰৰ অধীনত বিষয়টো নপৰে, গতিকে প্ৰশ্নটো উত্থাপিত নহয়।

(ঘ) বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনত।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

১২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অপ্ৰাদেশীকৃত কণিষ্ঠ মহাবিদ্যালয়ৰসমূহৰ ২ নং শিক্ষকৰ পদটো (বিষয়সমূহৰ) প্ৰাদেশীকৃত কনিষ্ঠ মহাবিদ্যালয়ৰ ২ নং শিক্ষকৰ পদটোৰ দৰে সাহায্য-সকাহ দিয়াৰ ব্যৱস্থা ল'বনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) The Assam Venture Educational Institution (Provincialisation of Services) Act, 2011'মতে এখন কণিষ্ঠ মহাবিদ্যালয়ত ৮জন ১নং শিক্ষকৰ পদ প্ৰাদেশীকিকৰণ-কৰাৰ ব্যৱস্থা আছে। উক্ত আইনৰ অধীনত ২নং শিক্ষক পদৰ কোনো ব্যৱস্থা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীশ্বেৰমান আলি আহমেদে সুধিছে ঃ

১৩০। মাননীয় শক্তি(বিদুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৪/০৩/২০১৩ ইং তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ২৮২ৰ উত্তৰত জনোৱা মতে বাঘবৰ সমষ্টিৰ চৰাঞ্চল ক্ৰমে (১) ১নং বাঘমাৰা এন ছি, (২) ২নং বাঘমাৰা এন ছি, (৩) ৩নং বাঘমাৰা এন ছি, (৪) ৪নং বাঘমাৰা এন ছি, (৫) ভাতনাপাইতি চৰ এন ছি, (৬) নিচানৰ চৰ এন ছি, (৭) কালাইৰদিয়া এন ছি, (৮) ৩নং আলুপতি এন ছি, আৰু (৯) মাজৰচৰ এন ছি গাঁওত বৈদ্যুতিকৰণ কাম কৰিবৰ বাবে আদেশ নামা জাৰি কৰা হৈছে আৰু ২০১৩ চনৰ মে' মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। নিৰ্দ্দিষ্ট সময়সীমা উকলি হৈ ছমাহতকৈ অধিক কাল অতিক্ৰম কৰাৰ পিছতো উক্ত বৈদ্যুতিকৰণৰ কাম এতিয়ালৈকে সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি? কিমান দিনৰ ভিতৰত উক্ত কাম সম্পূৰ্ণ কৰা হ'ব, নিৰ্দ্দিষ্টকৈ জনাবনে?

(খ) অতি নিম্নমানৰ কাম কৰা বাবে নিৰ্মানৰ পিছত তিনিটা Pile Foundation উভালি পৰা সম্পৰ্কে স্থানীয় বিধায়কে তেওঁৰ ১৯/০৭/২০১৩ ইং তাৰিখৰ D.O. letter No. 45/D- Power (i) 2013-14 যোগে মাননীয় বিভাগীয় মন্ত্ৰীক অৱগত কৰাইছিল নে? মাননীয় মন্ত্ৰী মহোদয়ক স্থানীয় বিধায়কে তেওঁৰ উক্ত চিঠিৰ যোগেদি ইয়াৰ উচিত তদন্ত কৰোৱাই সময়মতে উক্ত বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে আবেদন জনাইছিলনে? যদি জনাইছিল তেন্তে তদন্ত কৰি উপযুক্ত ব্যৱস্থা লোৱা হ'লনে? যদি হৈছে তেন্তে তদন্তৰ প্ৰতিবেদন সদনৰ মেজত দাখিল কৰিব আৰু কি বিহীত ব্যৱস্থা লোৱা হ'ল বিতংকৈ জনাবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জলজলী নদীত Pile Foundation কৰি উচ্চ ক্ষমতা সম্পন্ন ১১কেজি লাইন সম্প্রসাৰণৰ ব্যৱস্থা কৰা হৈছিল যদিও ৯টা Pile Foundation ৰ ভিতৰত ৩টা Pile Foundation নদীৰ সোঁতত হাউলি পৰাৰ কাৰণে বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। Pile Foundationৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতহে বৈদ্যুতিকৰণৰ কাম ৰূপায়ণ কৰিব পৰা যাব।

(খ) Pile Foundation ৰ ৩টা হাউলী পৰাৰ সম্পৰ্কে APDCL ৰ Design Wing ৰ ফালৰ পৰা অনুসন্ধান কৰি প্রতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। নদীত পানীৰ উচ্চতা থকা বাবে প্রয়োজনীয় অনুসন্ধান বিলম্ব হৈছে আৰু নদীৰ পানীৰ উচ্চতা কম হোৱালৈ অপেক্ষা কৰা হৈছে। উক্ত প্রতিবেদনৰ ওপৰত ভিত্তি কৰিহে পিছৰ পদক্ষেপ গ্রহণ কৰা হ'ব।

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

131. Will the Minister of Home be pleased to state :

(a) What are the cases that have been handed over to CBt relating to BTAD violence in 2012 ?

(b) It it true that CBI has been enquiring into one case only and the other cases are being ignored? If yes, would the Govt. be pleased to prevail upon the Govt. of India so that CBI gives aqual importance to all other cases as well ?

Shri Rokybul Hussain (Minister of Environment and Forest and Panchayat & Rural Development, on behalf of the home minister) replied :

(a) State Government requested the Ministry of Personnel,

Public Grievances and Pension, Department of Personnel & Training(DoPT) Govt of India, to take 15 nos. of cases relating to BTAD violence for handing over to CBI for investigation. Out of that the following 8 (eight) (nos of cases has been taken up for investigating by CBI authorities. The eight cases are as follows:

1. Kokrajhar PS Case No.210/12 U/S 326/307/341PC, R/W Sec.25(I-A) Arms Act,
2. Kokrajhar PS C/No.212/12 U/S 341/148/149/302/435 IPC ,
3. Kokrajhar PS case 325/12 U/S 364/302/201/34 IPC
4. Dhubri PS Case No.423/12 U/S 147/148/336/353/447/448/380/436/427 IPC,
5. Kokrajhar PS Case NO.350/12 U/S 147/148/149/307/302/326 IPC RIW Sec.25 (a)/27(1)(2)(3) Arms Act
6. Bijni PS Case NO.187/12 U/S 147/148/149/325/326/302 IPC and
7. Bijni PS Case NO.190/12 U/S 147/148/149/3021PC
8. Bijni PS Case NO.238/2012 U/S 147/148/149/341/364/435/396/109 IPC

(b) CBI has been enquiring into 8 nos. of cases as stated above.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

132. Will the Minister Finance be pleased to state :

(a) What is the C.D Ratio of different nationalised Banks in the state of Assam for the last three financial year 2011-12,2012-13 & 2013-14 ?

(b) What is the C.D Ratio of different nationalised Banks in the District level for all the districts in Assam for the Financial Year 2011-12,2012-13 & 2013-14 ?

(c) Is it true that C.D Ratio is too low in the State as well as in the District level for all the nationalised Banks? If yes, what effective measures the Govt. shall undertake to improve the C.D Ratio for the overall development of Assam? (Detailed information may please be furnished).

Shri Nilamani Sen Deka (Minister, Agriculture etc) on behalf of Hon'ble Chief Minister Shri Tarun Gogoi (as Finance Minister) replied :

(a) C.D Ratio of all Banks (including Private banks) in the State of Assam for the year 2011-12, 2012-13 and 2013-14 (up to September) is shown below. Details is placed at Annexure-A.

Year	C.D Ratio
2011-12	44.1
2012-13	43.5

2013-14 45.6

(up to September, 2013)

(b) CD Ratio at the District level for all banks in the State for the year 2011-12, 2012-13 and 2013-14 (up to Sept, 2013) is shown at Annexure - B.

(c) C.D Ratio of the State in 2011-12,2012-13 and 2013-14 (up to Sept, 2013) was 44.1, 43.5 and 45.6 respectively against the national average of 75.4 (2011), 78.4 (2012) and 76.5 (June, 1013) for the corresponding years. It appears that the CD Ratio of the State was low compared the national average for those years.

In order to address the issue of poor CD Ratio of the State, a special meeting of the State Level Banker's Committee (SLBC) meeting was held at the initiative of the Chief Minister, Assam on 6th February, 2013, which was attended by the Governor of RBI including the top executive of different banks and State Government officials. The issue of low State CD Ratio was highlighted in the special SLBC meeting. The Chief Minister urged the RBI Governor to advice an effective strategy for bringing the CD ratio at per with national average. The State Govt. has been continuously taking up the issue of poor CD Ratio of banks in the State in the SLBC meetings. In the SLBC meeting held on 04-09-2012, it

was emphasised that low performing banks need to gear up their functioning to ensure improvement of their CD Ratios by increasing their credit in the State. The matter was also taken up in the SLBC meeting for the quarter ended March, 2013 (held on 14-06-2013), wherein the low CD Ratio banks, particularly the major banks like UCO bank, HDFC bank and other private banks were asked to improve their C.D ratio position.

Sub : Short Notice Question.

Shri Sherman Ali Ahmd asked :

133. Will The Minister P&RD deptt. be pleased to state :

(a) What is the no. of IA Y beneficiaries under Mandia Dev Block for the year 2011-12, 2012-13 & 2013-14 ? (Bank wise & GP wise list of beneficiaries may kindly be furnished).

(b) Is it true that Pass Books are not generally issued to the IA Y beneficiaries by the Banks which is a major cause of Corruption in making payment to the IAY beneficiaries ? If yes, would the Govt. be pleased to take necessary steps so that Banks issue Pass Books Mandatorily to the IAY beneficiaries? If not, true, would the Govt. be pleased to furnish the list of IAY beneficiaries who have been provided with Bank Pass Book for the year 2011-12, 2012-l3 & 2013-14? (Bank- wise & GP

wise list of such beneficiaries may kindly be furnished).

Sri Rokybul Hussain (Minister of Panchayat & Rural Development) replied :

(a) The year wise Nos. of IAY houses allotted to Mandia Dev. Block is as follows:-

Year	Nos. of IAY houses anctioned
1	2
2011-12	2957
2012-13	2518
2013-14	2498

The year wise / GP wise / Bank wise list of beneficiaries under Mandia Dev. Block is being collected.

(b) Issue of the Pass Books is the responsibility of the concerned banks. However, the Government will issue necessary advisory to the concerned authorities for issue of pass books to all bonafide IAY beneficiaries.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

134. Will the Minister P&D Department be pleased to State:

(a) Is it true that PWD submitted two project concept papers under NLCPR for Construction of Barpeta - Baghbar Road and Baghmara- Shimtola Bridge vide their letter no RBPC 776/2010/57 dated 8th May,2012 to P&D Department

for consideration? If yes, what is the present status of the project?

Shri Tanka Bahadur Rai (Minister of Planning and Development) replied :

(a) It is true that both project proposals in question viz If Construction of Barpeta- Baghbar Road and Baghmara-Shimtola(Named in Concept paper as Construction of Road from Shimlitola to Sukhajhar) along with other 4 road project proposals of Barpeta District were submitted by PWD(Roads) for prioritized under NLCPR 2013-14. These two projects of Barpeta District could not be prioritized.

However,out of 6 roads projects of Barpeta District, two projects namely (I)Construction of two lane RDB in between Barpeta Railway Station and Sarupeta Railway Station replacing L.C. ,Gate No. SK -37 at Barpeta and (2) Construction of RCC Bridge No 5/2 over river Pahumara at Kathalmuri ghat on Hudukhata Nasali Road were included in priority list 2013-14.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

135. Will the Minister of P.W.D. be pleased to state:

(a) Reply to the Short Notice Q. No. 96 dated 23.12.2011, it was informed that Executive Engineer has been directed

to include Baghmara-Shimlitola Bridge under NLCPR. What is the present status of the Project ?

(b) Is it true that P&D Deptt. had returned the project for re-submission after revision of the project cost? Whether the project proposal has been re- submitted to the P &D Department ? If yes, what is the present status ?

(A copy of the revised project and the forwarding letter of the PWD to P&D Deptt. may please be furnished).

Shrimati Ajanta Neog (Minister, PWD) replied :

(a) Project Concept Paper for construction of RCC Bridge No. 211 over per Jaljali on Simlitola to Sukharjhar Road amounting to Rs. 37.40 crore was submitted to the P '& D Deptt. for onward transmission. to the Ministry of DoNER to retain the project under NLCPR.

(b) No. correspondence is received from P & D Deptt.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

136. Will the Minister Finance be pleased to state :

(a) How many S/B A/Cs have been opened in different Bank Branches for making payment to the IAY beneficiaries of Mandia Dev. Block? (Bank-wise & GP wise the list of S/B Accounts for the year 2011-12, 2012-13 & 2013-14 may kindly be furnished).

(b) Is it true that Pass Books are not generally issued to

the A/C holders of IAY beneficiaries by the respective Banks? If yes, would the Govt. take necessary steps for making it mandatory for the Banks to issue Pass Books to all these beneficiaries and if not, would the Govt. be pleased submit the list of A/C holders (Banks-wise & GP wise) of the IAY beneficiaries under Mandia Dev. Block for the year 2011-12, 2012-13 & 2013-14 to whom Pass Books have been issued?

Shri Nilamani Sen Deka (Minister, Agriculture etc) on behalf of Chief Minister Shri Tarun Gogoi (as Finance Minister) replied :

(a) Total No. of Accounts opened in different Bank Branches is shown below year-wise.

2011-12 = 1307 nos.

2012-13 = 2413 nos.

2013-14 = 274 nos.

(Up to November /13)

Details are furnished at Annexure - I, II & III.

(b) Yes, it is true that Pass Books are not generally issued to the Accounts Holders of IAY beneficiaries by the respective Bank as reported by the Project Director, DRDA, Barpeta. The issue was raised in the last District Level Bankers Committee meeting held at Barpeta on 06/12/2013 and the representative of RBI strictly directed

the Bankers to open no-frill accounts and issue Pass Books thereafter as per RBI's Guidelines. However, the details of Accounts of IAY beneficiaries opened in 2011-12, 2012-13 and 2013-14 are shown at Annexure-I, II & III.

Sub : Short Notice Question.

Sri Sherman Ali Ahmed asked :

137. Will the Minister of Planning & Development Department be pleased to state:

(a) How many beneficiaries have been selected under Kalpataru Component II in Mandia Block during the year 2009-10,2010-11,2011-12 ?

(b) How many of these beneficiaries' have been actually disbursed the loan under Kalpataru Component II till date? (GP wise' detailed list of beneficiaries to whom the loan have actually been disbursed till date may kindly be furnished).

(c) Is it true that most of the selected beneficiaries are yet to receive the loan? What is the cause of such inordinate delay?

Will the Govt. be pleased to take necessary steps for early disbursement of the loan to the beneficiaries?

Shri Tanka Bahadur Rai (Minister of Planning & Development) replied :

(a) The no. of beneficiaries selected under Kalpataru Component II during the year 2009-10,2010 -11 & 2011-12 is as follows:

Year	No. of beneficiaries selected under Component- II	Remarks
2009-10	Nil	In the year 2009-10 all beneficiaries were selected under- Component - I
2010-11	145	
2011-12	109	
Total	**254**	

(b) (i) Out of total 145 no. of beneficiaries sponsored to different Bank Branches, loan disbursed to 35 no. of beneficiaries for the year 2010-11.

(ii) Out of total 109 no. of beneficiaries sponsored to different Bank Branches, loan disbursed to 17 no. of beneficiaries for the year 2011-12 under Component -II. (GP wise detailed list of beneficiaries is enclosed at Annexure' A' and Annexure 'B').

(c) Some of the beneficiaries have not opened their Bank Accounts yet. Bank documentation also have not been fulfilled by many beneficiaries. Some beneficiaries are interested only for the subsidy amount and not for loan Component. Hence the delay has occurred.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

138. Will the Minister, Environment and Forest be pleased to state:

a) Is it true that provisional pension has not paid to Sherman Ali Ahmed, AFS (Retd.) with effect from 01/10/2012 for more than a year? If yes, why the provisional pension has not been paid for such a long period? Is it also true that GPF & Leave encashment have also not been paid till date although the person concerned had retired on 30/09/2010 ? when the same would be provided?

Shri Rokybul Hussain (Minister of Environment & Forest) replied :

(a) No, it is not a fact that provisional pension was not paid to Shri Sherman Ali Ahmed, AFS (Retd.). The provisional pension to Shri Sherman Ali Ahmed, AFS (Retd.) for the year 2012-13 have been sanctioned vide this department letter No.FRE.154/2010/411. The GPF proposal was forwarded to Accountant General, Assam on 17/7/2012 for necessary action.

In regard to leave encashment, the department sought Leave Admissibility Report from Accountant General, Assam on 24/4/2012 which is not yet received. As soon as Leave Admissibility Report is received, the department will immediately issue sanction the leave encashment benefit due to him.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

139. Will the Minister Finance be pleased to state :

(a) Is it true that there are 118 villages in Barpeta District which neither have a Bank Branch nor any USB (Ultra Small Branch) nor a Post Office? In view of the fact that 400 Branches of Nationalised Bank would be established in NE Region, what steps the Govt. would take to cover these 118 villages with at least one Bank Branch?

Shri Nilamani Sen Deka (Minister, Agriculture etc) on behalf of Chief Minister Shri Tanun Gogoi (as Finance Minister) replied :

(a) As per 2011 Census there are 835 villages in Barpeta District. Out of this, 220 villages have already. been covered by existing Bank: branches/USBs and remaining 615 villages will be covered by March, 2016 as per RBI Roadmap 2012. All the villages having population above 1000 in Barpeta District have been covered under

financial inclusion scheme which includes either opening of Brick and Mortar Branch or coverage through USB or BC/CSP model. Villages with population less than 1000 have been allotted to different banks operating in the district.

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

140. Will the Minister P&RD Deptt. be pleased to state :

(a). Is it true that ASRLM has selected six resource Blocks in Assam? What are these Blocks?

(b) Why a single Block has not been selected from minority dominated lower Assam?

(c) Is it true that out of the 42 intensive Blocks only 3 Blocks are selected from minority dominated lower Assam? Why?

(d) Whether PMs 15 point programme has been reflected in selection of these Blocks? Please justify.

(e) What are the schemes being undertaken under ASRLM? Please furnish detailed information.

Shri Rokybul Hussain (Minister of Panchayat & Rural Development) replied :

(a) Yes, it is true. The name of the selected Blocks are as under:

	District	Block
1	Nagaon	Bajiagaon and Barhampur
2	Sonitpur	Chaiduar and Pub Chaiduar
3	Dhemaji	Dhemaji and Sisiborgaon

The Resource Blocks under ASRLMS are yet to be finalized in consultation with the National Resource Organization (NRO), Society for Elimination of Rural Poverty (SERP), Andhra Pradesh.

(b) As per norms of Govt. of India, the broad criteria for selection of districts and blocks for intensive livelihoods support are as follows;

a) Incidence of poverty.

b) Socio economic and agro climatic locations.

c) Presence of social capital developed by earlier programmes and projects.

If permitted by Government of India and accepted by National Resource Organization (NRO), Society for Elimination of Rural Poverty (SERP), Andhra Pradesh, blocks from minority dominated area from lower Assam may be taken up.

(c) In the first AAP (2012-13) 44 Nos of intensive blocks have been selected .Remaining blocks will be selected in a phased manner in the coming years as per the norms of GOI and NRLM framework for implementation. The

criteria for selection does not comprise 'minority' as the component for selection of blocks.

<u>While selecting districts and blocks the entire state was divided into 7 zones as follows:</u>

Zone 1 - Dima Hasao, Karbi Anglong.

Zone 2 - Karimganj, Hailakandi, Cachar.

Zone 3 - Golaghat, Jorhat, Sivsagar, Dibrugarh, Tinsukia.

Zone 4 - Darrang, Sonitpur, Baksa, Udalguri, Barperta, Nalbari.

Zone 5 - Lakhimpur, Dhemaji.

Zone 6 - Morigaon, Nagaon, Goalpara, Kamrup (M), Kamrup (R).

Zone 7 - Dhubri, Kokrajhar, Bongaigaon, Chirang.

Justification :

Zone 1 - Cover Hill Districts.

Zone 2 - Barak Valley districts in Assam.

Zone 3 - Upper Assam and Tea Community based districts.

Zone 4 - Part of common history and reorganization of districts of Assam.

Zone 5 - It covers the most flood affected region of Assam.

Zone 6 - Districts with proximity to head quarter, Guwahati.

Zone 7 - It covers maximum number of BTAD districts of Assam. Dhubri district is also included under this zone because some blocks 'of the district are part of BTAD.

(d) NRLM and PMs 15 point programme are two different Programmes of GOI. NRLM has guidelines for selection of the blocks and beneficiaries Selection of blocks to intensive strategy was done as per norms of Government of India and NRLM for Implementation.

(e) Assam State Rural Livelihoods Mission Society (ASRLMS) is designated as State Rural Mission by state cabinet for rolling out NRLM in the state. ASRLMS is the following schemes:

* Social Mobilization and Institution Building: Organizing women from rural poor households and excluded families into SHGs, federations to provide platforms for collective action based on self-help and mutual cooperation to address issues related to their livelihoods and other dimensions of poverty.

* Capacity Building: Training and capacity building of community cadre, SHGs, federations, staff and stakeholders.

* Upscaling of best practices: Few prevailing home grown models were taken up for upscaling/ strengthening i.e,

Dairy, Shitol Pati etc.

* MKSP: Mahila Kisan Sashaktikaran Pariyojana launched by MoRD, GOI, is a model in promoting sustainable agriculture for poor women. It is being initiated in seven selected districts of Assam with' an aim to benefit 14000 women farming families. The state share of 10% of the project cost is beared by Sir Dorabji Tata Trust.

* Skill development and Placement Programme for BPL youths.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীশ্বেৰমান আলী আহমেদে সুধিছে ঃ

১৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰ্বশিক্ষা অভিযান মিছনৰ বাবে কি কি guideline আছে? Guideline ৰ প্ৰতিলিপিসমূহ সদনৰ মেজত দাখিল কৰিব।

(খ) সৰ্বশিক্ষা অভিযান মিছনৰ অধীনত প্ৰতিবন্ধী শিশুৰ বিকাশৰ বাবে Inclusive Education ৰ অধীনত অসমত স্বেচ্ছোসেৱক/সেৱিকাই ২০০৩চনৰ পৰাই সেৱা আগবঢ়াই থকা কথাষাৰ সত্যনে? যদি সত্য, অসমত মুঠতে কিমানজন স্বেচ্ছাসেৱক/সেৱিকাই বৰ্তমান সেৱা আগবঢ়াই আছে? বাঘবৰ সমষ্টিৰ অন্তৰ্গত প্ৰতি গাঁও পঞ্চায়তত কোন কোন স্বেচেছাসেৱক/সেৱিকাই সেৱা আগবঢ়াই আছে? বিতং তালিকা দাখিল কৰিব।

(গ) এই স্বেচ্ছোসেৱক/সেৱিকা সকলক বৰ্তমান মাহত কিমান টকাকৈ পৰিশ্ৰমিক দি থকা হৈছে?

(ঘ) Inclusive Education ৰ বাবে যোৱা তিনিটা বিত্তীয় বৰ্ষত (2011-

12, 2012-13 & 2013-14) অসমলৈ মুঠতে কিমান টকা আবণ্টন দিয়া হৈছিল আৰু অসম চৰকাৰে কোন কোন শিতানত কিমান টকা খৰচ কৰিলে? বিতং তথ্য দাখিল কৰিব।

ড° হিমন্ত বিশ্ব শর্মা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সৰ্বশিক্ষা অভিযান মিছনৰ Guideline সমূহ তলত উল্লেখ কৰা হ'ল—

(১) SSA Framework

(২) Manual of Financial Management and Procurement, SSA.

(৩) Service and Financial Regulation of Assam, 2003 of SSA.

উক্ত Guideline সমূহৰ একোটাকৈ প্রতিলিপি সদনৰ মজিয়াত দাখিল কৰা হ'ল। ইয়াৰ প্রতিলিপি SSA ৰ WEbsite WWW.SSA.NIC.IN তো উপলব্ধ।

(খ) হয়, সত্য। বর্তমানে অসমত মুঠ ২৭৯৮জন স্বেচ্ছাসেৱক/সেৱিকাই সেৱা আগবঢ়াই আছে। বাঘবৰ সমষ্টিত বিতং তথ্য Annexure-I ত দিয়া হ'ল।

(গ) প্রথম পর্য্যায়ৰ (Old Volunter) সকলক ৩০০০ টকাকৈ আৰু দ্বিতীয় পর্য্যায়ৰ (New Volunter) সকলক ২৫০০টকাকৈ মাননী দি থকা হৈছে।

(ঘ) আৱন্টিত আৰু খচৰ কৰা ধৰণৰ তথ্য তলত দিয়া হ'ল—

বছৰ	মুঠ আৱন্টিত ধন (লাখ)	খৰচ কৰা ধনৰ পৰিমাণ (লাখ)
২০১১-১২	২৯৮৪.২৮	২৬১৫.৯১

২০১২-১৩	২৪৭৬.৫৩	২১৩৬.৬৫
২০১৩-১৪	১৭৭৮.৭৭	৬২৮.৩৬

(৩১-১০-২০১২লৈকে)

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীশ্বেৰমান আলি আহমেদে সুধিছে ঃ

১৪২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রীমহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১-০২ চনৰ পৰা বৰ্তমানলৈ অসমত কি কি নতুন উদ্যোগ ক'ত ক'ত স্থাপন কৰা হৈছে আৰু কোন কোন পুৰণা উদ্যোগ মৃত্যুমুখত পৰিছে? বিতং তথ্য দাখিল কৰিব।

(খ) কেন্দ্রীয় চৰকাৰে গ্রহণ কৰা বিশেষ উদ্যোগনীতিৰ আধাৰত কি কি চৰ্তসাপেক্ষে উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহত স্থাপিত উদ্যোগসমূহলৈ মূলধন বিনিয়োগ, পৰিবহণ, বীমা আৰু সূতৰ ওপৰত ৰাজসাহার্য্য প্রদান কৰা হয়? (এই সম্পর্কে যদি কিবা guideline আছে তাৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিব)

(গ) ২০০১-০২ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈ অসমত স্থাপিত কোন কোন উদ্যোগৰ ক্ষেত্রত মূলধন বিনিয়োগ, পৰিবহণ, বীমা আৰু সূতৰ ওপৰত কিমান কিমান পৰিমাণৰ ৰাজ সাহার্য্য এতিয়ালৈ প্রদান কৰা হ'ল? (বিত্তীয় বৰ্ষৰ ভিত্তিত প্রতিটো উদ্যোগৰ ক্ষেত্রত আগবঢ়োৱা এনে ৰাজসাহার্য্যৰ বিতং তথ্য সদন দাখিল কৰিব)

(ঘ) এই উদ্যোগপতিসমূহৰ কোন কেইজন অসমৰ আৰু কোন কেইজন বহিঃৰাজ্যৰ?

(ঙ) ৰাজসাহার্য্য প্রদান কৰা চাহ উদ্যোগসমূহৰ কোন কেইটা নতুনকৈ স্থাপন হোৱা? আগতে স্থাপন কৰা চাহ উদ্যোগক এই ৰাজসাহার্য্য প্রদান কৰা হৈছে নেকি? বিতংকৈ জনাব।

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিতং তথ্য Annexure 'A' ত গাঠি দিয়া হ'ল।

(খ) বিতং তথ্য Annexure 'B' ত গাঠি দিয়া হ'ল।

(গ) বিতং তথ্য Annexure 'C' ত গাঠি দিয়া হ'ল।

মূলধন বিনিয়োগৰ তালিকা — Annexure 'C1'

পৰিবহণ ৰাজসাহায্য তালিক — Annexure 'C2'

বীমা ৰাজসাহায্য তালিকা — Annexure 'C3'

সূতৰ ৰাজসাহায্য তালিকা — Annexure 'C4'

(ঘ) সকলো ভাৰতীয় নাগৰিকেই অসমত উদ্যোগ স্থাপন কৰিব পাৰে। গতিক অসম আৰু বাহিৰাজ্যৰ উদ্যোগপতিৰ তথ্য ৰেলেগে ৰখা নহয়।

(ঙ) বিতং তথ্য Annexure 'D' ত দিয়া হ'ল।

Sub : Short Notice Question.

Shri Sherman Ali Ahmed asked :

143. Will the Minister Environment and Forest be pleased to state:

(a) Is it true that the vigilance case pending against Sherman Ali Ahmed, AFS (Retd.) is for the period with effect from 1995 to 2005 which took place more than 4 years before his retirement i.e. 30/09/2010 ?

(b) Is it also true that no Departmental or Judicial proceedings were instituted till his retirement?

(c) If answer to question (a) & (b) are yes, then how the

final pension and the,DCRG could be withheld on the plea of the vigilance case for which neither departmental proceedings nor Judicial proceedings were instituted till his retirement? Please justify.

(d) In reply to unstarred Question No.229 dated 20/07/2012, it was stated that DCRG and final pension could not be finalised as per Rule-22 (1) of the "Assam Services (pension) Rules, 1969" . But Rule - 22 (I) of "Assam Services (Pension) Rules, 1969" comes into play only when a departmental or a Judicial proceedings is instituted against the officer. Under such circumstances, why the august House is mislead by providing information which are factually incorrect?

Shri Rokybul Hussam (Minister of Environment & Forest) replied :

(a) Yes, there is a vigilance case pending against Shri S. Ali Ahmed, MLA for the period 1995 to 2005.

(b) Yes.

(c) The final pension papers have been forwarded to Accountant General, Assam for finalization of pension. As for DCRG, the proposal is already under process to forward to Accountant General, Assam

